ISSN-0971-8397

# যোজনা
## আলোচনী গোষ্ঠীৰ মাহেকীয়া
# পয়োভৰা

ষষ্ঠ চত্বাৰিংশ বৰ্ষ | ষষ্ঠ সংখ্যা | আগষ্ট, ২০১৫ | মূল্য ১০.০০ টকা

# সামগ্ৰিক বিকাশ আৰু সামাজিক পৰিবৰ্তন




**বিত্তীয় অন্তৰ্ভুক্তি আৰু সামাজিক পৰিবৰ্তন**
চৰণ সিং, চি এল দধীচ আৰু এছ অনন্ত

**ভাৰতৰ সবলীকৰণৰ বাবে ডিজিটেল পদ্ধতিৰ প্ৰয়োগ**
বিজয় কুমাৰ কৌল

**অৰ্থনৈতিক বিকাশ আৰু সামাজিক উন্নয়ন ঃ ভিন্নতাৰ সমাধানৰ প্ৰয়াস**
এন আৰ ভানুমূৰ্তি, বৰ্ষা শিৱৰাম

**সৰ্বাত্মক দিশৰ বিকাশ কাৰ্যক্ৰমণিকাত লঘু আৰু মজলীয়া উদ্যোগৰ ভূমিকা**
পি এম মেথিউ

# দক্ষ ভাৰত আঁচনি

ভাৰত চৰকাৰে পোন প্ৰথমবাৰৰ বাবে উদ্‌যাপন কৰা বিশ্ব যুৱ দক্ষতা দিৱস উপলক্ষে ২০১৫ চনৰ ১৫ জুলাই তাৰিখে ৰাষ্ট্ৰীয় দক্ষতা বিকাশ অভিযান আৰু দক্ষতা বিকাশৰ বাবে ৰাষ্ট্ৰীয় নীতি আৰু শিল্পোদ্যোগ ২০১৫ উন্মোচনৰ দ্বাৰা দক্ষ ভাৰত প্ৰৱৰ্তন কৰে।

# ৰাষ্ট্ৰীয় দক্ষতা বিকাশ অভিযান

ৰাষ্ট্ৰীয় দক্ষতা বিকাশ অভিযানৰ লক্ষ্য হ'ল ভাৰতীয় নাগৰিকৰ আশা আকাঙ্খাৰে সু-প্ৰশিক্ষিত এটা শ্ৰমশক্তিৰ কাৰণে কৰ্মচাৰীৰ দাবীৰ প্ৰতি পক্ষাৱলম্বনেৰে ফলাফলৰ ওপৰত গুৰুত্ব প্ৰদান কৰি গাঁথনি ৰূপায়ণৰ দ্বাৰা ভাৰতত দক্ষতা বিকাশ প্ৰচেষ্টা দ্ৰুতভাৱে বৃদ্ধি কৰা।

# অভিযানটোৰে বিচাৰে

* দক্ষতা বিকাশৰ বাবে মূৰে মূৰে লগাকৈ ৰূপায়ণ গাঁথনি সৃষ্টি কৰা, যিটোৰে জীৱন জোৰা শিক্ষণৰ সুবিধা আগবঢ়ায় * শ্ৰেণীবদ্ধ কৰ্মচাৰী / ঔদ্যোগিক চাহিদা আৰু বহনক্ষম জীৱিকাৰ কাৰণে প্ৰশিক্ষিত কৰ্মচাৰীৰ সৈতে শ্ৰম শক্তিৰ উৎপাদনশীলতা * দক্ষতা প্ৰশিক্ষণৰ কাৰণে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক ভাৱে গ্ৰহণযোগ্য মান প্ৰতিষ্ঠা কৰা * নিৰ্ণায়ক অসংগঠিত খণ্ডত (উদাহৰণ স্বৰূপে নিৰ্মাণ খণ্ড য'ত দক্ষতা বিকাশৰ বাবে সামান্য সুবিধাহে আছে) দক্ষতা বিকাশৰ বাবে সামৰ্থ্য গঠন আৰু সংগঠিত খণ্ডত নিয়োগ লাভ কৰিবৰ বাবে সমৰ্থ কৰিব পৰাকৈ শ্ৰমিকসকলক পুনৰ দক্ষ আৰু দক্ষতাপূৰ্ণ কৰাৰ বাবে কাৰ্যপন্থা আগবঢ়োৱা * আন্তৰ্জাতিক ভাৱে গ্ৰহণযোগ্য মান লাভ কৰিবলৈ দীৰ্ঘকালীন দক্ষতাৰ বাবে পৰ্য্যাপ্ত পৰিমাণ আৰু উচ্চ মানৰ বিকল্প নিশ্চিত কৰা যিটোৰে পৰিশেষত অতি দক্ষ শ্ৰমশক্তি সৃষ্টিত অৰিহণা যোগাব * উচ্চ মানৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰদ্বাৰা দক্ষতা বিকাশ পাৰিবেশিক ব্যৱস্থাত মানসম্পন্ন নিৰ্দেশক/ প্ৰশিক্ষকৰ নেটৱৰ্কৰ উৎকৰ্ষ সাদন কৰা * বৰ্তমান থকা ৰাজহুৱা আন্তঃগাঁথনি ব্যৱস্থাৰ আৰু দক্ষতা প্ৰশিক্ষণ আৰু সামৰ্থ গঠন প্ৰচেষ্টা বৃদ্ধি কৰাৰ কাৰণে ঔদ্যোগিক সা-সুবিধা * গোলকীয় নিয়োগৰ বাবে অৰ্হতা আৰু আন্তৰ্জাতিক মানৰ কাৰণে নিৰ্দ্দিষ্ট কাৰ্যসূচীৰ জৰিয়তে বিদেশত নিয়োগৰ সুবিধাৰ উপহাৰ * ঋণ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে বৃত্তিগত প্ৰশিক্ষণ ব্যৱস্থা আৰু আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ মাজত পৰিবৰ্তনৰ কাৰণে সক্ষম উপায় * সকলো কেন্দ্ৰীয় মন্ত্ৰালয়/ বিভাগ/ ৰাজ্য/ ৰূপায়ণকাৰী সংস্থাৰ দক্ষতা বিকাশ প্ৰচেষ্টাৰ মাজত একমুখিত আৰু সমন্বয়ৰ উৎকৰ্ষ সাধন * স্পৰ্শ কৰিব নোৱাৰা কাৰ্যসূচীৰ ওপৰত কেন্দ্ৰীভূতকৰণ আৰু নিৰ্দ্দিষ্ট দক্ষতা বিকাশ কাৰ্যাৱলীৰ জৰিয়তে সমাজৰ দুৰ্বল আৰু সুবিধাবঞ্চিত শ্ৰেণীলৈ সমৰ্থন * দক্ষতা প্ৰশিক্ষণৰ মূল্যৰ সন্দৰ্ভত সামাজিক সজাগতা সৃষ্টি কৰি যুৱক-যুৱতীসকলৰ মাজত দক্ষতাৰ অভিলাষী মূল্য প্ৰচাৰ কৰা।

# ৰাষ্ট্ৰীয় দক্ষতা বিকাশ আৰু শিল্পোদ্যোগ নীতি ২০১৫

**অন্তৰ্দৃষ্টি**

ৰাষ্ট্ৰীয় দক্ষতা বিকাশ আৰু শিল্প্যোদ্যোগ নীতি ২০১৫ ৰ অন্তৰ্দৃষ্টি হ'ল — " উচ্চ মানৰ গতিবেগেৰে পাৰদৰ্শী কৰি সবলীকৰণৰ এটা পাৰিবেশিক ব্যৱস্থা সৃষ্টি আৰু দেশৰ নাগৰিকসকলৰ কাৰণে সম্পদ আৰু নিয়োগ সৃষ্টি কৰিব পৰা অভিযোজন ভিত্তিক সংস্কৃতিৰ উৎকৰ্ষ সাধন কৰা।

**মূল্য উদ্দেশ্য**

এই নীতিৰ মূল উদ্দেশ্য হ'ল — এজন ব্যক্তিয়ে জীৱনজোৰা শিক্ষণ প্ৰক্ৰিয়াৰ জৰিয়তে নিজৰ সম্পূৰ্ণ সম্ভাৱনা উপলব্ধি কৰিব পৰাকৈ সমৰ্থ কৰা য'ত— অৰ্হতাসমূহ বিশ্বাসযোগ্য প্ৰত্যয়িতকৰণ, বিত্তীয় লেনদেনত বিশ্বাস যোগ্যতা আৰু হস্তান্তৰ আদি আহিলাৰ জৰিয়তে পুঞ্জীভূত হয় শিল্পোদ্যোগৰ পৰিকাঠামৰ মূল উদ্দেশ্য হ'ল সমগ্ৰ দেশতে শিল্পোদ্যোগৰ বিকাশৰ কাৰণে সমন্বয়সাধন কৰা আৰু প্ৰয়োজনীয় কাৰকসমূহ সবল কৰা ☆ এইটোৰে সামৰি লোৱা দিশবোৰ হ'ল — শিল্পোদ্যোগ সংস্কৃতিৰ উৎকৰ্ষ সাধন কৰা আৰু ইয়াক অভিলাষী কৰা ☆ শিল্পোদ্যোগক সমৰ্থনৰ জৰিয়তে ৰূপায়ণ সাধ্য বৃত্তি বিকল্প হিচাপে উৎসাহিত কৰা ☆ দিহা-পৰামৰ্শ আগবঢ়োৱা আৰু নেটৱৰ্কৰ জৰিয়তে সম্ভাৱনাপূৰ্ণ উদ্যোগীলৈ সমৰ্থন বৃদ্ধি কৰা ☆ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত শিল্পোদ্যোগ শিক্ষা সংহত কৰা ☆ প্ৰবেশ আৰু ওলাই যোৱাৰ হেঙাৰ সমূহ হ্ৰাস কৰি ব্যৱসায় সহজ কৰাটো নিশ্চিত কৰা, ঋণ আৰু বজাৰ সংযোগকৰণেৰে বিত্তীয় ব্যৱস্থাত প্ৰবেশ সহজসাধ্য কৰা, অনুসূচীত জাতি-জনজাতি, সংখ্যালঘু, আন ধৰণেৰে সক্ষম আদি সমাজৰ সামাজিক আৰু ভৌগলিক ভাৱে সুবিধা বঞ্চিত শ্ৰেণীৰ লোকৰ নিৰ্দ্দিষ্ট প্ৰয়োজন পূৰণ কৰাৰ বাবে শিল্প উদ্যোগৰ যোগান ভিত্তি ব্যাপক কৰা।

# এই সংখ্যাত

**পয়োভৰা**

**উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ অসমীয়া ভাষাৰ একমাত্ৰ মাহেকীয়া আলোচনী**


| | | পৃষ্ঠা |
|---|---|---|
| বিত্তীয় অন্তৰ্ভুক্তি আৰু সামাজিক পৰিৱৰ্তন | চৰণ সিং, চি এল দধীচ আৰু এছ অনন্ত | ৩ |
| ভাৰতৰ সবলীকৰণৰ বাবে ডিজিটেল প্ৰযুক্তিৰ প্ৰয়োগ | বিজয় কুমাৰ কৌল | ৮ |
| অৰ্থনৈতিক বিকাশ আৰু সামাজিক উন্নয়নৰ জৰিয়তে ভিন্নতাৰ সমাধানৰ প্ৰয়াস | এন আৰ ভানুমূৰ্তি, বৰ্ষা শিৰৰাম | ১৬ |
| সৰ্বাত্মক দিশৰ বিকাশ কাৰ্যক্ৰমণিকাত লঘু আৰু মজলীয়া উদ্যোগৰ ভূমিকা | ড° পি এম মেথিউ | ২১ |
| সৰ্বাত্মক বিকাশৰ আহিলা ৰূপে কৃষিক গঢ়ি তোলাৰ প্ৰয়াস | ভুৱন ভাস্কৰ | ২৮ |
| ভাৰতীয় বিকাশ সৰ্বাত্মক নে? তাত্ত্বিক ধাৰণা আৰু প্ৰামাণিক তথ্য | শ্ৰীপদ মতিৰাম | ৩৪ |
| ভাৰতত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ৰাজনৈতিক অৰ্থনীতি | চি এছ চি শেখৰ | ৩৮ |
| ভাৰতত নিয়োগ আৰু সৰ্বাত্মক বিকাশ ঃ বিকশিত ধাৰা আৰু দৃশ্যপট | অলখ এন শৰ্মা | ৪৩ |
| উত্তৰ-পূবৰ প্ৰসঙ্গৰে ৰাষ্ট্ৰীয় প্ৰগতিৰ পটভূমিত গ্ৰাম্য জনজীৱন | জয়ন্ত কুমাৰ শৰ্মা | ৪৮ |
| বঙাইগাওঁ জিলাৰ কেইখনমান মনোমোহা বিল | গায়ত্ৰী চাংকাকতী | ৫১ |
| পৰিৱেশ অৰ্থনীতিৰ প্ৰয়োজনীতা | ড° ৰূপজ্যোতি বৰা | ৫৩ |
| আপুনি জানেনে? | | ৫৬ |



সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্চল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 47 No.6**
**ষষ্ঠ চত্বাৰিংশ বৰ্ষ ঃ ষষ্ঠ সংখ্যা**
**আগষ্ট ঃ ২০১৫**


শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব


পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে কে বি পথ নিউ কলনি গৃহ নং ৭,চেনিকুঠি
গুৱাহাটী-৭৮১০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইলঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in

**প্ৰকাশক ঃ** অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩

**মুদ্ৰক ঃ** আশী পাব্লিশিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিচ, বিবিধা কমপ্লেক্স, এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১

# এই সংখ্যাৰ প্ৰসংগত

ভাৰতত স্বাধীনতাৰ ছাৰে ছয় দশকৰ কালছোৱাত অনুন্নত অৱস্থাৰ পৰা অন্যতম বৃহৎ অৰ্থনীতিলৈ ৰূপান্তৰ হোৱা বিকাশৰ কাহিনী উল্লেখযোগ্য। গোলকীয় অৰ্থনীতিত বহু উত্থান-পতনৰ সত্বেও ভাৰতে নিজৰ স্থান সুৰক্ষিত কৰি ৰাখিবলৈ আৰু শেষৰ তিনিমাহত ইয়াৰ বিকাশৰ হাৰ ৭.৫ শতাংশত উপনীত হ'বলৈ সমৰ্থ হৈছে। বিশ্ব বেংকৰ শেহতীয়া প্ৰতিবেদনত ভাৰতক বিশ্বৰ দ্ৰুততম বিকশিত ৰাষ্ট্ৰ হিচাপে প্ৰক্ষেপ কৰা হৈছে। প্ৰতিবেদনমতে, ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন ২০১৫-১৬ বৰ্ষৰ কালছোৱাত ৭.৫ শতাংশ, ২০১৬-১৭ চনত ৭.৯ শতাংশ আৰু ২০১৭-১৮ চনত ৮ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। অৰ্থনৈতিক সূচকে বিগত এটা বছৰত বিকাশৰ চিত্ৰত উল্লেখযোগ্য উন্নতি প্ৰদৰ্শন কৰিছে।

ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীয়ে সংসদৰ দুয়োখন সদনত বাজেট অধিবেশনৰ আৰম্ভণিতে দিয়া ভাষণত "দৰিদ্ৰৰো দৰিদ্ৰজনক সামাজিক বিকাশেৰে সামৰি লোৱাটো" চৰকাৰৰ অগ্ৰাধিকাৰ বুলি উল্লেখ কৰিছিল। এই গুৰুত্ব হ'ল ভাৰতৰ বিকাশৰ গতি বেগ আৰু পদ্ধতিৰ মাজত থকা ব্যৱধানৰ উপলব্ধি হিচাপে হোৱা পৰিণতি। বিভিন্ন দিশত হোৱা দেশৰ প্ৰগতিয়ে সমাজৰ দৰিদ্ৰ আৰু উপান্ত শ্ৰেণীৰ লোকৰ জীৱনৰ সামগ্ৰিক উন্নয়নৰ ৰূপান্তৰ সাধন কৰিব পৰা নাই। যু এন ডি পি-ৰ মানৱ উন্নয়ন সূচাংকত ভাৰতে লাভ-কৰা ১৩৫ সংখ্যক স্থানে এই বাস্তৱ প্ৰতিপন্ন কৰিছে। ভাৰতত ব্যাপক ভিত্তিৰ অৰ্থনৈতিক বিকাশ আৰু অধিক সামগ্ৰিক কৰি তুলিবলৈ বিকাশ প্ৰক্ৰিয়াৰ লাভ ভগাই লোৱাৰ প্ৰয়োজনীয়তা সদায় অনুভৱ কৰা হয়।

" সামগ্ৰিক বিকাশ"ৰ ধাৰণাটো পোনপ্ৰথম একাদশ পাঁচ বছৰীয়া পৰিকল্পনা নথিত পূৰ্বাৱলোকন কৰা হয় যিটোৱে জীৱনৰ মান ব্যাপক ভিত্তিত উন্নীত কৰা আৰু সকলোলৈ সুবিধা আগবঢ়োৱা আদিৰে বিকাশৰ প্ৰক্ৰিয়া লাভ কৰিবলৈ পৰিকল্পনা কৰিছে। দ্বাদশ পৰিকল্পনা নথিয়ে দাৰিদ্ৰ হ্ৰাস, স্বাস্থ্যৰ উন্নতিসাধন, শিক্ষাৰ সুবিধা আৰু জীৱিকাৰ সুবিধা আগবঢ়োৱা আদিৰ ক্ষেত্ৰত দৃঢ়ভাৱে গুৰুত্ব প্ৰদান কৰিছে।

সামগ্ৰিক বিকাশৰ অৰ্থ হ'ল নিয়োগ সুবিধা সৃষ্টি কৰা আৰু দাৰিদ্ৰ হ্ৰাসকৰণত সহায় কৰা অৰ্থনৈতিক বিকাশ। ই শিক্ষা আৰু দক্ষতা বিকাশৰ জৰিয়তে চৰকাৰে সম সুবিধা প্ৰদান আৰু সমভাৱে ব্যক্তিক সবলীকৰণ কৰাটো সামৰি লৈছে। ইয়াৰ নিশ্চিতকৰণৰ বাবে সমাজৰ পৰা বহিঃভূত শ্ৰেণীটোক ঘাই সূতিলৈ আনি দ্ৰুত অৰ্থনৈতিক বিকাশৰ উপকাৰ আৰু সুবিধা লাভ কৰিবলৈ তেওঁলোকক সমৰ্থ কৰাৰ বাবে ভালেমান আঁচনি গ্ৰহণ কৰিছে। এই দিশত দ্বিতীয় অন্তৰ্ভুক্তিৰ প্ৰধান পদক্ষেপ সমূহৰ ভিতৰত প্ৰধান মন্ত্ৰী জন ধন যোজনা অন্যতম। আঁচনিখন প্ৰৱৰ্তন হোৱাৰ দহ মাহৰ ভিতৰত ৯৮ শতাংশ পৰিয়ালে বেংক একাউন্ট লাভ কৰাটোৱে এটা আকৰ্ষণীয় ফলাফল সৃষ্টি কৰিছে। মুদ্ৰা বেংক, এছ ই টি যু, দক্ষ ভাৰত অভিযান আদি শক্তিশালী ব্যৱস্থাই দক্ষ শ্ৰমিক শক্তি আৰু জীৱিকাৰ সুবিধা সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। দেশত বহনক্ষম সুৰক্ষা নেট গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰধান মন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, প্ৰধান মন্ত্ৰী জীৱন সুৰক্ষা যোজনা আৰু অটল পেন্সন যোজনা আদি আঁচনি সমূহ প্ৰৱৰ্তন কৰা হৈছে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতি আইনে (এম জি এন আৰ ই জি এ) মানুহৰ জীৱনৰ মান উন্নীত কৰিছে আৰু ব্যাপক হাৰত প্ৰব্ৰজন ৰোধ কৰিবলৈ সক্ষম হৈছে। কিষাণ কাৰ্ড, প্ৰধান মন্ত্ৰী কৃষি সঞ্চয়ী যোজনা (পি এম কে এছ ৱাই), ৰাষ্ট্ৰীয় কৃষি বজাৰ (এন এ এম ) আদি আঁচনিয়ে দেশখনৰ আৰ্থ-সামাজিক মংগলৰ গুৰুত্বপূৰ্ণ সূচক ভৌম সম্প্ৰদায়টোক ব্যাপকভাৱে সহায় কৰাৰ লক্ষ্য নিৰ্দ্ধৰণ কৰিছে।

সি যি কি নহওক, ১২০ কোটি বৰ্ণাঢ্য জনসংখ্যাৰ সমাজৰ সকলো শ্ৰেণী আৰু দেশৰ সকলো অংশৰ বিকাশ এটা ডাঙৰ প্ৰত্যাহ্বান য'ত উপযুক্ত প্ৰযুক্তি বিদ্যাই ভূমিকা গ্ৰহণত অৱতীৰ্ণ হৈছে। এই মাহত প্ৰৱৰ্তন কৰা ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীয়ে অন্তিমজন ব্যক্তিলৈকে সু-প্ৰশাসন আগবঢ়াই জনসাধাৰণৰ হিতৰ কাৰণে প্ৰযুক্তিবিজ্ঞান সফল আৰু দক্ষভাৱে ব্যৱহাৰ কৰাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিছে। এই অভিযানে শিক্ষা, স্বাস্থ্য, কৃষি আৰু নিৰ্মাণ খণ্ডৰ দৰে মৌলিক খণ্ড সমূহত সম্পূৰ্ণ ৰূপান্তৰ আনিবলৈ প্ৰযুক্তিবিজ্ঞান ব্যৱহাৰ কৰি ইয়াৰদ্বাৰা জীৱনৰ সাধাৰণ মান উন্নীত কৰাৰ লক্ষ্য গ্ৰহণ কৰিছে। "সামগ্ৰিক বিকাশ"ৰ ব্যাপক লক্ষ্যৰে ভাৰতৰ অৰ্থনীতি এতিয়া নতুন দিশত অৱতীৰ্ণ হৈছে, আৰু প্ৰকৃত অৰ্থত নাগৰিকক সুৰক্ষা প্ৰদান, সম অৱস্থান আৰু সুবিধা প্ৰদানৰ বাবে ই ভাৰসাম্য ৰক্ষাৰ কাৰণে অগ্ৰসৰ হৈছে। ◇

# বিত্তীয় অন্তৰ্ভুক্ত আৰু সামাজিক পৰিৱৰ্তন

*** চৰণ সিং , চি এল দধীচ**
**আৰু এছ অনন্ত**

বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰধান উদ্দেশ্য হ'ল দেশৰ বিনিয়োগ আৰু দেশৰ অৰ্থনৈতিক বিকাশ সহজসাধ্য কৰিবলৈ সমাজৰ স্পৰ্শকাতৰ আৰু দুৰ্বল শ্ৰেণীৰ লোকসকলক সহজ চৰ্তত বিত্ত যোগান ধৰা। বিত্তীয় অন্তৰ্ভুক্তিয়ে (এফ আই) সমগ্ৰ দেশতে ন্যায়সংগত পদ্ধতিৰে উন্নত আৰু উত্তম সামাজিক বিকাশৰ সামৰ্থ যোগায়। স্ব-পৰ্য্যাপ্ত আৰু সু বিত্তীয় সিদ্ধান্ত গ্ৰহণ কৰাৰ লক্ষ্যৰে সহায়ক হোৱাকৈ সুন্দৰভাৱে বিজ্ঞ কৰাৰ লক্ষেৰে চলোৱা অভিযানত ই সুবিধাৰ পৰা বঞ্চিত আৰু মহিলাসকলকে ধৰি দৰিদ্ৰসকলক শক্তিশালী কৰাত সমৰ্থ কৰে। বিত্তীয় অন্তৰ্ভুক্তিৰ লক্ষ্য হ'ল সঞ্চয় আৰু পৰিশোধ একাউন্ট, ঋণ নিশ্চিতি আৰু পেন্সন আদিৰ দৰে বিত্তীয় সেৱাৰ ব্যাপক পৰিসৰত সাৰ্বজনীন প্ৰৱেশ নিশ্চিত কৰা। তদুপৰি, বিত্তীয় অন্তৰ্ভুক্তিয়ে ব্যৱসায়ৰ সুবিধা, শিক্ষা, অৱসৰৰ বাবে সঞ্চয় আৰু জৰুৰী ঋণকে ধৰি বিপদৰ প্ৰতিৰোধৰ বাবে বীমা আদিৰ ক্ষেত্ৰত সেৱা আগবঢ়োৱাটোও ইয়াৰ লক্ষ্য। গতিকে বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰধান নিৰ্দ্ধাৰিত লক্ষ্য হ'ল — দেশৰ বৃহৎ সংখ্যক লোকৰ জীৱন ধাৰণৰ মান আৰু উপাৰ্জন উন্নততৰ কৰা।

আনুষ্ঠানিক বিত্তীয় খণ্ডত প্ৰৱেশৰ সম্প্ৰসাৰণৰ প্ৰচেষ্টাৰ বিত্তীয় অন্তৰ্ভুক্তি অবিৰত প্ৰক্ৰিয়াৰ এটা অংশ। চৰকাৰ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে স্বাধীনতাৰ পাছৰে পৰা বিত্তীয় অন্তৰ্ভুক্তিকৰণ সম্প্ৰসাৰণ কৰাৰ বাবে পূৰ্বপৰিকল্পিত ব্যৱস্থা গ্ৰহণ কৰি আহিছে। পূৰ্বৰ ব্যৱস্থাসমূহে আকাঙ্খিত ফল দিব পৰা নাছিল। সি যি কি নহওক, ভাৰত চৰকাৰে শেহতীয়া মাহ কেইটাত বেংক একাউন্ট খোলাৰ দৰে সীমিত অৰ্থত বিত্তীয় অন্তৰ্ভুক্ত নিশ্চিত কৰাৰ বাবে নীতিসমূহ পৰ্যালোচনা কৰিছে। প্ৰধান মন্ত্ৰী জন ধন যোজনা (পি এম জে ডি ৱাই) ই এটা ফলাফল সৃষ্টি কৰিছে আৰু বৰ্তমান ভাৰতৰ প্ৰায় ৯৮ শতাংশ পৰিয়ালৰ বেংক একাউন্ট আছে। ক্ৰমবৰ্ধনশীলভাৱে, এই কাৰ্যসূচীসমূহে ভাৰতৰ ৰূপান্তৰ সাধন কৰিছে আৰু সামাজিক - অৰ্থনৈতিক পটৰ ভিন্ন প্ৰভাৰ সত্বেও পৰিবৰ্তন আনিছে।

## বিত্তীয় অন্তৰ্ভুক্তিৰ ঐতিহাসিক ক্ৰমবিকাশ

নীতি নিৰ্দ্ধাৰকসকলে ঔপনিবেশিক কালৰে পৰা অনানুষ্ঠানিক খণ্ডৰ পৰিসৰ হ্ৰাসকৰণৰ বিষয়টোত জোৰ দি আছে। নিকলচন প্ৰতিবেদন (১৮৯৫) হ'ল ঋণ (ধন) দাতাসকলৰ প্ৰভুত্বৰ বিকল্প হিচাপে "ভূমি বেংক" প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত আলোকপাত কৰা প্ৰথম প্ৰতিবেদন আছিল। পৰিণতিস্বৰূপে,সমবায় ঋণ ছ'ছাইটিজ আইন ১৯০৪ গৃহীত হয়। এই খন আছিল অন্যান্যৰ ভিতৰত সমবায় ঋণ ছ'ছাইটিৰ বাবে আইনগত ভিত্তি। বিত্তীয় প্ৰবেশৰ সম্প্ৰসাৰণৰ ধাৰণাটোৰে স্বাধীনতাৰ আৰু সদৌ ভাৰত গ্ৰাম্য ঋণ জৰীপ ১৯৫১-৫৪ পাছত গুৰুত্ব লাভ কৰিছে , যিটোৱে ১৯৫০-৫১ চনত আঙুলিয়াই দিছিল যে কৃষকলৈ আগবঢ়োৱা মুঠ ঋণৰ ০.৯ শতাংশ হে বাণিজ্যিক বেংকে আগবঢ়াইছিল — যি ক্ষেত্ৰত কৃষি ঋণ দাতাই ২৪.৯ শতাংশ ব্যৱসায়িক ঋণ (ধন) দাতাই আগবঢ়াইছিল ৪৪.৮ শতাংশ (ভাৰতীয় ৰিজাৰ্ভ বেংক ২০০৪,২০১১),। বিত্তীয় অন্তৰ্ভুক্তিৰ পূৰ্বৰ প্ৰচেষ্টাসমূহৰ ভিতৰত আছিল ১৯৫৫ চনত ভাৰতীয় ষ্টেট বেংক ৰাষ্ট্ৰীয়কৰণ আৰু ১৯৬৯ আৰু ১৯৮০ চনত আন কিছুমান বেংকৰ ৰাষ্ট্ৰীয়কৰণ। ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংকৰ (নাবাৰ্ড) প্ৰতিষ্ঠা আৰু কৃষিকে ধৰি নিৰ্দ্দিষ্ট খণ্ড সমূহলৈ ঋণ প্ৰবাহ বৃদ্ধি কৰিবৰ বাবে প্ৰৱৰ্তন কৰা অগ্ৰাধিকাৰ খণ্ড সমূহৰ উদ্দেশ্য হ'ল আনুষ্ঠানিক বিত্তীয় প্ৰতিষ্ঠানত প্ৰৱেশ ব্যৱস্থা উন্নীতকৰণ। ২০০৫ চনত, ভাৰতীয় ৰিজাৰ্ভ বেংকে বিত্তীয় সেৱাৰ সম্পূৰ্ণ পৰিসৰৰ ব্যৱস্থাকে ধৰি ভালেমান ব্যৱস্থাৰ বিষয়ে ঘোষণা কৰে। আৰম্ভণিতে ন' ফ্ৰিল একাউন্ট (২০১২ চনৰ আগষ্ট মাহত বেছিক ছেইভিং বেংক ডিপজিট একাউন্ট আৰু এতিয়া জন ধন একাউন্ট) হিচাপে নতুন নামকৰণ কৰা হৈছে। ৰংগৰাজন কমিটিয়ে (জি অ' আই ২০০৮) দৰিদ্ৰৰ কাৰণে জমা ধনৰ খতিয়ান, ক্ষুদ্ৰ বীমা আৰু পৰিশোধ কৰা

* চৰণ সিং আই এম এম, বেংগালুৰুৰ অৰ্থনীতি বিভাগৰ আৰ বি আই চেয়াৰ প্ৰফেচৰ আৰু আৰ বি আইৰ বেংকিং গবেষণাৰ ভূতপূৰ্ব সঞ্চালক। * চি এল দধীচ ইণ্ডিয়াৰ ছছাইটি অৱ এগ্ৰিকালচাৰেল ইকনমিকছৰ সন্মানীয় সচিব আৰু আৰ বি আইৰ গ্ৰাম্য অৰ্থনীতিৰ ভূতপূৰ্ব সঞ্চালক। * এছ অনন্ত আই ডি আৰ বি টি -ৰ সহযোগী অধ্যাপক (এড্ জাৱক ড ফেকাল্টি) আৰু অন্ধ্ৰ প্ৰদেশৰ বিজয়বাড়াত থকা স্বাধীন গৱেষক।

ধনৰ লগত জড়িত সেৱাৰ সমষ্টি আগবঢ়াবৰ কাৰণে বেংকিং সেৱা সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তাকে ধৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱাৰ পাছত বিত্তীয় অন্তৰ্ভুক্তিয়ে অধিক উদ্দীপনা লাভ কৰিছে। ফলতঃ পৰীক্ষামূলক ভিত্তিত ১০০ শতাংশ বিত্তীয় অন্তৰ্ভুক্তি থকা অন্ততঃ ১ খন জিলা চিনাক্ত কৰিবলৈ বেংকসমূহক উপদেশ দিয়া হৈছে। বেংক সমূহক (ক) দূৰৱৰ্তী গাওঁ সমূহত দুৱাৰ মুখতে পাব পৰাকৈ ন্যুনতম ব্যয়ৰ বেংক সেৱা আগবঢ়াবলৈ আই চি টি ভিত্তিক বাণিজ্যিক যোগাযোগকাৰক মডেল (বি চি মডে'ল) আৰম্ভ কৰা (খ) ২০১০ চনৰ পৰা আৰম্ভ হোৱা ৩ বছৰৰ বাবে বিত্তীয় অন্তৰ্ভুক্তিকৰণ পৰিকল্পনাত (এফ আই পি) বোৰ্ডৰ সন্মতি, (গ) ২০১২ চনৰ ভিতৰত ২০০০ ৰ অধিক জনসংখ্যা আৰু ২০১৩ চনৰ ভিতৰত ১০০০-২০০০ জনসংখ্যা থকা সকলো গাওঁ সামৰি পথ মানচিত্ৰ, (ঘ) অন্ততঃ চাৰিটা বেংকিং উৎপাদনৰ উপলব্ধতা আৰু (ঙ) বেংকে সামৰি নোলোৱা গ্ৰাম্য এলেকাত কমেও ২৫শতাংশ নতুন শাখা মুকলি কৰিবলৈ উপদেশ দিয়া হৈছে।

আন গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহৰ ভিতৰত আছে কিষাণ/ সাধাৰণ ক্ৰেডিট কাৰ্ড প্ৰকাশ কৰা। শেহতীয়া উদগ্ণি হ'ল — মাইক্ৰ ইউনিটছ ডেভলপমেন্ট ৰিফাইনেন্স এজেন্সি (মুদ্ৰা) বেংকে ১০ লাখতকৈ কম টকাৰ বিত্তীয় প্ৰয়োজন হোৱা ক্ষুদ্ৰ উদ্যোগীলৈ আগবঢ়োৱা ঋণৰ সন্দৰ্ভত আলোকপাত কৰিছে। ২০,০০০ কোটি টকাৰ কৰ্পাছসহ গঠিত মুদ্ৰাই পুনৰ বিত্ত যোগান আৰু ভাৰতত থকা ক্ষুদ্ৰ উদ্যোগক বিত্ত যোগান ধৰা বিত্তীয় প্ৰতিষ্ঠানসমূহলৈ সহায় আগবঢ়াব। সি যি কি নহওক, বিভিন্ন প্ৰচেষ্টাৰ সত্বেও বিশেষকৈ গ্ৰাম্য অঞ্চলত থকা ঋণ যোগান ধৰা আনুষ্ঠানিক উৎসৰ ব্যাপ্তি মন্থৰ পৰিলক্ষিত হৈছে। নিখিল ভাৰত ঋণ আৰু বিনিয়োগ জৰীপত লাভ কৰা (এ আই ডি আই এছ ২০১৩) প্ৰতিষ্ঠানিক সংস্থাৰ ওচৰত ঋণী পৰিয়ালৰ হাৰ হ'ল ১৭.২ শতাংশ। আনহাতে অ-প্ৰতিষ্ঠানিক সংস্থাৰ ওচৰত ঋণী পৰিয়ালৰ হাৰ হ'ল ১৯ শতাংশ। সেয়েহে গ্ৰাম্য অঞ্চলত আনুষ্ঠানিক খণ্ডৰ সম্প্ৰসাৰণ আৰু বিভিন্ন কাৰ্যসূচী সমূহ ঋণৰ প্ৰভাৱশালী উৎস ধন ধাৰে দিওঁতাসকলক স্থানচ্যুত কৰাত সফল হোৱা নাই। অনন্ত আৰু অংকুৰে (২০১৩) দৰিদ্ৰসকলৰ বাবে আনুষ্ঠানিক বেংক সেৱাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত প্ৰতিৰোধক হিচাপে কাম কৰা বিভিন্ন কাৰণ দৰ্শাইছে। সিং আৰু নাইকে (২০১৫) ২০১৪ চনৰ আগভাগত গুবিত গ্ৰহণ কৰা জৰীপৰ প্ৰতিবেদনৰ ফলাফলৰদ্বাৰা বিত্তীয় অন্তৰ্ভুক্তি আৰ্হিৰ চাহিদা আৰু যোগানৰ দিশটো পৰীক্ষালব্ধভাৱে অধ্যয়ন কৰিছিল।

এই প্ৰসংগত প্ৰধান মন্ত্ৰী জন ধন যোজনা পূৰ্বৰ প্ৰচেষ্টাসমূহতকৈ পৃথক। ইয়াৰ কাৰণে কেৱল অন্তৰ্ভুক্তি অভিযান সদৃশ প্ৰচেষ্টাৰে ৰূপায়ণ কৰিবলৈ লোৱাৰ কাৰণেই নহয়, ৰূপে ডেবিট কাৰ্ড, ক্ষুদ্ৰ বীমা আৰু পৰিয়ালসমূহক বেংকিং ব্যৱস্থাৰে সামৰি লোৱাৰ সন্দৰ্ভত গুৰুত্ব প্ৰদান কৰাটোও। প্ৰধান মন্ত্ৰী জন ধন যোজনা প্ৰৱৰ্তনৰ সময়ত ২০১৫ চনৰ ২৬ জানুৱাৰী তাৰিখৰ ভিতৰত ৭ কোটি ৫০ লাখ একাউন্ট খোলাৰ নিৰ্দ্ধাৰিত লক্ষ্যৰ বিপৰীতে অভিলেখ ভংগকাৰী সফলতা লাভ কৰিছে কোটিৰ হিচাপত।

## বিত্তীয় অন্তৰ্ভুক্তিৰ আৰ্থ-সামাজিক প্ৰভাৱ

অন্তৰ্ভুক্তিৰ কাৰণে উদ্যমৰ বেংকিঙতকৈয়ো অধিক ইংগিত আছে। বিগত দুটা দশকৰো অধিক সময়ছোৱাত স্পষ্ট হৈছে যে অৰ্থনৈতিক বিকাশৰ বাবে শক্তিশালী) বেংক খণ্ডৰ সৃষ্টি আৰু সম্প্ৰসাৰণ দৰ্কাৰ। ঐতিহাসিকভাৱে, অৰ্থনৈতিক পৰিবৰ্তনে অহৰহ সামাজিক পৰিবৰ্তন আনিব পাৰে। অন্তৰ্ভুক্তি সম্প্ৰসাৰণৰ বাবে উদ্যমে প্ৰধান অৰ্থনৈতিক আৰু সামাজিক পৰিবৰ্তনৰ সূচনা কৰে। কৃষিত দ্ৰুত কাৰিকৰী প্ৰয়োগ, পৰিবহনত বিকাশ, যোগাযোগ আৰু অন্যান্য প্ৰযুক্তিগত পৰিবৰ্তনেৰে গ্ৰাম্য ভাৰত এটা ডাঙৰ পৰিৱৰ্তনৰ সাক্ষী হৈছে।

(তালিকা ১) ৰ **কোটি হিচাপত**

| ক্ৰমিক নম্বৰ | | মুকলি কৰা একাউন্টৰ সংখ্যা | | | ৰূপে ডেবিট কাৰ্ডৰ সংখ্যা | একাউন্টৰ বেলেঞ্চ | জিৰ' বেলেঞ্চ একাউন্টৰ শতাংশ |
|---|---|---|---|---|---|---|---|
| | | গ্ৰাম্য | নগৰ | মুঠ | | | |
| ১ | ৰাজহুৱা খণ্ডৰ বেংক | ৬.৯ | ৫.৮ | ১২.৭ | ১১.৯ | ১৪৩৫৭.৫ | ৫২.৩ |
| ২ | ব্যক্তিগত খণ্ডৰ বেংক | ২.৫ | ০.৪ | ২.৯ | ২.১ | ৩২৫৮.৫ | ৫২.১ |
| ৩ | আঞ্চলিক গ্ৰাম্য বেংক | ০.৪ | ০.৩ | ০.৭ | ০.৬ | ১০৬৮.৬ | ৪৯.৩ |
| | মুঠ | ৯.৭৯ | ৬.৫ | ১৬.৩ | ১৪.৫ | ১৮৬৮৪.৬ | ৫২.২ |

উৎসঃ ৬০২ (২০১৫ এ)

বেংকিং ব্যৱস্থাৰ লেনদেনত আৰ্থ-সামাজিক পৰিবৰ্তন সমূহ স্পষ্টভাৱে প্ৰতিফলিত হৈছে (তালিকা নং ২)।

তিনিখন বহন কৰিব পৰা

সামাজিক সুৰক্ষা আঁচনি — প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা, প্ৰধান মন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা আৰু অটল সম্ভাৱনীয় সামাজিক প্ৰভাৱ হ'ল ইয়াৰ সামৰ্থ্য। এই তিনিখন আঁচনিয়ে প্ৰায় ১০.৪ কোটি লোক সামৰি লৈছে (জি অ' এল, ধৰণ-কৰণ সলাই দিব পাৰে য'ত লাভসমূহ নাগৰিক সকলক বিতৰণ কৰাৰ লগতে দৰিদ্ৰ আৰু অসংগঠিত খণ্ডত কাম কৰা

## তালিকা ২ ঃ অৰ্থনৈতিক অন্তৰ্ভুক্তিৰ অগ্ৰগতি ঃ বেংক আৰু আৰ আৰ বি এছ

| বিস্তৃত বিৱৰণ | বৰ্ষৰ সমাপ্তি | বৰ্ষৰ সমাপ্তি | বৰ্ষৰ সমাপ্তি | বৰ্ষৰ সমাপ্তি | বৰ্ষৰ সমাপ্তি |
|---|---|---|---|---|---|
| গাওঁ সমূহত বেংকিং মাধ্যম | ২০১০ | ২০১১ | ২০১২ | ২০১৩ | ২০১৪ |
| ক) শাখা | ৩৩,৩৭৮ | ৩৪,৮১১ | ৩৭,৪৭১ | ৪০,৮৩৭ | ৪৬,১২৬ |
| খ) শাখাবিহীন প্ৰকাৰ | ৩৪,৩১৬ | ৮১,৩৯৭ | ১৪৪২৮২ | ২,২৭,৬১৭ | ৩,৩৭,৬৭৮ |
| গ) মুঠ | ৬৭,৬৯৪ | ১,১৬,২০৮ | ১,৮১,৭৫৩ | ২,৬৮,৪৫৪ | ৩,৮৩,৮০৪ |
| বি চি সমূহৰ জৰিয়তে নগৰ অৱস্থিতি | ৪৪৭ | ৩,৭৭১ | ৫,৮৯১ | ২৭,১৪৩ | ৬০,৭৩০ |

### বেছিক ছেভিং বেংক ডিপ'জিট এ/চি শাখাসমূহ

| | | | | | |
|---|---|---|---|---|---|
| ক) নিযুতৰ হিচাপত সংখ্যা | ৬০.১৯ | ৭৩.১৩ | ৮১.২০ | ১০০.৮০ | ১২৬.০০ |
| খ) বিলিয়নৰ হিচাপত টকাৰ পৰিমাণ | ৪৪.৩৩ | ৫৭.৮৯ | ১০৯.৮৭ | ১৬৪.৬৯ | ২৭৩.৩০ |

### বেছিক ছেভিং বেংক ডিপ'জিট এ/চি বি চি সমূহ

| | | | | | |
|---|---|---|---|---|---|
| ক) নিযুতৰ হিচাপত সংখ্যা | ১৩.২৭ | ৩১.৬৩ | ৫৭.৩০ | ৮১.২৭ | ১১৬.৯০ |
| খ) বিলিয়নৰ হিচাপত টকাৰ পৰিমাণ | ১০.৬৯ | ১৮.২৩ | ১০.৫৪ | ১৮.২২ | ৩৯.০০ |

### বি এছ বি ডি এ-ৰ একাউন্টৰ অভাৰ ড্ৰাউট্ সুবিধা লাভ

| | | | | | |
|---|---|---|---|---|---|
| ক) নিযুতৰ হিচাপত সংখ্যা | ০.১৮ | ০.৬১ | ২.৭১ | ৩.৯২ | ৫.৯০ |
| খ) বিলিয়নৰ হিচাপত টকাৰ পৰিমাণ | ০.১০ | ০.২৬ | ১.০৮ | ১.৫৫ | ১৬.০০ |

### কে চি চি

| | | | | | |
|---|---|---|---|---|---|
| ক) নিযুতৰ হিচাপত সংখ্যা | ২৪.৩১ | ২৭.১১ | ৩০.২৪ | ৩৩.৭৯ | ৩৯.৯০ |
| খ) বিলিয়নৰ হিচাপত টকাৰ পৰিমাণ | ১২৪০.১০ | ১৬০০.০৫ | ২০৬৮.৩৯ | ২৬২৩.০০ | ৩৬৮৪.৫০ |

### জি চি চি

| | | | | | |
|---|---|---|---|---|---|
| ক) নিযুতৰ হিচাপত সংখ্যা | ১.৪০ | ১.৭০ | ২.১১ | ৩.৬০ | ৭.৪০ |
| খ) বিলিয়নৰ হিচাপত টকাৰ পৰিমাণ | ৩৫.১০ | ৩৫.০৭ | ৪১.৮৪ | ৭৬.৩০ | ১০৯৬.৯০ |

উৎস ঃ জি অ' আই (২০১৪ চি) আৰু বি আই (২০১৩,২০১৪,২০১৫)

পেন্সন যোজনাৰে সৰ্বাত্মক সামাজিক সুৰক্ষা নেট সৃষ্টি কৰিবলৈ জন ধনৰ ২০১৫ চি)। প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ একাউন্টক সাৰথি কৰি এই আঁচনিসমূহে সকলৰ বাবে সামাজিক সুৰক্ষা নেট সৃষ্টি কৰা হয়।

বিত্তীয় অন্তৰ্ভুক্তিত প্ৰযুক্তি বিজ্ঞান সন্মুখভাগ হিচাপে পৰিগণিত হৈছে, বিশেষকৈ ২০১০ চনৰ পাছত। প্ৰযুক্তিগত প্ৰগতিআৰু প্ৰযুক্তিগত বিনিয়োগ য সমাৰ্থন অহৰহ হ্ৰাসে প্ৰধান মন্ত্ৰী জন ধন যোজনালৈ আশা কঢ়িয়াই আনিছে। জন ধন, আধাৰ আৰু ম'বাইলৰ (জে এ এম) এটা বিৰল সুবিধা আগবঢ়োৱাৰ বাবে ক্ৰেডিট আৰু ডেবিট কাৰ্ড ব্যৱহাৰ কৰাৰ প্ৰস্তাৱিত ৰেহাইসহ জন ধন, আধাৰ আৰু ম'বাইলৰ (জে এ এম) সমাহাৰে আমাৰ অৰ্থনীতি আৰু সমাজৰ উদাহৰণ যোগ্য দিশ সলনি সহজসাধ্য কৰিব পাৰে। চৰকাৰী সেৱাৰ বিতৰণ ব্যৱস্থাৰ উন্নয়নৰ কাৰণে তথ্য যোগাযোগ প্ৰযুক্তিৰ ক্ষেত্ৰত বিভিন্ন ৰাজ্য চৰকাৰৰদ্বাৰা বিনিয়োগৰ সৈতে বেংকিং খণ্ডৰ সম্প্ৰসাৰণ 'আধাৰ' এটা অনন্য মাত্ৰা আৰু ডিজিটেল পাৰিবেশিক ব্যৱস্থা গঢ়ি তুলিব পাৰকৈ এটা গাঁথনি সৃষ্টিৰ বাবে অদ্যাপি অন্যান্য সুবিধা দান কৰিছে। আমাৰ ক্ষেত্ৰ অধ্যয়নত লাভ কৰা আমোদজনক ক্ষুদ্ৰ কাহিনী অনুসৰি জন ধন যোজনাৰ ব্যাপ্তি ঘটোৱাটো জটিল বিবেচনা নহ'ব পাৰে বুলি ইংগিত দিয়ে কিয়নো বাস্তৱ ক্ষেত্ৰত দেখা যায় যে বেছিভাগ গ্ৰাম্য পৰিয়ালে নিজৰ থকা ঠাইৰ পৰা ২৫ বৰ্গ কিলোমিটাৰৰ ভিতৰৰ এলেকাত তেওঁলোকৰ ধন খৰচ কৰে। ভাৰতৰ অৰ্থনৈতিক ভূগোল হ'ল প্ৰায়ভাগ গাওঁ নগৰৰ পৰা ৫-২৫ কিলোমিটাৰ ব্যাসাৰ্দ্ধ দূৰত্বৰ ভিতৰত।

জন ধন যোজনাৰ একাউন্টে ব্যৱহাৰকাৰীসকলক এটা বৃহৎ নেটৱৰ্কৰ ক্ষুদ্ৰ ব্যৱসায়ৰ লগত যোগসূত্ৰ স্থাপন কৰিবলৈ সুবিধা প্ৰদান কৰে — ইয়াৰে ভালেসংখ্যক লোকে ইতিমধ্যে আনুষ্ঠানিক বেংকিং ব্যৱস্থাত প্ৰৱেশ কৰিছেই। আধাৰ সমৰ্থিত ক্ষুদ্ৰ এ টি এম সমূহে (বি চি আউটলেট) নগদ ধন পৰিশোধ ব্যৱস্থাৰ সলনি বায়'মেট্ৰিকছ পদ্ধতিৰে বৈধতা প্ৰদান কৰা ৰূপে কাৰ্ড ব্যৱহাৰ কৰাৰ সুবিধা প্ৰদান কৰে। সি যি কি নহওক কাৰ্ড ব্যৱস্থাত কিছুমান নিৰ্দ্দিষ্ট চৰ্ত পূৰণ কৰিব লাগে। উল্লেখযোগ্যভাৱে, বেংকসমূহে প্ৰায় তাৎক্ষণিকভাৱে ধন স্থানান্তৰ কৰাত সমৰ্থ হোৱাকৈ এটা ব্যৱস্থা গঢ় দিয়াৰ প্ৰয়োজন — আৰু যদিহে প্ৰতিটো ৰূপে কাৰ্ড ইনবিল্ড ইমিডিয়েট পেমেন্ট ছাৰ্ভিছ (আই এম পি এছ) পঞ্জীকৰণ আৰু নিয়েৰ ফিল্ড কমিউনিকেশ্বনছ (এন এফ চি) তেগ সহ প্ৰদান কৰা হয় তেনেহ'লে সমস্যা নহ'ব। এনেধৰণৰ ডিজিটেল পাৰিবেশিক ব্যৱস্থাৰ বৈদ্যুতিন লেনদেনে নগদ ধন দিয়া ব্যৱস্থা চ্যুত কৰাৰ ব্যৱস্থা এটা সহজসাধ্য কৰাৰ সামৰ্থ আছে। প্ৰযুক্তিগত অগ্ৰগতি আৰু ম'বাইল ফোনে বিপুল পৰিমাণৰ নিৰক্ষৰ জনসংখ্যা থকা ভাৰতৰ দৰে দেশ এখনলৈ আশাৰ বতৰা আনিছে। এনে প্ৰযুক্তিগত বিকাশৰ এটা হ'ল ছেমছাঙৰ বাবে ফোন মেম'ৰিত বৈধ আঙুলিৰ ছাপৰ ইমেজ ষ্ট'ৰৰ সৈতে ইতিবাচক ভাৱে ব্যৱহাৰ কৰি সংস্পৰ্শহীন আঙুলিৰ ছাপ বিশ্বাসযোগ্যতা কৰণ পেটেন্টত আমেৰিকাৰ শেহতীয়া অনুমোদন।

বি চি আৰ্হিয়ে (বিজিনেছ কৰেছ্পণ্ডেন্ট) সমূহীয়া কেন্দ্ৰৰ মাজত দ্ৰুত অৱলম্বন প্ৰত্যক্ষ কৰিছে, বিশেষকৈ ই সফলভাৱে কাম কৰাৰ সময়ত আৰু আনুষ্ঠানিক বিত্তীয় সেৱাৰ কাৰণে পূৰাব নোৱাৰা বৃহৎ দাবীৰ ই সূচনা। বেংকৰ কম সুবিধা থকা এলেকাত যোগাযোগ ব্যৱস্থা, নিম্ন লেনদেন ব্যয় আৰু উচ্চ ঋণ পৰিশোধ হাৰৰ ৰূপত উন্নত বেংকিং সম্পৰ্ক — এই তিনিটা তাৎক্ষণিক সুফল অধিক স্পষ্টভাৱে দৃষ্টিগোচৰ হয়। বেংকৰ ব্যাপ্তিত নেটৰ প্ৰভাৱ বৃহৎ পৰিমাণৰ নহলেও ই অতীত অনানুষ্ঠানিক সেৱা আগবঢ়াওঁতাই আগবঢ়োৱা বিভিন্ন সেৱাৰ এ টি এম আৰু বিচি সমূহৰ বিস্তৃতি ঘটাৰ বাবে অনানুষ্ঠানিক ধন হস্তান্তৰ কৰ্তাৰ বিলোপ ঘটোৱাত ভূমিকা লৈছে। একেদৰে বেংকে ক'ৰ বেংকিং চলিউছ্নছ (চি বি এছ)ৰ জৰিয়তে ধন স্থানান্তৰকৰণৰ ক্ষেত্ৰত তেওঁলোকৰ বিনিয়োগ ব্যৱহাৰ কৰাৰ ফলত এটা প্ৰেৰিত ধনৰ ব্যয়ৰ ক্ষেত্ৰতো বিগত চাৰিটা বছৰত তীব্ৰ হ্ৰাস পৰিলক্ষিত হৈছে। কিছুমান গাৱঁত বি চি সমূহে চৰ্ত জমা কাৰ্যকৰীকৰণত বেংকক প্ৰয়ে সহায় কৰে — নহ'লে ইয়াৰ অধিক সংখ্যক অধিক বিপদ শংকিত বিনিয়োগ, অনানুষ্ঠানিক বিনিয়োগ হ'লহেতেঁন। ভাৰতত প্ৰথমবাৰৰ বাবে এই ক্ষেত্ৰত হোৱা বৃহত্তৰ সফলতাই আনুষ্ঠানিক খণ্ডৰ জৰিয়তে সঞ্চযৰ সদ্ব্যহাৰ কৰিবলৈ সুবিধা আগবঢ়ায় আৰু ইয়াৰদ্বাৰা পৰিয়ালসমূহে নিজৰ সঞ্চয় হেৰুওৱাৰ আশংকাৰ অবিহনে ঘৰুৱা ব্যৱস্থাত প্ৰৱেশ কৰিবলৈ ই মূল্যবান উপায় সৃষ্টি কৰিছে। সামাজিক ভাৱে পৰিয়ালসমূহলৈ আগবঢ়োৱা এই উপহাৰ অসৎ পিৰামিড আঁচনি আৰু আন অনানুষ্ঠানিক আহিলাও বিনিয়োগ কৰি সেইবোৰ হানি হোৱাতকৈ শিক্ষা, স্বাস্থ্য, গৃহনিৰ্মাণ আহি ক্ষেত্ৰত বেংকিং ব্যৱস্থাৰ সৈতে নিজৰ সঞ্চয় প্ৰশস্ত কৰিবলৈ সুবিধা দিছে।

**জন ধন আৰু পৰৱৰ্তী কাল**

জন ধন যোজনাৰ সাফল্য নিশ্চিত নহয়। ইয়াৰ বিপৰীতে আনুষ্ঠানিক বেংক ব্যৱস্থাই ব্যক্তিগত অনানুষ্ঠানিক ধন ধাৰে দিওঁতাৰ ব্যৱস্থা বিলোপ কৰিব পাৰিলেহে ইয়াৰ চূড়ান্ত সাফল্যৰ ইংগিত পোৱা যাব। বৰ্তমান প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ পৰিকল্পিত হিতাধিকাৰীক তৎক্ষণাত পাব পৰাত বাধ্য কৰোৱা দুটা প্ৰধান বিষয় হ'ল প্ৰৱেশ বিন্দুৰ অভাৱ আৰু বি চি সমূহৰ জৰিয়তে মুকলি কৰা একাউন্টৰ সন্দৰ্ভত লেনদেন সীমিত সুবিধা (অনন্ত আৰু অংকু - ২০১৪ দধীচ

২০১৪)।প্ৰবেশ বিন্দুৰ অভাৱৰ অৰ্থ হ'ল — ভাৰতৰ আৰ্দ্ধেক গাঁৱত বেংকিং প্ৰবেশৰ অভাৱ।(তালিকা ২,) প্ৰধান মন্ত্ৰী জন ধন যোজনাৰ একাউন্টৰ ক্ষেত্ৰত থকা লেনদেনৰ সীমা নিৰসনে এই একাউন্ট অতি সঘনাই ব্যৱহাৰ কৰাত অধিক আকৰ্ষণীয় কৰি তুলিব।

জন ধনৰ সাফল্য আৰু অতি গুৰুত্বপূৰ্ণ কথাটো হ'ল বেংকিং সংস্কৃতিৰ বিকাশত বি চি চেনেলৰ জৰিয়তে মুকলি কৰা একাউন্টৰ ক্ষেত্ৰত সীমিত শিথিলতা আৰু লেন দেনৰ সীমাবদ্ধতাই প্ৰতিৰোধৰ সৃষ্টি কৰিছে। বেছিভাগ বেংকৰে দৈনিক জমা বা টকা উলিয়াই অনাৰ লেনদেনৰ ক্ষেত্ৰত ১৫০০ ৰ পৰা দহহেজাৰ টকাৰ ভিন্নতা আছে।যি কোনো এটা লেনদেনত সৰ্বোচ্চ অনুমোদন হ'ল ৫০ হেজাৰ টকা। এই সীমাৰ অধিক লেনদেনৰ ক্ষেত্ৰত বি চি এ একাউন্টধাৰী জনৰ লগত শাখাত উপস্থিতি হ'বগে লাগে আৰু প্ৰয়োজনীয় অনুমোদন ল'ব লাগে। এদিনত ১০ হেজাৰতকৈ অধিক টকাৰ লেনদেন কৰা নহয়। এই সমস্যাবোৰ আমনিদায়ক কিয়নো একাউন্টধাৰী সকলে চৰকাৰৰ প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে বিভিন্ন চৰকাৰী সংস্থা বা জীৱন বীমা নিগমৰ পৰা পাবলগীয়া ধন ল'বলৈ এই একাউন্ট নম্বৰ দিয়ে আৰু তাৰ ফলত এদিনত লেনদেনৰ পৰিমাণটো অনুমোদিত পৰিমাণতকৈ বৃদ্ধি পায়।

বিত্তীয় অন্তৰ্ভুক্তি সহায়ক হ'ব যদিহে ডাকঘৰ সমূহ বেংকিং সেৱা সম্প্ৰসাৰণত ব্যৱহাৰ কৰা যায় বুলি সিঙে (২০১৪) মত প্ৰকাশ কৰিছে। ডাকঘৰ সমূহত প্ৰায় ২৮ কোটি একাউন্ট আছে ইয়াৰে ১৩ কোটিতকৈয়ো অধিক সঞ্চয় আৰু ১১ কোটিতকৈ অধিক আৱৰ্তক জমা একাউন্ট আছে। সমাজৰ সকলো শ্ৰেণীক বিত্তীয় ভাৱে অন্তৰ্ভুক্ত কৰাৰ নিৰ্দেশ অনুযায়ী যদিও ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে তথাপি এই ব্যৱস্থাবোৰত সফলতা আংশিক হৈ ৰৈছে।একেদৰে, আৰন্টিত সামগ্ৰী বিতৰণ কৰা সুলভ মূল্যৰ দোকান সমূহৰ ব্যৱহাৰ প্ৰধান মন্ত্ৰী জন ধন যোজনা একাউন্ট প্ৰবেশ সম্প্ৰসাৰণৰ সহায় কৰিব পৰা আন এটা উপকাৰী উপায় হ'ব পাৰে, যিটোৱে ডিজিটেল পাৰিবেশিক ব্যৱস্থা সৃষ্টি কৰাৰ বেলিকা গাঁৱৰ আৰ্থ-সামাজিক গাঁথনিত ডাঙৰ পৰিবৰ্তন আনিব পাৰে। এটা উদাহৰণ এই খিনিতে উল্লেখ কৰিব পাৰি — অন্ধ্ৰপ্ৰদেশ চৰকাৰে হিতকাৰী উদ্‌গণিমূলক ব্যৱস্থা প্ৰৱৰ্তন কৰিছে (বৰ্তমান ৰূপায়ণৰ বিভিন্ন স্তৰত আছে) — " যি কোনো ঠাইতে " আৰন্টিত অংশ" (ৰেশ্বন) - যি ব্যৱস্থাই এজন লোকক যি কোনো দোকানৰ পৰা আৰন্টিত অংশ সংগ্ৰহ কৰিবলৈ সমৰ্থ কৰিব। শেহতীয়াভাৱে সামৰণি পৰা এটা সফল পৰীক্ষামূলক প্ৰকল্পই মহানগৰত থকা অসামৰিক যোগান বিভাগৰ যি কোনো এখন সুলভ মূল্যৰ দোকানৰ পৰা নাগৰিকসকলে তেওঁলোকৰ বাবে আৰন্টিত অংশ সংগ্ৰহ কৰাত সমৰ্থ কৰিছে। অসামৰিক যোগান বিভাগটো আধাৰৰ সৈতে ডাটাবেছ যোগসূত্ৰিত হোৱাৰ বাবে বিভাগটোৱে প্ৰকৃত সময়ত আৰন্টিত সামগ্ৰীৰ যোগান ধৰিব পাৰে। সকলো সুলভ মূল্যৰ দোকানক (২৭,১৭৬) ২৬৭ টা মণ্ডল (তেহছিল) পৰ্য্যায়ৰ মজুত ঠাইৰ লগত যোগসূত্ৰ স্থাপন কৰা বিক্ৰী যন্ত্ৰ প্ৰদান কৰিছে যিবোৰ কেন্দ্ৰীয় স্থাপনৰ পৰা চোৱাচিতা কৰা হয়। সুলভ মূল্যৰ দোকান সমূহক বহুমুখী দোকানলৈ ৰূপান্তৰিত কৰা হৈছে যিবোৰে বেংকিং খণ্ড ঢুকি পাব পৰাকৈ ব্যাপ্ত কৰাত সহায় কৰি বিত্তীয় লানিকে ধৰি বিভিন্ন সেৱা আগবঢ়াইছে।

**সামৰণি**

বিত্তীয় অন্তৰ্ভুক্তিয়ে অৰ্থনীতিত উল্লেখযোগ্য পৰিবৰ্তন আনিব বুলি আশা কৰা হৈছে বিশেষকৈ গ্ৰাম্য এলেকাত — প্ৰধান মন্ত্ৰী জন ধন যোজনা, স্বৰ্ণ বিকাশ আঁচনি আৰু মুদ্ৰাৰ দৰে আঁচনিৰ বাবে বিত্তীয় আহিলাৰ উপলব্ধতাৰ বিপ্লৱ দেখিবলৈ পোৱা যাব বুলি আশা কৰা হৈছে। বেংকৰ জৰিয়তে পৰিচালিত হোৱা প্ৰত্যক্ষ লাভ হস্তান্তৰ পৰিয়ালসমূহলৈ কোনো সম্পত্তি নগদ ধনলৈ ৰূপান্তৰ কৰা প্ৰবাহৰ নিয়মীয়াকৰণ আৰু ইয়াৰ লগতে বিনিয়োগৰ সুবিধাও নিশ্চিত কৰিব। এইখন বজাৰৰ মূল চালিকা শক্তি হ'ব বেংক ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান, আত্ম সহায়ক গোট, ডাকঘৰ আৰু মুদ্ৰা বেংক। এই বেংকিং ব্যৱস্থাটো প্ৰধানকৈ সম্পদৰ প্ৰবাহত ডাঙৰ বাহক হ'ব আৰু এই ব্যৱস্থাটোৰ ভিতৰতে অধিক বিত্তীয় আহিলা ধৰি ৰাখিবলৈ আৰু পুঁজি ৰাখিবলৈ সুবিধা আগবঢ়াব বুলি আশা কৰিব পাৰি ।একেদৰে, গ্ৰাম্য এলেকাত ডাকঘৰৰ ১,৪০,০০০ টা শাখাই এই সম্পদসমূহ আহৰণ কৰিবলৈ নতুন আঁচনি প্ৰৱৰ্তন কৰিব বুলি আশা কৰিব পাৰি। বজাৰত প্ৰত্যাশা কৰিব পৰা আহিলাসমূহ হ'ল — বিভিন্ন প্ৰকাৰৰ বেংক জমা, ডাক কাৰ্যালয়ৰ জৰিয়তে ক্ষুদ্ৰ সঞ্চয়, স্বৰ্ণ বণ্ড — আৰু নতুন আহিলা — যিবোৰ উপৰোক্ত প্ৰতিষ্ঠান সমূহৰদ্বাৰা আঁচনি আৰম্ভ কৰিব পাৰি।

এই অগ্ৰগতিসমূহে অৰ্থনীতিত সৃষ্টিমূলক সম্ভাৱনা আনিব বুলি আৰু বজাৰৰ কাৰণে ধাৰণা নিৰ্মাণ সামগ্ৰীলৈ ৰূপান্তৰ কৰিবলৈ সহজ বিত্ত যোগান ধৰিব বুলি আশা কৰা হৈছে। সামগ্ৰিক বিকাশৰদ্বাৰা উচ্চপৰিমাণৰ নিয়োগ সৃষ্টি কৰি অৰ্থনীতিক এটা নতুন ৰূপ দি "মেইক ইন ইণ্ডিয়া'ৰ উদ্দেশ্য সবল কৰি তুলিব পৰা যাব বুলি আশা কৰা হৈছে। ◇

# ভাৰতৰ সবলীকৰণৰ বাবে ডিজিটেল প্ৰযুক্তিৰ প্ৰয়োগ

*** বিজয় কুমাৰ কৌল**

## পাতনি

চলিত বৰ্ষৰ ১ জুলাইত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ডিজিটেল ইণ্ডিয়া সপ্তাহ উদ্বোধন কৰে। এয়া হ'ল ডিজিটেল প্ৰযুক্তিৰ ক্ষেত্ৰত সৃষ্টি হোৱা নতুন জোৱাৰ— যি তথ্য প্ৰযুক্তি, টেলিসংযোগ, ইন্টাৰনেট আৰু ইয়াৰ সতে সম্পৰ্ক থকা অন্যান্য প্ৰযুক্তিসমূহক একত্ৰিত কৰাৰ এটা সুফল। প্ৰযুক্তিগত বিপ্লৱৰ এয়া হ'ল অংশ। সম্প্ৰতি ই কাৰ্যৰত অৱস্থাত আছে। ইতিমধ্যে এনে ধৰণৰ পাঁচটা প্ৰযুক্তি বিপ্লৱ সাধন হৈছে আৰু বৰ্তমানৰটো হ'ল ষষ্ঠ প্ৰক্ৰিয়া। এই ডিজিটেলাইজেচন জোৱাৰে বিভিন্ন দেশত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ৰূপান্তৰ সাধনত প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে। যোৱা ২৫০ বছৰৰ কালছোৱাত এই পাঁচটা প্ৰযুক্তি বিপ্লৱ চলি আছে। কিন্তু ভাৰতে ইয়াৰ কোনো এটাতেই এতিয়াও অংশগ্ৰহণ কৰা নাই। এই সকলো প্ৰযুক্তি বিপ্লৱ পাশ্চাত্যৰ এখন বিশেষ দেশত আৰম্ভ হয় আৰু তাৰ পাছত পশ্চিমৰেই অন্যান্য দেশলৈ বিস্তাৰিত হয়। এই বিপ্লৱৰ পৰা সৰহভাগ পাশ্চাত্যৰ দেশ উপকৃত হৈছে। কিন্তু ভাৰতে স্বাধীনতা লাভৰ পাঁচটা দশকৰ পিছতো এতিয়াও আৰ্থ-সামাজিক মূল দিশৰ প্ৰত্যাহ্বানৰ সতে যুঁজি আছে। সেই দিশসমূহ হ'ল, যেনে — দৰিদ্ৰতা, অপৰিপুষ্টি, নিবনুৱা সমস্যা, নিৰক্ষৰতা আৰু স্বাস্থ্য। পিছে এতিয়া এই সকলো বিষয়ৰ ভিতৰত সবাতোকৈ শীৰ্ষ প্ৰত্যাহ্বান হ'ল পৰিবেশমূলক অৱনমিত অৱস্থা। এই সকলো সমস্যা দীৰ্ঘ কালৰ ঔপনিবেশ-বাদৰ ফল আৰু নিঃকিন জন প্ৰশাসন পদ্ধতিৰ। এই পটভূমিৰ বিপৰীতে আধুনিক ডিজিটেল প্ৰযুক্তিৰ ক্ষমতা আছে —যি এনে বহু সমস্যা সমাধান কৰাত সহায় কৰিব পাৰে। এই প্ৰবন্ধটোত ভাৰতৰ আৰ্থ-সামাজিক সমস্যাবোৰ সমাধান কৰাৰ ক্ষেত্ৰত আধুনিক ডিজিটেল প্ৰযুক্তিৰ ভূমিকা কি তাকেই চালি-জাৰি চাবলৈ লোৱা হৈছে। প্ৰশ্ন হ'ল ভাৰতৰ জনগণৰ বাবে সৰ্বাত্মক দিশৰ বিকাশ সাধন কৰাত ই সহায় কৰাৰ সম্ভাৱনা আছেনে আৰু তাৰ জৰিয়তে ইপ্সিত সামাজিক পৰিৱৰ্তন আনিব পাৰিব জানো ?


## আৰ্থ-সামাজিক প্ৰত্যাহ্বান

ভাৰত বিভিন্ন ধৰণৰ আৰ্থ-সামাজিক আৰু পৰিবেশমূলক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিশ্বৰ ভিতৰত ইয়াত বৃহৎ সংখ্যক দুখীয়া লোক আছে। বৃহৎ সংখ্যক ভাৰতৰ ল'ৰা-ছোৱালী এতিয়াও অপৰিপুষ্টিত ভোগে। যদি আমি যক্ষ্মা, কেঞ্চাৰ, মধুমেহৰ দৰে ৰোগবোৰৰ বিষয়ে ভাবি চাওঁ, তেনেহ'লে আমাৰ অৱস্থা আন দেশবোৰতকৈ বহু পৰিমাণে বেয়া। ৰোগ নিবাৰণৰ ক্ষেত্ৰত অসফলতাৰ ছবিকে দেখিবলৈ পাওঁ। আনপিনে আমি সাক্ষৰতাৰ হাৰৰ ক্ষেত্ৰত উন্নতি সাধন কৰিলেও অশিক্ষিত লোকৰ সংখ্যা এতিয়াও বহু অধিক হৈ আছে। আনপিনে বিপুল সংখ্যক যুৱক চাকৰি নোপোৱাকৈ আছে। এই বিশেষ সমস্যাটো আগন্তুক বছৰবোৰত অধিক বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। তাতেই এই অৱস্থাৰ অন্ত পৰা নাই। গোলকীয় অৰ্থনীতিৰ সতে সমন্বয় সাধন কৰিবলৈ বিচৰাটোৱে সমাজৰ সীমিত অৱস্থাত থকা লোকসকলৰ অৱস্থা অধিক শোচনীয় কৰি তুলিছে। ইয়াত দিয়া ১ নম্বৰ চিত্ৰত ভাৰত সন্মুখীন হোৱা আৰ্থ-সামাজিক প্ৰত্যাহ্বানৰ বিষয়ে দেখুওৱা হৈছে।

উল্লিখিত সমস্যাসমূহৰ সমাধানৰ পথো পোনপটীয়া নহয়। আনহাতে এইবোৰ সমস্যাৰ বহুতৰেই এটাৰ লগত আনটোৰ সম্পৰ্ক আছে। উদাহৰণ স্বৰূপে ক'বলৈ গ'লে দৰিদ্ৰতা, সৰ্বাত্মক বিকাশ, খাদ্য নিৰাপত্তা আৰু চাকৰি সৃষ্টিৰ বিষয়বোৰ আমাৰ কৃষি আৰু কৃষি বিষয়ক ইকো পদ্ধতিৰ সতে জড়িত হৈ আছে। ইয়াৰ বাবে এটা বিক্ষিপ্ত নীতিৰ পৰিকাঠামোৰ প্ৰয়োজন— যি এই আন্তঃসম্পৰ্ক থকা সমস্যাবোৰৰ ওপৰত প্ৰভাৱ পেলাব আৰু লগে লগে সমাধানৰ পথো মুকলি কৰিব পাৰে। পিছে সকলো অঞ্চলৰ বাবে এটা উমৈহতীয়া সমাধান সম্ভৱ নহয় আৰু যদি তাক ৰূপায়ণ কৰিবলৈ বিচৰা হয়, তেন্তে তেনে পদক্ষেপ গ্ৰহণৰ দ্বাৰা সহায়ক নহ'বও পাৰে। গতিকে উত্তম সমাধানৰ অৰ্থে প্ৰয়োজনীয় কামবোৰৰ বিকাশ সাধিব লাগিব আৰু এই ক্ষেত্ৰত আঞ্চলিক সম্পদৰাজি , জনগণৰ সক্ষমতা , তেওঁলোকৰ জড়িতকৰণ আৰু

* বিজয় কুমাৰ কৌল দিল্লী বিশ্ববিদ্যালয়ৰ এগৰাকী অধ্যাপক। এই বিশ্ববিদ্যালয়তেই তেওঁ ডীন আৰু বিজনেছ ইকনমি বিভাগৰ মুৰব্বী হিচাপেও সেৱা আগবঢ়ায়। ৩৬ বছৰ তেওঁ ক্ষুদ্ৰ ব্যৱসায়, আন্তৰ্জাতিক বাণিজ্য আদিৰ শিক্ষা প্ৰদান কৰিছে আৰু কনচাল্টেন্সিৰ কামো কৰিছে। কৰ্পোৰেট ষ্ট্ৰেটেজি,গ্লোবেল গভৰ্ণেন্স আদিৰ ক্ষেত্ৰত তেওঁক ফেল'শ্বিপ আগবঢ়োৱা হয়। ২০১২ চনত দক্ষিণ কোৰিয়া চৰকাৰে তেওঁক জি ২০ গ্লোবেল লীডাৰ ফেল'শ্বিপেৰে পুৰস্কৃত কৰে।

সামৰ্থ্যলৈ চাই কামত আগবাঢ়িব লাগিব। ইয়াৰ উপৰি ন্যায়িক কৰ্তৃপক্ষৰ দৃষ্টিভংগী কিম্বা প্ৰশাসন পদ্ধতিকো সেই ক্ষেত্ৰত লেখত লোৱাৰ প্ৰয়োজন হ'ব।




**১ নং চিত্ৰঃ ভাৰতত প্ৰশাসন, প্ৰযুক্তি আৰু সৰ্বাত্মক বিকাশ**

(তলত দিয়া ১ নং চিত্ৰলৈ চাওক)

এই একে সময়তে আৰু এটা পৰিবৰ্তনৰ দিশলৈও চোৱা উচিত হ'ব। সেয়া হ'ল নতুন প্ৰযুক্তি — যি ডিজিটেলাই-জেচনৰ আকাৰত বিকাশ লাভ কৰিছে। যোৱা কেই টামান দশকৰ ভিতৰত সূত্ৰপাত ঘটা এই বিকাশৰ ইতিবাচক দিশটো বেচ জল জল পট পট হৈ উঠিছে। বিকাশশীল দেশসমূহত কিছুমান আৰ্থ-সামাজিক সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত ইয়াৰ যথেষ্ট প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। বিশেষকৈ ডিজিটেল প্ৰযুক্তিৰ প্ৰয়োগে বিভিন্ন বিষয়ত পৰিবৰ্তনৰ পথ মুকলি কৰিছে। তেনে বিষয়বোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল — শিক্ষাৰ প্ৰসাৰ, প্ৰশাসন ব্যৱস্থাত স্বচ্ছতাৰ দিশ উন্মোচন, জনগণৰ মাজত সংযোগ সাধন, উৎপাদনশীলতাৰ উন্নতি সাধন, উদ্যোগ সমূহৰ কাম-কাজৰ ক্ষেত্ৰত ৰূপান্তৰ সাধন, নতুন নতুন উদ্যোগৰ বিকাশ আৰু নতুন নতুন কাম-কাজৰ উন্মেষ সাধন। কৃষি আৰু গ্ৰাম্য খণ্ডত এইবোৰ প্ৰযুক্তিৰ প্ৰয়োগৰ বিষয়ে তলত আলোচনা কৰা হ'ব। তেনেদৰে শিক্ষা, নিৰ্মাণ সম্পৰ্কীয় কাম-কাজ, স্বাস্থ্য ৰক্ষাৰ উপায় আৰু ই-প্ৰশাসন সম্পৰ্কেও অৱলোকন কৰা হ'ব।

১ নং চিত্ৰত ভাৰতৰ আৰ্থ-সামাজিক প্ৰত্যাহ্বান, তাৰ সমাধান আৰু সৰ্বাত্মক বিকাশৰ ৰূপত সুফল লাভ কৰাৰ ক্ষেত্ৰত স্থাপন হোৱা যোগসূত্ৰৰ বিষয়ে দেখুওৱা হৈছে। ঐতিহাসিক ভাৱে অতীতত ভাৰত বিশ্বৰ ভিতৰত এখন অতি সমৃদ্ধিশালী দেশ ৰূপে পৰিগণিত হয়। এটা দীৰ্ঘকালৰ ঔপনিবেশিক শাসনে এই সমৃদ্ধিক কাঢ়ি লৈ যায়।

দেশখনে কোনো প্ৰযুক্তিগত বিপ্লৱত অংশ গ্ৰহণ কৰা নাই। স্বাধীনতা লাভ কৰাৰ সময়ত ই আছিল এখন অন্যতম দুখীয়া দেশ। দৰিদ্ৰতা, নিৰক্ষৰতা আৰু আৰ্থ-সামাজিক দিশৰ জখলাত এই দেশখন একেবাৰে নিঃকিন অৱস্থাৰ আছিল। স্ব-শাসনৰ যোৱা ছটা দশকত এইবোৰ সমস্যাৰ পৰা দেশখন আঁতৰি আহিব নোৱাৰিলে। সেয়ে ১ নং চিত্ৰত দেখুওৱাৰ দৰে নিঃকিন প্ৰশাসন পদ্ধতিয়েই হ'ল অৰ্থনীতি আৰু আন কাম-কাজ নিম্নভাৱে সাধন কৰাৰ কাৰণ। সি যি কি নহওক, ভাল গুণ বিশিষ্ট প্ৰশাসনে এই সমস্যাবোৰ সমাধান কৰিব পাৰে। এইটো দেখা যায় যে সু-প্ৰশাসনে ভাল অৰ্থনীতি আৰু সামাজিক নীতিৰ সুফল প্ৰদান কৰিব পাৰে আৰু সেইবোৰ যদি ভালদৰে ৰূপায়িত কৰা হয় তেনেহ'লে সৰ্বাত্মক বিকাশৰ দিশ নিশ্চিত ৰূপত পাব পাৰি। ইয়াত আধুনিক প্ৰযুক্তিৰ ভূমিকাকো হিচাপত ধৰা হৈছে। ডিজিটেল প্ৰযুক্তিয়ে পাম, উদ্যোগ, চহৰ আৰু অৰ্থনীতিৰ প্ৰশাসন পদ্ধতিত এটা বিৰাট পৰিৱৰ্তন আনিছে। চৰকাৰৰ আঁচনি আৰু কাৰ্যসূচীবোৰ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত এই প্ৰযুক্তিবোৰে অধিক সুবিধাৰ বাট মুকলি কৰিছে। মুঠৰ ওপৰত ক'বলৈ গ'লে দেশখনৰ সন্মুখত বৰ্তমানে যি আৰ্থ-সামাজিক প্ৰত্যাহ্বান আহি পৰিছে তাক সু-প্ৰশাসনৰ সহায়ত সমাধান কৰিব পাৰি। সেই সু-প্ৰশাসনৰ ক্ষেত্ৰত আলোকপাতৰ বিষয় হ'ব লাগিব উপযুক্ত ৰাজহুৱা নীতি, কাৰ্যসূচী আৰু আঁচনি । আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব দিব লাগিব। এই সকলো মিলি দেশখনৰ সৰ্বাত্মক দিশৰ বিকাশৰ পথ প্ৰশস্ত কৰিব।

**আধুনিক প্ৰযুক্তি**

যোৱা ২৫০ বছৰ কালত বিশ্বই এটা চমকপ্ৰদ প্ৰযুক্তিগত পৰিৱৰ্তন সাধন হোৱা দেখা পাইছে। এই বিস্তৃত কাৰিকৰী পৰিৱৰ্তন আৰু প্ৰগতিক প্ৰযুক্তিমূলক

বিপ্লৱ ৰূপে স্বীকৃতি দিয়া হৈছে। এনে ধৰণৰ পাঁচটা কাৰিকৰী বিপ্লৱ সম্বন্ধে ইয়াৰ লগত থকা ২ নং তালিকাত দেখুৱা হৈছে। ষষ্ঠ বিপ্লৱ ৰূপায়িত অৱস্থাত আছে। এই প্ৰযুক্তিগত পৰিৱৰ্তনৰ পৰ্যায়সমূহক কোৱা হয় বিপ্লৱ। দেশৰ সমগ্ৰ অৰ্থনীতিৰ ওপৰত সেইবোৰৰ ৰূপান্তৰ সাধনৰ প্ৰভাৱৰ বাবেই তেনেদৰে কোৱা হয়।

প্ৰতিটো প্ৰযুক্তিমূলক বিপ্লৱে ডাঙৰ বিকাশৰ পথ সূচনা কৰে আৰু ই সম্পূৰ্ণ অৱস্থা লাভ কৰিবলৈ আধা শতিকাতকৈও অধিক কাল লয়। উৎপাদন, প্ৰযুক্তিৰ সম্ভাৱনা আছে। এই প্ৰযুক্তিবোৰৰ উপকাৰিতা আৰু প্ৰভাৱ বিস্তৃতভাৱে অনুভৱ কৰিব পৰা যায় বহু লোকৰ পৰিবৰ্তন সাধনৰ ক্ষেত্ৰত। প্ৰতিষ্ঠান, উৎপাদন আৰু বজাৰবোৰতো ইয়াৰ প্ৰভাৱ অনস্বীকাৰ্য। উক্ত গ্লোবেল ইনষ্টিটিউটে এই প্ৰযুক্তিবোৰৰ যথেষ্ট অৰ্থনৈতিক প্ৰভাৱ আছে বুলি চিনাক্ত কৰিছে।

ভাৰতৰ কাৰণে এই বাৰ বিধ প্ৰযুক্তিক তিনি ধৰণে শ্ৰেণীভুক্ত কৰিব পাৰি। সেয়া হ'ল — ১) জীৱন আৰু কামক " ডিজিটাইজ" কৰা প্ৰযুক্তি; ২)

২ নং তালিকা ঃ প্ৰযুক্তিগত বিপ্লৱ

| বৰ্ষ আৰু মূল দেশসমূহ | প্ৰযুক্তিগত বিপ্লৱ আৰু উদ্যোগৰ প্ৰকৃতি |
|---|---|
| ১৭৭১ ইংলেণ্ড | শিল্প বিপ্লৱ (যন্ত্ৰপাতি, কাৰখানা আৰু খাল) |
| ১৮২৮ ব্ৰিটেইন | ভাপ, কয়লা, লো আৰু ৰে'লৱেৰ যুগ |
| ১৮৭৫ ব্ৰিটেইন, আমেৰিকা আৰু জাৰ্মানী | তীখা আৰু হেভী ইঞ্জিনীয়াৰিং যুগ (বিদ্যুৎ, ৰসায়ন, অসামৰিক নৌ) |
| ১৯০৮ আমেৰিকা | অটোম'বাইল, তেল, পেট্ৰোকেমিকেল আৰু বিপুল মাত্ৰাত উৎপাদনৰ যুগ |
| ১৯৭১ আমেৰিকা | তথ্য প্ৰযুক্তি আৰু টেলিসংযোগৰ যুগ |
| ২০০০? | ডিজিটেলাইজেচন, বায়োটেক, বায়ো ইলেকট্ৰনিক, নেনোটেক আৰু ন ন সামগ্ৰীৰ যুগ |

উন্নয়ন, বৃদ্ধি, ভৌগোলিক বিস্তৃতিআৰু সামাজিক লাভৰ ক্ষেত্ৰত ইয়াৰ বৰঙণি অপৰিসীম।

ভাৰতৰ সামাজিক তথা অৰ্থনৈতিক বৈশিষ্ট্যলৈ চাই সৰ্বাত্মক দিশৰ বিকাশ লাভ কৰিবৰ কাৰণে দেশখনক বিশেষ ধৰণৰ প্ৰযুক্তিৰ আৱশ্যকতা আছে। মেকিন্‌ছ গ্লোবেল ইনষ্টিটিউটে ভাৰতৰ কাৰণে ১২ টা ভিন্ন ধৰণৰ প্ৰযুক্তিক চিহ্নিত কৰিছে। এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত খৰতকীয়াকৈ গ্ৰহণ কৰিবৰ বাবে এইবোৰ স্মাৰ্ট ফিজিকেল পদ্ধতি আৰু ৩) পুনৰ চিন্তা কৰিব পৰা শক্তিৰ বাবে প্ৰযুক্তি (২ নং তালিকাত দ্ৰষ্টব্য)। ভাৰতৰ প্ৰসঙ্গত চাৰিটা প্ৰযুক্তিৰ বিশেষ প্ৰাসঙ্গিকতা আছে। সেয়া হ'ল — ডিজিটেল পে'মেন্টৰ প্ৰযুক্তি, প্ৰমাণ কৰিব পৰা ডিজিটেল পৰিচয়, কৌশলপূৰ্ণ পৰিবহণ আৰু বিতৰণ তথা এডভান্সড জি আই এছ। এই চাৰিটা প্ৰযুক্তি অহা দশকটোত খৰতকীয়াকৈ অৱলম্বন কৰাৰ সম্ভাৱনা আছে। আন কেইটামান প্ৰযুক্তি অৰ্থাৎ এডভান্সড ৰবটিকছ, অটো'নমাছ বাহন, ৩ ডি প্ৰিন্টিং আৰু আগশাৰীৰ সামগ্ৰীসমূহো ভাৰতৰ কাৰণে বেচ গুৰুত্বপূৰ্ণ।

ভাৰতৰ কাৰণে বাৰটা শক্তি প্ৰদান কৰিব পৰা প্ৰযুক্তি অৰ্থনৈতিক আৰু সামাজিক দুয়োটা মূল্য সৃষ্টি কৰিব পৰা ক্ষমতা আছে আৰু ইয়াৰ দ্বাৰাই ভাৰতক ২০২৫ চনৰ ভিতৰত ক্ষীপ্ৰতৰ অৰ্থনৈতিক বৃদ্ধি, অধিকতৰ সামাজিক বিস্তৃতি আৰু সু-প্ৰশাসনৰ লক্ষ্য আহৰণ কৰিবলৈ সহায় কৰিব পাৰে। এই ক্ষেত্ৰত প্ৰথমতে আমি ডিজিটেল ইণ্ডিয়া প্ৰ'গ্ৰামৰ বিষয়ে আলোচনা আৰম্ভ কৰোঁহক। তাৰ পাছত ভাৰতীয় অৰ্থনীতিৰ পাঁচটা খণ্ডত ডিজিটেলাইজেচনৰ প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰিম।

### প্ৰযুক্তি প্ৰয়োগৰ অৰ্থে ডিজিটেল ইণ্ডিয়া

ভাৰত চৰকাৰে যি ডিজিটেল ইণ্ডিয়া প্ৰ'গ্ৰাম আৰম্ভ কৰিছে সেয়া হ'ল জনসাধাৰণৰ উপকাৰ সাধনৰ বাবে প্ৰযুক্তিক ব্যৱহাৰ কৰা এটা প্ৰয়াস — যাতে দেশখন সন্মুখীন হোৱা কিছুমান প্ৰত্যাহ্বান অতিক্ৰম কৰিব পৰা যায়। কাৰ্যসূচীত এটা ডিজিটেল ইণ্ডিয়া গতিপথ নিৰ্দ্ধাৰণ কৰিবলৈ লোৱা হৈছে, যাৰদ্বাৰা ডিজিটেলভাৱে সাক্ষৰ জনগণে সীমাহীন সম্ভাৱনাৰ অৰ্থে প্ৰযুক্তিক কামত লগাব পাৰে। আমাৰ ৰাজনৈতিক নেতাসকলে এইটো স্পষ্ট কৰিছে যে ব্ৰডবেণ্ড হাইৱেজ হ'ল ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ দৰেই গুৰুত্বপূৰ্ণ। আমাৰ নেতাসকলৰ ক্ষেত্ৰত এটা পৰিষ্কাৰ উপলব্ধিৰ বিষয় হ'ল যি ক্ষেত্ৰত শেষ লক্ষ্য হ'ল ভাল সেৱা প্ৰদান কৰা, নতুন সৃষ্টিক ঠাই দিয়া আৰু অধিক চাকৰি উদ্ৰেক কৰা, তেনে ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সমৰ্থসূচক পদক্ষেপ হ'ব প্ৰযুক্তিক উপযুক্তভাৱে আঁকোৱালি লোৱাটো আৰু এখন ডিজিটেল ৰাষ্ট্ৰৰ আধাৰ গঢ়ি তুলিবৰ কাৰণে বিশাল

২নং তালিকা ঃ ভাৰতক সবল কৰিব পৰা বাৰটা প্ৰযুক্তি

| | | |
|---|---|---|
| | ম'বাইল ইন্টাৰনেট | ব্যক্তি আৰু উদ্যোগসমূহৰ প্ৰতি খৰচবিহীন তথা সমৰ্থবান ম'বাইল আৰু ইন্টাৰনেট সংযোজিত সামৰ্থ্যসূচক সেৱা |
| | প্ৰযুক্তি | প্ৰায়েই কম খৰচত নেটৱৰ্ক অথবা ইন্টাৰনেটেৰে কম্পিউটিং কেপাচিটি, ষ্টোৰেজ আৰু প্ৰয়োগ ব্যৱহাৰ। |
| জীৱন আৰু কৰ্ম ডিজিটেল | স্বয়ংক্ৰিয়ভাৱে জ্ঞান কৰ্ম | অগঠিত বিশ্লেষণ,ভাষাৰ অৰ্থ ৰূপ দানৰ সামৰ্থ্য তথা বিচাৰ ভিত্তিক কাৰ্যৰ বাবে বৌদ্ধিক ছফ্টৱেৰৰ ব্যৱস্থা। |
| | ডিজিটেল পে'মেণ্ট | বিস্তৃতভাৱে গ্ৰহণীয় তথা নিৰ্ভৰযোগ্য ইলেকট্ৰনিক পে'মেণ্ট পদ্ধতি। |
| | পৰীক্ষাযোগ্য ডিজিটেল পৰিচয় | সহজ পদ্ধতি ব্যৱহাৰ কৰি ডিজিটেল পৰিচয় পৰীক্ষা কৰিব পৰা যায়— যাৰ দ্বাৰা নিৰাপদভাৱে ধন আদায় আৰু চৰকাৰৰ সেৱাসমূহৰ প্ৰতি সুচল প্ৰৱেশ ঘটে। |
| স্মাৰ্ট ফিজিকেল ছিষ্টেম | ইন্টাৰনেটৰ বিষয় | নিৰন্তৰ ডাটা সংগ্ৰহ আৰু বিশ্লেষণ কৰি মেচিন আৰু উদ্দেশ্যবস্তুক পৰিচালনা কৰিবৰ কাৰণে কম খৰচী চেন্‌ছৰৰ নেটৱৰ্ক |
| | ইন্টেজিলেন্ট ট্ৰেন্সপোৰ্টেচন তথা বিতৰণ | কৰ্ম ক্ষমতা আৰু নিৰাপদ ভাৱে পৰিবহন তথা বিতৰণ পদ্ধতি বৃদ্ধিৰ বাবে অন্যান্য ডাটাৰ সতে মিলিজুলি কামত লগোৱা ডিজিটেল সেৱা। |
| | আগতীয়া ভৌগোলিক তথ্য পদ্ধতি (জি আই এছ) | ভৌগোলিক অৱস্থানক পৰিব্যাপ্ত কৰি সম্পদৰাজি আৰু বাস্তৱিক কাম-কাজসমূহক পৰিচালনা কৰিবৰ বাবে অন্য ধৰণৰ ডাটাৰ সতে অৱস্থিত ডাটা সংযোজিত কৰা পদ্ধতি। |
| | পৰৱৰ্তী প্ৰজন্মৰ জিনোমিক্স | ভাৰতৰ শক্তি নিৰাপত্তাৰ উন্নতি সাধন কৰা কৃষি উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ কম খৰচী জিন ছিকুৱেন্সী তথা এণ্ডভান্সড জিনেটিক প্ৰযুক্তি। |
| শক্তিৰ ক্ষেত্ৰত পুনৰ চিন্তা | আগতীয়া তেল আৰু গেছ উদঘাটন তথা পুনৰুদ্ধাৰ | অপ্ৰচলিত তেল আৰু গেছ আহৰণ কৰা পদ্ধতি যাৰ জৰিয়তে ইয়াক হিচাপী কৰি ভাৰতৰ শক্তি নিৰাপত্তা উন্নত কৰিবলৈ বিচৰা হয়। |

নেটৱৰ্ক স্থাপন কাৰটো।

ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীয়ে প্ৰত্যেক ব্যক্তিৰ সুবিধাৰ অৰ্থে ডিজিটেল আন্তঃগাঁথনিৰ যোগান ধৰে; প্ৰশাসন আৰু সেৱাৰ সুবিধা আগবঢ়ায়। প্ৰকল্পটোৱে বিকাশৰ এটা স্তম্ভক চিহ্নিত কৰিছে। চৰকাৰৰ আলোকপাতৰ এখন মূল ক্ষেত্ৰ হ'ল ব্ৰডবেণ্ড হাইৱেৰ বিকাশ — যিটোৱে ২০১৬ চনৰ ডিচেম্বৰৰ ভিতৰত ২,৫০,০০০ খন গাঁও পঞ্চায়তক সামৰি ল'ব। চহৰ এলেকাত বৰ্দ্ধিতভাৱে ব্ৰডবেণ্ডৰ ক্ষেত্ৰত অধিক আলোকপাত কৰা হ'ব আৰু এই কাম নতুন ভৱন সমূহত যোগাযোগ আন্তঃগাঁথনি গঢ়ি তুলি কৰা হ'ব। ব্ৰডবেণ্ড ব্যৱস্থাই প্ৰযুক্তি সমৰ্থিত সেৱা সমূহ দেশৰ দূৰ দূৰণিৰ অঞ্চলত লাভ কৰিবলৈও সুবিধা প্ৰদান কৰিব। ম'বাইল সংযোগৰ প্ৰতি সাৰ্বজনীন সুচল প্ৰাপ্তিৰ ওপৰতো চৰকাৰে আলোকপাত কৰিছে। ২০১৮ চনৰ ভিতৰত ৪০,০০০ খনতকৈ অধিক গাঁও ম'বাইল প্ৰযুক্তিৰ অধীনলৈ অহাৰ সম্ভাৱনা আছে।

মুঠৰ ওপৰত ক'বলৈ গ'লে ডিজিটেল প্ৰযুক্তি হ'ল নতুনত্ব সৃষ্টিৰ এটা নব্য লহৰ আৰু ইয়াক ১৯ শতিকাৰ যান্ত্ৰিকীকৰণ তথা বৈদ্যুতিকীকৰণৰ ক্ষেত্ৰত যি নতুন ব্যৱস্থা সাধন কৰা হয় তাৰ সতে তুলনা কৰিব পাৰি। প্ৰযুক্তিমূলক বিকাশ হ'ল বিবৰ্তনমূলক, কিন্তু সমাজ পৰিৱৰ্তনৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ হ'ল বিপ্লৱাত্মক।

## কৃষি আৰু গ্ৰাম্য বিকাশ

এতিয়া আমি ভাৰতীয় অৰ্থনীতিৰ বিশেষ খণ্ডত ডিজিটেল প্ৰযুক্তি প্ৰয়োগৰ বিষয়ে আলোচনা কৰোঁ। এই ক্ষেত্ৰত ভাৰতীয় কৃষি আৰু ইয়াৰ কৃষি সম্পৰ্কিত ইকো পদ্ধতিক বুজি উঠা বৰ গুৰুত্বপূৰ্ণ কথা, কিয়নো ভাৰতৰ দাৰিদ্ৰ্য অৱস্থা, সৰ্বাত্মক বিকাশ আৰু খাদ্য

| | | |
|---|---|---|
| | পুনৰ ব্যৱহাৰযোগ্য শক্তি | অনিষ্টকাৰক জলবায়ুৰ প্ৰভাৱ হ্ৰাস কৰিবলৈ তথা গ্ৰীডৰ লগত সংযোগ নথকা দূৰণি এলেকাত শক্তি প্ৰদানৰ অৰ্থে পুনৰ ব্যৱহাৰযোগ্য উৎসৰ পৰা বিদ্যুৎ উদ্ৰেককৰণ। |
| | আগতীয়া শক্তি ভাণ্ডাৰ | অনাহকত নষ্ট হোৱা, যোগানত ভিন্নতা দেখা দিয়া অৱস্থা তথা বিতৰণ ক্ষতি হ্ৰাস কৰিবলৈ কৰা শক্তি মজুত তথা ব্যৱস্থাপনা বিষয়ক উপায় কিম্বা পদ্ধতি। |

নিৰাপত্তা সমস্যাসমূহ তাৰ সতে জড়িত আছে আৰু সেয়ে তাক চালি-জাৰি চোৱা প্ৰয়োজন। এই সমস্যাসমূহৰ প্ৰকৃত সমাধানৰ অৰ্থে কেৱল এটা আৰ্হিক বিকাশ কৰি উলিয়ালেই নহয়। তাৰ বাবে অঞ্চলটোত সুলভ সম্পদৰাজিৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন সৃষ্টিমূলক আৰ্হিৰ বিষয়ে বিবেচনা কৰা উচিত। তেতিয়াহে আমি দৰিদ্ৰতা উপশম কৰাৰ কথা ভাবিব পাৰিম। এটা ভাল জীৱিকা নিৰ্বাহৰ উপায় আৰু খাদ্য নিৰাপত্তা ব্যৱস্থাৰ বিষয়েও পথ মুকলি হ'ব। ১৯৫০ চনৰ পৰা ভাৰতীয় কৃষিৰ কাহিনী কিছু সন্তোষজনক বুলিয়েই ক'ব লাগিব। কাৰণ ভাৰতে জনসংখ্যাৰ ক্ষেত্ৰত সাধন কৰা বিকাশতকৈ খাদ্য উৎপাদন অধিক বেগেৰে সাধন কৰে। সেউজ বিপ্লৱ, শ্বেত বিপ্লৱ আৰু নীল বিপ্লৱে (ব্লু ৰিভলিউচন) ভাৰতীয় কৃষি অৰ্থনীতিৰ সফলতাৰ প্ৰতি বৰঙণি যোগায়। ভাৰতে ১৯৫০ চনৰ পৰা খাদ্যশস্য পাঁচ গুণ আৰু দুগ্ধ সাতগুণতকৈ অধিক উৎপাদন বৃদ্ধি কৰিবলৈ সমৰ্থ হয়। কিন্তু একে সময়তে আমি কৃষকে আত্মহত্যা কৰা আৰু বিত্তক ভালদৰে কামত নলগোৱাৰ ক্ৰন্দন ধ্বনিও শুনিবলৈ পাওঁ। বিশেষজ্ঞসকলে এই সমস্যাটোক নীতিসমূহৰ অসংলগ্নতাৰ দিশ ৰূপে কাৰণ দৰ্শাব খোজে।

পূৰ্বতে ভাৰতীয় কৃষি নীতিয়ে খাদ্য নিৰাপত্তাৰ বিষয়টো চিন্তা কৰি শস্যৰ ওপৰত ঘাইকৈ আলোকপাত কৰিছিল। কিন্তু অধিক মূল্যৰ কৃষিজাত উৎপাদন সামগ্ৰীৰ ক্ষেত্ৰত উচ্চ মাত্ৰাত যে মুদ্ৰাস্ফীতিয়ে গা কৰি উঠিছিল তাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰাত অপাৰগ হৈছিল। লোকসকলেও যথেষ্ট পৰিমাণে পৌষ্টিকতাৰে সমৃদ্ধ খাদ্য পোৱা নাছিল। অধিক মূল উৎপাদন সামগ্ৰীবোৰ সোনকালে নষ্ট হয় আৰু ইয়াৰ বাবে খৰতকীয়া যোগান ব্যৱস্থাৰ প্ৰয়োজন হয়। কৃষক, মধ্যভোগী, পণ্যাগাৰৰ পৰা আৰম্ভ কৰি খাদ্য সংসাধনত জড়িত উদ্যোগী, পাইকাৰী বিক্ৰেতাৰ ক্ষেত্ৰত কৃষি সম্পৰ্কত যি যোগাযোগ গঢ়ি উঠে তাক ভালদৰে বুজি উঠা আৱশ্যক — যাতে সঠিক নীতিৰ ব্যৱস্থা কৰিব পাৰি। ইয়াৰ উপৰি বিত্ত প্ৰতিষ্ঠান আৰু বণিকসকল এই কামত জড়িত হৈ সংযোগ প্ৰক্ৰিয়াত এটা ইকো পদ্ধতিৰ অনুকূল অৱস্থা তৈয়াৰ কৰাত সহযোগ কৰিব পাৰে। আধুনিক প্ৰযুক্তিয়ে কৃষি মূল্য আৰোপিত ব্যৱস্থাক অধিক উপযুক্ত আৰু প্ৰতিযোগিতামূলক কৰি তোলাত সহায় কৰিব পাৰে।

মেকিন্‌ছ গ্লোবেল ইনষ্টিটিউটে নিৰ্দ্ধাৰণ কৰি উলিয়াইছে যে কৃত্ৰিম প্ৰজনন তথা জেনেটিকভাৱে সংস্কাৰ কৰি উলিওৱা শস্য, নিখুঁত কৃষি ব্যৱস্থা (জি আই এছ- ভিত্তিক ভূমি, বতৰ আৰু জলৰাশিৰ সংগৃহীত ডাটা ব্যৱহাৰ কৰি কেনে ধৰণৰ খেতি কৰিব লাগে সেই সম্বন্ধে সিদ্ধান্তত উপনীত হৈ), ম'বাইল ইন্টাৰনেট -ভিত্তিক পাম সম্প্ৰসাৰণ আৰু বজাৰ বিষয়ক তথ্য সেৱাই অধিক পৰিমাণে উৎপাদন কৰাত সহায় কৰিব পাৰে। এই পৰিমাণ ২০২৫ চনৰ ভিতৰত খণ্ডটোৱে যিমান উৎপাদন কৰিব পাৰিব তাৰ অতিৰিক্ত মূল্যত প্ৰতি বছৰে ৪৫ বিলিয়ন ডলাৰৰ পৰা ৮০ বিলিয়ন ডলাৰৰ আধাতকৈ তেনে কৰিব পাৰিব। এই উন্নতি সাধনে ১০ কোটি কৃষকৰ উপাৰ্জন বৃদ্ধি কৰিব পাৰে আৰু ৩০ কোটি পৰা ৪০ কোটি উপভোক্তালৈ ভাল পৌষ্টিকতাৰ যোগান ধৰিব পাৰে।

প্ৰযুক্তিৰ ব্যৱহাৰ বৰ ফলদায়ক হ'ব পাৰে; আনকি কৃষকসকলক শস্য বীমা যোগান ধৰাৰ ক্ষেত্ৰতো। সকলো বতৰৰ লেখ লৈ থকা কেন্দ্ৰসমূহ, উপগ্ৰহৰ জৰিয়তে আহৰণ কৰা প্ৰতিবিম্বিত ছবি আৰু ম'বাইল - ভিত্তিক হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে শস্যৰ কিমান হানি-বিঘিনি হৈছে তাক নিৰ্দ্ধাৰণ কৰি কি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব সেই সম্বন্ধে গোটেই পদ্ধতিটোকে এটা সুস্থ বৈজ্ঞানিক বিত্তিত উপস্থাপিত কৰিব পৰা যায়।

ডিজিটেল ইণ্ডিয়া ব্যৱস্থায়ো বিভিন্ন সেৱাৰ জৰিয়তে গ্ৰাম্য জনগণক সবল কৰিব পাৰে। এই সেৱাৰ বাবে অধিক সংখ্যক লোকক সামৰি ল'বলৈ চৰকাৰ বেচ আগ্ৰহী। তাৰ বাবে কিছুমান ক্ষেত্ৰ, যেনে — প্ৰশাসন , ভূমি অভিলেখ, স্বাস্থ্য, শিক্ষা,কৃষি আদিত ইয়াৰ বিস্তৃতি সাধন কৰিবলৈ বিচাৰে। ব্যক্তিগত আৰু ৰাজহুৱা তথ্যপাতি ভালদৰে ৰাখিবৰ কাৰণে ডিজিটেল পদ্ধতিৰ প্ৰয়োগ হ'ব আন এটা উল্লেখযোগ্য বিষয়। এইবোৰৰ উপৰিও উঠি অহা উদ্যোগী তথা বৰ্তমানৰ ব্যৱসায়ী সকলৰ কাৰণে গ্ৰাম্য বজাৰত সেৱা আগবঢ়াবলৈ বহুতো পথ ওলাব।

**নিৰ্মাণ খণ্ডত ইকো পদ্ধতি**

বিভিন্ন অৰ্থনীতিবিদ আৰু প্ৰতিষ্ঠানসমূহে অনুমান কৰিছে যে অহা পাঁচ বছৰ কালৰ ভিতৰত যুৱ সম্প্ৰদায়ৰ মাজৰ বৃহৎ সংখ্যক ল'ৰা আৰু ছোৱালীয়ে কৰ্মবাহিনীত যোগদান কৰিব। এইটোৱে ভাৰতক নিৰ্মাণ খণ্ড তথা ইয়াৰ ইকো পদ্ধতিলৈ নিকট ভাৱে চোৱাৰ আৱশ্যকতাক জগাই তুলিব। গোলকীয় নিৰ্মাণ পদ্ধতি পূৰ্বতে গ্ৰহণ কৰা পদ্ধতিৰ পৰা আঁতৰি আহিছে। পূৰ্বৰ আৰ্হি এটা কোম্পানী আৰু ইয়াৰ বিভিন্ন যোগান ধৰোতা, বিত্ত প্ৰদান কৰোতা তথা উপভোক্তাৰে গঠিত হৈছিল। এতিয়া নিৰ্মাণ কাম-কাজৰ সতে জড়িত থকা ইকো পদ্ধতিৰে এই আৰ্হি গঠিত। ডিজিটেল পদ্ধতিয়ে এই পদ্ধতিক আঁকোৱালি লোৱাত সহায় কৰিছে। ভাৰতীয় কোম্পানী তথা নীতি তৈয়াৰ কৰোতাসকলে বজাৰত প্ৰতিযোগিতামুখী খৰতকীয়াকৈ কেনেদৰে হ'ব লাগে তাক জনা আৱশ্যক যাতে তাৰদ্বাৰাই যুৱকসকলৰ বাবে অধিক চাকৰি সৃষ্টি কৰিব পৰা যায়। এই ক্ষেত্ৰত আধুনিক প্ৰযুক্তিয়ে সহায় কৰিব পাৰে। সুখৰ কথা যে ভাৰতৰ কোম্পানী সমূহে এই প্ৰযুক্তিবোৰ খৰতকীয়াকৈ অৱলম্বন কৰিছে।

আজিৰ পৰিৱৰ্তিত ডিজিটেল পদ্ধতিৰ কাৰবাৰ পৰিবেশে এইটো বিচাৰে যে কোম্পানী বোৰে যি ধৰণে কাম কৰিছে তাৰ পৰিৱৰ্তন হ'ব লাগে। আগৰ যি বান্ধোন আছিল তাক আঁতৰাই পুনৰ একীভূত কৰি সকলো উদ্যোগতে এটা নতুন ভাৱধাৰাক সৃষ্টি কৰি কামত প্ৰয়োগ কৰিবলৈ লোৱা হৈছে। বৰ্তমানে থকা মূল্য আৰোপিত সম্পৰ্ক ৰক্ষাৰ ব্যৱস্থালানিক ন ৰূপ দি নতুন উৎসৰ সৃষ্টিত ব্ৰতী হোৱা আৰু অন্যান্য উদ্যোগৰ সতে লগ লাগি কামত আগবঢ়াটো গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

এই প্ৰসঙ্গত সমগ্ৰ নিৰ্মাণ কাৰ্যত জড়িত ইকো পদ্ধতিক উৎসাহিত কৰিবৰ কাৰণে চৰকাৰৰ নীতি এনেদৰে তৈয়াৰ কৰা উচিত হ'ব যাতে ইয়াৰ দ্বাৰাই অধিক চাকৰি সৃষ্টি কৰিব পাৰি আৰু আমাৰ উদ্যোগসমূহক গোলকীয়ভাৱে প্ৰতিযোগিতামুখী কৰিব পৰা যায়। এই ক্ষেত্ৰত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগবোৰৰ প্ৰতি বিশেষ মনোযোগ দিয়াৰ প্ৰয়োজন আছে আৰু সেই উদ্যোগবোৰৰ বৃহৎ উদ্যোগৰ সতে যোগসূত্ৰ স্থাপন কৰাৰো আৱশ্যকতা আছে। এনে যোগসূত্ৰ স্থাপনত থকা প্ৰভেদখিনি চিনাক্ত কৰাত উল্লিখিত ইকো পদ্ধতিৰ উৎসাহিতকৰণে সহায় কৰিব। ইয়াৰ উপৰি বিত্ত, কেঁচা মাল, মাটি আৰু ব্যৱহাৰ কৰিব লগা বজাৰবোৰৰ সতে যোগসূত্ৰ স্থাপনৰ বিষয়টো সমাধান কৰাৰ প্ৰয়োজন।

সামগ্ৰী আৰু সেৱা কৰৰ (গুডছ এণ্ড ছাৰ্ভিচ টেক্স) সম্ভাৱনামূলক গ্ৰহণো ভাৰতৰ ব্যৱসায়ী তথা কৰ্পোৰেট খণ্ড অধিক আগবাঢ়ি প্ৰতিযোগিতামূলক স্থিতিত উপনীত হোৱাত সহায়ক হ'ব। আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰে এইটো সম্ভৱ কৰি তুলিব। ইয়াৰ বাহিৰেও ডিজিটেল ইণ্ডিয়া কাৰ্যসূচীয়ে আমদানিৰ ক্ষেত্ৰত শূন্য স্থিতিত উপনীত হোৱা চৰকাৰৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰতি আলোকপাত কৰিছে। তাৰ বাবে ইলেকট্ৰনিক মাধ্যমৰ নিৰ্মাণত যথেষ্ট গুৰুত্ব আৰোপ কৰিবলৈ থিৰ কৰিছে। এই আলোকপাতে ভাৰতৰ নিৰ্মাণ সামৰ্থ্যক উৎসাহিত কৰিব আৰু দেশখনক এটি নিৰ্মাণ প্ৰাণকেন্দ্ৰলৈ ৰূপান্তৰিত কৰিব। এই কাৰ্যসূচীৰ অংশ ৰূপে চৰকাৰে তথ্যপ্ৰযুক্তিৰে সজ্জিত কৰ্মবাহিনী সৃষ্টি কৰাৰ ওপৰত আলোকপাত কৰিব। তাৰ বাবে ক্ষুদ্ৰ চহৰ আৰু গাঁওবোৰত লোকসকলক প্ৰশিক্ষণ প্ৰদান কৰিব। অহা পাঁচ বছৰ কালৰ বাবে চাকৰিৰ কাৰণে তথ্য প্ৰযুক্তিৰ সুবিধা আগবঢ়োৱাৰ দিহা কৰিব।

## শিক্ষা আৰু দক্ষতাৰ বিকাশ

আমাৰ শিক্ষা পদ্ধতিত শিক্ষণ আৰু গুণগত বিষয়ত যথেষ্ট অভাৱ আছে। স্কুলীয়া শিক্ষাৰ পৰিণতি সন্তোষজনক নহয়, উচ্চ শিক্ষা গ্ৰহণ কৰা কৰ্মীসকলৰ নিম্ন নিয়োগ লাভৰ সামৰ্থ্য, বুনিয়াদী প্ৰশিক্ষণৰ ক্ষেত্ৰত বিৰাট প্ৰভেদ ইত্যাদি পৰিলক্ষিত হয়। ডিজিটেলাইজেচন প্ৰক্ৰিয়াই ভাৰতৰ শিক্ষা পদ্ধতি পুনৰুজ্জীৱিত কৰি তুলিবলৈ প্ৰভূত পৰিমাণে সুযোগ আগবঢ়ায়। সৃষ্টিমূলক ডিজিটেল প্ৰযুক্তিয়ে নতুন ধৰণৰ গ্ৰহণীয় শিক্ষা সুবিধাৰ সৃষ্টি কৰিছে আৰু উপযুক্ত সময়ত কামত আহিব পৰা তথ্য-পাতিৰ যোগান ধৰিবলৈ সক্ষম হৈছে। ভাৰত চৰকাৰৰ প্ৰচেষ্টাত আৰম্ভ কৰা "ডিজিটেল ইণ্ডিয়া" আঁচনিয়ে ভাৰতীয় শিক্ষা পদ্ধতিত এনে ৰূপান্তৰ সাধন কৰাৰ সুবিধা আগবঢ়াব পাৰে। তাৰ বাবে দেশত এটা পৰিবেশ সৃষ্টি কৰি তেনে কাৰ্যক ফলৱতী কৰি তুলিব পৰা যায়। উপযুক্ত চিন্তা-চৰ্চা আৰু ৰূপায়ণেৰে নতুন প্ৰযুক্তিক ছাত্ৰৰ শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰাত ব্যৱহাৰ কৰিব পৰা যায়। শিক্ষক আৰু পৃষ্ঠপোষকতা কৰা সকলৰ গুণাৱলীক উপযুক্তভাৱে ৰূপ দি ভাল প্ৰশাসনৰ ব্যৱস্থা কৰাত বৰঙণি যোগাব পাৰি। আমাৰ বিস্তৃত তথা জটিল স্কুল পদ্ধতি আৰু উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানমূলক নেটৱৰ্কত প্ৰযুক্তিক সমন্বিত কৰিবলৈ এটা সু-সমন্বিত নিৰ্দিষ্ট লক্ষ্যৰ দৃষ্টিভংগী আৰোপ কৰাৰ প্ৰয়োজন হৈছে। এনে এটা দৃষ্টিভংগী তিনিটা স্তম্ভৰ ওপৰত গঢ়ি তুলিব পাৰি।

সেই স্তম্ভৰ ভিতৰত প্ৰথম গুৰুত্বপূৰ্ণ দিশটো হ'ল ব্যক্তিগতভাৱে ছাত্ৰই শিকিবৰ বাবে দিহা-পৰামৰ্শসূচক আহিলাৰ সৃষ্টি কৰাটো। ইয়াত " ই-কনটেণ্ট" বিষয়টো জড়িত আছে। সেয়া

হ'ল—ডিজিটাইজদপাঠ্যপুথি, এনিমেচন আৰু ভিডিঅ'। নতুন প্ৰযুক্তি ছাত্ৰ-ছাত্ৰীৰ কাৰণে ব্যক্তিগতভাৱে শিক্ষণ পথ সৃষ্টি কৰাত লাভজনক হৈছে। খেলা-ধূলাৰ জৰিয়তে মানসিক দিশটোৰ উৎকৰ্ষ সাধি ভাব বিনিময়ৰ সুবিধা হৈছে। এই ব্যৱস্থাই তেওঁলোকক অভ্যাস কৰাৰ বিভিন্ন সুবিধা আগবঢ়াইছে। ভাৰতত খান একাডেমী আৰু মাইলস্পাৰ্ক প্লেটফৰ্ম হ'ল সফল প্ৰয়াসৰ একোটা উদাহৰণ। ভাৰতত আমিও ভিন ভিন ভাষা আৰু ৰাজ্যৰ নিৰ্ধাৰিত পাঠ্যক্ৰমৰ আৱশ্যকীয় বিষয়বোৰ সমাধান কৰিবলৈ শিক্ষাৰ আহিলা গঢ়ি তুলিব পাৰোঁ।

সমন্বিত দৃষ্টিভঙ্গীৰ দ্বিতীয় দিশটো হ'ল উপযুক্তভাৱে সংযোগ সাধন থকা শিক্ষক প্ৰশিক্ষণৰ বাবে কৌশল-সমন্বিত কাৰ্যসূচী (টক- ইন্টিগ্ৰেটেড প্ৰ'গাম) বিকাশ কৰা। প্ৰযুক্তিয়ে শিক্ষকসকলৰ শিক্ষাৰ আৰ্হি পুনৰ সৃষ্টি কৰিবৰ কাৰণে সুবিধা আগবঢ়ায়। তাৰ বাবে কৌশল সমন্বিত প্ৰশিক্ষণ কাৰ্যসূচী সৃষ্টি কৰা হয়। ই শিক্ষকসকলক পণ্ডিতৰ সতে সংযোগ সাধন কৰিবলৈ সুবিধা কৰি দিয়ে আৰু সেই অনুযায়ী তেওঁলোকে দূৰৰ পৰাই বিশেজ্ঞ সকলৰ পৰা দিহা-পৰামৰ্শ-শিক্ষা আদি (কোচিং) লাভ কৰে। গুজৰাট, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ দৰে কোনো কোনো ৰাজ্যত নতুন প্ৰযুক্তি ব্যৱহাৰ কৰাৰ উদাহৰণ দেখা যায়। তেনেবোৰ হ'ল একোটা "হোৱাটছ আপ গ্ৰুপ"। এই গোটটোক জ্ঞান বিনিময় কৰাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা হৈছে। ইজনে সিজনৰ সতে ভাবৰ আদান -প্ৰদান কৰাতো ইয়াক জড়িত কৰা হৈছে। কৰ্ণাটক অ'পেন এডুকেচনেল ৰিছোৰ্চ মঞ্চই শিক্ষকসকলক ডিজিটেল বৈশিষ্ট্যৰ বিষয় সৃষ্টি কৰিবলৈ সমৰ্থবান কৰি তুলিছে। এনে ধৰণৰ প্ৰযুক্তি ব্যৱহাৰৰ বিভিন্ন আৰ্হি আছে, যিবোৰত অন্তৰ্ভুক্ত কৰা হৈছে ইনষ্ট্ৰাকচনেল ভিডিঅ', অন্‌লাইন কোচিং আদিক। বিশেষজ্ঞ সকলেও তাত সমৰ্থন জনাইছে। " এম অ' অ' চি" (মেছিভ অ'পেন্ অন্‌লাইন কোৰ্ছেছ) সহ মিশ্ৰিত শিক্ষণ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চ গুণৰ পাঠ্যক্ৰমৰ দিহা কৰিব পাৰে আৰু এই উৎসাহ প্ৰদান কৰা শিক্ষাই নাছিং আৰু অন্যান্য বিষয়ত প্ৰশিক্ষণক উৎসাহিত কৰিব পাৰে।

প্ৰযুক্তি অৱলম্বন কৰাৰ তৃতীয় ব্যৱহাৰ হ'ল ডাটা সংগ্ৰহ আৰু শক্তিশালী প্ৰশাসনৰ বাবে বিশ্লেষণাত্মক দৃষ্টিকোণত উপনীত হোৱা- যাৰদ্বাৰা এটা প্ৰকৃত গতিপথৰ সূচনা হ'ব পাৰে। শক্তিশালী মেনেজমেন্ট ইনফৰ্মেচন ছিষ্টেমৰ সহায়ত সকলো শিক্ষামূলক প্ৰতিষ্ঠানে ছাত্ৰ স্তৰত সম্পাদন কৰা ভূমিকাৰ ডাটাসমূহ ৰেকৰ্ড কৰি বিশ্লেষণ কৰিব পাৰে আৰু প্ৰতিষ্ঠানৰ বহন লক্ষ্য তথা শিক্ষক-শ্ৰেণীকোঠা সম্পৰ্কিত নিৰ্দিষ্ট লক্ষ্যৰ বাবে ব্যৱহাৰ কৰিব পাৰে। কেৰালা, মহাৰাষ্ট্ৰ, গুজৰাট আৰু ওড়িছাই এনে সমাধানৰ বিষয়বোৰ ৰূপায়ণ কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

## স্বাস্থ্য সেৱা

আন্তৰ্জাতিক মানৰ ওপৰত ভিত্তি কৰি ক'বলৈ গ'লে ভাৰতত যিমান জনসংখ্যা আছে তাৰ কাৰণে যিমান স্বাস্থ্য সেৱা ব্যৱস্থাৰ প্ৰয়োজন সেই অনুযায়ী নাই। তাৰ আধাভাগহে ডাক্তৰ, নাৰ্ছ আৰু স্বাস্থ্য কেন্দ্ৰ আছে। ইয়াৰ উপৰি বৰ্তমানে যিবোৰ সা-সুবিধা আছে সেইবোৰকো সৰ্বাধিক সেৱা আগবঢ়োৱাৰ বাবে সক্ষম কৰি তোলা হোৱা নাই। আধুনিক প্ৰযুক্তিৰ বিভিন্ন প্ৰয়োগেৰে স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত ৰূপান্তৰ সাধিব পাৰি। দূৰণিবটীয়া স্বাস্থ্য সেৱাৰ জৰিয়তে (ম'বাইল ইন্টাৰনেটৰদ্বাৰা বিশেষজ্ঞৰ দিহা-পৰামৰ্শ প্ৰেৰণ কৰি) ৰোগ নিৰাময়ৰ ব্যৱস্থা কৰিব পাৰি। ডিজিটেল আহিলাবোৰেৰে কিছু জ্ঞান থকা স্বাস্থ্য কৰ্মীয়েও ভালেখিনি কাম কৰিব পাৰে। স্মাৰ্টফোন সহ কম খৰচী ৰোগ নিৰ্ণায়ক পদ্ধতিসমূহকো এইবোৰ কামত ব্যৱহাৰ কৰিব পৰা যায়। উদাহৰণ স্বৰূপে স্মাৰ্টফোনক এটা বহনযোগ্য চকু পৰীক্ষা সমস্যা সমাধানৰ বাবে কামত লগোৱা সম্ভৱপৰ হয়। নেট্ৰজি নামৰ এটা অপ্টিক পদ্ধতিক স্মাৰ্টফোনত লগাই চফ্টৱেৰ প্ৰযুক্তি ব্যৱহাৰ কৰি এটা চকুৰ চাক্ষুস ত্ৰুটিক মাপ কৰিব পাৰে। তাৰ বাবে খৰচ অধিক নহয়। চশমাতকৈ আৰু অলপ অধিক কিবা চিকিৎসাৰ প্ৰয়োজন হ'লে তেনে ৰোগীৰ ডাটা দূৰৈত অৱস্থান কৰা বিশেষজ্ঞৰ সতে বিনিময় কৰিব পৰা যায়। কিন্তু এইটো সম্ভৱ হ'ব যেতিয়া আমি এখন নেটৱৰ্ক সমৃদ্ধ সমাজৰ স্থিতিত উপনীত হ'ম। ডিজিটাইজেচনৰ লক্ষ্য হ'ল স্বাস্থ্য ৰক্ষা সেৱা, গুণগত মান আৰু নিৰাপত্তা প্ৰদান কৰা।

## ই - প্ৰশাসন

সেয়ে " ডিজিটেল ইণ্ডিয়া"ৰ লক্ষ্য হ'ল ভাৰতক ডিজিটেলভাৱে এখন সবল সমাজলৈ ৰূপান্তৰ সাধন কৰা — যাৰ জৰিয়তে " জ্ঞানৰ ভৱিষ্যত"ৰ কাৰণে সাজু হ'ব পাৰি। ডিজিটেল ইণ্ডিয়াক সকলো ধৰণৰ ই-প্ৰশাসন আৰু কেন্দ্ৰীয় চৰকাৰৰ সংযোগ সাধন কৰা আঁচনি আৰু যোজনাতে সবলভাৱে পদক্ষেপ পেলাবলৈ কৰা প্ৰস্তুতি যেনেই লাগে। উদাহৰণ স্বৰূপে ২,৫০,০০০ খন গ্ৰাম পঞ্চায়তক অপ্টিকে'ল ফাইবাৰ ব্যৱহাৰ কৰি সংযোগ কৰিবলৈ হাতত লোৱা বি এছ এন এলৰ গ্ৰাম্য ব্ৰডবেণ্ড সংযোগ সাধন যোজনাক ডিজিটেল ইণ্ডিয়াৰ ছত্ৰছায়াৰ অধীনলৈ অনা হয় আৰু ইয়াক পুনৰ নামাংকিত কৰা হয় "ভাৰত-নেট" ৰূপে। ই -প্ৰশাসন কিম্বা নাগৰিকসকলক ডিজিটেলভাৱে সবল কৰাৰ ঘাই চিন্তাৰ বিষয় হ'ল ৰঙা ফিটাৰ মেৰ পেচৰ পৰা

আঁতৰাই আনি জনগণ তথা চৰকাৰক ওচৰ চপাই অনা। মধ্য ভোগীসকলক দূৰ কৰা আৰু দুৰ্নীতিৰ অৱসান ঘটোৱা।

ভাৰতত ই-প্ৰশাসন আনুষ্ঠানিক ভাৱে ১৯৮৬ চনত আৰম্ভ কৰা হয়। তেতিয়া নতুন দিল্লীত ৰে'ল যাত্ৰীৰ বাবে প্ৰথম কম্পিউটাৰ ব্যৱস্থাৰে সংৰক্ষণ কৰা পদ্ধতিৰ শুভ আৰম্ভণি হয়। দেশৰ ভিতৰতেই ডিজাইন কৰি কামত লগোৱাব এই প্ৰকল্পটো আছিল কম্পিউটাৰ প্ৰযুক্তিৰ ক্ষেত্ৰত থকা সামৰ্থ্যক প্ৰদৰ্শন কৰা প্ৰথম পদক্ষেপ। ইয়াৰ উদ্দেশ্য হ'ল বিলম্ব দূৰ কৰা, দুনীতি প্ৰতিহত কৰা আৰু জনসেৱাৰ ক্ষেত্ৰত দেখা দিয়া অকৰ্মন্যতাক আঁতৰাই পেলোৱা। কৰ্ণাটকৰ ভূমি প্ৰকল্পৰ অধীনত ভূমি অভিলেখৰ ক্ষেত্ৰত গ্ৰহণ কৰা কম্পিউটাৰাইজেচন কাৰ্য হ'ল ই-প্ৰশাসন কাৰ্যসূচীৰ আন এটা উদাহৰণ। এই যোজনাবোৰ আৰু অধিক প্ৰস্ফুটিত হৈ উঠে যেতিয়া ইন্টাৰনেট, ব্ৰডবেণ্ড আৰু ম'বাইল প্ৰযুক্তিৰ আগমন ঘটে। এইবোৰে অন্যান্য কাম-কাজৰ ক্ষেত্ৰতো ই-প্ৰশাসনৰ আৰ্হি ৰূপে সেৱা আগবঢ়াইছে।

অন্য ৰাষ্ট্ৰৰ দৰে ভাৰতেও চৰকাৰখনক অধিক কৰ্মক্ষম আৰু নাগৰিকসকলৰ প্ৰতি জবাবদিহি কৰাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। আমাৰ হিচাপ মতে চৰকাৰে মূল সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত যি ৫০ শতাংশ ব্যয় কৰে তাক জনগণৰ বাবে প্ৰকৃত হিতসাধনৰ কামত পৰিণত কৰিব নোৱাৰে আৰু খেলি-মেলিজনক চৰকাৰী প্ৰক্ৰিয়াবোৰ হ'ল বিনিয়োগ তথা বিকাশৰ ক্ষেত্ৰত একোটা বাধা। সেয়ে ই-প্ৰশাসন সেৱাৰ অৰ্থনৈতিক প্ৰভাৱে প্ৰতিযোগিতা-মুখিতাক দৃঢ় কৰিব তথা এটা ইতিবাচক কাৰবাৰ সমৰ্থিত পৰিৱেশ সৃষ্টি কৰিব।

## সামৰণি

এই প্ৰবন্ধটোৰ লক্ষ্য হ'ল ভাৰতত সৰ্বাত্মক বিকাশ লাভ কৰাৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিসমূহৰ ভূমিকা কেনে তাক চালি-জাৰি চোৱা। মই ডিজিটেল প্ৰযুক্তিৰ ভূমিকাৰ বিষয়ে বিশ্লেষণ কৰিলো আৰু " ডিজিটেল ইণ্ডিয়া" কাৰ্যসূচীকো ইয়াকৈ আনিলো। পাঁচটা খণ্ডৰ ওপৰত অৱলোকন কৰি এইটো স্পষ্ট হয় যে নতুন ডিজিটেল প্ৰযুক্তিৰ প্ৰয়োগে সেই খণ্ডকেইটাৰ ৰূপান্তৰ সাধিবলৈ লৈছে। খণ্ডকেইটা হ'ল — কৃষি , নিৰ্মাণ, শিক্ষা, স্বাস্থ্য ৰক্ষা তথা চৰকাৰী সেৱা। এই খণ্ডবোৰত দেখা দিয়া অনুপযুক্ততা আৰু সীমিত অৱস্থাৰ পৰিধি প্ৰযুক্তিৰ প্ৰয়োগেৰে অতিক্ৰম কৰিব পাৰিব। ফলস্বৰূপে ই ভাৰতীয় কৃষিৰ ৰূপান্তৰ সাধিব তথা গ্ৰাম্য এলেকাৰ লোকসকলৰ জীৱিকা আৰু জীৱন ধাৰণৰ মানৰো উন্নতি সাধন কৰিব। নিৰ্মাণ কাম-কাজ অধিক প্ৰতিযোগিতামুখী হ'ব আৰু চাকৰিৰ বাবে অধিক সা-সুবিধা যোগান ধৰি ইয়াৰ পৰিসৰ অধিক বৃদ্ধি কৰিব। শিক্ষাৰ ক্ষেত্ৰত গুণগত দিশ তথা শিক্ষণ বিষয়বোৰ ডিজিটেল প্ৰযুক্তিৰদ্বাৰা সমাধান কৰিব পৰা হ'ব। স্বাস্থ্য ৰক্ষাৰ সা-সুবিধাসমূহ বহনক্ষম কৰিব পাৰিব আৰু দেশখনৰ দূৰ -দূৰণিত অৱস্থিত ঠাই সমূহতো ইয়াৰ সুচল প্ৰৱেশ ঘটিব। চৰকাৰী সেৱা ব্যৱস্থাক যথেষ্ট উন্নত কৰিব পাৰে। চমুকৈ ক'বলৈ গ'লে প্ৰযুক্তিয়ে সৰ্বাত্মক বিকাশ লাভ কৰাত সহায় কৰিব -যাৰ দ্বাৰাই স্থায়ী প্ৰশাসন, সুচল স্বাস্থ্য ৰক্ষা ব্যৱস্থা, শিক্ষা আৰু নাগৰিক সকলক সেৱা প্ৰদানেৰে যথেষ্ট পৰিমাণে অৰ্থনৈতিক অগ্ৰগতি সাধন কৰিব পৰা যায়।

আধুনিক প্ৰযুক্তিসমূহৰ পূৰ্ণ লাভ আহৰণ কৰিবৰ বাবে ডিজিটেল অৰ্থনীতিৰ কাৰণে আৱয়ৱিক আন্তঃগাঁথনি গঢ়ি তোলা প্ৰয়োজন আৰু তেনেদৰে প্ৰযুক্তি অৱলম্বন কৰাৰ সম্ভাব্য বাধা আঁতৰাই উপযুক্ত নীতি-নিয়মৰ দিহা কৰাটো কৰ্তব্য। প্ৰযুক্তিৰ কু-প্ৰভাৱ কৰবাত পৰিছে নেকি তাক পৰ্যবেক্ষণ কৰি নিয়ন্ত্ৰণ কৰা দৰকাৰ। এটা স্পন্দিত সৃষ্টিমূলক ইকো পদ্ধতি সৃষ্টি কৰাৰো আৱশ্যকতা আছে। ভাৰত এখন বহু ভাষিক দেশ হোৱা বাবে তথ্য-পাতি, জ্ঞান আৰু সা-সুবিধাসমূহ বিস্তৃত কৰিবলৈ বহু-ভাষিক সামৰ্থ্যৰ এনাজৰী ৰচাৰ প্ৰয়োজন আছে।

পৰম্পৰাগত পদ্ধতি সমূহক আধুনিক পদ্ধতিৰ সতে সমন্বিত কৰা আৱশ্যক — যাৰদ্বাৰা প্ৰশাসনৰ বিভিন্ন দিশসমূহ সৰলীকৃত কৰিব পৰা যাব— তেহেলৈ সেয়া উপযুক্ত ৰাজহুৱা বিতৰণ প্ৰণালী গঢ়ি তোলাই হওক বা গাঁও আৰু চহৰৰ বসবাস পৰিৱেশৰ ৰূপান্তৰ সাধন কৰাই হওক কিম্বা ভাল স্বাস্থ্য ৰক্ষা ব্যৱস্থাৰ দিহা কৰা কামেই হওক। ইয়াত এটা কথা নিশ্চয়ে উল্লেখ কৰিব লাগিব যে পাশ্চাত্যৰ দেশসমূহত ডিজিটেল পদ্ধতিৰ অৱলম্বনে কৰ্মক্ষমতা আৰু উৎপাদনশীলতাৰ উন্নতি সাধন কৰিছে; কিন্তু তাৰ লগে লগে লোকসকলৰ বাবে চাকৰিৰ মাত্ৰা হ্ৰাস কৰিছে। পিছে ভাৰতত এইটো আশা কৰা হৈছে যে মজলীয়া অৱস্থাত ই অধিক চাকৰিৰ সৃষ্টি কৰিব। এই গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি দায়িত্ব সহকাৰে অধিক মনোযোগ দিয়া প্ৰয়োজন।

# অৰ্থনৈতিক বিকাশ আৰু সামাজিক উন্নয়নৰ জৰিয়তে ভিন্নতাৰ বিষয়টোৰ সমাধানৰ প্ৰয়াস

***এন আৰ ভানুমূৰ্তি**
*** বৰ্ষা শিৰৰাম**

> সাম্প্ৰতিক কালত ভাৰতে বিকাশ আৰু সামাজিক উন্নয়নৰ মাজত থকা ভিন্নতাৰ বিষয়টোক সমাধান কৰিবলৈ চেষ্টা কৰিছে। পিছে এই প্ৰয়াসৰ সফলতা কেইটামান অঞ্চল আৰু গোটৰ মাজতহে সীমাবদ্ধ হৈ আছে। বেংকিং ব্যৱস্থা তথা আধাৰ নেটৱৰ্কৰ সতে তথ্য প্ৰযুক্তিৰ সমন্বিতকৰণেৰে ৰাজহুৱা বিতৰণ ব্যৱস্থা যথেষ্টভাৱে উন্নত কৰাৰ আশা আছে। এনে এটা সমন্বিত পদ্ধতিয়ে অঞ্চল তথা সম্প্ৰদায় সমূহৰ মাজত থকা সমূহৰ মাজত থকা প্ৰভেদখিনি হ্ৰাস কৰিব পাৰে আৰু লগতে দেশখনৰ সামগ্ৰিক বিকাশত উপনীত হোৱাতো ই সহায়ক হ'ব।

২০১৪-১৫ বৰ্ষৰ কালছোৱাত ভাৰতীয় অৰ্থনীতিয়ে মুঠ ঘৰুৱা উৎপাদনৰ বৃদ্ধি অৰ্থাৎ জি ডিপি হাৰ ৭.৩ শতাংশ লাভ কৰিছিল আৰু বহু বিশ্লেষকে চলিত বৰ্ষত এই হাৰ ৭.৫ শতাংশতকৈ অধিক হ'ব বুলি ভৱিষ্যত বাণী কৰে। বহু আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানেও ভাৰতে চীনতকৈ চলিত বৰ্ষৰ বৃদ্ধিৰ ক্ষেত্ৰত আগুৱাই যোৱাৰ আশা আছে বুলি ভৱিষ্যদ্বাণী কৰিছে আৰু বিকশিত বজাৰ অৰ্থনীতিৰ ভিতৰত ভাৰতৰ স্থান জল-জল পট-পট হ'ব বুলিও মন্তব্য কৰিছে। তেনে আন্তৰ্জাতিক প্ৰতিষ্ঠানৰ ভিতৰত আছে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি আৰু বিশ্ব বেংক। সি যি কি নহওক, যেতিয়া আমি সহস্ৰাব্দৰ বিকাশ লক্ষ্যৰ সফলতাৰ গতিধাৰালৈ চাওঁ তেতিয়া আমি ভাৰতৰ স্থিতি ভিন্ন ধৰণে দেখিবলৈ পাওঁ। ভাৰতৰ ক্ষেত্ৰত যুগুতাই উলিওৱা শেহতীয়া সহস্ৰাব্দৰ বিকাশ লক্ষ্যৰ প্ৰতিবেদনত (২০১৫) এইটো উল্লেখ কৰা হৈছে যে ১৮ টা নিৰ্ণায়ক বিষয়ৰ ভিতৰত ভাৰতে কেৱল ৪ টা নিৰ্ণায়ক বিষয়ৰ সন্দৰ্ভতহে সঠিক পথত অৱস্থান কৰিছে। বাকী বিষয়কেইটাৰ ক্ষেত্ৰত ভাৰতক 'পথৰ বাহিৰত' কিম্বা "কম পৰিমাণে নিজ পথত" আছে বুলি চিহ্নিত কৰা হৈছে। কিন্তু এতিয়া প্ৰশ্ন হ'ল অৰ্থনৈতিক বিকাশ আৰু সামাজিক নিৰ্ণায়ক দিশৰ মাজত কিয় এনে অমিল গা কৰি উঠিছে?

সৰল ভাষাত অৰ্থনৈতিক বিকাশে এছোৱা সময়ৰ অৰ্থনৈতিক ক্ষেত্ৰত হোৱা উৎপাদন বৃদ্ধিকে সূচায় ; কিন্তু এই বৃদ্ধি সদায়েই উদ্ৰেক নহ'বও পাৰে কিম্বা সমাজৰ সকলো বৰ্গৰ লোকৰ মাজত সমানে বিতৰণ কৰা নহ'বও পাৰে। এই বিকাশ আৰু বিতৰণৰ মাজত থকা এনে অমিলক চিহ্নিত কৰি ভাৰতে এটা বিকাশ কৌশল অৱলম্বন কৰিছে — যিটো হ'ব সৰ্বাত্মক ৰূপৰ আৰু নিৰন্তৰজনক। (দ্বাদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ আভাস পত্ৰত "খৰতকীয়া নিৰন্তৰ আৰু ভাৰতত অধিক সৰ্বাত্মক দিশত বিকাশ লাভ কৰাৰ লক্ষ্য ৰাখিছে।")

বিশ্ব বেংকে সদৰি কৰা মতে সামগ্ৰিক বিকাশে বৃদ্ধিৰ গতি আৰু ধৰণ-কৰণকহে বুজায়। তাৰ অৰ্থ হ'ল অৰ্থনীতি কি গতিত বৃদ্ধি পায় আৰু তাৰ লাভখিনি কিমান দূৰ বিস্তাৰিত হয়। "সৰ্বাত্মক" শব্দটোৱে শ্ৰমিক শক্তিৰ বৃহৎ সংখ্যক লোকৰ অংশগ্ৰহণ কৰাৰ আৱশ্যকতাকে অৰ্থ কৰে আৰু তেনে লোকৰ আৰ্থ-সামাজিক পটভূমি যিয়েই নহওক সেইটো বিবেচনাৰ বিষয় নহয়। লগতে বিকাশৰ সুচল প্ৰৱেশ ঘটিছে নে নাই সেই বিষয়টোকো চেৰাই অংশ গ্ৰহণ কৰাটোহে হ'ল মূল কথা। ইয়াৰ ভাবাৰ্থ "গৰীৱ সমৰ্থিত" অথবা "গৰীৱ অনুকূল" বিকাশ ভাৱৰ ওপৰত স্থিত— যিটোৱে প্ৰকৃতাৰ্থত দুখীয়াসকলক লাভান্বিত কৰাটোকে সূচায়। নীতি আৰু কাৰ্যসূচীসমূহে সাধাৰণতে দুখীয়াসকলৰ প্ৰতি উপাৰ্জনৰাশি পুনৰবিতৰণ কৰিবলৈ লক্ষ্য কৰে। উপাৰ্জন উদ্ৰেক কৰাৰ ক্ষেত্ৰত কামৰ লক্ষ্য সিমান নিৰ্দিষ্ট ধৰণৰ নহয়। পিছে কাগজ-পত্ৰ তথা ৰাজহুৱা নীতিৰ ক্ষেত্ৰত দৰিদ্ৰতা আৰু বিকাশৰ বিষয়টোক সুকীয়াকৈ সমাধান কৰিবলৈ লোৱা হয়; কিন্তু এই ক্ষেত্ৰত ই দুটা পৰিণামৰ মাজত কিছু অসংলগ্নতাহে সৃষ্টি কৰে। শেহতীয়াকৈ ভাৰতত সৰ্বাত্মক বিকাশ লাভ কৰাৰ বিষয়ে আলোচনা কৰা হয় আৰু

*** ভানুমূৰ্তি নতুন দিল্লীৰ এন আই পি এফ পিৰ অধ্যাপক। * বৰ্ষা শিৰৰাম নতুন দিল্লীৰ ইন্দ্ৰপ্ৰস্থ কলেজ ফৰ অ'মেনৰ লগত জড়িত।**

সামগ্ৰিক বৃদ্ধি তুলনাক্ৰমে সেই বিকাশ সকলোৰে বাবে সমান সা-সুবিধা লাভ কৰোৱাৰ উপৰিও অধিক বিষয়ক সূচায়। ই কেৱল দুখীয়াসকলকে উপকৃত কৰাৰ ক্ষেত্ৰত সীমাবদ্ধ নাথাকে।

পূৰ্বতে আলোচনা কৰাৰ দৰে ভাৰতত সামগ্ৰিক বিকাশৰ ওপৰত আলোকপাত কৰাৰ বিষয়টো ২০০৮ বৰ্ষৰ আগৰ কালছোৱাৰ সাধন কৰা বিকাশ হাৰৰ পৰা উৎপত্তি হৈছে। কাৰণ সেই কালছোৱাত (গড় হিচাপে ২০০৩-০৪ আৰু ২০০৭-০৮ বৰ্ষৰ মাজত বিকাশৰ হাৰ ৯ শতাংশতকৈ অধিক) লাভ কৰা তেনে বিকাশৰ হাৰে অধিক নিয়োগৰ সা-সুবিধা সৃষ্টি কৰা নাই (বহুতে ইয়াক চাকৰি বিহীন বিকাশ ৰূপে ক'ব খোজে) তথা ই বৃহৎ সংখ্যক নাগৰিকৰ জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত উন্নতি সাধন কৰাত সহায় কৰা নাই। ইয়াৰ উপৰি এনে ধৰণৰ অধিক বিকাশ মাত্ৰ কেইটামান অঞ্চলতহে সাধন হয় আৰু তাৰ ফলস্বৰূপে দেশত আঞ্চলিক অসমতা বৃদ্ধি পায়। এয়া তালিকাতহে অৱলোকন কৰিব পাৰি — য'ত উৎপাদনৰ বিকাশ গতি (যোৱা তিনি বছৰৰ গড় হিচাপে বৃদ্ধিৰ হাৰ) তথা সহস্ৰাব্দৰ বিকাশ লক্ষ্যৰ সূচনাৰ সফলতা সম্বন্ধে ৰাজ্যসমূহৰ পৰিসংখ্যা উপস্থাপন কৰা হৈছে।

তালিকাখনৰ পৰা এইটো স্পষ্ট যে ৰাজ্য সমূহৰ মাজত জি এছ ডি পি বিকাশ হাৰৰ ক্ষেত্ৰত ভিন্নতা আছে। বিহাৰ, মধ্য প্ৰদেশ, গুজৰাট আৰু মেঘালয়ৰ দৰে ৰাজ্যকেইখনত যোৱা তিনি বছৰ কালত গড় হিচাপে এই বৃদ্ধিৰ হাৰ হ'ল প্ৰায় ৮ শতাংশ; কিন্তু কৰ্ণাটক, ৰাজস্থান, পঞ্জাৱ আৰু উত্তৰ প্ৰদেশত গড় হিচাপৰ তলত আছে। আনহাতে যেতিয়া আমি সহস্ৰাব্দৰ বিকাশ লক্ষ্যৰ সফলতাৰ দিশৰ পৰা চাওঁ তেতিয়া বিহাৰৰ ক্ষেত্ৰত বিৰাট প্ৰভেদ দেখিবলৈ পোৱা যায়। এই ৰাজ্যখনৰ ভূমিকা নিঃকিন ধৰণৰ যদিও ই গড় হিচাপে ১০.৩ শতাংশ হাৰত বিকাশ লাভ কৰিছে। ইয়াৰ পৰা এইটোক বুজা যায় যে ৰাজ্যখনত অধিক বৃদ্ধিৰ গতিয়ে এতিয়াও বৃহৎ সংখ্যক নাগৰিকৰ ওচৰ পাবলৈ বাকী আছে; কিয়নো এই ৰাজ্যখনকো সৰ্বাধিক সংখ্যক দুখীয়া লোকৰ অন্যতম স্থানৰূপে গণ্য কৰা হৈছে। এই গতিধাৰা আন কেইখনমান ৰাজ্যতো পৰিলক্ষিত হয়। সেই ৰাজ্যকেইখন হ'ল — ছত্তিশগড়, ঝাৰখণ্ড, মধ্য প্ৰদেশ, ওড়িছা, ৰাজস্থান আৰু উত্তৰ প্ৰদেশ। ইয়াত আঠটা সহস্ৰাব্দৰ বিকাশ লক্ষ্যৰ নিৰ্ণায়ক দিশৰ ভিতৰত কমেও পাঁচটা প্ৰকৃত গতি পথৰ বাহিৰত আছে আৰু ৰাষ্ট্ৰীয় স্তৰতকৈ ৰাজ্যকেইখনৰ ভূমিকা নিঃকিনজনক। এই আঠটা বিকাশ লক্ষ্যৰ নিৰ্ণায়ক দিশৰ ভিতৰত ভাল কাৰ্য সম্পাদন কৰা ৰাজ্যকেইখন হ'ল — গোৱা, কেৰালা আৰু ত্ৰিপুৰা। সৰ্ব ভাৰতীয় সফলতাতকৈ এইকেইখন ৰাজ্যৰ ভূমিকা বহু ভাল। আনকি তামিল নাড়ু, মিজোৰাম, মহাৰাষ্ট্ৰ আৰু হিমাচল প্ৰদেশৰ দৰে ৰাজ্যকেইখনত সৰ্ব ভাৰতীয় পৰিসংখ্যাতকৈ আঠটা নিৰ্ণায়ক দিশৰ ভিতৰত কমেও সাতটাৰ ক্ষেত্ৰত বহু ভাল। তালিকাখনৰ পৰা এটা মন্তব্যত উপনীত হ'ব পাৰি যে ৰাজ্যসমূহৰ ক্ষেত্ৰত যি জি এছ ডি পি বৃদ্ধিৰ হাৰ আৰু সহস্ৰাব্দৰ বিকাশ লক্ষ্য আছে তাৰ দুয়োটাতে ভিন্নতা পৰিলক্ষিত হয়। ইয়াৰ বাহিৰেও আৰু এটা কথা স্পষ্ট যে জি এছ ডি পিৰ বিকাশ আৰু সহস্ৰাব্দৰ বিকাশ লক্ষ্যৰ সফলতাৰ মাজত পাৰস্পৰিক সম্পৰ্ক দুৰ্বল আৰু এই বিষয়টোৱে দুয়োটাৰ মাজত এটা বিৰাট অসংলগ্নতাৰ দিশকে পৰিস্ফুট কৰে।

এতিয়া প্ৰশ্ন হ'ল দেশখনত সামাজিক বিকাশৰ উন্নতি সাধনৰ অৰ্থে বিকাশ প্ৰক্ৰিয়াক সঠিক পথলৈ আনিবৰ কাৰণে কি কৰিব লাগিব? এনে ভিন্নতা দূৰ কৰিবৰ বাবে এতিয়ালৈকে কি কৰা হৈছে? এই গুৰুত্বপূৰ্ণ বিষয়সমূহ সমাধান কৰাৰক্ষেত্ৰত বহু মতামত থাকিলেও আৰু দ্বাদশ পৰিকল্পনাৰ আভাস পত্ৰত কিছু উল্লেখ কৰিলেও তিনিটা বিষয় হ'ল গুৰুত্বপূৰ্ণ । বিষয়কেইটা হ'ল— চাকৰি সৃষ্টি, খাদ্য নিৰাপত্তা আৰু বিত্তীয় দিশত সামগ্ৰিক বিকাশ।

## বিত্তীয় দিশৰ সামগ্ৰিক বিকাশ

আমাৰ দৃষ্টিত বিত্তৰ সৰ্বাত্মক ৰূপ অংকনেই হ'ল দেশখনৰ সামগ্ৰিক বিকাশ সাধনৰ ঘাই উপাদান। ৰিজাৰ্ভ বেংকৰ মতে বিত্তীয় দিশৰ সামগ্ৰিক বিকাশ হ'ল সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে প্ৰয়োজন হোৱা বিত্ত সম্পৰ্কিত উৎপাদিত সামগ্ৰী আৰু সেৱাৰ প্ৰতি সুচল প্ৰৱেশ নিশ্চিত কৰা প্ৰক্ৰিয়া। দুৰ্বল বৰ্গৰ লোক তথা কৰ্ম উপাৰ্জিত গোটৰ লোকসকলৰ দৰে স্পৰ্শকাতৰ গোটসমূহৰ বাবে বিশেষকৈ এনে সা-সুবিধাৰ প্ৰয়োজন। ঘাই সুঁতিৰ প্ৰতিষ্ঠানমূলক অনুষ্ঠানসমূহৰদ্বাৰা নিৰ্দ্ধাৰণ কৰা এটা বহনযোগ্য মূল্যত ন্যায্য তথা স্বচ্ছভাৱে পোৱাৰ সুচলতাৰ ব্যৱস্থা কৰা।

**জনধন-আধাৰ-ম'বাইল আঁচনিয়ে সমাজৰ একেবাৰে নিম্নতম স্তৰৰ লোকসকলক আনুষ্ঠানিক বিত্তীয় ব্যৱস্থাৰ পদ্ধতিৰ মাজলৈ অনাত সমৰ্থবান কৰি তুলিব আৰু ই আধাৰ নম্বৰ ব্যৱহাৰ কৰি প্ৰধান মন্ত্ৰীৰ জন ধন যোজনাৰ হিচাপ-বহী খোলাত তেওঁলোকক সহায় কৰিব। এনে ধৰণৰ সমন্বিত নেটৱৰ্কে উপযুক্ত, কোনো সুৰুঙা নথকা লাভসমূহত হস্তান্তৰ কৰাৰ পথ প্ৰশস্ত কৰিব। তেনে লাভসমূহ হ'ল — বৃত্তি, বীমা, ৰাজসাহায্য আৰু আনকি পেঞ্চনৰ লাভ সমূহ।**

প্ৰধান মন্ত্ৰীৰ জন ধন যোজনা আৰম্ভ কৰাৰ

আগলৈকে যিবোৰ অধ্যয়ন কৰা হৈছিল তাৰ পৰা এইটোকে বুজা গৈছিল যে দেশখনত মাত্ৰ আধা ভাগতকৈ কম লোকৰহে বেংকৰ হিচাপ-বহী আছিল। ইয়াৰ পৰা এইটোকে বুজা যায় যে আধা ভাগতকৈ অধিক লোক বিকাশ প্ৰক্ৰিয়াৰ ভাগীদাৰ নাছিল নতুবা বিতৰণ প্ৰক্ৰিয়াৰ অংশীদাৰ নাছিল। সেইফালৰ পৰা চাবলৈ গ'লে চৰকাৰে সঠিকভাৱে প্ৰধান মন্ত্ৰী জনধন যোজনা প্ৰচলন কৰে আৰু বেচ সফলতাৰে প্ৰায় ১৬.৭ কোটি লোকক বেংক ব্যৱস্থাৰ নেটৱৰ্কত অন্তৰ্ভুক্ত কৰে। সকলো মিলি ইয়াৰ ধনৰাশিৰ পৰিমাণ ২০১৫ চনৰ জুন মাহৰ অন্তত হ'ল প্ৰায় ২০,০০০ কোটি টকা। বিত্তীয় দিশৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত বেংকৰ হিচাপ-বহীৰ বৃদ্ধি ব্যৱস্থা কম সময়ৰ ভিতৰত সঞ্চয় অভ্যাস গঢ়ি তোলাত অধিকভাৱে সহায়ক নহ'ব পাৰে , কিন্তু এই নেটৱৰ্ক পুনৰ বিতৰণ নীতিক অধিক উপযুক্ত কৰি তোলাত বৰ কামত আহিব।

## জন ধন - আধাৰ-ম'বাইল আঁচনি

বেংক ব্যৱস্থাৰ নেটৱৰ্ক তথা বেংকৰ হিচাপ-বহী খোলাৰ ক্ষেত্ৰত ইয়াৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে ; কিন্তু তথাপি বেংকিং সেৱাৰ লাভ দুখীয়া আৰু গ্ৰাম্য এলেকাসমূহত তেনেদৰে লক্ষ্যণীয় নহয়। এতিয়াও সেইবোৰ অঞ্চলত তেনে সেৱা অতি নিঃকিনজনক। এই গুৰুত্বপূৰ্ণ বিষয়বোৰ সমাধান কৰিবৰ বাবে চৰকাৰে এটা সামগ্ৰিক " ফিনান্সিয়েল ইনক্লুজন প্লেন" আৰম্ভ কৰে। ইয়াৰ পাছতেই ইয়াক অনুসৰণ কৰে প্ৰধান মন্ত্ৰীৰ জন ধন যোজনাই। ২০১৪-১৫ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাত সঠিকভাৱে এই বিষয়ৰ ওপৰত আলোকপাত কৰা হৈছে। তাত উল্লেখ কৰা হৈছে যে তথ্য প্ৰযুক্তি আৰু আধাৰ নেটৱৰ্কৰ সতে বিত্তীয় সৰ্বাত্মক আঁচনিক সমন্বিত কৰিলে পুনৰ বিতৰণাত্মক নীতি ৰূপায়ণৰ ক্ষেত্ৰত ই এটা কাৰক শক্তি হ'ব পাৰে। ইয়াক " জে এ এম ত্ৰিনিটি " (জন ধন- আধাৰ- ম'বাইল ত্ৰিকোণীয় আঁচনি) বুলি কোৱা হয়। এনে ত্ৰিত্বৰ পৰীক্ষামূলক ৰূপায়ণৰ ওপৰত ভিত্তি কৰি এইটো পৰিষ্কাৰ হৈ উঠে যে সমাজৰ একেবাৰে নিম্নতম স্তৰৰ লোকসকলক আনুষ্ঠানিক বিত্তীয় ব্যৱস্থাৰ পদ্ধতিৰ মাজলৈ অনাত সমৰ্থবান কৰি তুলিব। ই আধাৰ নম্বৰ ব্যৱহাৰ কৰি প্ৰধান মন্ত্ৰীৰ জনধন যোজনাৰ হিচাপ-বহী খোলাত তেওঁলোকক সহায় কৰিব। এনেধৰণৰ সমন্বিত নেটৱৰ্কে উপযুক্ত, কোনো সুৰুঙা নথকা লাভসমূহত হস্তান্তৰ কৰাৰ পথ প্ৰশস্ত কৰিব। তেনে লাভসমূহ হ'ল — বৃত্তি, বীমা, ৰাজসাহায্য আৰু আনকি পেঞ্চনৰ লাভসমূহ। মুঠৰ ওপৰত এই শেহতীয়া সময়ছোৱাত চৰকাৰে বিত্তীয় সা-সুবিধা লাভ কৰা বিষয়বোৰ যথেষ্ট পৰিমাণে সমাধান কৰিছে।

## মহাত্মাগান্ধী এনৰেগা

দ্বিতীয় গুৰুত্বপূৰ্ণ বিষয়টো হ'ল নিয়োগ সা-সুবিধা প্ৰদান কৰা আৰু সমাজৰ সকলো বৰ্গৰ লোকক জীৱিকা নিৰ্বাহৰ ব্যৱস্থা যোগান ধৰি সামাজিক বিকাশ লাভ কৰা। পূৰ্বতে আলোচনা কৰাৰ দৰে ভাৰতৰ শেহতীয়া বিকাশে চাকৰি সৃষ্টি কৰিব নোৱাৰে বুলি কোৱা হয় ; সেই কাৰণে সকলোলৈকে চাকৰিৰ সা-সুবিধা প্ৰদান কৰিবৰ অৰ্থে ৰাজহুৱা হস্তক্ষেপৰ প্ৰয়োজন আছিল। তেনে এটা ব্যৱস্থাৰ বাবেই চৰকাৰে নিয়োগ নিশ্চিত আইন প্ৰণয়ন কৰে। ২০০৫ চনত প্ৰণয়ন কৰা এই আইনক মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন ৰূপে জনা যায়। বিশ্ব বেংকে ই গ্ৰাম্য বিকাশৰ কাৰণে এটা ভাল উদাহৰণ বুলি অভিমত ব্যক্ত কৰে। সি যি কি নহওক, এয়া ঘাইকৈ চাহিদাৰে পৰিচালিত কাৰ্যসূচী হোৱাৰ হেতু অৰ্থনীতিৰ কাৰণে এটা স্বয়ংক্ৰিয় স্থিৰতা প্ৰদান কৰোঁতা ব্যৱস্থা বুলি আশা কৰিব পাৰি আৰু নিৰাশ ভাবক প্ৰতিহত কৰা ব্যৱস্থা ৰূপে কাম কৰে বুলিও কব পাৰি।

সকলো গ্ৰাম্য বিকাশ কাৰ্যসূচীৰ ভিতৰত এনৰেগাকেই এটা বৃহৎ কাৰ্যসূচী ৰূপে বিবেচনা কৰা হয় — যি সৰ্বাত্মক বিকাশক আৰু উন্নত কৰিব পাৰে। ইয়াৰ উপৰি অন্য সামাজিক খণ্ডৰ কাৰ্যসূচীৰ পৰা ই বেলেগ। এনৰেগাৰ কাৰ্যকৰণৰ ডিজাইন হ'ল শক্তিশালী — য'ত তথ্য প্ৰযুক্তিক ব্যৱহাৰ কৰা হয়। চিহ্নিতকৰণ, ৰূপায়ণ আৰু বেতন প্ৰদানৰ বিতৰণ কাম ই-এফ এম এছৰ জৰিয়তে কৰা হয়। এই ই-এফ এম এছ মানে হ'ল ইলেকট্ৰনিক ফাণ্ড মেনেজমেন্ট ছিষ্টেম। ইয়াত সামাজিক গাণনিক পদ্ধতিৰ জৰিয়তে স্থানীয় লোকৰ শক্তিশালী ভূমিকাও আছে। ৰাজ্যসমূহত ৰূপায়ণৰ ক্ষেত্ৰত মিশ্ৰিত ফলাফল থাকিলেও (বেংকিং/ পোষ্টেল নেটৱৰ্কৰ ব্যৱহাৰৰ হেতু) এই কাৰ্যসূচীক এতিয়াও দেশত ৰূপায়িত অন্যান্য সামাজিক বিকাশ কাৰ্যসূচীবোৰৰ তুলনাত অধিক সফল কাৰ্যসুচী ৰূপে গণ্য কৰা হয়। কিছুমান পৰিসংখ্যাৰ পৰা দেখা যায় যে আঁচনিখনৰ অধীনত বেংক কিম্বা ডাকঘৰৰ দ্বাৰা যি ধন দিয়া হয় সেই ক্ষেত্ৰত গ্ৰাম্য হিচাপ-বহীৰ গৰাকীৰ (একাউন্ট হোল্ডাৰ) সংখ্যা বহু পৰিমাণে বৃদ্ধি পাইছে। তাৰ সংখ্যা হ'ল ৮.৬ কোটি। এনে ধৰণৰ বেংকৰ হিচাপ-বহীৰদ্বাৰা আৰম্ভ কৰা বিত্তীয় দিশটোৰে সঞ্চয় বৃদ্ধি কৰিছে আৰু লগতে গ্ৰামাঞ্চলৰ দুখীয়া লোকসকলক ঋণ লাভ কৰাৰ সুবিধা প্ৰদান কৰিছে। এই কাৰ্যসূচীয়ে সম্প্ৰদায়সমূহৰ মাজত ইকুইটী ব্যৱস্থা উন্নত কৰাতো সহায় কৰিছে। ঢুকি নোপোৱা সকলক ঢুকি পোৱাৰ ব্যৱস্থা কৰি এই মহাত্মা গান্ধী এনৰেগা আঁচনিখনে বহু উপকাৰ সাধন কৰিছে। যিসকলে নিয়োগ সুবিধা লাভ

## তালিকা
## ৰাজ্যসমূহৰ অৰ্থনৈতিক বিকাশ আৰু এম ডি জি সূচনাৰ শেহতীয়া গতিধাৰা

| ৰাজ্য/কেন্দ্ৰ শাসিত প্ৰদেশ | গড় হিচাপৰ বিকাশ যোৰ ৩ বছৰৰ গড় হিচাপত | দৰিদ্ৰতা অনুযায়ী হিচাপৰ অনুপাত ২০১১-১২ | কম ওজনৰ শিশুৰ সমানুপাত ২০০৫-০৬ | এন ই আৰ মধ্যমীয়া ২০১০-১৪ | পুৰুষৰ সাক্ষৰতা হাৰৰ বিপৰীতে মহিলাৰ সাক্ষৰতা হাৰৰ সমানুপাত (১৫-২৪ বছৰত) | মৃত্যুৰ হাৰ | দক্ষ স্বাস্থ্য কৰ্মীৰ দ্বাৰা চোৱাচিতা কৰা প্ৰসৱদানৰ সমানুপাত ২০০৯ | ভৌগোলিক ক্ষেত্ৰলৈ চাই বনাঞ্চল (শতাংশ হিচাপত) ২০১৩ | অনাময় ব্যৱস্থাৰ সুবিধা নথকা ঘৰ (শতাংশ হিচাপত গ্ৰাম্য +চহৰ ) এন এছ এছ২০১২ |
|---|---|---|---|---|---|---|---|---|---|
| অন্ধ্ৰপ্ৰদেশ | ৬.১৫ | ৯.২ | ২৯.৮ | ৪৩.৫৬ | ০.৯২ | ৩৯ | ৯৫.৬ | ১৬.৮ | ৩৮.৭ |
| অৰুণাচল প্ৰদেশ | ৫.৬৪ | ৩৪.৬৭ | ২৯.৭ | ৫০.১২ | ০.৯ | ৩২ | ৭১.৯ | ৮০.৪ | ১০ |
| অসম | ৫.৭৫ | ৩১.৯৮ | ৩৫.৮ | ৫০.৩২ | ০.৯৩ | ৫৪ | ৬৫.৫ | ৩৫.৩ | ১২ |
| বিহাৰ | ১০.৩১ | ৩৩.৭৪ | ৫৪.৯ | ৩৫.৯৮ | ০.৮ | ৪২ | ৫৩.২ | ৭.৭ | ৬৭.৪ |
| ছত্তিশগড় | ৬.২২ | ৩৯.৯৩ | ৪৭.৮ | ৫১.৮৯ | ০.৯ | ৪৬ | ৫৬.৪ | ৪১.১ | ৬৫.৭ |
| গোৱা | ১২.১৬ | ৫.০৯ | ২১.৩ | ৭২.৯১ | ০.৯৯ | ৯ | ৯৯.৮ | ৫৯.৯ | ৬.৭ |
| গুজৰাট | ৭.৮১ | ১৬.৬৩ | ৪১.১ | ৪৪.৮৮ | ০.৯২ | ৩৬ | ৮৫.২ | ৭.৫ | ৩৪.৪ |
| হাৰিয়ানা | ৬.৬৯ | ১১.১৬ | ৩৮.২ | ৪৬.২ | ০.৯৩ | ৪১ | ৬৯.৩ | ৩.৬ | ১৬.৭ |
| হিমাচল প্ৰদেশ | ৬.৫৬ | ৮.০৬ | ৩১.১ | ৬৮.০৭ | ০.৯৯ | ৩৫ | ৫৩.৭ | ২৬.৪ | ২২.১ |
| জম্মু আৰু কাশ্মীৰ | ৫.৮৭ | ১০.৩৫ | ২৪ | ৩৯.৫৬ | ০.৮৫ | ৩৭ | ৮২.৯ | ১০.১ | ৩৫.২ |
| ঝাড়খণ্ড | ৬.৯৪ | ৩৬.৯৬ | ৫৪.৬ | ৪৪.৩৮ | ০.৮২ | ৩৭ | ৪৭.৩ | ২৯.৫ | ৭৩.৯ |
| কৰ্ণাটক | ৪.৮৫ | ২০.৯১ | ৩৩.৩ | ৫৪.০১ | ০.৯৫ | ৩১ | ৮৮.৪ | ১৮.৮ | ৪৪.৮ |
| কেৰালা | ৮.১০ | ৭.০৫ | ২১.২ | ৭৩.৭৯ | ১ | ১২ | ৯৯.৯ | ৪৬.১ | ২.৩ |
| মধ্যপ্ৰদেশ | ১০.২২ | ৩১.৬৫ | ৫৭.৯ | ৪৪.৭৬ | ০.৮৭ | ৫৪ | ৮২.৯ | ২৫.২ | ৬০.৭ |
| মহাৰাষ্ট্ৰ | ৬.৫৭ | ১৭.৩৫ | ৩২.৭ | ৫৬.২৭ | ০.৯৭ | ২৪ | ৮৫.৫ | ১৬.৫ | ৩৩.৫ |
| মণিপুৰ | ৬.৮৭ | ৩৬.৮৯ | ১৯.৫ | ৭২.৮৯ | ০.৯৫ | ১০ | ৮২.৭ | ৭৬.১ | ০.৯ |
| মেঘালয় | ৯.০৬ | ১১.৮৭ | ৪২.৯ | ৩৮.২৯ | ১.০২ | ৪৭ | ৬৫.২ | ৭৭.১ | ৩.৬ |
| মিজোৰাম | ২.৩৪ | ২০.৪ | ১৪.২ | ৫৩.৯৮ | ০.৯৬ | ৩৫ | ৮৫.১ | ৯০.৪ | ০.৩ |
| নাগালেণ্ড | ৭.১০ | ১৮.৮৮ | ২৩.৭ | ৪০.৭৫ | ০.৯৮ | ১৮ | ৪৩.৮ | ৭৮.৭ | ০ |
| ওড়িছা | ৫.৮২ | ৩২.৫৯ | ৩৯.৫ | ৪৭.২৩ | ০.৮৯ | ৫১ | ৭৯.১ | ৩২.৩ | ৭১.৮ |
| পঞ্জাব | ৫.৪৭ | ৮.২৬ | ২৩.৬ | ৪৭.৪৮ | ০.৯৮ | ২৬ | ৬৬.৭ | ৩.৫ | ১৫.৬ |
| ৰাজস্থান | ৪.৭৬ | ১৪.৭১ | ৩৬.৮ | ৪১.০৪ | ০.৭৮ | ৪৭ | ৭৫.৮ | ৪.৭ | ৫৭.২ |
| ছিকিম | ৮.৭৫ | ৮.১৯ | ১৭.৩ | ২৬.৪ | ০.৯৮ | ২২ | ৬৯.৯ | ৪৭.৩ | ০.১ |
| তামিলনাডু | ৬.০২ | ১২.২৮ | ২৫.৯ | ৬১.৫৯ | ০.৯৮ | ২১ | ৯৮.৬ | ১৮.৩ | ৪১.১ |
| ত্ৰিপুৰা | ৮.৭০ | ১৪.০৫ | ৩৫.২ | ৮৭.৯৫ | ০.৯৬ | ২৬ | ৮৩.১ | ৭৫ | ১.২ |
| উত্তৰ প্ৰদেশ | ৫.৫৪ | ১১.২৬ | ৪১.৬ | ৩৬.৬৭ | ০.৮৭ | ৫০ | ৬৪.২ | ৬ | ১৬.১ |
| উত্তৰাখণ্ড | ৬.৮৭ | ২৯.৪৩ | ৩১.৭ | ৪৬.৩৭ | ০.৯৬ | ৩২ | ৫৮.৭ | ৪৫.৮ | ৬০.১ |
| পশ্চিম বঙ্গ | ৬.৮৯ | ১৯.৯৮ | ৩৭.৬ | ৪১.৬৬ | ০.৯৬ | ৩১ | ৭২.৬ | ১৮.৯ | ২৯.৪ |
| সৰ্ব ভাৰতীয় | ৫.৬০ | ২১.৯ | ৪০.৪ | ৪৫.৬৩ | ০.৯১ | ৪০ | ৭৬.২ | ২১.২ | ৪৩.৪৩ |

কৰিছে। তাৰ ভিতৰত ৮১ শতাংশ লোক জুপুৰী ঘৰত থাকে, প্ৰায় ৬১ শতাংশ নিৰক্ষৰ আৰু প্ৰায় ৭২ শতাংশ লোকে তেওঁলোকৰ ঘৰবোৰত বিজুলীৰ সুবিধা লাভ কৰিছে। এই আঁচনিখনে মহিলাসকলকো প্ৰভূতভাৱে সহায় কৰা পৰিলক্ষিত হয়। শেহতীয়া লাভ তথ্য মতে জনা এইটো জনা যায় যে যোৱা আঠ বছৰ কালত যি মুঠ নিয়োগৰ যোগান ধৰা হয় তাৰ ভিতৰত ৫৩ শতাংশই হ'ল মহিলা। ই গ্ৰামাঞ্চলত মহিলাসকলৰ সামাজিক আৰু অৰ্থনৈতিক স্থিতিৰ কিছু পৰিমাণে উন্নতি সাধন কৰিছে।

আধাৰ ভিত্তিক হস্তান্তৰ প্ৰক্ৰিয়া তথা বেংকিং নেটৱৰ্কৰ দৰে শেহতীয়া প্ৰচেষ্টাই কাৰ্যসূচীৰ কৰ্ম ক্ষমতাৰ আৰু উন্নতি সাধন কৰিব তথা গ্ৰামাঞ্চলৰ দুখীয়া লোকসকলৰ মাজত জীৱিকা নিৰ্বাহৰ ব্যৱস্থাকো উন্নত কৰিব।

## খাদ্য নিৰাপত্তা

বিশ্ব স্বাস্থ্য সংগঠনে খাদ্য নিৰাপত্তাক এইদৰে উপস্থাপিত কৰিছে যে যেতিয়া সকলো লোকে সকলো সময়তেএটা স্বাস্থ্যকৰ আৰু সক্ৰিয় জীৱনৰ গতিধাৰা বজাই ৰাখিবলৈ যথেষ্ট পৰিমাণে নিৰাপদজনক তথা পুষ্টিকৰ খাদ্য লাভ কৰাৰ ক্ষেত্ৰত সুচল প্ৰবেশ ঘটে তেতিয়াহে খাদ্য নিৰাপত্তা প্ৰদান কৰা বুলি কোৱা হয়। খৰতকীয়াকৈ আৰু উচ্চ গতিত বিকশিত বজাৰৰ অৰ্থনীতিয়ে গা কৰি উঠা সত্বেও ভাৰতৰ ক্ষেত্ৰত খাদ্য নিৰাপত্তাৰ বিষয়টো আহিলে কিছুমান আচৰিতজনক পৰিসংখ্যা চকুৰ আগলৈ আহে। ইউনিচেফৰ শেহতীয়া প্ৰতিবেদন অনুযায়ী ভাৰতত পাঁচ বছৰৰ তলৰ কমেও ১০ লাখ ল'ৰা-ছোৱালী অপুষ্টি জনিত বিষয়ৰ হেতু মৃত্যু বৰণ কৰে। ভীষণ ধৰণৰ অপৰিপুষ্টি সাধনৰ হেতু ইয়াত অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ লোক আৰু গ্ৰাম্য সম্প্ৰদায় সমূহৰ মাজত এই বোজা আৰু অধিক। ৰাজ্য সমূহৰ ভিতৰত ভীষণ ধৰণৰ অপৰিপুষ্টি সাধনৰ ক্ষেত্ৰত মধ্য প্ৰদেশ আৰু ৰাজস্থানৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ক্ষুধাৰ ক্ষেত্ৰত ২০১৪ চনৰ গোলকীয় ক্ষুধা সূচ্যাংক গ্লোবেল হাঙ্গাৰ ইনডেক্সৰ প্ৰতিবেদনত এইটো দেখা যায় যে পাঁচ বছৰৰ তলৰ কম ওজনৰ ( ল'ৰা-ছোৱালী) থকা ৭৬ খন দেশৰ মাজত ভাৰতৰ স্থান হ'ল ৫৫ । তেনেদৰে পাঁচ বছৰৰ তলত শিশুৰ মৃত্যু হাৰ আৰু জনগণৰ মাজত অপৰিপুষ্টিত থকা সমানুপাত হিচাপতো ভাৰতক সেই লেখত ধৰা হৈছে।

এই হতাশজনক পৰিস্থিতিলৈ চাই ভাৰতে ২০১৩ চনত ৰাষ্ট্ৰীয় খাদ্য নিৰাপত্তা আইন গ্ৰহণ কৰে। ইয়াৰ লক্ষ্য হ'ল দেশখনৰ জনসংখ্যাৰ দুই-তৃতীয়াংশক ৰাজসাহায্যযুক্ত খাদ্য যোগান ধৰা। এই আইনখনক আন কেইখনমান আঁচনিৰ সতে সমন্বিত কৰা হয়। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল ৰাজহুৱা বিতৰণ প্ৰণালী, মধ্যাহ্ন ভোজন আৰু সংহত শিশু বিকাশ সেৱা। এই প্ৰয়াস সমূহে ল'ৰা-ছোৱালী আৰু মহিলাসকলৰ মাজত পৌষ্টিক স্তৰ উন্নত কৰিব বুলি আশা কৰা হৈছে। পিছে খাদ্য নিৰাপত্তাৰ ক্ষেত্ৰত ভাৰত ভীষণ ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হোৱা সত্বেও আইনখন গ্ৰহণ কৰা প্ৰায় দুবছৰ কালৰ পাছতো এতিয়াও ৰূপায়িত কৰিবলৈ আছে। কোনো কোনোৱে যুক্তি দৰ্শোৱাৰ দৰে আইনখনত কিছু ত্ৰুটী থাকিব পাৰে। পিছে সেই বিষয়বোৰ সমাধান আৰু ৰূপায়ণ কৰাত বিলম্ব হোৱাটোৱে খাদ্য নিৰাপত্তা বিষয়টোক সমাধান কৰাৰ দিশত চৰকাৰৰ অনীহাৰ ভাৱকে পৰিস্ফূট কৰিছে। ই ৰাজ্যৰ বিষয় হোৱা হেতুকে ৰাজ্য চৰকাৰসমূহো ইয়াৰ ৰূপায়ণত বিলম্ব কৰাৰ কাৰণে সমানেই দায়ী।

## সামৰণি

সামৰণিত ক'বলৈ গ'লে সাম্প্ৰতিক কালত ভাৰতে বিকাশ আৰু সামাজিক উন্নয়নৰ মাজত থকা ভিন্নতাৰ বিষয়টোক সমাধান কৰিবলৈ চেষ্টা কৰিছে। পিছে এই প্ৰয়াসৰ সফলতা কেইটামান অঞ্চল আৰু গোটৰ মাজতহে সীমাবদ্ধ হৈ আছে। বেংকিং ব্যৱস্থা তথা আধাৰ নেটৱৰ্কৰ সতে তথ্য প্ৰযুক্তি সমন্বিত কৰণেৰে ৰাজহুৱা বিতৰণ ব্যৱস্থা যথেষ্টভাৱে উন্নত কৰাৰ আশা আছে। এনে এটা সমন্বিত পদ্ধতিয়ে অঞ্চল তথা সম্প্ৰদায়সমূহৰ মাজত থকা প্ৰভেদখিনি হ্ৰাস কৰিব পাৰে আৰু লগতে দেশখনৰ সামগ্ৰিক বিকাশ লাভ কৰাটো ই সহায়ক হ'ব। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল এই প্ৰভেদক জোৰা লগোৱাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ সমূহে এটা বৃহৎ ভূমিকা গ্ৰহণ কৰিব লাগিব। চতুৰ্দশ বিত্তীয় আয়োগৰ অনুমোদনৰ পাছত ৰাজ্যিক স্তৰত বৃদ্ধি কৰা সম্পদৰাজি তথা কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিসমূহৰ আকাৰ হ্ৰাস কৰি দিয়া অৱস্থাত সামাজিক বিকাশ সাধন কৰাৰ ক্ষেত্ৰত উপযুক্ত আঁচনি তৈয়াৰ কৰি ৰূপায়ণ কৰিবৰ কাৰণে ৰাজ্যসমূহৰ বাবে ই গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

# সৰ্বাত্মক দিশৰ বিকাশ কাৰ্যক্ৰমণিকাত লঘু আৰু মজলীয়া উদ্যোগৰ ভূমিকা

ড° পি এম মেথিউ

সৰ্বাত্মক বিকাশ ভাৰধাৰা হ'ল "বিকাশ বনাম বিতৰণৰ" সন্দৰ্ভত গা কৰি উঠা এটা গোলকীয় বিতৰ্কৰ বিষয়। কুৰি শতিকাৰ শেষৰ পিনে আৰু একৈশ শতিকাৰ আগভাগত যি ঐক্যমতত উপনীত হোৱা হয় সেয়া হ'ল " বিকাশ" আৰু " বিতৰণ"ক সুকীয়াকৈ লোৱাতকৈ এনে এটা দৃষ্টিভংগী গ্ৰহণ কৰা প্ৰয়োজন, য'ত দুয়োটা দিশ ইটোৰ লগত সিটো মিলি যায়। এই দৃষ্টিভংগীক গ্ৰহণ কৰা ক্ৰমেই "সৰ্বাত্মক বিকাশ"ৰ বিষয়টো আলোচনাৰ সমল হৈপৰে। গোলকীয় ক্ষেত্ৰত ঐক্যমত আৰু আলোচনাৰ স্তৰতো সেই অনুক্ৰমে এটা গ্ৰহণযোগ্য ভাৰধাৰাই ঠাই পালেও দেশসমূহৰ মাজত তাৰ কৰ্মৰাজি সুকীয়া ধৰণৰ হোৱাটোহে পৰিস্ফূট হোৱা দেখা যায়। দেশসমূহৰ বিশেষ পৰিস্থিতি, গ্ৰহণীয় কাম-কাজ আৰু সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰত সাধাৰণতে যেনে ধৰণে বুজা যায়, তাৰ ওপৰত নিৰ্ভৰ কৰি তেনে দৃষ্টিভংগী ভিন ভিন ধৰণৰ হয়।

ভাৰতত অতি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ সমূহৰ ভূমিকাত যথেষ্ট ৰাজনৈতিক আৰু সামাজিক চিন্তাধাৰাই প্ৰভাৱান্বিত কৰে। দেশখনত ইয়াৰ আৰম্ভণি হয় স্বাধীনতা আন্দোলনৰ লগে লগে। সেই কালছোৱাত প্ৰশাসনৰ ক্ষেত্ৰত ৰাজনৈতিক গোটসমূহৰ ভূমিকাৰ গুৰুত্বপূৰ্ণ দখল আৰু বিকেন্দ্ৰীকৃত অৰ্থনীতিৰ প্ৰতি গুৰুত্ব দিবলৈ প্ৰয়াস কৰা হয় আৰু তাৰ বাবে থলুৱা সম্পদ, বেপাৰ-বাণিজ্যৰ সা-সুবিধা তথা বজাৰ সমূহৰ ওপৰত আধাৰ কৰি তেনে ভাৰধাৰাক আগুৱাই নিবলৈ ব্যৱস্থা কৰা হয়। কিন্তু অৰ্থনীতিবিদ মহালন'বিছে যি আৰ্হি বিকাশ কৰে সেই মতে ভাৰতত ক্ষুদ্ৰ উদ্যোগ খণ্ডক বিকাশৰ এটা চালিকা শক্তি ৰূপে গণ্য কৰা হয়। পিছে অৰ্থনীতিৰ মূল খণ্ডসমূহত ই সহায়ক ভূমিকাহে গ্ৰহণ কৰে। যদিও তাত "সৰ্বাত্মক বিকাশ"ৰ ভাৰ ধাৰা অন্তৰ্নিহিত আছিল তথাপি দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ দিনৰ পৰাহে সেই শব্দ দুটা বহু পাছত ব্যৱহাৰ কৰা হয়।

"সৰ্বাত্মক বিকাশ" ভাৰধাৰা জনাজাতহৈ উঠিলেও ইয়াক কাম-কাজত অটুট ৰখাৰ ক্ষেত্ৰত বহু প্ৰত্যাহ্বান আহি পৰে আৰু এই প্ৰত্যাহ্বানবোৰ সমাধান কৰিবলৈ লওঁতে সামাজিক তথা ৰাজনৈতিক ভাৰধাৰাই যথেষ্ট ঠাই অধিকাৰ কৰে। এটা গুৰুত্বপূৰ্ণ আৰু সাধাৰণতে গ্ৰহণযোগ্য কাৰণটো হ'ল তেনে ভাৰধাৰাক নিৰন্তৰভাৱে অটুট ৰখাটো। দেশখনৰ বিকাশ পৰিসীমা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰিয়েই সেই বিষয়টোক লৈ তৰ্কৰ অৱতাৰণা কৰা হয়।

যোৱা কেইবাটাও দশকত ভাৰতীয় অৰ্থনীতিত বৃদ্ধিৰ হাৰ, বিকাশ আৰু ভিন্নমুখিতাই যথেষ্ট পৰিমাণে ঠাই অধিকাৰ কৰে। বিকাশ সাধন অৰ্থনীতিবিদসকলৰ এটা ডাঙৰ চিন্তাৰ বিষয় হয় আৰু তৈয়াৰ কৰা নীতিতো প্ৰত্যাহ্বান আহি পৰে। কাৰণ যি বিকাশ সাধন কৰা হয় তাৰ সুফল জনগণৰ সৰহভাগ লোকেই যাতে লাভ কৰে তাক নিশ্চিত কৰাটো গুৰুত্বপূৰ্ণ হৈ পাৰে। সেয়ে এই প্ৰসঙ্গত সামাজিক ব্যৱস্থাৰ দিহা কৰা প্ৰয়োজন আৰু তেনে ব্যৱস্থাৰ বাবে পৰম্পৰাগত ভাৱে চলি অহা সামাজিক ভূমিকা অৱশ্যেই গ্ৰহণীয় বিষয়। অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ প্ৰসঙ্গত ইয়াক বিবেচনাৰ বিষয় ৰূপে গণ্য কৰা হয়।

যি ক্ষেত্ৰত পৰম্পৰাগত ভাৱে গ্ৰহণ কৰা সামাজিক ভূমিকাক লৈ স্বয়ংক্ৰিয় পথেৰে কাৰ্য সাধন কৰিবলৈ বিচৰা হয়,তেনে ক্ষেত্ৰত নিকট অতীতত সেই পৰিস্থিতিৰ অধিক পৰিৱৰ্তন হয় আৰু তেনে অৱস্থাত গাঁথনিগতভাৱে অৰ্থনীতি পৰিৱৰ্তন হোৱাৰ লগে লগে মূল বিষয়ৰ উপৰিও অন্য কিছুমান উপৰুৱা বিষয়ো দেখা দিয়াৰ সম্ভাৱনা থাকে। অৱশ্যে তেনে উপৰুৱা বিষয়সমূহক পৰিহাৰ কৰাৰ সম্ভাৱনাই অধিক। ঘাই সুঁতিত তেনে বিষয়বোৰক কেনেকৈনো সামৰি ল'ব পৰা যায়? এইটো হ'ল এটা প্ৰত্যাহ্বানমূলক প্ৰশ্ন। কিন্তু ভাৰতীয় অৰ্থনীতিৰ পৰিক্ৰমাত লঘু আৰু মজলীয়া উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

**সৰ্বাত্মক বিকাশৰ ভিন্ন ভাৰধাৰা**

সৰ্বাত্মক বিকাশৰ ক্ষেত্ৰত আলোচনা কৰোঁতে অৱলম্বন কৰিব লগা

**ড° মেথিউ হ'ল ইনষ্টিটিউট অব স্মল এন্টাৰপ্ৰাইজেছ এণ্ড ডেভেলপমেন্টৰ সঞ্চালক।**

কৌশল হ'ল আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। অতি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা কৌশল ঘাইকৈ তিনি ভাগত বিভক্ত হোৱা দেখা যায়। প্ৰথমটো হ'ল সুৰক্ষা আৰু সংৰক্ষণৰ হকে পৰম্পৰাগতভাৱে অৱলম্বন কৰা কৌশল। ইয়াৰ পাছতেই আছে সেই কৌশল, যিটো অধিকাৰ-ভিত্তিক দৃষ্টিভংগীৰ ওচৰা-উচৰি। তৃতীয়টো হ'ল সামৰ্থ্যসূচক দৃষ্টিভংগী। শেহতীয়াকৈ দেশখনে সেই দৃষ্টিভংগীকেই অনুসৰণ কৰিছে। ইয়াৰ অধীনত এইটো ধৰি লোৱা হয় যে উপযুক্ত সামৰ্থ্যৰে দেশখনে অতি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগক বিকাশ কাৰ্যসূচীৰ ঘাই সুঁতিলৈ নিব পাৰিব।

ভাৰত চৰকাৰে শেহতীয়াকৈ ঘোষণা কৰা নীতিয়ে এই ইংগিত বহন কৰিছে। এফালে মূল কাৰ্যসূচী আছে— যিবোৰ ৰাষ্ট্ৰীয় নীতিৰ উদ্দেশ্য সাধন কৰিবলৈ ব্ৰতী আৰু অনহাতে আছে দক্ষতা আৰু উদ্যোগী সৃষ্টিৰ ওপৰত কৰা আলোকপাতৰ বিষয়। এই দুয়োটা দিশৰ সংমিশ্ৰণে এই কথা নিশ্চিত কৰিবলৈ সমৰ্থবান যে এই দেশখনৰ জনগণৰ সৃষ্টিশীলতা আৰু শক্তিক উৎপাদনমূলক আৰু সামাজিকভাৱে অৰ্থপূৰ্ণ কাম-কাজৰ পিনে আগবঢ়াই লৈ যোৱা হ'ব। চৰকাৰে সম্প্ৰতি এই দিশত বহু পদক্ষেপ গ্ৰহণ কৰিছে। অৱশ্যে এইবোৰৰ সূক্ষ্ম দিশবোৰ উপযুক্তভাৱে বুজি পাব লাগিব।

**নতুন নীতিৰ বৈশিষ্ট্য**

ভাৰতৰ নতুন ৰাজহুৱা নীতিৰ দৃষ্টিভংগীয়ে " চৰকাৰ" আৰু "প্ৰশাসন" ৰ মাজত এটা প্ৰভেদৰ সূচনা কৰিছে আৰু সেয়ে নীতি প্ৰক্ৰিয়াৰ ক্ষেত্ৰত যি বিতৰ্কৰ অৱতাৰণা হৈছে তেনে ক্ষেত্ৰত ইয়াৰ অধিক বৈশিষ্ট্য আছে। কথা হ'ল যি নীতি তৈয়াৰ কৰা হয় সেইবোৰক উপযুক্ত প্ৰশাসন ব্যৱস্থাৰে কাৰ্যকৰী কৰাটোহে মূল বিষয় হোৱা উচিত। যিবোৰ অধ্যয়ন কৰা হৈছে তাৰ পৰা এইটো দেখা গৈছে যে ভাৰতত যি ৰাজহুৱা নীতি প্ৰস্তুত কৰা হয় সেইবোৰক সঘনে আৱশ্যকতা, প্ৰভাৱ অথবা প্ৰতিক্ৰিয়াক বুজি উঠি গ্ৰহণ কৰাৰ অপাৰগতাই আচ্ছন্ন কৰি তোলে ; ফলস্বৰূপে অৰ্থনৈতিক বিকাশ সাধনত ই হেঙাৰ হৈ পৰে। নীতি সমূহ প্ৰয়োজনতকৈ অধিক সঘনে অতিৰিক্ত পৰিৱৰ্তন অথবা নতুন তথ্যপাতি সম্বলিত কৰি ওলোটাই পেলোৱা হয় কিম্বা পৰিবৰ্তন কৰা হয়। ভাৰতৰ নীতি তৈয়াৰ কৰা গাঁথনিক অধিক অনুপযুক্ত অথবা অসমৰ্থ বুলি আক্ষেপ কৰা হয় — যাৰ বাবে "সঠিক" নীতি তৈয়াৰ কৰাত অসুবিধা হয় (২০০৫ চনত আগৰৱাল আৰু সোমনাথনৰ মন্তব্য)।

**উল্লিখিত দুয়োগৰাকী ব্যক্তিৰ মতে এটা "ভাল নীতি তৈয়াৰ প্ৰক্ৰিয়া"ই তলত দাঙি ধৰা দিশকেইটা পূৰণ কৰিব ঃ**

১) এটা খণ্ড সন্মুখীন হোৱা সমস্যা আৰু বিষয়বোৰ বিশেষজ্ঞৰ বিশ্লেষণৰ বিচাৰাধীন ;

২) ওপৰা-উপৰিকৈ কৰা কামৰ তথ্য আৰু আন খণ্ডৰ সতে কৰিবলৈ এৰা ব্যৱসায় আদি বিষয়বোৰ পদ্ধতিগত ভাৱে সংগ্ৰহ তথা নীতি তৈয়াৰ কৰোতা সকলক দিয়া হয়;

৩) খণ্ডসমূহৰ মাজত তথা নিজৰ ভিতৰত যি বিৰোধমূলক দিশ থাকে তাক উপযুক্তভাৱে গ্ৰহণ কৰি বিশ্লেষণ আৰু বিবেচনা কৰা হয় আৰু এই ক্ষেত্ৰত যিসকল উপকৃত হোৱাৰ সম্ভাৱনা থাকে কিম্বা অনিষ্টকাৰক হয় তাক চিহ্নিত কৰা হয় আৰু তেওঁলোকৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াকো গ্ৰহণ কৰা হয় ;

৪) যি সকল আক্ৰান্ত হোৱাৰ সম্ভাৱনা থাকে সেই সকলৰ সতে আলোচনা কৰাৰ পাছত আৰু সংশ্লিষ্ট খণ্ডৰ সুবিদিত ব্যক্তিৰ জড়িতকৰণেৰে ন্যায়িক কৰ্তৃপক্ষৰ সতে লগ লাগি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

৫) ৰূপায়ণৰ বাবে দায়বদ্ধ ব্যক্তিক পদ্ধতিগত ভাৱে প্ৰক্ৰিয়াত জড়িত কৰা হয়, কিন্তু তেনে লোকক ইয়াৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিবলৈ দিয়া নহয় ;

৬) নীতি তৈয়াৰ কৰোঁতা আৰু তেওঁলোকৰ উপদেষ্টাসকলৰ সাধুতা, স্বতন্ত্ৰতা আৰু বুদ্ধিমত্তা আছে ; তেওঁলোকে উপযুক্তভাৱে বিষয়সমূহ বিবেচনা কৰি তথা বিভিন্ন দিশ-কোণ চালি-জাৰি চাই এছোৱা নিৰ্দিষ্ট সময়ৰ ভিতৰত সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে।

যোৱা ছবছৰে দেশখনত অতি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগে বিকাশৰ ক্ষেত্ৰত যি প্ৰয়াস কৰে তাত বিভিন্ন কাৰ্যসূচী কি কি ক্ষেত্ৰক লক্ষ্য কৰিব লাগিব সেই সমন্ধে আৰু উপ-খণ্ড তথা সামাজিক গোটক সামৰি লোৱাৰ সন্দৰ্ভত নিজৰ ভূমিকা গ্ৰহণৰ ছবিখন উদঙাই দেখুৱায়। পিছে এটা সাধাৰণ ধাৰণাই গা কৰি উঠে যে কাৰ্যসূচীসমূহৰ লাভসমূহ যি ধৰণে ভবা হৈছিল সেই ধৰণে হিতাধিকাৰী সকলৰ ওচৰ গৈ প্ৰকৃততে পোৱা নাই। এই প্ৰসঙ্গত দুটা বিষয় আহি পৰে। এটা হ'ল কাৰ্যসূচী সমূহৰ এটা সমন্বিত দৃষ্টিভংগী থাকিব লাগে। ইয়াৰ উপৰি এই কাৰ্যসূচীবোৰ প্ৰকৃততে ৰূপায়ণ অথবা বিতৰণ কৰা সন্দৰ্ভত আলোকপাত কৰা আৱশ্যক আৰু তেনে কৰোতে অপ্ৰকাশ্য বিষয় কাৰ্যকৰী কৰাৰ পূৰ্বে গোপনীয়তা ভঙ্গ কৰিব নালাগে।

অৰ্থনৈতিক সমীক্ষা আৰু শেহতীয়া কেন্দ্ৰীয় বাজেটত দাঙি ধৰা ইংগিতৰ ওপৰত ভিত্তি কৰি কিছুমান গ্ৰহণ কৰিব লগা গুৰুত্বপূৰ্ণ পদক্ষেপ আছে, যিবোৰৰ বিষয়ে পৰীক্ষা-নিৰীক্ষা আৰু পৰ্যালোচনা কৰাৰ আৱশ্যক আছে।

**আৰম্ভণি অৱস্থাত আলোকপাত**

যি ক্ষেত্ৰত বৰ্তমানে সমগ্ৰ বিশ্বতে

আৰম্ভণিতেই উদগণি জনোৱাৰ এটা গ্ৰহণযোগ্য আৰ্হি আছে , তেনেস্থলত ভাৰতে নিজৰ যথেষ্ট জনগাঁথনি মূলক লাভৰ দিশ থকা হেতু তৰুণ লোকৰ দক্ষতাক কামত লগোৱাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা প্ৰয়োজন আৰু তেওঁলোকক তেনে গুণেৰে সজ্জিত কৰি বেতন অৰ্জন কৰোঁতা ৰূপে নিবিষ্ট কৰিব লাগে। কেন্দ্ৰীয় বাজেট আৰু অৰ্থনৈতিক সমীক্ষাত উল্লেখ কৰাৰ দৰে এই দিশত এটা আৰম্ভণি কৰা হৈছে আৰু তাৰ বাবে এটা সমন্বিত দৃষ্টিভংগী আৰোপ কৰা হৈছে।

**থলুৱা নিৰ্মাণ কাৰ্যৰ ওপৰত অধিক গুৰুত্ব আৰোপ**

যোৱা দুই দশক কালত নিৰ্মাণ খণ্ডত ভাৰতে যি ব্যৱস্থা গ্ৰহণ কৰে তাত নীতি-নিয়মৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়াটো বেচ সুস্পষ্ট। নেশ্বনেল মেনুফেকচাৰিং কম্পিটিভনেছ প্ৰ'গাম আৰু ৰাষ্ট্ৰীয় নিৰ্মাণ নীতি হ'ল তাৰেই একোটা সঁহাৰি স্বৰূপ। বিশ্বৰ নিৰ্মাণ কাৰ্যৰ কেন্দ্ৰস্থল ৰূপে দেশখনে নিজকে প্ৰতিপন্ন কৰিবলৈ স্পষ্ট ভাৱে লক্ষ্য আগত ৰাখি কামত অৱতীৰ্ণ হৈছে সেয়া হ'ল এটা উল্লেখযোগ্য বিকাশ।

নিৰ্মাণ কাৰ্যৰ ক্ষেত্ৰত ভাৰতৰ প্ৰেক্ষাপটত নতুন দিশৰ সূচনা কৰি প্ৰতিৰক্ষামূলক সা-সৰঞ্জাম তৈয়াৰ কৰা সন্দৰ্ভত নতুন নীতিক গতি দান কৰে। এই নীতি ২০১৪ চনৰ মে'ত ঘোষণা কৰা হয়। ইয়াৰে পাছতেই থলুৱা নিৰ্মাণ কাৰ্যৰ সন্দৰ্ভত এটা নীতি প্ৰধান মন্ত্ৰীয়ে সেই বছৰৰ ১৫ আগষ্টত ঘোষণা কৰে। অতি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ কাৰণে নিৰ্মাণ বিষয়ত যি স্থান দিয়া হয় সেয়া হ'ল স্বতন্ত্ৰ ভাৰতৰ প্ৰথম প্ৰয়াস আৰু সেইটোৱে এই খণ্ডৰ নৈতিক বল তথা আত্ম মৰ্যাদাক গাঢ় কৰি তোলাৰ দিশত দিশটোক প্ৰভাৱান্বিত কৰে।

**দক্ষতা বিকাশৰ ক্ষেত্ৰত নতুন বুজাবুজি**

কাৰিকৰী আৰু বুনিয়াদী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট প্ৰয়াস কৰা সত্বেও ভাৰতীয় অৰ্থনীতিয়ে দক্ষতাৰ দিশৰ পৰা আশানুৰূপভাৱে আগবাঢ়ি যাব পৰা নাই। তাত এটা ডাঙৰ সুৰুঙা ৰৈ গৈছে। সেই সমস্যাটো সম্পৰ্কে ভালদৰে বুজি-বাজি ল'ব পৰা নাই আৰু সেয়ে নীতি কাৰ্যত তাক ৰূপান্তৰিত কৰিব পৰা নাই। সৌ সিদিনাখনলৈকে সেই নীতিৰ এটা দৃষ্টিভংগী আছিল বুনিয়াদী শিক্ষাৰ আন্তঃগাঁথনি সবল কৰাটো আৰু তাত আন বিষয় জাপি দি আগবাঢ়ি যোৱাটো।

উপৰোক্ত দৃষ্টিভংগীৰ পৰা পৰৱৰ্তী কালত আঁতৰি আহি এটা গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হয়। তাক ২০১৪ চনৰ কেন্দ্ৰীয় বাজেটত অন্তৰ্ভুক্ত কৰা হয়। বাজেটত দক্ষতা বিকাশৰ এটা সমন্বিত দৃষ্টিভংগীয়ে ঠাই পায়। সকলো দিশৰ দক্ষতাৰ উপৰিও প্ৰতিপন্ন কৰিব পৰা দক্ষতাকো ঠাই দিয়া হয়। মূল কাৰ্যসূচী "দক্ষ ভাৰত" ক যদি উপযুক্তভাৱে সংগঠিত কৰা হয়, তেনেহ'লে ই আৰম্ভণিসূচক আন্দোলনক আগুৱাই নিয়াত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব।

**নিৰ্মাণ আৰু ক্ষুদ্ৰ উদ্যোগৰ সমন্বিত দৃষ্টিভংগী**

পূৰ্বতে উল্লেখ কৰাৰ দৰে এন এম চি পি আৰু ৰাষ্ট্ৰীয় নিৰ্মাণ নীতিয়ে নিঃসন্দেহে দেশত নিৰ্মাণ কাৰ্যক উৎসাহিত কৰা গুৰুত্বৰ বিষয়ে আলোকপাত কৰিছে। পিছে কাৰ্যসূচীক আঁচনিলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত যিবোৰ তথ্যপাতি এতিয়ালৈকে আহৰণ কৰা হৈছে সেয়া প্ৰশংসনীয় নহয়। অলপতে তিনিটা মূল খণ্ডত যিবোৰ কাম কৰিবলৈ চিনাক্ত কৰা হয় আৰু গুৰুত্বও দিয়া হয় সেইটোৱে অৱশ্যে অধিক সংঘবদ্ধ প্ৰয়াসৰ নিদৰ্শন দাঙি ধৰিছে; আৰু ইয়েই এইবোৰৰ উপ খণ্ডসমূহলৈকে প্ৰসাৰিত হোৱাৰ সম্ভাৱনা আছে। সেই খণ্ডকেইটা হ'ল — ১) প্ৰতিৰক্ষা উৎপাদন, ২) ইলেকট্ৰনিক আৰু ৩) বস্ত্ৰ।

**সীমিত গোটৰ সম্ভাৱনাৰাজিক কামত লগোৱা**

বহু সংস্কৃতিৰে আধাৰিত ব্যৱস্থাক পৰিচালনা কৰোঁটো বাস্তৱিকতেই এটা ডাঙৰ প্ৰত্যাহ্বানৰ বিষয় ; কিন্তু অন্য দিশৰ পৰা চাবলৈ গ'লে অতি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগক সাৰ্থক ৰূপ দিয়াত সুবিধাও আছে। দেশ হিচাপে ভাৰত গ্ৰাম্য প্ৰেক্ষাপটৰে অধিক বিশেষত্ব থকা হেতুকে জাতি-বৰ্ণ আৰু ভাষাৰ সংমিশ্ৰণৰ ছবি উদ্যোগৰ গঢ়-গঠন আৰু নিযুক্তি কৌশল ব্যৱস্থাত প্ৰতিফলিত হয়। বিভিন্ন সাংস্কৃতিক পটভূমিৰ পৰা অহা সম্প্ৰদায়সমূহৰ ভিন্ন গোটবোৰে নিজকে সবল কৰাৰ সুবিধা পোৱাৰ লগে লগে শিক্ষাৰ ক্ষেত্ৰতো অৰ্হতা আহৰণ কৰিবলৈ সূচল হয় ; আৰু তেনে অৱস্থাত সীমিত গোটসমূহকো লঘু আৰু মজলীয়া উদ্যোগৰ দ্বাৰা সামৰি লোৱাৰ সম্ভাৱনা থাকে। কিন্তু এনে বিভিন্নতাক পৰিচালনা কৰিবলৈ লঘু আৰু মজলীয়া উদ্যোগসমূহ কিমানদূৰ সজ্জিত হৈ উঠিছে ? এয়া হ'ল সামাজিক ব্যৱস্থাক সক্ৰিয় কৰা তথা ৰাজহুৱা নাতি তৈয়াৰ কৰাৰ ক্ষেত্ৰত এটা প্ৰশ্নৰ বিষয়।

তথাকথিত "সামাজিকভাৱে সীমিত তত্ব"ই (ছ'চিয়েল মাৰ্জিনেলিটি থেছিছ) এইটো কয় যে এখন সমাজত সীমিত অৱস্থাত থকা সম্প্ৰদায় সমূহৰ লোকে ঘাই সুঁতিৰ সম্প্ৰদায়বোৰতকৈ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বহু বেছি বৰঙণি যোগায়। গোলকীয়ভাৱে পৰিস্ফূট হোৱা এনে আচৰণৰ ধৰণ-কৰণৰ বৈশিষ্ট্যপূৰ্ণ প্ৰভাৱ ভাৰতৰ বিকাশ কৌশলৰ ক্ষেত্ৰতো আছে। সংবিধান

অনুযায়ী ভাৰতত সামাজিকভাৱে সীমিত গোটসমূহক কিছুমান বিশেষ সুৰক্ষা সাধন তথা সুবিধাৱলীৰ বাবে উপযুক্ত ৰূপে চিহ্নিত কৰা হৈছে। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ স্থাপনে এই কামবোৰ সমন্বিত কৰাৰ ক্ষেত্ৰত এটা সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাইছে। সি যি কি নহওক, এই সম্প্ৰদায়সমূহৰ অৰ্থনৈতিক সম্ভাৱনাৰাশি আৰু বিশেষ সামৰ্থ্যৰাজিক কেনেকৈ অৰ্থনৈতিক বিকাশৰ কাৰ্যসূচীত কামত লগোৱা হ'ব? এই গুৰুত্বপূৰ্ণ প্ৰশ্নটো এতিয়ালৈকে আংশিকভাৱেহে সমাধান কৰা হৈছে।

আনহাতে যি কোনো সমাজত সংখ্যালঘু গোটসমূহ ঘাই সুঁতিৰ সতে সমন্বয় সাধন কৰাত প্ৰায়ে অসুবিধাৰ সন্মুখীন হয় আৰু সেই কাৰণে তেওঁলোকে সততেই বিশেষ অৰ্থনৈতিক সময় মণ্ডলক (টাইম জ'ন) চিহ্নিত কৰিবলৈ প্ৰয়াস কৰে। এই সন্দৰ্ভত ক'বলৈ গ'লে বহু দেশতে সংখ্যালঘু সকলক ৰাজহুৱা কাৰ্যসূচীৰদ্বাৰা ঘাই সুতিৰ অৰ্থনৈতিক খণ্ডসমূহত উপযুক্তভাৱে সমন্বিত কৰা নহয়। ফলস্বৰূপে বহু দেশতে আদিম গোষ্ঠী আৰু আঞ্চলিক সংখ্যালঘু লোকসকলে নিজৰ বিশেষ অৰ্থনৈতিক কাম-কাজ কৰি সন্তুষ্ট হৈ থাকিবলৈ বিচৰা দেখা যায়। উদাহৰণস্বৰূপে ক'বলৈ গ'লে ভিয়েটনাম আৰু ইণ্ডোনেছিয়াত সংখ্যালঘুসকলে বটিক (বস্ত্ৰত ৰং কৰা) শিল্পত নিবিষ্ট হৈ থাকে। তেনেদৰে ভিয়েটনামত কলহ তৈয়াৰীৰ কাম, চীনত যুগৰ সংখ্যালঘুসকলে কাপোৰ বোৱা আৰু তেনেধৰণৰ কলাত ন্যস্ত থাকে। চীনৰ কাজাক সংখ্যালঘু সকল গোষ্ঠীগত খাদ্য সামগ্ৰী তৈয়াৰ কৰাত সিদ্ধহস্ত। ভাৰতীয় প্ৰসঙ্গত মোৰাদাবাদৰ পিতলৰ সামগ্ৰী তৈয়াৰী, নাৰ্জাপুৰৰ লেচমেকিং, চাল্লাপাটনামৰ কাঠৰ পুতলা জাতীয় সামগ্ৰী আৰু কৰ্ণাটকৰ উদুপী হোটেল হ'ল এনে ধৰণৰ নিজ বৈশিষ্ট্য থকা উদাহৰণ।

২০১৪ চনৰ কেন্দ্ৰীয় বাজেটত সংখ্যালঘূসকলৰ বিকাশৰ অৰ্থে আজোককাৰ দিনৰ কলাত প্ৰশিক্ষণ আৰু দক্ষতাৰ মান উন্নীতকৰণৰ বাবে এটা কাৰ্যসূচী যুগুতোৱা। এই কাৰ্যসূচী পৰম্পৰাগতভাৱে চলি অহা 'কলা আৰু ইয়াৰ শৈলীক অক্ষুণ্ণ ৰাখিবৰ কাৰণে প্ৰচলন কৰা হ'ব; কাৰণ এইবোৰৰ একোটা চহকী ঐতিহ্য আছে। বহু সংস্কৃতিবাদৰ অধিক প্ৰাসঙ্গিকতা তথা সংখ্যালঘুসকলৰ বৈশিষ্ট্যপূৰ্ণ অৰ্থনৈতিক ভূমিকা থকা সত্ত্বেও বৰ্তমানৰ জ্ঞান পদ্ধতিৰ সতে তেওঁলোকৰ ভূমিকাক চিহ্নিত তথা সমন্বিত কৰাৰ কোনো প্ৰয়াস এতিয়ালৈকে কৰা হোৱা নাই।

**গুৰুত্বপূৰ্ণ ক্ষেত্ৰত উদ্বিগ্নতা**

ওপৰত উল্লেখ কৰা পৰিৱৰ্তন সাধন কৰিবলৈ কৰা প্ৰয়াস সত্ত্বেও কিছুমান গুৰুত্বপূৰ্ণ এলেকা আছে যাৰ বিষয়ে বিশেষকৈ উল্লেখ কৰা প্ৰয়োজন। সেয়া হ'ল — ১) বিকাশৰ অৰ্থে জ্ঞানৰ প্ৰয়োগ; ২) গুৰুত্বপূৰ্ণ সম্পদ ৰূপে এন্ট্ৰিপ্ৰেনিয়ৰশ্বিপ ; ৩) সমন্বিত ভাৱে বিপুল ধৰণে কাৰ্য ক্ষমতাক গঢ় দিয়া ; ৪) সামাজিক ক্ষেত্ৰত উদ্যোগৰ সতে সামাজিক সজাগতাক সমন্বিত কৰি তোলা।

**১) বিকাশৰ অৰ্থে জ্ঞান**

তথাকথিত " বিকাশ অৰ্থনীতি"ত যি খৰতকীয়া পৰিৱৰ্তনে গা কৰি উঠিছে তাৰ সতে জড়িত আছে নতুন গতিশীল ব্যৱস্থা আৰু নতুন নিয়মাৱলী। সফলতা অৰ্জনৰ অৰ্থে নতুন চালিকা শক্তি। যোৱা শতিকাৰ পচিছ বছৰ কালত গোলকীয় অৰ্থনীতিত যি ডাঙৰ গাঁথনিগত পৰিৱৰ্তন সাধন হয় । সেয়া এটা উল্লেখনীয় বিষয়। জ্ঞান অৰ্থনীতিৰ বিকাশ এই কালছোৱাতে স্পষ্ট। এটা গুৰুত্বপূৰ্ণ উপাদান ৰূপে জ্ঞানৰ প্ৰাধান্যই পুৰণি অৰ্থনীতি আৰু তথাকথিত নতুন অৰ্থনীতিৰ মাজত এটা বিভাজন অনাটোকে সূচায়। এই দেশবোৰ তীখা, অটোম'বাইল আৰু পথৰ ওপৰত ভিত্তি কৰা ঔদ্যোগিক অৰ্থনীতিৰ পৰা একোটা নতুন " অৰ্থনৈতি"লৈ ৰূপায়িত হয় আৰু সেই নতুন অৰ্থনীতি ছিলিকন, কম্পিউটাৰ আৰু নেটৱৰ্কৰ ওপৰত গঢ় লৈ উঠে। অৰ্থনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত এটা বৈশিষ্ট্যপূৰ্ণ পদক্ষেপ লোৱাটোকে সূচায়। পূৰ্বৰ কৃষি যুগৰ ঠাইত ঔদ্যোগিক যুগৰ সূচনা হোৱাৰ দৰেই এই পদক্ষেপ বেচ বৈশিষ্ট্যপূৰ্ণ। " নতুন অৰ্থনীতি" হ'ল ভৱিষ্যতৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱা, নতুন উৎপাদন সামগ্ৰী কিম্বা সেৱা সৃষ্টি কৰাৰ ক্ষমতা আৰু নতুন পৰিচয়নামাৰ প্ৰতি ব্যৱসায়ক ৰূপান্তৰ সাধন কৰাৰ ক্ষমতা আয়ত্ত কৰা। এই নতুন পৰিচয় নামাৰ বিষয়ে বিগত দিনত কল্পনাই কৰি পৰা নগৈছিল আৰু পৰহিলৈৰ পৰা সেইবোৰ অচল হৈও যাব পাৰে। " নতুন অৰ্থনীতি"ক পুৰণিৰ পৰা বিভাজন কৰিবৰ বাবে কিছুমান বিষয় আছে; আৰু সেইবোৰ বিষয় হ'ল — ১) জ্ঞান, ২) ডিজিটাইজেচন, ৩) ভাৰ্চুৱেলাইজেচন, ৪) মলিকুলাৰাইজেচন, ৫) ইন্টাৰনেট ৱৰ্কিং, ৬) ডিছ-ইন্টাৰমেডিয়েচন, ৭) কনভাৰজেন্স, ৮) ইনোভেচন, ৯) প্ৰজাম্পচন ; ইমিদিয়েচি, ১০) গ্লোবেলাইজেচন, ১১) দিছকৰডেন্স আৰু ১২) স্ব-নিয়োজনৰ অবাধ পথ মুকলি।

ভাৰতত অতিক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ বিকাশ নীতিৰ দীঘলীয়া ইতিহাস থকা সত্ত্বেও জ্ঞানৰ সৃষ্টি আৰু এই খণ্ডই গুৰিলৈকে সংবহন কৰি নিয়াৰ দিশত আমাৰ প্ৰয়াস গোলকীয় মানৰ বহু গুণে তলত আছে। উদাহৰণ স্বৰূপে সংখ্যাগত সীমাবদ্ধতা উঠাই লোৱা কাৰ্যক পৰিহাৰ কৰা হয়। অথচ

তেনে সীমাবদ্ধতা নাথাকিলে আলোচ্য উদ্যোগৰ প্ৰতি এটা সুৰক্ষিত পৰিকাঠামো গঢ়ি তোলাৰ সুবিধা আগবঢ়াব পৰা যায়। আনপিনে খোলা বজাৰত ইয়াৰ স্থিতি জ্ঞাত হোৱাৰ বাবে খণ্ডটোৱে আশানুৰূপ লাভ আহৰণ কৰিব নোৱাৰে। যি ক্ষেত্ৰ উদাৰীকৰণ নীতিৰ জৰিয়তে এটা নিৰ্দিষ্ট স্তৰৰ ক্ষেত্ৰত আশা কৰা হয় ,তেনে ক্ষেত্ৰত খণ্ডটোৱে আশা কৰা মতে সু-ফল লাভ কৰিব নোৱাৰে। নীতি স্তৰত এই যুক্তি দৰ্শোৱা হয় যে খণ্ডটোৰ নিৰন্তৰতা অব্যাহত ৰাখিবৰ কাৰণে সৃষ্টিশীলতাই হ'ল এটা মন্ত্ৰ ; কিন্তু এই সন্দৰ্ভত তুলনামূলকভাৱে কাৰ্যকৰণত বাধাৰ সৃষ্টি হয়।

জ্ঞান অৰ্থনীতিত অৰ্থাৎ অৰ্থনীতিক প্ৰযুক্তি আদিৰে আগুৱাই নিব পৰা স্থিতিত লঘু আৰু মজলীয়া উদ্যোগৰ গতিশীলতাক একক ভিত্তিত অব্যাহত ৰখাটো আশা কৰিব নোৱাৰি, ইয়াৰ বাবে প্ৰয়োজন আন্তঃখণ্ডীয় যোগসূত্ৰ স্থাপনৰ পৰা আহৰণ কৰা লাভসমূহ। ইয়াত আমদানীকৃত প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰ কৰি চলা বিকাশৰ পুৰণি ভাৱধাৰাৰ ভূমিকা তেনেই কম। " নতুন অৰ্থনীতি"ত অৱস্থান আৰু সময় হ'ল গুৰুত্বপূৰ্ণ বিষয় আৰু তাক থলুৱা জ্ঞান পদ্ধতিৰে ভালদৰে ব্যৱহাৰ কৰা প্ৰয়োজন। অতি ক্ষুদ্ৰ , লঘু আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত যি জ্ঞান পদ্ধতিক কামত লগোৱা হয় তাৰ কাৰ্য ব্যৱস্থা অধিক উন্নত কৰাৰ আৱশ্যক আছে। এনে জ্ঞান পদ্ধতিক সমন্বিত কৰা প্ৰয়োজন আৰু ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত প্ৰযোজ্য মূল্য ৰাজিৰ পৰিপুষ্টি সাধন কৰাও কৰ্তব্য। কৌশলাত্মক দৃষ্টিভঙ্গী অৱলম্বন কৰা ৰূপে " মেইক ইন ইণ্ডিয়া" চলিত পথৰ পৰা ফালৰি কাটিছে। পিছে অতি ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত ই কেনেদৰে ৰজিতা খায় সেয়া এটা তৰ্কৰ বিষয়।

**২) গুৰুত্বপূৰ্ণ সম্পদ ৰূপে শিল্পোদ্যোগ**

পৰম্পৰাগত ভাৱে ভাৰতত এন্ট্ৰেপ্ৰেনিয়ৰ অৰ্থাৎ উদ্যোগপতি ব্যৱসায়ী সম্প্ৰদায়ৰ পৰাই উদ্ভৱ হয় বুলি গণ্য কৰা হয়। সত্তৰৰ দশকৰ আগছোৱাত এই চিন্তাধাৰাৰ আমূল পৰিৱৰ্তন ঘটে। এন্ট্ৰেপ্ৰেনিয়ৰশ্বিপ ডেভেলপমেন্ট প্ৰ'গ্ৰামৰ জৰিয়তে বিকাশ নীতি তৈয়াৰ কৰা হয়। প্ৰতিষ্ঠান আৰু কাৰ্যসূচীৰ জৰিয়তে উদ্যোগপতি বিকাশ কাৰ্যক ঘাই সুঁতিলৈ অনা হয়। অৱশ্যে ইয়াৰ প্ৰভাৱ কি তাক এতিয়াও উপযুক্তভাৱে নিৰ্দ্ধাৰণ কৰিবলৈ বাকী আছে। তাৰ বাবে মাপকাঠি ঊপযুক্তভাৱে বিকাশ কৰা প্ৰয়োজন। কাৰণ লঘু উদ্যোগৰ গৰাকী বা গোটো উদ্যোগপতি হ'ব পাৰে। সেই অৰ্থতেই উদ্যোগপতি শব্দটো ব্যৱহাৰ কৰা হৈছে। এনে উদ্যোগপতিৰ বিকাশ কাৰ্যত দুটা গুৰুত্বপূৰ্ণ উপাদান আছে। সেয়া হ'ল — কাৰ্যসূচীৰ আৰ্হিকৰণ আৰু কাৰ্যসূচীসমূহৰ সমুচিত বিতৰণ অৰ্থাৎ ৰূপায়ণৰ অৰ্থে দায়িত্ব প্ৰদান। এই দুয়োটা ক্ষেত্ৰতে ইয়াৰে বাবে মূল্যাংকণ কৰা বিভিন্ন অধ্যয়নত বাধাৰ বিষয়ে উল্লেখ কৰা হৈছে।

দেশখনৰ বৃহৎ আকাৰলৈ চাই আৰু তৰুণ চামৰ যি বৃহৎ সংখ্যক লোক আছে তালৈ দৃষ্টি নিক্ষেপ কৰি উদ্যোগপতিৰ কাৰেণ প্ৰয়োজনীয় দিশবোৰ বুজি উঠিবলৈ এটা উপযুক্ত দৃষ্টিভঙ্গী অৱলম্বন কৰা প্ৰয়োজন। সেয়ে এই প্ৰসঙ্গত এটা সম্পদমূলক দৃষ্টিভঙ্গী আৰোপ কৰাটোহে ৰজিতা খায়। এন্ট্ৰেপ্ৰেনিয়ৰশ্বিপ হ'ল এটা গুৰুত্বপূৰ্ণ সম্পদ। ইয়াক ভালদৰে ৰাখি পৰিপুষ্ট কৰাও দৰকাৰ। এই প্ৰয়োজনীয় বিষয়বোৰলৈ চাই তৈয়াৰ কৰা নীতি আৰু কৌশল সমূহক ভালদৰে পৰীক্ষা কৰা প্ৰয়োজন।

**৩) সমন্বিত ক্ষমতাৰ গঢ়-গঠন**

ক্ষমতাৰ গঢ়-গঠন ৰ ধাৰণাটো হ'ল এটা সমন্বিত ভাৱধাৰা। যি কোনো অৰ্থনীতিত শ্ৰমিক বজাৰৰ প্ৰৱান্বিত বৈশিষ্ট্যই কেনে ধৰণৰ ক্ষমতা সৃষ্টি কৰিব অৰ্থাৎ গঢ়ি তুলিব লাগিব তাক স্থিৰ কৰে। অৱশ্যে ক্ষমতা সৃষ্টিৰ দৃষ্টিভঙ্গী বেলেগ হ'ব পাৰে।

শ্ৰমিক বজাৰৰ ক্ষেত্ৰত বৰ্তমান দেশখন এক ধৰণৰ অমিলতাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। সেই অৱস্থাই ভাৰতৰ তৰুণ চামক যুদ্ধকালীন প্ৰস্তুতিৰে দক্ষ কৰি তোলাৰ বিষয়টোকে আমাৰ আগত দাঙি ধৰিছে — যাতে অৰ্থনীতিৰ উৎপাদনমূলক খণ্ডক তেওঁলোকৰ নিযুক্তিয়ে দৃঢ় কৰিব পাৰে। এই যুক্তি প্ৰধান মন্ত্ৰীয়ে যোৱা বছৰ স্বাধীনতা দিৱসত ভাষণ দিওঁতে দাঙি ধৰিছিল। তেওঁ মূল কাৰ্যসূচী ঘোষণা কৰিছিল, যাক কোৱা হয় "দক্ষ ভাৰত" (স্কিল ইণ্ডিয়া) । দেশখনৰ শ্ৰমিক বজাৰ নীতি সম্বন্ধে এই কাৰ্যসূচীয়ে এটা আভাস দাঙি ধৰে। অৱশ্যে এনে এটা নীতিৰ সবিশেষ উপযুক্তভাৱে উদ্ভাৱন কৰা আৱশ্যক। " দক্ষ ভাৰত" কাৰ্যসূচীক নতুন গতি প্ৰদান কৰিবৰ বাবে ২০১৪ চনৰ নৱেম্বৰত দক্ষতা বিকাশ আৰু এন্ট্ৰেপ্ৰেনিয়ৰশ্বিপ মন্ত্ৰালয় স্থাপন কৰা হয়। অহা কেইটামান দশকৰ ভিতৰত কৰ্ম বাহিনীক নিযুক্তিৰ বাবে উপযুক্ত দক্ষতা প্ৰদান কৰাই হ'ল ইয়াৰ উদ্দেশ্য।

ভাৰত এটা জ্ঞান অৰ্থনীতিলৈ ৰূপান্তৰিত হোৱাৰ লগে লগে লোকসকলক শক্তিবান, প্ৰেৰণাদায়ক আৰু দক্ষ কৰি তোলাৰ আৱশ্যকতা আছে। বিশেষকৈ এই কথা প্ৰযোজ্য তৰুণ লোকসকলৰ ক্ষেত্ৰত। ইয়াৰ বাবে কেৱল সংখ্যাৰ ফালৰ পৰাই নহয়, গুণগত দিশৰ পৰাও তেওঁলোকক দক্ষ কৰি তোলা প্ৰয়োজন। ইয়াৰ বাবে প্ৰতিষ্ঠান, কাৰ্যসূচী আৰু গুণগত মান গঢ়ি তোলাৰ ক্ষেত্ৰত অধিকভাৱে উপযুক্ত কাম কৰাৰ আৱশ্যকতা আছে। এনে এটা কৌশলাত্মক

দৃষ্টিভঙ্গীয়ে এটা ৰাষ্ট্ৰীয় নীতিৰ পথ প্ৰশস্ত কৰিব — যি নীতিৰ দ্বাৰাই ভাৰতৰ শ্ৰমিক বজাৰ কাৰ্যসূচীক ত্বৰান্বিত কৰিব পৰা যায়।

দক্ষতাৰ বিকাশক একাষৰীয়াকৈ চাব পৰা নাযায়। দক্ষতা মূল বিষয় হ'লেও ভাল চাকৰি লাভ কৰিবৰ বাবে ই যথেষ্ট নহয় কিম্বা এজন ভাল উদ্যোগী হ'বৰ বাবেও কেৱল দক্ষতাই যথেষ্ট নহয়। এইখিনিতে শ্ৰমিক বজাৰৰ হস্তক্ষেপৰ বিষয়টো আহি পৰে। দক্ষতাৰ বিকাশ হ'ল ইয়াৰ এটা বৃহৎ ভাগ। ই চাহিদাত্মক হোৱা আৱশ্যক। তেনে হস্তক্ষেপ কাৰ্য নিয়োগ আৰু অৰ্থনৈতিক বিকাশ কৌশলৰ এটা অনবদ্য অঙ্গ হ'ব লাগিব। সেয়ে অন্যান্য ঘাই অৰ্থনৈতিক নীতি আৰু কৌশলৰাজিৰ সতে সমন্বয় ৰখাটো প্ৰয়োজন। সেইদেখি দক্ষতাৰ বিকাশ আৰু এন্ট্ৰেপ্ৰেনিয়ৰশ্বিপৰ আৱশ্যকতা বৰ্দ্ধিত উপাৰ্জনৰ সা-সুবিধাৰ পৰা গঢ়ি উঠা প্ৰয়োজন। তাত আন কেইটামান বিষয়ো অন্তৰ্ভুক্ত কৰিব পৰা যায়। সেয়া হ'ল— বেতন নিয়োগ, স্ব-নিয়োজন আৰু শ্ৰমিক ৰপ্তানি। বেতন নিয়োগে বৰ্তি থকাটো নিশ্চিত কৰে। স্ব-নিয়োজন হ'ল উপাৰ্জন তথা নিয়োগ বৃদ্ধিৰ এটা কাৰক স্বৰূপ। শ্ৰমিক ৰপ্তানিয়ে দেশখনৰ বৈদেশিক মুদ্ৰা সম্পদত অৰিহণা যোগায়। এটা সমন্বিত ৰূপৰ শ্ৰমিক বজাৰ অৰ্থনীতিয়ে এই তিনিওটা বিষয়কে বিজ্ঞানসন্মত ভাৱে ব্যৱস্থা গ্ৰহণ কৰা কৰ্তব্য। এই বিভিন্ন দিশসমূহৰ যদিও গাঁথনিগতভাৱে ইটোৰ সতে সিটোৰ সম্বন্ধ আছে , ভাৰত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহে এইবোৰ চোৱাচিতা কৰে। কিন্তু তাকে কৰোতে কাম-কাজ সম্পাদন কৰাৰ দিশত এটা মিলন সুৰ থাকিব লাগিব।

এইটো ঠাৰৰ কৰা হৈছে যে সাত বছৰ কালত (২০০৫-২০১২) দেশখনত মাত্ৰ ২৭ লাখ অতিৰিক্ত চাকৰি সৃষ্টি কৰা হয়। ইয়াৰ পৰা এইটো বুজিব পাৰি যে দেশখনত বেতন নিয়োগৰ যোগান চাহিদা অনুযায়ী বহু পৰিমাণে কম। সেইদেখি সঠিক জ্ঞান আৰু উন্মেষ সাধনেৰে চাকৰি বিচৰা সকলৰ কমেও এটা অংশক এন্ট্ৰেপ্ৰেনি-য়ৰশ্বিপ খণ্ডলৈ পঠাব পাৰি। ইয়াৰ বাবে প্ৰয়োজন হয় উপযুক্ত কাৰবাৰ বিকাশ সেৱা (বিজনেছ ডেভেলপমেন্ট ছাৰ্ভিচেছ)। দক্ষতা বিকাশৰ প্ৰয়োজনীয়তালৈ চাই ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নীতি ২০০৯ চনত প্ৰস্তুত হয়। কিন্তু এই নীতিৰ ঠাই অধিকাৰ কৰে ২০১৫ চনৰ দক্ষতা আৰু এন্ট্ৰেপ্ৰেনিয়ৰশ্বিপ বিষয়ক ৰাষ্ট্ৰীয় নীতিয়ে (নেচনেল পলিচী অন স্কিলছ এণ্ড এন্ট্ৰেপ্ৰেনিয়ৰশ্বিপ ডেভেলপমেন্ট)। এই নীতিৰ উদ্দেশ্য হ'ল শ্ৰমিক বজাৰ হস্তক্ষেপৰ কাৰণে এটা পৰিকাঠামোৰ যোগান ধৰা — যাতে তাৰ মান অটুট ৰাখি এটা স্থিৰতা প্ৰদান কৰিব পাৰি। ইয়াৰ লক্ষ্য হ'ল সামৰি ল'ব পৰা একোটা পৰিকাঠামো, যাৰদ্বাৰা সকলো ধৰণৰ দক্ষতামূলক কাম-কাজ দেশৰ ভিতৰতে চলাই নিব পৰা যায় আৰু উপযুক্ত মান সম্পন্নভাৱে সেইবোৰে বজাৰ উন্মেষ সাধন নিশ্চিত কৰিব পাৰে। এই উদ্দেশ্য আৰু আশান্বিত ফলৰ উপৰিও উক্ত নীতিয়ে প্ৰতিষ্ঠানমূলক পৰিকাঠামোকো চিহ্নিত কৰিব আৰু এই পৰিকাঠামোৰেই হ'ব আশাপ্ৰদ পৰিণাম লাভ কৰাৰ উপায়। দক্ষতা বিকাশ কাৰ্য হ'ল বিভিন্ন সংগঠন, প্ৰতিষ্ঠান আদিয়ে মিলি কৰা দায়িত্বৰ কাম। ইয়াত চৰকাৰ, নিয়োগকৰ্তা আৰু কৰ্ম্মীসকলো থাকিব। অনা চৰকাৰী সংগঠন, সমূহীয়া ভিত্তিৰ সংগঠন আৰু ব্যক্তিগত প্ৰশিক্ষণ প্ৰতিষ্ঠান তথা ইয়াৰ সতে জড়িত থকা অন্য গোটৰ ভূমিকা হ'ব গুৰুত্বপূৰ্ণ।

প্ৰধান মন্ত্ৰীৰ " দক্ষ ভাৰত" ভিজনক পৰিকাঠামোৰ ভিতৰত এনেদৰে আগুৱাই নিয়া প্ৰয়োজন, যাতে শ্ৰমিক বজাৰ নীতিৰ প্ৰকৃত ৰূপ পৰিস্ফুট হৈ পৰে আৰু ইয়াত ৰাষ্ট্ৰীয় তথা ৰাজ্যিক পৰ্যায়ৰ প্ৰত্যেক মন্ত্ৰালয় তথা বিভাগসমূহৰ এটা নিৰ্দিষ্ট ভূমিকা থাকিব। এই ভূমিকা প্ৰত্যেকৰে কৰ্ম শৈলীলৈ চাইহে নিৰ্দিষ্ট কৰা আৱশ্যক — যাতে কাম- কাজ ওপৰা-উপৰিকৈ কৰাৰ ফলত কোনো এটা বিষয় ৰূপায়ণত খেলি-মেলি নহয়।

**৪) সামাজিক উদ্যোগ**

" প্ৰভাৱ বিস্তাৰিত বিনিয়োগ" আৰু "সামাজিক উদ্যোগ" হ'ল দুটা ভাৱধাৰা, যাৰ প্ৰাসঙ্গিকতা আজিৰ বিশ্বত অনস্বীকাৰ্য। পিছে ভাৰতৰ ক্ষেত্ৰত এই ভাৱধাৰাই এতিয়াও গা কৰি উঠিবলৈ বাকী আছে।

আকাৰৰ ফালৰ পৰা চাই ভাৰত বিভিন্ন সামাজিক সমস্যাৰ সন্মুখীন হয়। কিন্তু ইয়াক বৰ্তমানৰ সম্পদৰাজি আৰু সা-সুবিধাৰ বিষয়টোলৈ চাই লক্ষ্য সাধন কৰা প্ৰয়োজন। সামাজিক সমস্যা উদ্ভৱ হোৱাটো নতুন কথা নহয় আৰু তেনে সমস্যাৰ মাজতো সুযোগ-সুবিধাৰ পথ নোলোৱাকৈ নাথাকে। সেয়ে নিৰন্তৰভাৱে উদ্যোগ বিকাশ কাৰ্যসূচীৰ প্ৰতি মন দিয়া উচিত আৰু সুবিধা সমূহকো চিহ্নিত কৰিব পাৰিব লাগিব। তাৰ লগতে সেই সুবিধাক অৰ্থপূৰ্ণভাৱে সমাধান কৰিবৰ কাৰণে প্ৰণালীবদ্ধ কৰিব লাগিব। সেয়ে এই ক্ষেত্ৰত সামাজিক উদ্যোগৰ প্ৰাসঙ্গিকতাৰ বিষয়টো আহি পৰে।

সামাজিক উদ্যোগক সেই উদ্যোগ ৰূপে ধৰা হয়, যি উদ্যোগবোৰে সামগ্ৰী উৎপাদন কৰে আৰু বজাৰৰ কাৰণে সেৱা প্ৰদানৰ কাম কৰে ; কিন্তু সামাজিক দিশলৈ চাই তেনে উদ্যোগে কাৰ্য পৰিচালনা কৰি যিবোৰ সা-সামগ্ৰী ৰাহি হয় তাক সামাজিক প্ৰয়োজনীয়তাৰ বাবে নিৰ্দিষ্ট ঠাইত অৱস্থানৰ দিহা কৰে আৰু পৰিবেশমূলক লক্ষ্যলৈ চকু দিয়ে। তেনে

উদ্যোগ হ'ল ৰাজহ উদ্রেক কৰা প্ৰতিষ্ঠান আৰু ব্যৱসায়ত ন্যস্ত হ'লেও নিৰ্দিষ্ট উদ্দেশ্যৰ প্ৰতি সচেতন হৈ থাকে। লাভ নিবিচৰা সংগঠনেই কাম কৰক, কিম্বা লাভৰ কাৰণে কাম কৰা কোম্পানীয়েই হওক — সামাজিক উদ্যোগৰ দুটা লক্ষ্য আছে। তাৰ এটা হ'ল — সামাজিক, সাংস্কৃতিক, সমূহীয়া অৰ্থনৈতিক অথবা পৰিৱেশমূলক ফল আহৰণ কৰা। আনটো হ'ল ৰাজহ উপাৰ্জন কৰা। বাস্তৱ ক্ষেত্ৰত বহু সামাজিক উদ্যোগে বিষয় আৰু অৱস্থা অৱলোকন কৰে আৰু সেইমতে অনুভৱ কৰি কামত আগবাঢ়ে ; আনকি সচৰাচৰভাৱে কৰা বেপাৰ-বাণিজ্যৰ দৰে কাৰ্যকৰণত লাগি যায়। কিন্তু দ-কৈ চালে এইটো উপলব্ধি হয় যে সামাজিক উদ্যোগৰ নিৰ্দিষ্ট বৈশিষ্ট্য, আছে। কাৰবাৰৰ কেন্দ্ৰস্থলত ইয়াৰ অভিযান আৰু উপাৰ্জন উদ্রেক কৰাৰ ভাবেৰে ই এটা গুৰুত্বপূৰ্ণ সমৰ্থিত ভূমিকা পালন কৰে।

সংগঠন সমূহক সামাজিক উদ্যোগৰ পৰিসৰত ৰাখিব পাৰি আৰু সেয়া ব্যক্তিগত আৰু ৰাজহুৱা খণ্ডৰ মাজৰ নিৰন্তৰ প্ৰক্ৰিয়াত স্থিত হ'ব পাৰে। লম্বমান দিশত প্ৰত্যেকটো উদ্যোগ বা সংগঠনক ঘাই উদ্দেশ্যৰদ্বাৰা শ্ৰেণী ভুক্ত কৰা হয় আৰু সেয়া হ'ল " সামাজিক উদ্দেশ্য"। কিন্তু তলৰ পিনে তাৰ পৰিচয় হ'ল "বাণিজ্যিক উদ্দেশ্য"।

একোটা " সামাজিক অৰ্থনীতি"ৰ বিকাশ সাধন হয় । তাৰ কাৰণ হ'ল কিছুমান বিষয় আছে — যিবোৰ সামাজিক দায়িত্ববোধৰ (অৰ্থনৈতিক কিম্বা সামাজিক অথবা পৰিৱেশমূলক) আৰু তাৰ বাবে নতুনকৈ সমাধানৰ পথ উলিওৱাৰ আৱশ্যকতা আছে আৰু ব্যক্তিগত অথবা ৰাজহুৱা খণ্ডই আওকাণ কৰা (অথবা অপৰ্যাপ্তভাৱে পূৰ কৰা) বিষয়সমূহ সমাধান কৰাৰ প্ৰয়োজন আছে। লাভৰ লক্ষ্যত উপনীত হ'বলৈ নহয়, বৰং এটা সৎ উদ্দেশ্যৰ বাবে বিষয়সমূহক সমাধান কৰাৰ ক্ষেত্ৰত সামাজিক অৰ্থনীতিয়ে গ্ৰহণ কৰিব লগা একোটা অনন্য ভূমিকা আছে। এখন শক্তিশালী, অৱধাৰিত, সমৃদ্ধিশালী তথা সৰ্বাত্মক ৰূপৰ সমাজ সৃষ্টি কৰিবৰ বাবেই এয়া প্ৰয়োজন। সামাজিক -অৰ্থনৈতিক খণ্ডৰ পৰিসীমাৰ বিষয়ে কোৰাটো টান ; কিয়নো ৰাজনীতি আৰু অৰ্থনীতি সলনি হৈ থাকে। যি কোনো সময়তে সংগঠনসমূহ আংশিকভাৱে ভিতৰত থাকিব পাৰে আৰু আংশিকভাৱে বাহিৰ হৈও যাব পাৰে ; আৰু তেনে অৱস্থাত সেই সংগঠনবোৰ সামাজিক অৰ্থনীতিৰ উপ-খণ্ডসমূহৰ মাজতেই ইফাল-সিফাল কৰি থাকিব লগা হয়।

চৰকাৰৰ নীতিৰ লক্ষ্যসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত সফলতা লাভ কৰা সামাজিক উদ্যোগে একোটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে আৰু তেনে লক্ষ্য হ'ল—

* উৎপাদনশীলতা আৰু প্ৰতিযোগিতা বৃদ্ধি কৰা;
* সামাজিকভাৱে সম্পদ সৃষ্টিৰ বাবে বৰঙণি যোগোৱা ;
* স্থানীয় কাষৰীয়া ঠাই সমূহক নতুনকৈ চাবৰ বাবে ব্যক্তি তথা সম্প্ৰদায়ক সমৰ্থবান কৰি তোলা ;
* ৰাজহুৱা সেৱা বিতৰণৰ ক্ষেত্ৰত নতুন পথ দেখুওৱা ;
* এখন সৰ্বাত্মক ৰূপৰ সমাজ আৰু সক্ৰিয় নাগৰিকত্বৰ বিকাশ সাধন।

দেশখনৰ বিশালতালৈ চাই ভাৰতে বিভিন্ন সামাজিক উদ্যোগৰ আৰ্হি (মডেল) তৈয়াৰ কৰিছে। সেইবোৰ মাজত সম্পূৰ্ণৰূপে চৰকাৰী পৰিকল্পিত দিশৰ পৰা আৰম্ভ কৰি ব্যক্তিগত আৰ্হিও আছে। এই ক্ষেত্ৰত বহু নাম থাকিলেও দেশখন এতিয়াও ৰাষ্ট্ৰীয় স্তৰত এটা সামাজিক উদ্যোগ নীতিৰ অভাৱত আছে।

যোৱা দুটা দশক কালত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বিকাশ মনোগ্ৰাহী হ'লেও দেশখনৰ ১২০ কোটি জনসংখ্যাৰ ভিতৰত এক-তৃতীয়াংশ এতিয়াও দাৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰিছে। পাঁচ বছৰৰ তলৰ ৪০ শতাংশতকৈ অধিক ল'ৰা-ছোৱালী অপুৰিপুষ্টিত ভোগে আৰু বিশ্ব স্বাস্থ্য সংগঠনৰ মতে ৬২ কোটি লোক খোলা ঠাইত মল ত্যাগ কৰিবলৈ বাধ্য হয়। কাজেই সামাজিক ভাৱে লক্ষ্যপুষ্ট বিনিয়োগ অথবা " প্ৰভাৱ বিস্তাৰিত বিনিয়োগ"ৰ জৰিয়তে এই সমস্যাবোৰ সমাধান কৰাটো হ'ল এটা ডাঙৰ প্ৰত্যাহ্বান।

সৰ্বাত্মক বিকাশৰ ভাৰতীয় কাৰ্যক্ৰমণিকাত সামাজিক উদ্যোগে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বহু দেশৰ দৰে চৰকাৰী ভাৱে কিম্বা ন্যায়িকভাবে স্বীকৃতি নাপালেও এইবোৰে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ভাৰতত ইয়াক এটা খণ্ড ৰূপে ধৰা হৈছে যেতিয়া ইয়াৰ ভূমিকা আৰু সবল হোৱা দৰকাৰ।

সামাজিক উদ্যোগ কি সেই সম্পৰ্কে সংজ্ঞা দিয়াটো এতিয়াও এটা প্ৰত্যাহ্বান স্বৰূপ হৈ আছে। কিন্তু ইয়াক সঠিকভাৱে নিৰূপণ কৰিলে ই শক্তিশালী নীতি তৈয়াৰ কৰিবৰ কাৰণে পথ প্ৰশস্ত কৰিব আৰু তেতিয়া ই নতুনত্ব প্ৰদানৰ ক্ষেত্ৰত সুবিধা সৃষ্টি কৰিব। এনে সহায়ৰ বাবে বিনিয়োগ, ঋণ আৰু মঞ্জুৰিক তেনে কাম আৰম্ভ কৰিবলৈ অন্তৰ্ভুক্ত কৰিব পৰা যায়। আন উদগণিমূলক ব্যৱস্থাও গ্ৰহণ কৰিব পাৰি। তাৰ ভিতৰত ক'ব পাৰি কৰ আৰোপ নকৰা ব্যৱস্থা (টেক্স ব্ৰে'ক), মাটিৰ ক্ষেত্ৰত ৰাজসাহায্য , বিদ্যুৎ আৰু জল ব্যৱস্থা। সম্প্ৰতি প্ৰায়ভাগ নতুনকৈ আৰম্ভণি কৰা সামাজিক উদ্যোগে বিদেশৰ বিনিয়োগকাৰীৰ পৰা পুঁজি আহৰণ কৰে। পিছে ভাৰতত বৃহৎ পৰিমাণৰ মূলধন

৩৭ নং পৃষ্ঠাত চাওঁক

# সৰ্বাত্মক বিকাশৰ আহিলা ৰূপে কৃষিক গঢ়ি তোলাৰ প্ৰয়াস

*** ভুৱন ভাস্কৰ**

এষাৰ প্ৰচলিত কথা আছে যে আমাৰ দৰে এখন কৃষিজীৱি সমাজত কৃষিক কেন্দ্ৰস্থলত নৰখাকৈ কোনো বিকাশ পৰিকল্পনাই সফল হ'ব নোৱাৰে। এয়া কেৱল দেশ হিচাপে বিশ্বৰ ভিতৰত সৰ্বাধিক খাদ্য ব্যৱহাৰ কৰোঁতা ৰাষ্ট্ৰ বুলিয়েই নহয় কিম্বা কৃষি খণ্ডক স্বচ্ছন্দ ৰূপত কৰা তথা আমাৰ খাদ্য নিৰাপত্তাৰ বাবে গতিশীল অৱস্থাক জীৱন্ত কৰি ৰখাই নহয়, তদুপৰি আধা ভাগতকৈ অধিক জনসংখ্যা সামাজিক আৰু অৰ্থনৈতিক দিশৰ ক্ষেত্ৰত কৃষিৰ ওচৰত ঋণী। তেনেদৰে আমাৰ সাংস্কৃতিক জীৱন এই কৃষিৰ ওপৰতেই নিৰ্ভৰ কৰি জীপাল হৈ উঠিছে। এইখিনি কথা কোৱাৰ পাছত এইটো প্ৰকৃততেই বিশ্বাস কৰিব নোৱাৰি কেনেকৈ আমাৰ কৃষিৰ অৱস্থা আজিৰ দৰে পুতৌ জনক হৈ পৰিছে। ইয়াৰ গুৰি ক'ত তাক সহজতেই উলিয়াব পৰা যায়। আমি স্বাধীনতা লাভ কৰাৰ ঠিক পাছতেই তাৰ সূত্ৰপাত ঘটে। আমাৰ প্ৰথম প্ৰধান মন্ত্ৰী তথা আধুনিক কালৰ এগৰাকী মহান স্বপ্নদ্ৰষ্টা পণ্ডিত জৱাহৰলাল নেহৰুৱে এইদৰে কৈছিল — " মই উদ্যোগৰ পক্ষপাতী, তীখা কাৰখানাৰো পক্ষপাতী আৰু এনে বহুতো বিষয়ৰ প্ৰতি মোৰ সদিচ্ছা আছে, কিন্তু লগতে মই এইটোও কওঁ যে আন যি কোনো উদ্যোগতকৈ কৃষি হ'ল অধিক গুৰুত্বপূৰ্ণ বিষয়।"

এয়া কেৱল এটা সামান্য বিবৃতিয়েই নহয়; ই কৃষিৰ দিশত আমাৰ ৰাষ্ট্ৰীয় নীতিৰ এটা প্ৰস্তাৱনা ৰূপে পৰৱৰ্ত্তী সাতটা দশক কালত কাম কৰিছে। এখন চৰকাৰৰ পাছত আনখন চৰকাৰে কৃষিক এটা মূল বিষয় ৰূপে গ্ৰহণ কৰাৰ কথা কয়, কিন্তু যেতিয়া নীতি তৈয়াৰ কৰিব লগা হয় তেতিয়া তাক গুৰুত্ব সহকাৰে লোৱা নহয়। যথাযথ অৱস্থাতেই কৃষিক এৰি দিয়া হয় নিজৰ ধৰণে কাম কৰিবলৈ। নেহৰুৱে ঘোষণা কৰিছিল যে উদ্যোগ হ'ল আধুনিক ভাৰতৰ মন্দিৰ ; আৰু সেইটোৱেই স্বাধীন ভাৰতত কৃষিক এটা অনিশ্চয়তাৰ মাজলৈ ঠেলি দিয়ে। ই এটা পৰিচয়হীন বিষয় ৰূপে স্থিতি লাভ কৰে।

কৃষি খণ্ডৰ প্ৰতি এনে ধৰণৰ পুতৌ লগা অৱস্থাই দুটা পৰিণাম সূচায়। এটা হ'ল আমি উৎপাদনশীলতা আৰু শস্য ভিন্নমুখীকৰণৰ ক্ষেত্ৰত নৰম ভাবধাৰা পোষণ কৰিবলৈ ধৰিলো আৰু আনটো হ'ল দুই-তৃতীয়াংশতকৈ অধিক ভাৰতীয় লোক আৰ্থ-সামাজিক দিশৰ প্ৰতি ক্ষেত্ৰতে পিছ পৰি থাকিব লগা হ'ল। তাৰ কাৰণ হ'ল তেওঁলোকৰ কাৰণে কৃষিয়েই হ'ল জীৱিকা নিৰ্বাহৰ মূল উৎস। কিন্তু মূল আন্তঃগাঁথনিৰ অভাৱত তেওঁলোকৰ উপাৰ্জনৰ স্তৰত গধুৰ বোজা পৰিবলৈ ধৰিলে। কৃষিৰ অৱস্থা উন্নত কৰিবলৈ হ'লে জলসিঞ্চন ব্যৱস্থাকে দৰি ভিন ভিন উপায়ৰ প্ৰয়োজন হয়। তেনে ধৰণৰ মূল আন্তঃগাঁথনিৰ ভিতৰত আন কেইটামান প্ৰয়োজনীয় বিষয় হ'ল — খেতি চপোৱাৰ পাছৰ সা-সুবিধা, গৱেষণা কেন্দ্ৰ, উপযুক্ত ঋণ সুবিধা ইত্যাদি। এনেবোৰ ব্যৱস্থাৰ অবৰ্তমানত মূৰকত গ্ৰাম্য ভাৰত আৰু চহৰীয়া ভাৰতৰ প্ৰভেদ গাঢ় হৈ আহিবলৈ ধৰে।

যাঠিৰ দশকৰ আগছোৱাত যেতিয়া ভাৰত দুৰ্ভিক্ষৰ আশংকাৰ সন্মুখীন হ'ব লগা হৈছিল তেতিয়া প্ৰধান মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে সফলভাৱে দেশখনক সেউজ বিপ্লৱৰ পিনে আগুৱাই নিছিল। এই বিপ্লৱৰ পৰা উপকৃত হৈ ভাৰতে খাদ্য উৎপাদনৰ ক্ষেত্ৰত বহু দূৰ আগবাঢ়ি যায় আৰু বহু শস্য উৎপাদনৰ ক্ষেত্ৰত আত্ম-নিৰ্ভৰশীল হয়। কিন্তু এই বিপ্লৱ পৰিসৰৰ দিশৰ পৰা সীমিত আছিল। মূল বিষয়টো আছিল কৃষিৰ মাটি আৰু উৎপাদনশীলতা বৃদ্ধি কৰা। সৰ্বাত্মক বিকাশ আৰু সামাজিক পৰিবৰ্তন সাধন কৰাৰ বাবে ইয়াক এটা আহিলা ৰূপে কেতিয়াও ভবা হোৱা নাছিল। ইয়াৰ ফলস্বৰূপে সাৰ, কীটনাশক দ্ৰব্য আৰু অন্যান্য ৰাসায়নিক পদাৰ্থ কৃষি ভূমিত অত্যধিক ৰূপত ব্যৱহাৰ কৰাৰ পথ প্ৰশস্ত হয়। তাৰ ফলত মাটিৰ উৎপাদনশীলতা বৃদ্ধি পায় আৰু ঠিক তেনেদৰে কৃষিৰ খৰচো বাঢ়ি যায়। বছৰৰ পাছত বছৰ আমি ক্ৰমান্বয়ে ৰাসায়নিক পদাৰ্থৰ ব্যৱহাৰ বৃদ্ধি কৰো আৰু এতিয়া সেউজ বিপ্লৱৰ আটাইতকৈ অধিক পৰিমাণে উপকৃত হোৱা পঞ্জাৱ উৎপাদনশীলতাৰ গুণ হ্ৰাস হোৱা সমস্যাৰ সন্মুখীন হ'বলৈ আৰম্ভ কৰিছে। খেতিৰ

*** ভুৱন ভাস্কৰ এগৰাকী বিত্তীয় আৰু বিকাশমূলক বিষয়ৰ সাংবাদিক আৰু চি এন বি চি আৱাজ, জী বিজনেছ, ইকনমিক টাইমছ আদিৰ সতে কাম কৰে। বৰ্তমানে তেওঁ এন চি ডি ই এক্সৰ সতে জড়িত।**

বাবে অধিক খৰচ আৰু খেতিৰ মাটিত টক্সিক পদাৰ্থৰ মাত্ৰা বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছে।

২০০৩ চনত অটল বিহাৰী বাজপেয়ী নেতৃত্বাধীন এন ডি এ চৰকাৰে পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় কৃষিৰ খেতি চপোৱাৰ পৰৱৰ্তী দিশটো সম্পৰ্কে চিন্তা কৰি কৃষি উৎপাদন বজাৰ সমিতি (এগ্ৰিকালচাৰ প্ৰডিউচ মাৰ্কেট কমিটী) আইন ঘোষণা কৰে। কিন্তু সময় অতিবাহিতহৈ যোৱাৰ লগে লগে এনে সমিতিবোৰ থলুৱা ৰাজনীতিকৰ হাতৰ মুঠিৰ বিষয় হৈ পৰে। কৃষকৰ উৎপাদিত সামগ্ৰীৰ বাবদ সৰ্বাধিক মূল্য আহৰণ কৰিবলৈ বিচাৰে। এতিয়া এই বজাৰ সমিতি পদ্ধতি বিতৰ্কৰ বিষয় হৈ পৰিছে। বিত্ত মন্ত্ৰালয়ে ইতিমধ্যে আইনখনৰ পৰা ফল-মূল আৰু শাক-পাচলিক তালিকাৰহিত কৰি পেলাইছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক পৰিৱৰ্তন অনাৰ দিশত আন এটা গুৰুত্বপূৰ্ণ প্ৰয়াস হ'ল কৃষি বীমা। পিছে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ পাছতো ই সফলতা লাভ কৰিব নোৱাৰিলে।

এতিয়া ভাৰতীয় কৃষি ইতিহাসত পোন প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে কৃষিক দেশবাসীক খুওৱা কেৱল একোবিধ উপজাত সামগ্ৰী হিচাপেই নহয় তাৰ উপৰি দেশখনৰ আৰ্থ-সামাজিক দিশটোৰ উন্নতি সাধন কৰা এটা মূল উপায় ৰূপে ভাবিবলৈও আৰম্ভ কৰিছে। এই দৃষ্টিভঙ্গীৰ পৰিপূৰক ৰূপে চৰকাৰে ভিন ভিন বিকাশমূলক কাৰ্য ব্যৱস্থা আৰু আঁচনি আৰম্ভ কৰিছে। এই ব্যৱস্থা আৰু আঁচনিসমূহৰ বহুতো সম্ভাৱনা আছে, যাৰ দ্বাৰা কৃষিজীৱি লোকসকলক প্ৰভূত-পৰিমাণে উপকৃত কৰিব পৰা যাব। ভাৰতীয় কৃষিৰ মূল ভেটি শক্তিশালী কৰিবলৈ যদি আঁচনিসমূহ সফলতাৰে ৰূপায়ণ কৰা হয়, তেনেহলে তেনে এখন সাৰ্থক ছবি লাভ কৰাটো বেচ আশাপ্ৰদ। সেই ব্যৱস্থা আৰু আঁচনি সম্বন্ধে বিশ্লেষণ কৰি চাওঁ আহক।

**১) ৰাষ্ট্ৰীয় কৃষি বজাৰঃ** এয়া হ'ল কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ আৰম্ভ কৰা এটা প্ৰয়াস — যি খেতি চপোৱাৰ পাছৰ শস্য ব্যৱস্থাপনাৰ ছবিখন চিৰদিনৰ কাৰণে পৰিৱৰ্তন কৰিব পাৰে। অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেন্দ্ৰীয় সমিতিয়ে কৃষি -তথা কাৰিকৰী আন্তঃগাঁথনিৰ জৰিয়তে ৰাষ্ট্ৰীয় কৃষি বজাৰৰ উত্তৰোত্তৰ বিকাশ বিষয়ক এখন কেন্দ্ৰীয় খণ্ডৰ আঁচনিত ২০১৫ চনৰ ২ জুলাইত অনুমোদন জনায়। চৰকাৰে দেশখনৰ ৫৮৫ খন সমুদায় বিক্ৰী বজাৰ সমন্বিত কৰিবলৈ আঁচনি গ্ৰহণ কৰিছে। এখন অন-লাইন প্লেটফৰ্ম প্ৰতিষ্ঠা কৰি এনে কৰা হ'ব আৰু ইয়াৰ বাবে তিনি বছৰৰ কাৰণে অৰ্থাৎ ২০১৫-১৬ বৰ্ষৰ পৰা ২০১৭-১৮ বৰ্ষলৈকে ২০০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। "এতিয়া সমগ্ৰ ৰাজ্যৰ কাৰণে এখন অনুজ্ঞাপত্ৰ হ'ব আৰু কৰৰ ক্ষেত্ৰতো এটা স্থানহে থাকিব। মূল্য উদ্‌ঘাটনৰ বাবে ইলেকট্ৰনিক পদ্ধতিৰে নীলাম ব্যৱস্থা থাকিব। ইয়াৰ প্ৰভাৱ এনে হ'ব যে সমগ্ৰ ৰাজ্যখন এখন বজাৰত পৰিণত হ'ব আৰু ৰাজ্যখনৰ ভিতৰত য'তে ত'তে হোৱা বজাৰবোৰৰ উচ্ছেদ কৰা হ'ব।" এই ভাষ্য হ'ল অৰুণ জেটলিৰ। তেওঁ কেবিনেট সমিতিৰ বৈঠক অনুষ্ঠিত হোৱাৰ পাছত এনেদৰে কৈছিল। উক্ত আঁচনিখনে চলিত বিত্তীয় বৰ্ষত ২৫০ মন্দিক (বজাৰ) সামৰি ল'ব। ২০১৬-১৭ বৰ্ষত ২০০ খন আৰু ২০১৭-১৮ বৰ্ষত ১৩৫ খন মন্দিক পৰিব্যাপ্ত কৰিব। ৰাষ্ট্ৰীয় কৃষি বজাৰ সম্পূৰ্ণ হোৱাৰ পাছত কৃষিজাত সামগ্ৰী ৰাজ্যৰ ভিতৰতে হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰিব পৰা যাব। কৃষকসকলৰ বাবে বজাৰৰ আকাৰ বৃদ্ধি পাব, কিয়নো তেওঁলোক এখন নিয়ন্ত্ৰিত বজাৰতেই সীমাবদ্ধ হৈ নাথাকিব। ৰাজ্য আৰু ৰাষ্ট্ৰীয় স্তৰ উভয়তে বজাৰ সমূহৰ একত্ৰীকৰণে বহুতো সুবিধা আগবঢ়াব। এই ক্ষেত্ৰত চৰকাৰে ক'ব খোজে যে এই ব্যৱস্থাই কৃষকক ভাল মূল্যৰ সুবিধা দিব, যোগান ব্যৱস্থা (ছাপ্লাইচেইন) উন্নত হ'ব, হানি আৰু ক্ষয়-ক্ষতি হ্ৰাস কৰিব তথা এটা উমৈহতীয়া ই-প্লে' টফৰ্ম ব্যৱস্থাৰ জৰিয়তে এখন সঙ্গবদ্ধ ৰাষ্ট্ৰীয় বজাৰৰ সৃষ্টি কৰিব।

এই প্লে'টফৰ্ম অৰ্থাৎ মঞ্চই সততে দেখা দিয়া মধ্যভোগীৰ সমস্যা সমাধান কৰিব পাৰে। কৃষকসকলৰ কাৰণে বজাৰৰ সুবিধা নথকা হেতু মধ্যভোগীয়ে তেওঁলোকৰ লাভৰ এটা বৃহৎ অংশ হজম কৰে। কৰ্ণাটক চৰকাৰৰ ৫০:৫০ যুটীয়া প্ৰচেষ্টাৰ কোম্পানী ৰাষ্ট্ৰীয় ই-মাৰ্কেট ছাৰ্ভিচেছ লিমিটেডে একক লাইচেঞ্চ পদ্ধতিৰ পথ ইতিমধ্যে দেখুৱাইছে। এই পদ্ধতিত ১৫৫ খন ঘাই বজাৰৰ ভিতৰত ৫৫ খনক সঙ্গবদ্ধ কৰা হৈছে। ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় কৃষি বজাৰৰ এটি আৰ্হি ৰূপে ইয়াক ২০১৪-১৫ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাত উল্লেখ কৰে আৰু কৃষি মন্ত্ৰী ৰাধা মোহন সিঙে ২৩ খন ৰাজ্যৰ কৃষি মন্ত্ৰীসকলৰ বাৰ্তা পোৱাৰ কথাও জানিবলৈ দিয়ে।

**২) ভূমি স্বাস্থ্য আঁচনিঃ** মুখ্য মন্ত্ৰী ৰূপে গুজৰাটত আঁচনিখন সফলতাৰে ৰূপায়ণ কৰাৰ পাছত নৰেন্দ্ৰ মোদীয়ে লোকসভা নিৰ্বাচনৰ অভিযান কালত এই আঁচনিখনক এটা অংশ ৰূপে বাছি লয় আৰু ক্ষমতালৈ অহাৰ পাছত এই আঁচনিখনে এন ডি এ চৰকাৰৰ প্ৰথম বাজেট অধিবেশনত স্থান পায়। বিত্ত মন্ত্ৰী অৰুণ জেটলিয়ে ইয়াৰ বাবে ১৫৬ কোটি টকা ৰাখে, আৰু ইয়াৰ ভিতৰত ৫৬ কোটি টকা দেশত ১০০ টা ভূমি পৰীক্ষা গৱেষণাগাৰ স্থাপন কৰাৰ ক্ষেত্ৰত ব্যয় কৰিবলৈ ধাৰ্য কৰে। চলিত বৰ্ষৰ ১৯ ফেব্ৰুৱাৰীত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজস্থানৰ চুৰাটগড়ৰ পৰা ৰাষ্ট্ৰব্যাপী "ছইল

হেল্‌থ কাৰ্ড” আঁচনি ৰূপায়ণ কৰিবলৈ প্ৰচলন কৰে। প্ৰধান মন্ত্ৰীয়ে কয় যে তেওঁৰ চৰকাৰে দৰিদ্ৰতা নিবাৰণ কৰিবৰ কাৰণে কৃষিক এবিধ আহিলা ৰূপে গ্ৰহণ কৰাৰ কথা ভাবিছে। ইয়াক আগুৱাই নিবৰ বাবে চলিত বৰ্ষৰ বাজেটত আঁচনিৰ কাৰণে নিৰ্ধাৰিত ধনৰ পৰিমাণ ২০০ কোটি টকালৈ বৃদ্ধি কৰা হয়। কৃষি মন্ত্ৰালয়ে যোৱা ২৮ এপ্ৰিলত প্ৰকাশ কৰা নিৰ্দেশ মতে ২.৫৩ কোটি নমুনা ২০১৫-১৬ বৰ্ষৰ কালছোৱাত সংগ্ৰহ কৰা হ'ব। ৰাজ্যবোৰে মুঠ ব্যয়ৰ ৫০ শতাংশ বহন কৰিব লাগিব। সৰ্বমুঠ ১৯২ কোটি টকা ব্যয় কৰা হ'ব নমুনা সংগ্ৰহ, নমুনা বিশ্লেষণ, ৰসায়নবিদ, কৰ্মচাৰী আৰু কৃষকক প্ৰশিক্ষণ দিবৰ কাৰণে। আই চি টি তথা কৰ্মশালাৰ বাবেও খৰচ কৰা হ'ব। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ বৰঙনি থাকিব ৯৬ কোটি টকা। চৰকাৰে ৩ বছৰৰ ভিতৰতে ১৪.৫ কোটি কৃষকক কাৰ্ড প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে।

এই হেল্‌থ কাৰ্ড আঁচনিখন দেশৰ কোনো ঠাইত ইতিমধ্যে প্ৰৱৰ্তন কৰা হ'লেও এটা ৰাষ্ট্ৰীয় আন্দোলন ৰূপে ইয়াক কেতিয়াও গ্ৰহণ কৰা হোৱা নাই। অৱশ্যে কৃষি খণ্ডৰ নিৰন্তৰ বিকাশৰ বাবে এইখন এখন ভাল আঁচনি। এই আঁচনিখনৰ অধীনত মাটিৰ নমুনা কৃষকৰ কৃষি ভূমিৰ পৰা সংগ্ৰহ কৰা হয় আৰু গৱেষণাগাৰত তাক পৰীক্ষা কৰা হয়। পৰীক্ষাৰ পাছত কৃষকে হাস্পতালসমূহে দিয়া হেল্‌থ কাৰ্ডৰ দৰেই এখন কাৰ্ড পাব। কাৰ্ডখনত সকলো উপাদান আৰু মাটিৰ নমুনাৰ অভাৱৰ বিষয় উল্লেখ থাকিব আৰু এই কাৰ্ডৰ ভিত্তিতেই ইউৰিয়া কিম্বা ডি এ পি অথবা আন কোনো সাৰ জধে-মধে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে কৃষকে তেওঁৰ মাটিখিনিৰ বাবে প্ৰকৃততে কি বস্তুৰ প্ৰয়োজন সেইটো থিৰাং কৰিব পাৰিব। ই কেৱল ভালেখিনি খৰচেই যে কমাব এনে নহয়, ইয়াৰ লগতে তেওঁৰ মাটিখিনিৰ স্বাস্থ্যকো ৰক্ষা কৰিব। আনহাতে এনে ব্যৱস্থাই তেওঁৰ মাটিৰ বাবে কি শস্য অতি ভালদৰে খাপ খাই পৰিব সেইটো চিনাক্ত কৰাতো আনকি সহায় কৰিব পাৰে।

**৩) প্ৰধান মন্ত্ৰী কৃষি সিঞ্চয় যোজনা ঃ** প্ৰতিজন কৃষকৰ পথাৰত জলসিঞ্চন ব্যৱস্থা আৰু তাক ব্যৱহাৰ কৰি মাটিখিনিৰ উন্নতি সাধন কৰাৰ লক্ষ্যৰে ২০১৫-১৬ বৰ্ষৰ বাজেটত ৫,৩০০ কোটি টকা ধাৰ্য কৰা হয়। ক্ষুদ্ৰ জলসিঞ্চন, জলচ্ছেদ বিকাশ আৰু প্ৰধান মন্ত্ৰীৰ কৃষি সিঞ্চয় যোজনাক সহায় সমৰ্থন কৰাই হ'ল ইয়াৰ আন এটা লক্ষ্য। যোৱা বছৰ এই জলসিঞ্চন আৰু জলচ্ছেদ ব্যৱস্থাপনা আঁচনিৰ দিশত আবন্টনৰ পৰিমাণ আছিল ৫,৬২০ কোটি টকা। বিজেপিয়ে নিৰ্বাচন কালত আশ্বাস দিয়া বিষয়ৰ ভিতৰত এই কৃষি সিঞ্চয় যোজনাও আছিল। জেটলিয়ে ২০১৪-১৫ বৰ্ষৰ কম দিনীয়া বাজেট কালৰ কাৰণে ১০০০ টকা নিৰ্দ্ধাৰণ কৰিছিল। কিন্তু সেই কাম আৰম্ভ কৰিব নোৱাৰিলে। ২ জুলাইত প্ৰধান মন্ত্ৰীৰ সভাপতিত্বত কেন্দ্ৰীয় কেবিনেটে এই আঁচনিত অনুমোদন জনায়। ইয়াৰ আবন্টন ৰাশিৰ পৰিমাণ হ'ল ৫০,০০০ কোটি টকা। পাঁচ বছৰ কালৰ বাবে (২০১৫-১৬ বৰ্ষৰ পৰা ২০১৯-২০ বৰ্ষলৈকে) ইয়াক ধাৰ্য কৰা হয়।

আঁচনিখনৰ গুৰুত্বৰ বিষয়ে এই কথাৰ পৰা থাৰৰ কৰিব পাৰি যে জলসিঞ্চন ব্যৱস্থাৰে কৃষিৰ উৎপাদনৰ পৰিমাণ দেশখনৰ সকলো খাদ্যশস্যৰ ক্ষেত্ৰত হ'ল ৫৬ শতাংশ। কিন্তু ১৯৯৭-৯৮ বৰ্ষত খাদ্যশস্যৰ উৎপাদনৰ অধীনত থকা জলসিঞ্চন এলেকাৰ পৰিব্যাপ্তি আছিল ৪০.৫ শতাংশহে। জলসিঞ্চনৰ প্ৰতি গুৰুত্ব থকা সত্বেও পৰৱৰ্তী চৰকাৰ সমূহে এলেকা পৰিব্যাপ্ত কৰাৰ বিষয়টোক আওকাণ কৰে। (তলৰ তালিকাত দ্ৰষ্টব্য) ফলস্বৰূপে ২০০০-০১ বৰ্ষৰ পৰা ২০১১-১২ বৰ্ষৰ কালছোৱাত জলসিঞ্চন ব্যৱস্থাৰ অন্তৰ্গত মুঠ ক্ষেত্ৰ মাত্ৰ ৫.৮ শতাংশ মানহে বৃদ্ধি পায়। চৰকাৰী পৰিসংখ্যা মতে এই কালছোৱাত মুঠ ৪০.৫ শতাংশ বীজ সিঁচা এলেকাৰ পৰা মুঠ জলসিঞ্চিত এলেকা ৪৬.৩৪ শতাংশ হয়গৈ ( উৎসঃ পৰিকল্পনা আয়োগ)

অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেন্দ্ৰীয় কেবিনেটৰ টোকাত এই বুলি কোৱা হৈছে — “ প্ৰধান মন্ত্ৰী কৃষি সিঞ্চয় যোজনাৰ প্ৰধান লক্ষ্য হ'ল ক্ষেত্ৰ স্তৰত জলসিঞ্চন, নিশ্চিত জলসিঞ্চন ব্যৱস্থাৰ অধীনত খেতিৰ এলেকা বিস্তৃত কৰা, জলৰাশি অনাহকত বিনষ্ট হোৱাটো হ্ৰাস কৰা, সঠিক উপায়ৰ জলসিঞ্চন ব্যৱস্থা

| পৰিকল্পনা | বৰ্ষ | মুঠ ৰাজ্যিক পৰিকল্পনাত শতাংশ হিচাপে জলসিঞ্চন পুঁজি |
|---|---|---|
| পঞ্চম পৰিকল্পনা | ১৯৭৪-৭৮ | ২৩.২৫ শতাংশ |
| ষষ্ঠ পৰিকল্পনা | ১৯৮০-৮৫ | ২০.৮৫ শতাংশ |
| সপ্তম পৰিকল্পনা | ১৯৮৫-৯০ | ১১.৮৫ শতাংশ |
| অষ্টম পৰিকল্পনা | ১৯৯২-৯৭ | ১৮.৪৮ শতাংশ |
| নৱম পৰিকল্পনা | ১৯৯৭-২০০২ | ১৪.৯৩ শতাংশ |

**উৎস ঃ পৰিকল্পনা আয়োগ**

আৰু জল সঞ্চয়ৰ অন্যান্য প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া — যাতে বিনিয়োগ ৰাশিক একত্ৰিত কৰি সাৰ্থক ৰূপ দিব পৰা যায়। জলৰ উৎসক পুনৰ সক্ৰিয় কৰা তথা চহৰৰ কাষৰীয়া অঞ্চলৰ কৃষিৰ বাবে পৌৰ এলেকাৰ জলৰাশিক পুনৰ ব্যৱহাৰ কৰিব পৰা সম্ভাৱনাক উদ্‌ঘাটন কৰি নিৰন্তৰভাৱে যাতে জল সংৰক্ষণ কৰিব পাৰি তেনে অভ্যাসৰ প্ৰচলন কৰা তথা জলসিঞ্চন পদ্ধতিত অধিক পৰিমাণে ব্যক্তিগত বিনিয়োগক আকৰ্ষণ কৰাৰ প্ৰতিও মন দিয়া কৰ্ত্তব্য।” কাজেই আঁচনিখনৰ মূল বৈশিষ্ট্য হ'ল একেটা ছত্ৰছায়াৰ অধীনত তিনিখন জলসিঞ্চন আঁচনিক মিলাই লৈ জলসিঞ্চনৰ ব্যয়ৰাশিক বিকেন্দ্ৰীকৃত কৰা। আঁচনিখনত কেবিনেট কমিটীয়ে অনুমোদন জনোৱাৰ পাছত কৃষি মন্ত্ৰী ৰাধা মোহন সিঙৰ বক্তব্য হ'ল এনে ধৰণৰ — “আঁচনিখনৰ আন এটা লক্ষ্য হ'ল জলৰ ব্যৱস্থা, ব্যৱহাৰ আৰু পুনৰ আবৰ্তিত কৰি (ৰিচাইক্লিং) কামত লগোৱাৰ ক্ষেত্ৰত ন্যস্ত থকা মন্ত্ৰালয়, বিভাগ, এজেন্সি আৰু বিত্তীয় প্ৰতিষ্ঠান সমূহক এখন উমৈহতীয়া মঞ্চৰ অধীনলৈ অনা — যাতে সমগ্ৰ “জল চক্ৰ”ৰ সন্দৰ্ভত গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ত এটা সৰ্বাত্মক দৃষ্টিভংগী গ্ৰহণ কৰিব পৰা যায় আৰু সকলো খণ্ডৰ বাবে উপযুক্তভাৱে জল বিষয়ক কাম-কাজৰ অৰ্থে বাজেটৰ দিহা কৰিব পাৰি।” স্বাভাৱিকতেই এই আঁচনিখনে জল সংৰক্ষণ আৰু সিঞ্চনৰ এটা আৰ্হি তৈয়াৰ কৰাত উৎসাহিত কৰিব পাৰে আৰু সামাজিক বিকাশৰ কাম-কাজ নিশ্চিত কৰাত এটা সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পাৰে।

প্ৰধান মন্ত্ৰী কৃষি সিঞ্চয় যোজনাৰ উপৰিও নাবাৰ্ডে অহা তিনি বছৰৰ কাৰণে জলসিঞ্চন ব্যৱস্থাৰ অৰ্থে খেতিয়কসকলৰ বাবে ঋণ হিচাপে ৩০,০০০ কোটি টকা যোগান ধৰিছে। চলিত বছৰত এই প্ৰতিষ্ঠানটোৱে এতিয়ালৈকে ১,০০০ কোটি টকা মঞ্জুৰ কৰিছে।

**৪) মূল্য স্থিৰকৰণ পুঁজিঃ** পিঁয়াজ আৰু আলুৰ ক্ষেত্ৰত হোৱা অধিক চৰা দামে বছৰৰ পাছত বছৰ ধৰি কৃষকসকলক হতাশ কৰিছে। এই দুবিধ সামগ্ৰী অধিক পৰিমাণে নষ্ট হোৱাৰ সম্ভাৱনা থাকে আৰু উপযুক্ত পণ্যাগাৰৰ সুবিধা নথকা হেতু সেইবোৰ সামগ্ৰী সততেই লাভখোৰ সকলৰ হাতৰ আহিলা হোৱা দেখা যায়। আনহাতে সেই সুযোগ লৈয়েই তেনে ব্যৱসায়ীয়ে মূল্য আকাশলংঘা কৰি তোলে। সেইদেখি এফালে কৃষকসকলে যি অৱস্থাৰ উদ্ভৱ হয় সেই অৱস্থাৰ মূল্যতেই তেওঁলোকৰ উৎপাদিত সামগ্ৰীবোৰ বিক্ৰী কৰিবলৈ বাধ্য হয় আৰু আনফালে মধ্যভোগীয়ে তাৰ পৰা বুজন পৰিমাণে লাভ অৰ্জন কৰে। এই অৱস্থা ৰোধ কৰিবৰ বাবে মোদী চৰকাৰে এটা মূল্য স্থিৰকৰণ পুঁজি প্ৰতিষ্ঠা কৰিছে। এই পুঁজিৰ পৰিমাণ হ'ল ৫০০ কোটি টকা। ইয়াৰ পাছত অন্যান্য নষ্ট হ'ব পৰা কৃষি তথা উদ্যানশস্যজাত সামগ্ৰীকো এই পুঁজিৰ অধীনত সামৰি লোৱা হ'ব। চৰকাৰী উৎস মতে এই সামগ্ৰীবোৰ পোনপটীয়াভাৱে কৃষক কিম্বা কৃষক সংগঠনৰ পৰা কৃষি স্থল (ফাৰ্ম গেট) কিম্বা মন্দি স্তৰত সংগ্ৰহ কৰা হ'ব আৰু ন্যায্য মূল্যত উপভোক্তাসকলৰ আগত উলিয়াই দিয়া হ'ব।

“স্মল ফাৰ্মা এগ্ৰি-বিজনেছ কনছৰ্টিয়াম” নামৰ প্ৰতিষ্ঠানটোৱেও একে উদ্দেশ্যৰ কাৰণে কাম কৰিছে। ই হ'ল কৃষি মন্ত্ৰালয়ৰ অধীনস্থ এটা বিভাগ। দেশখনৰ ভিতৰত কৃষক উৎপাদন সংগঠন (ফাৰ্মাৰ প্ৰডিউচাৰ অৰ্গেনাইজেচন) গঠন কৰিবৰলৈ দিয়া এই বিভাগটোৱে ২০১৪ চনত এটা নতুন শাখা খোলে। ইয়াৰ নাম হ'ল দিল্লী কিষাণ মন্দি। এই শাখাটোৰ কাম হ'ল ক্ৰেতাসকলক পোনপটীয়াকৈ কৃষকৰ দুৱাৰডলিত গৈ পোৱা। স্থাপনৰ এটা বছৰৰ ভিতৰতে দিল্লী কিষাণ মন্দিয়ে বিভিন্ন কৃষক উৎপাদন সংগঠনৰ জৰিয়তে এহেজাৰ টনতকৈ অধিক শাক-পাচলি বিক্ৰী কৰিবৰ কাৰণে সুবিধা প্ৰদান কৰিছে।

**৫) কৃষি ঋণ ঃ** সহজ চৰ্তত কৃষকক ঋণ প্ৰদান কৰোৱাটো হ'ল নতুন দিল্লীত সকলো চৰকাৰৰ কাৰণে এটা কঠিন কাম। আমি সকলোৱে শুনিবলৈ পাওঁ যে থলুৱা বিত্ত যোগান ধৰোতাৰ ঋণ প্ৰদানৰ জালখন চিঙি পেলাবলৈ অপাৰগ হোৱাৰ পাছত কৃষকে আত্মহত্যা কৰে। বিত্ত লাভৰ কঠোৰ বাস্তৱতালৈ চাই চৰকাৰে কৃষি পুঁজি প্ৰদানৰ মাত্ৰা বৃদ্ধি কৰিছে। এই বৃদ্ধিৰ পৰিমাণ হ'ল ৮.৫ লাখ কোটি টকা। পূৰ্বৰ পুঁজিৰ সীমাতকৈই ৫০,০০০ কোটি টকা অধিক।

**৬) দূৰদৰ্শন কিষাণৰ প্ৰচলনঃ** কৃষকসকললৈ আগবঢ়োৱা নতুন সা-সুবিধা, উপায় আৰু বতৰৰ বতৰা সম্বন্ধে তথ্যপাতি যোগানৰ অসুবিধালৈ চাই এন ডি এ চৰকাৰে এটা নতুন চেনেল খুলিবলৈ ঠিক কৰে। কৃষক সকলৰ আৱশ্যকতাৰ প্ৰতি ইয়াক উৎসাৰ্গিত কৰিবলৈ লোৱা হৈছে। এয়া হ'ল এটা অনন্য প্ৰয়াস। যদি ইয়াক ভালদৰে পৰিচালনা কৰা হয় তেনেহ'লে ই এটা ডাঙৰ অভাৱ পূৰণ কৰিব পাৰিব।

**৭) কৃষি পাম বীমা ঃ** বিত্ত মন্ত্ৰী অৰুণ জেটলিয়ে ২০১৫ চনৰ ১২ জুলাইত ঘোষণা কৰে যে চৰকাৰে এখন নতুন কৃষি বীমা আঁচনিৰ হকে কাম কৰি আছে। এই আঁচনিখনে এজন কৃষকে তেওঁৰ পথাৰত (কৃষি পাম) যিবোৰ উপজসামগ্ৰী প্ৰয়োগ কৰিছে আৰু যি ঋণ লৈছে সেই সকলোখিনিকে সামৰি ল'ব। এনে কৃষি বীমা আঁচনিসমূহৰ ইতিহাসলৈ চাই এই প্ৰয়াসে চৰকাৰৰ আগত এটা ডাঙৰ

প্ৰত্যাহ্বান থিয় কৰিব পাৰে বুলি ভাবিব পাৰি। এই আহিব ধৰা আঁচনিখনৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কে কৃষক সম্প্ৰদায়ক আশ্বাস দিবৰ কাৰণে জেটলিয়ে ইয়াক “এখন দ্বৈত তথা ফলপ্ৰসূ বীমা কাৰ্যসূচী” ৰূপে বৰ্ণনা কৰে।“ উক্ত কাৰ্যসূচীৰ পৰা কৃষকে কমেও যদি আন কিবা অধিক কাৰণত অনিশ্চয়তাৰ সৃষ্টি হয় তেনেস্থলতো তেওঁ প্ৰয়োগ কৰা উপজ সামগ্ৰীসমূহ (মূল্যৰ লেখত) পুনৰুদ্ধাৰ কৰিব পাৰিব।” কৃষকক এখন শক্তিশালী ঋণ আঁচনি যোগান ধৰাত যদি চৰকাৰ সফল হয় তেনেহলে ইগ্ৰাম্য ভাৰতত এটা মজবুত সামাজিক নিৰাপত্তা পদ্ধতি সৃষ্টি কৰিব পাৰিব। দুৰ্ভাগ্যবশতঃ এনে ধৰণৰ সকলো আঁচনি আজিলৈকে সফল হোৱা নাই।(তলৰ সবিশেষ বিৰৰণত দ্ৰষ্টব্য)। আগন্তুক কৃষি ঋণ আঁচনিখনৰ বিষয়বস্তু সম্পৰ্কে এটা আভাস দিওঁতে ৰিজাৰ্ভ বেংকৰ ডেপুটী গৱৰ্ণৰ এইছ আৰ খানে এনেদৰে কয়, “আমাৰ ৰাষ্ট্ৰীয় বীমা আছে, আমাৰ সংশোধিত ৰাষ্ট্ৰীয় বীমাও আছে; আৰু এতিয়া আমি বতৰ-ভিত্তিক বীমা আঁচনি ৰূপায়ণ কৰিবলৈ লৈছো আৰু কৃষকৰ বাবে উপাৰ্জন বীমাৰ বিষয়েও কথা-বতৰা চলি আছে। এই বীমা এটা ডাঙৰ বিষয় হৈ পৰিছে।”

| আঁচনিৰ নাম | আৰম্ভণি বৰ্ষ | অন্তবৰ্ষ | বৈশিষ্ট্যসমূহ | অপাৰগতাৰ কাৰণ |
|---|---|---|---|---|
| সৰ্বাত্মক শস্য বীমা আঁচনি | জানিব পৰা নাযায় | ১৯৯৭ | আঁচনিয়ে পৰিব্যাপ্ত কৰা কোনো ক্ষেত্ৰৰ প্ৰকৃত উৎপাদন গেৰাণ্টি উৎপাদনতকৈ কম হ'লে কৃষকে নাটনি হোৱা উৎপাদন পৰিমাণলৈকে ক্ষতিপূৰণ পোৱাৰ গৰাকী হয়, | সৰ্বভাৰতীয় ১,৬২৩ কোটি টকাৰ ভিতৰত গুজৰাটে অকলেই মাথোন চীনা বাদাম শস্যৰ বাবে ৭৯২ কোটি টকা পাইছিল। |
| পৰীক্ষামূলক শস্য বীমা | ১৯৯৭-৯৮ | ১৯৯৭-৯৮ | বছা বছা জিলাত নিৰ্দিষ্ট শস্য উৎপাদন কৰা ক্ষুদ্ৰ আৰু মজলীয়া কৃষকক পৰিব্যাপ্ত কৰা হয়। ৰাজসাহায্যৰে প্ৰিমিয়াম দিয়া হয়। | সংগৃহীত প্ৰিমিয়াম প্ৰায় ৩কোটি টকা আৰু দাবীৰ পৰিমাণ ৪০ কোটি টকা |
| পামৰ উপাৰ্জন | ২০০৩-০৪ | ২০০৩-০৪ | নিৰ্দিষ্ট লক্ষ্যৰ উৎপাদন | চৰকাৰ পৰিৱৰ্তন |
| বীমা আঁচনি | | | একক বীমা নীতিৰ জৰিয়তে-যাতে বীমা কৰা কৃষকে নিশ্চিত উপাৰ্জনখিনি পায়। | |
| ৰাষ্ট্ৰীয় কৃষি বীমা আঁচনি | ১৯৯৯-২০০০ | বলবৎ | সকলো খাদ্যশস্য, তৈলবীজ, উদ্যানজাত তথা বাণিজ্যিক শস্য সামৰি লয়। ই আঁচনিখনৰ অধীনত ঋণ লওঁতা তথা ঋণ নলওঁতা সকলো কৃষককে সামৰি লয়। | জানিব পৰা নাযায় |

**৮) পণ্যাগাৰ ঃ** মোদী চৰকাৰে উপযুক্ত পণ্যাগাৰৰ আৱশ্যকতা সম্পৰ্কে সঠিকভাবে উপলব্ধি কৰি প্ৰথমখন বাজেটতেই ৫০০০ কোটি টকাৰ এটা ব্যৱস্থা কৰে। ইনষ্টিটিউচন অব মেকানিকেল ইঞ্জিনীয়াৰিঙে ২০১৩ চনত প্ৰকাশ কৰা এখন প্ৰতিবেদন মতে ভাৰতত প্ৰতি বছৰে ২.১ কোটি টন ঘেঁহু নষ্ট হয়। এয়া মুঠ উৎপাদনৰ প্ৰায় ২২ শতাংশ। এনে অৱস্থা হ'বলৈ পায় উপযুক্ত পণ্যাগাৰৰ সুবিধা নথকা হেতু। ফল-মূল আৰু শাক-পাচলি জাতীয় বয়-বস্তুৰ ক্ষেত্ৰত এই পৰিমাণ মুঠ ৰাষ্ট্ৰীয় উৎপাদনৰ ৪০ শতাংশ হয়। সামগ্ৰিকভাৱে বছৰি আমি ৪৪০০০ কোটি টকা মূল্যৰ খাদ্যশস্য নষ্ট কৰো। নাবাৰ্ডে ৯.২৩লাখ টনৰ বিজ্ঞানসন্মত ভাণ্ডাৰৰ ব্যৱস্থা কৰিবলৈ লক্ষ্য স্থিৰ কৰিছে। ইয়াৰ বাবে গুদাম ঘৰ আৰু পণ্যাগাৰ নিৰ্মাণ কৰাৰ কথা ভাবিছে। ২০১৫-১৬ বৰ্ষৰ কাৰণে নাবাৰ্ডে কিছুমান গুৰুত্বপূৰ্ণ খণ্ডৰ বাবে ৪৭,৭৫৬.৪৩ কোটি টকাৰ এটা বাৰ্ষিক ঋণ সম্ভাৱনাৰ বিষয়ে ব্যক্ত কৰিছে। সেই খণ্ডবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— জল সম্পদ, ভূমি বিকাশ, কৃষি পামৰ কাৰিকৰী দিশৰ ব্যৱস্থা, দুগ্ধ, হাঁহ-কুকুৰা পালন, মীন, গুদাম ঘৰৰ নিৰ্মাণ, বজাৰৰ ক্ষেত্ৰ তথা শক্তিৰ পুনৰ ব্যৱহাৰ যোগ্য উৎসৰ উৎসাহিত কৰণ তথা পেলনীয়া সামগ্ৰীৰ সু-ব্যৱস্থাপনা। এই আবন্টনৰাশি ২০১৪-১৫ বৰ্ষৰ ৪০০০১.০১ কোটি টকাতকৈ ১৯ শতাংশ অধিক। ইয়াৰ পৰা দেখা যায় যে কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় কৃষিৰ ডাঙৰ সমস্যাৰ বিষয়ে চালি-জাৰি চাইছে আৰু কিছুমান নাতি ব্যৱস্থাৰ জৰিয়তে এইবোৰ সমাধান কৰিবলৈ চেষ্টা কৰিছে।

যোৱা এবছৰত আৰম্ভ কৰা এইবোৰ আঁচনি আৰু বিকাশ সাধনৰ ব্যৱস্থাসমূহেৰে দশকৰ পাছত দশক ধৰি হেৰুওৱা থলীসমূহক পুনৰ আবৰি ল'বলৈ দেশখনে আশা কৰিব পাৰে। এই পোনপটীয়া আঁচনিবোৰৰ বাহিৰেও বিদ্যুৎ খণ্ডৰ সংস্কাৰ সাধনৰ প্ৰতি কৰা চৰকাৰৰ আলোকপাতে গ্ৰাম্য ভাৰতক ব্যাপক হাৰত সমৰ্থন আগবঢ়োৱাৰো সম্ভাৱনা দেখুৱাইছে। বিভিন্ন ৰাষ্ট্ৰীয় আৰ্হি জৰীপ কাৰ্যালয় আৰু শেহতীয়া আৰ্থ-সামাজিক তথা জাতি সম্পৰ্কীয় জৰীপে কৃষিৰ ওপৰত অৱনমিত হোৱা নিৰ্ভৰশীলতা সমৃদ্ধিৰ এটা নিদৰ্শন বুলি ভবা পূৰ্বৰ ভাৰধাৰাক নস্যাৎ কৰিছে। আমাৰ দেশত কৃষি বৰ্দ্ধিতভাবে ঘৰবোৰৰ ক্ষেত্ৰত এটা শংকাজনক বিষয় হৈ পৰিছে আৰু সেই বাবে তৰুণ সকল চহৰৰ পিনে ঢাপলি মেলিছে। পিছে তেওঁলোকৰ এই গমনে কেৱল বস্তি এলেকাৰ জনসংখ্যা বৃদ্ধিহে কৰিছে আৰু গাঁথনিগত সমস্যাৱলীক অধিক শোচনীয় কৰি তুলিছে। সেয়ে এন ডি এ চৰকাৰে প্ৰচলন কৰা আঁচনিবোৰে যদি সুফল দেখুৱায় তেনেহ'লে এইটো আশা কৰিব পৰা যায় যে গতিধাৰাই পুনৰ ওলোটা পাক ল'ব আৰু সৰ্বাত্মক দিশৰ বিকাশৰ স্বপ্নই এখন গ্ৰহণযোগ্য ক্ষেত্ৰ লাভ কৰিব।


**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

**ছেপ্তেম্বৰ ২০১৫**

**স্মাৰ্ট ছিটি ঃ নগৰৰ দৃশ্যপটৰ ৰূপগত পৰিবৰ্তন আৰু সামাজিক পৰিৱৰ্তন**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, পয়োভৰা**

কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭

চেনিকুঠি, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# ।। ভাৰতীয় বিকাশ সৰ্বাত্মক নে? তাত্ত্বিক ধাৰণা আৰু প্ৰামাণিক তথ্য ।।

*** শ্ৰীপদ মতিৰাম**

**পাতনি ঃ**

নব্বৈৰ দশকৰ আৰম্ভণিৰ পৰা লক্ষ্যণীয় হাৰত ভাৰতৰ উন্নয়নৰ গতি ত্বৰান্বিত হোৱা পৰিলক্ষিত হৈছে। ২০১৫ চনত প্ৰকাশিত শেহতীয়া অৰ্থনৈতিক সমীক্ষাৰ তথ্য মতে ২০০৭-১২ ৰ একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা, ২০০২-০৭ ৰ দশম আৰু ১৯৯৭-২০০২ ৰ নৱম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত দেশৰ 'প্ৰকৃত মুঠ ৰাষ্ট্ৰীয় আয় বৃদ্ধি'ৰ বাৰ্ষিক গড় হাৰ আছিল ক্ৰমে ৭.৮ শতাংশ, ৭.৬ শতাংশ আৰু ৫.৬ শতাংশ। আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ লগতে দেশৰ পূৰ্বৰ বিকাশৰ তুলনাতে এই বৃদ্ধিৰ হাৰ আক্ষৰিক অৰ্থতে প্ৰশংসনীয় আছিল বুলি চিহ্নিত হৈছিল। এই তথ্যৰ ভিত্তিৰ ন-দি ক'ব পাৰি যে ভাৰতে ইতিমধ্যে তথাকথিত 'প্ৰগতিৰ হিন্দু হাৰ' (হিন্দু ৰেট অব্ গ্ৰ'থ) ৰ বিদ্ৰূপাত্মক পৰম্পৰা অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। পিছে তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, ভাৰতৰ বহু পৰ্যবেক্ষকে আশ্চৰ্য প্ৰকাশ কৰি এই বুলি প্ৰশ্নৰ অৱতাৰণা কৰিছে যে দৰাচলতে এই বিকাশে দুখীয়া আৰু সমাজৰ অন্যান্য বঞ্চিত গোটসমূহৰ জীৱনক কেনেধৰণে প্ৰভাৱিত কৰিছে? পৰ্যবেক্ষকসকলৰ এনে পৰ্যবেক্ষণৰ পৰিণতিতে বৌদ্ধিক আৰু নীতি নিৰ্ধাৰণৰ বেলিকা বিকাশৰ প্ৰসংগত 'অন্তৰ্ভুক্তিকৰণ', 'সৰ্বাত্মকতা ' তথা 'সৰ্বাত্মক বিকাশ'ৰ দৰে ধাৰণা সঘনে উচ্চাৰিত হ'বলৈ লোৱা দেখিবলৈ পোৱা গৈছে।

'সৰ্বাত্মক বিকাশ'ৰ প্ৰয়োজনীয়তা সন্দৰ্ভত তদানীন্তন পৰিকল্পনা আয়োগৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত দাঙি ধৰা সংজ্ঞা অনুসৰি কোৱা হৈছিল— 'সৰ্বাত্মক বিকাশৰ সুপৰিণতিত দাৰিদ্ৰ্যৰ অৱনমন, স্বাস্থ্য খণ্ডৰ বিস্তৃত আৰু লক্ষ্যণীয় উন্নয়ন সাধন, বিদ্যালয়ত শিশুৰ সাৰ্বজনীন প্ৰৱেশ, উচ্চ শিক্ষাখণ্ডত ছাত্ৰ-ছাত্ৰীৰ প্ৰৱেশৰ হাৰ বৃদ্ধি পোৱা আৰু দক্ষতাৰ বিকাশকে ধৰি শিক্ষাৰ মান উন্নত হ'ব লাগিব। পাৰিশ্ৰমিকযুক্ত নিয়োগ আৰু জীৱিকা নিৰ্বাহৰ উন্নত সুযোগো ই সম্ভৱ কৰি তুলিব লাগিব। তদুপৰি সৰ্বাত্মক বিকাশে খোৱা পানী, বিদ্যুৎ, পথ-ঘাট, অনাময় আৰু গৃহৰ দৰে মৌলিক প্ৰয়োজনীয়তা সমূহৰ পৰ্যাপ্ততাকো নিশ্চিত কৰিব লাগিব। অনুসূচিত জাতি, অনুসূচিত জনজাতি তথা অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকসকলৰ প্ৰয়োজনীয়তা সমূহ পূৰণৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব প্ৰদানৰ প্ৰয়োজনীয়তা থাকিব।' (পৰিকল্পনা আয়োগ ২০১১)।

সৰ্বাত্মক বিকাশৰ দৰে বিস্তৃত আৰু অন্তঃসাৰশূন্য ধাৰণাৰ সৈতে সংযুক্ত সমস্যাৱলী সন্দৰ্ভত মই স্থানান্তৰত (মতিৰাম আৰু নাগাৰ্জ্জুন ২০১৫) ব্যাখ্যা দাঙি ধৰিছো। পিছে সৰ্বাত্মক বিকাশৰ সংজ্ঞাই স্বাভাৱিক অৰ্থতে ভিন্ন জনক ভিন্ন ব্যাখ্যা দাঙি ধৰাৰ সুযোগ দান কৰে। ইয়াৰে কিছু সংখ্যক ব্যাখ্যা আনবোৰতকৈ অধিক কঠোৰ যেন অনুভূত হয়। অৱশ্যে শেহতীয়া বছৰচেৰেকত বিষয়টোৰে সামৰা কেতবোৰ প্ৰশ্নৰ পদ্ধতিগত সমাধান সূত্ৰ উদ্ভাৱনৰ বাবে সৰু হ'লেও বৰ্দ্ধিত বৌদ্ধিক প্ৰয়াস আৰম্ভ হোৱা দেখিবলৈ পোৱা গৈছে। সৰ্বাত্মক বিকাশ (অন্তৰ্ভুক্তিকৰণ অথবা সৰ্বাত্মকতা) নো দৰাচলতে কি? ভাৰতীয় বিকাশ বাৰু সৰ্বাত্মক নে? তলৰ ব্যাখ্যাত মই তাৰেই চমু আৰু অনা-কাৰিকাৰী বিশ্লেষণ দাঙি ধৰিবলৈ প্ৰয়াস কৰিম। ওপৰত উল্লিখিত দ্বিতীয় প্ৰশ্নটোৰ সেই মত ব্যক্ত কৰাৰ লগতে উত্তৰ বহু পৰিমাণে যে নঞাৰ্থক ইয়াৰ সমৰ্থনত মই মোৰ যুক্তি দাঙি ধৰাৰো প্ৰয়াস কৰিম।

**অন্তৰ্ভুক্তিকৰণনো কি ?**

অন্তৰ্ভুক্তিকৰণৰ ধাৰণা গঢ় দিয়াৰ ক্ষেত্ৰত ভিন্ন পথ অৱলম্বন কৰা হৈছে বুলি ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে। এটা নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত দাৰিদ্ৰ অৱনমনৰ হাৰক একাংশ পণ্ডিতে গুৰুত্ব প্ৰদান কৰিছে। ধাৰাবাহিক ভাৱে অধিক হাৰত হোৱা দাৰিদ্ৰ্য অৱনমনক 'অন্তৰ্ভুক্তিকৰণ'ৰ প্ৰামাণ্য তথ্য হিচাপে গণ্য কৰা হয়। ভাৰতত বহু শিক্ষাব্ৰতী আৰু নীতি নিৰ্ধাৰকে আকৌ দাৰিদ্ৰ্য অৱনমনৰ হাৰ পৰ্যবেক্ষণ কৰাৰ এটা দীঘলীয়া পৰম্পৰা আছে। এনে প্ৰেক্ষাপটতে

* শ্ৰীপদ মতিৰাম মুম্বাইস্থিত ইন্দিৰা গান্ধী উন্নয়ন গৱেষণা প্ৰতিষ্ঠানৰ এগৰাকী অধ্যাপক। তেওঁ উন্নয়নমূলক অৰ্থনীতি, কল্যাণকামী অৰ্থনীতি তথা ৰাজনৈতিক অৰ্থনীতি সন্দৰ্ভত গৱেষণা অব্যাহত ৰাখিছে।

বিষয়টোৰ এটা পদ্ধতিগত বিশ্লেষণ দাঙি ধৰাৰ বিশেষ গুৰুত্ব নিশ্চয় থাকিব। আমাৰ দেশত দাৰিদ্ৰ্যৰ সমীক্ষা চৰকাৰী ভাৱে নিৰ্ধাৰণ কৰা দাৰিদ্ৰ্য সংজ্ঞা আৰু 'ৰাষ্ট্ৰীয় নমুনা জৰীপ সংস্থা' (নেশ্বনেল ছেম্পল ছাৰ্ভে অৰ্গেনাইজেচন এন এছ এছ অ') ই প্ৰতি পাঁচবছৰৰ মূৰে মূৰে কৰা পিয়লৰ তথ্যৰ আধাৰত সম্পন্ন কৰা হয়। ইফালে আয়ৰ বিশ্বাসযোগ্য তথ্যৰ অনুপস্থিতিত ব্যয়ৰ তথ্যকে বিকল্প হিচাপে গণ্য কৰা হয়। দাৰিদ্ৰ্য -সমীক্ষাৰ জনপ্ৰিয় মাপকটো হ'ল - 'মূৰ গণনা অনুপাত' (হে'ড কাউণ্ট ৰেচিঅ'— এইচ চি আৰ। দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ ব্যক্তিসকলৰ শতকৰা হাৰেৰে এই মাপক নিৰ্ধাৰণ কৰা হয়। কথাটো সহজকৈ বুজাবলৈ হ'লে দুছোৰা সময়কাল, ধৰা হ'ল ২০০৪-০৫ আৰু ২০০৯-১০ গ্ৰহণ কৰা হ'ল। উল্লিখিত সময় ভিন ভিন দুছোৰাৰ এইছ চি আৰ ২০০৪-০৫ আৰু এইচ চি আৰ ২০০৯-১০ -এ ক্ৰমে বছৰ কেইটাৰ 'মূৰ গণনা অনুপাত'ৰ তথ্য দান কৰিব। এই তথ্যৰ আধাৰত আমি উল্লিখিত সময় দুছোৰাৰ দাৰিদ্ৰ্য দূৰীকৰণৰ তথ্য (এইচ চি চি আৰ ২০০৪-০৫ আৰু এইচ চি আৰ ২০০৯-১০) লাভ কৰিব পাৰিম। ২০০৪-০৫ ৰ তুলনাত ২০০৯-১০ ৰ দাৰিদ্ৰ্য অৱনমন পাঁচোটা বছৰৰ সময়ছোৱাৰ মাজত হোৱা সংঘটন বুলি গ্ৰহণ কৰিব লাগিব। যদি এই তথ্যৰ ১৯৯৩-৯৪ ৰ পৰা ২০০৪-০৫ বৰ্ষৰ মাজৰ এঘাৰটা বছৰৰ তথ্যৰে তুলনা কৰা যায় তেন্তে দেখিবলৈ পোৱা যাব যে এই সময়ছোৱাৰ দাৰিদ্ৰ্য অৱনমনৰ বাৰ্ষিক গড় হাৰ আছিল ২.২ শতাংশ। অৱশ্যে ২০০৪-০৫ ৰ পৰা ২০০৯-১০ ৰ মাজৰ সময়ছোৱাত দাৰিদ্ৰ্য অৱনমনৰ হাৰ অধিক হোৱা (প্ৰতিবছৰে ৪.৪ শতাংশ) বুলি তথ্য নিশ্চিত কৰা হৈছে। ( তথ্য ঃ থোৰাট আৰু ডুবে, ২০১২)। অতি শেহতীয়া ভাৱে এন এছ এছ অ'ৰে ২০১১-১২ বৰ্ষৰ বাবে এটা জৰীপ সম্পন্ন কৰিছে। ২০০৯-১০ ৰ পাছত সংস্থাটোৱে মাত্ৰ দুটা বছৰ বাবে সম্পন্ন কৰা এয়া আছিল বৃহৎ পিয়ল পূৰ্ববৰ্তী পৰিকল্পনা আয়োগে উন্নয়নৰ নাটকীয় উত্থান প্ৰতীয়মান কৰাৰ লক্ষ্যৰে এই পিয়লৰ তথ্য উল্লেখ কৰিছিল। এই সন্দৰ্ভত আয়োগৰ মন্তব্য আছিল এনে ধৰণৰ — 'সেয়েহে আমি এটা কথা ন-দি ক'ব পাৰো যে ১৯৯৩-৯৪ ৰ পৰা ২০০৪-০৫ ৰ মাজত চলোৱা ১১ বছৰীয়া সময় সীমাৰ ভিতৰত সম্পন্ন হোৱা দাৰিদ্ৰ্য অৱনমনৰ তুলনাত ২০০৪-০৫ ৰ পৰা ২০১১-১২ ৰ মাজৰ সাতোটা বছৰত সম্পন্ন হোৱা দাৰিদ্ৰ্যৰ অৱনমনৰ হাৰ অধিক আছিল।' (পৰিকল্পনা আয়োগ ২০১৩)।

দাৰিদ্ৰ্য সম্পৰ্কীয় উপৰিউক্ত আলোচনাক সৰলীকৰণ আৰু তেনেই সহজ বিশ্লেষণ বুলি বৰ্ণনা কৰিব পাৰি। যি কি নহওক, দাৰিদ্ৰ্য সন্দৰ্ভত চৰকাৰে নিৰ্দ্ধাৰণ কৰা সংজ্ঞাৰ বিষয়ে বিতৰ্কৰ অৱকাশ নিশ্চয় থাকি যায়। এই সংজ্ঞা নিৰ্ধাৰণৰ ক্ষেত্ৰত যাৱতীয় তথ্যাৱলী ইচ্ছাকৃত ভাৱেই কমকৈ দেখুওৱা হয় আৰু এই ক্ষেত্ৰত ব্যৱহাৰ কৰা পদ্ধতিও যথাযোগ্য নহয় বুলি সততে দাবী কৰা হয়। ' ইকনমিক এণ্ড পলিটিকেল উইকলী ' (উদাহৰণ স্বৰূপে সুব্ৰমনিয়ম, ২০১৪ ৰ ব্যাখ্যা চাব পাৰি)ত প্ৰকাশিত বিভিন্নজনৰ সমালোচনাত এই কথা বাৰুকৈয়ে প্ৰতীয়মান হৈছে। দাৰিদ্ৰ্য সীমাৰেখা নিৰ্দ্ধাৰণৰ সৈতে দাৰিদ্ৰ্য অৱনমনৰ হাৰ বাৰুকৈয়ে জড়িত হৈ থাকে। তদুপৰি সৰ্বাত্মক বিকাশৰ অভিলাষী ধাৰণা উদ্ভাৱনৰ বাবে এই প্ৰয়াস বহু পৰিমাণে সীমিত যেন অনুভূত হয়। বিশেষকৈ ওপৰত উল্লিখিত দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ তথ্যাৱলীত দাঙি ধৰা উদাহৰণৰ বিশ্লেষণ প্ৰসংগত ইয়াক বাৰুকৈয়ে সীমাবদ্ধ যেন লাগে। সৰ্বাত্মক বিকাশৰ সংজ্ঞা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত চলোৱা আন এটা প্ৰয়াস অনুসৰি কোনো এডাল নিৰ্দিষ্ট দাৰিদ্ৰ্য সীমাৰেখা গ্ৰহণ কৰাৰ পৰিৱৰ্তে যিকোনো যুক্তিসংগত দাৰিদ্ৰ্য সীমাৰে সমীক্ষা সম্পন্ন কৰাৰ প্ৰয়াস কৰা হয়। অৰ্থনীতিত এনে প্ৰয়াস বিদ্যমান আৰু শেহতীয়া ভাৱে সৰ্বাত্মকতাৰ সমীক্ষা কৰাৰ বাবে এন এছ এছ অ'ৰ উপভোগ ব্যয়ৰ লগতে এই প্ৰয়াস ব্যৱহাৰ কৰিছে মতিৰাম আৰু নৰপাৰাজু (২০১৫) ৰে। ইয়াৰ জৰিয়তে সাধাৰণ মানুহৰ আয় বৃদ্ধিৰ হাৰত দৰিদ্ৰসকলৰো আয় বৃদ্ধি হৈছেনে নাই তাৰ সমীক্ষা কৰাৰ প্ৰয়াস কৰা হৈছে। ২০০৪-০৫ ৰ পৰা ২০১১-১২ৰ মাজৰ সময়ছোৱাত সৰ্বসাধাৰণ মানুহৰ ব্যয় বৃদ্ধিৰ হাৰ দেশৰ গ্ৰামাঞ্চলত ২২ শতাংশ হোৱাৰ বিপৰীতে চহৰাঞ্চলত আছিল ২৭ শতাংশ। প্ৰণিধান যোগ্য যে আয়ৰ বিকল্প হিচাপে ব্যয়ৰ তথ্য ব্যৱহাৰ কৰাৰ কথা ইতিমধ্যেই উল্লেখ কৰা হৈছে। সমীক্ষাটোত গাঁও আৰু চহৰ উভয়ৰে দৰিদ্ৰ শ্ৰেণীৰ ব্যয় বৃদ্ধিৰ হাৰ বাঢ়িছে যদিও ধনী তথা মধ্যবিত্ত শ্ৰেণীৰ তুলনাত এই বৃদ্ধিৰ হাৰ অৱনমিত হোৱা পৰিলক্ষিত হৈছিল। অৰ্থাৎ ধনী আৰু মধ্যবিত্তৰ তুলনাত দৰিদ্ৰ শ্ৰেণীৰ ব্যয় ক্ষমতা বৃদ্ধিৰ হাৰ লেহেমীয়া আছিল। বিশেষকৈ চহৰাঞ্চলৰ দুখীয়া সকলৰ ক্ষেত্ৰত এই কথা বাৰুকৈয়ে লক্ষ্যণীয় আছিল। উদাহৰণ স্বৰূপে গ্ৰামাঞ্চলৰ দৰিদ্ৰ তালিকাৰ আটাইতকৈ তলত (১০ শতাংশৰ শাৰীত) অৱস্থান গ্ৰহণ কৰা লোক এজনৰ ব্যয় ক্ষমতা বৃদ্ধিৰ হাৰ ২৪.৫ শতাংশ হোৱাহে পৰিলক্ষিত হৈছিল। এয়া সাধাৰণ নাগৰিকৰ ব্যয় ক্ষমতা বৃদ্ধিৰ গড় হাৰ (গ্ৰামাঞ্চলত ২২ শতাংশ আৰু চহৰাঞ্চলত ২৭ শতাংশ) তকৈ বহুখিনি কম। ইয়াৰ বিপৰীতে আকৌ সমাজৰ ধৰ্নাঢ্যৰ তালিকাৰ সৰ্বোচ্চ স্থান (৯০ শতাংশৰ শাৰী) ত অৱস্থান কৰা সকলৰ ব্যয় ক্ষমতা বৃদ্ধিৰ হাৰ গ্ৰামাঞ্চলত

২৩.১ শতাংশ আৰু চহৰাঞ্চলত ২৯.১ শতাংশ হোৱা পৰিলক্ষিত হৈছিল। একে মাপক ব্যৱহাৰ কৰি আয়ৰ বৃদ্ধিৰ ক্ষেত্ৰতো বঞ্চিত শ্ৰেণী (অনুসূচিত জাতি, জনজাতি তথা অন্যান্য পিছপৰা শ্ৰেণী) ৰ অন্তৰ্ভুক্ত দৰিদ্ৰসকলৰ লগতে কৃষি শ্ৰমিক, উপান্ত খেতিয়ক, ক্ষুদ্ৰ খেতিয়ক তথা চহৰাঞ্চলৰ শ্ৰমিকৰ দৰে লোকসকলৰ বহুখিনি পিছ পৰি ৰোৱাৰ তথ্য সমীক্ষাটোৰে সাব্যস্ত কৰাটো এই প্ৰসংগতে প্ৰণিধান যোগ্য। এই আলোচনাৰ আধাৰত ভাৰতীয় বিকাশক কেতিয়াও সৰ্বাত্মক বুলি অভিহিত কৰিব নোৱাৰি বুলি মোখনি মাৰিব পাৰি।

ইয়াতকৈও কঠোৰ মাপক ব্যৱহাৰ কৰি আন বহু সংখ্যক পণ্ডিতেও একে মোখনিকে মৰা দেখিবলৈ পোৱা যায়। স্থানাভাৱত ইয়াৰে কেইটামান দৃষ্টান্তহে ইয়াত দাঙি ধৰা হ'ল— অন্তৰ্ভুক্তিকৰণৰ সংজ্ঞা নিৰূপণ কৰিবলৈ গৈ ডি জয়ৰাজ আৰু এছ সুব্ৰমনিয়মে দেশৰ বিভিন্ন শ্ৰেণীৰ মাজত বিকাশৰ অংশ ভগাই দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাৰ সৈতে অন্যান্য ক্ষেত্ৰৰ সমস্যা যেনে— প্ৰাপ্য বিচৰা দাবীদাৰসকলৰ মাজত সম্পদৰ বাটোৱাৰা কৰাৰ সমস্যা ('তালমুড়িক এষ্টেটৰ সমস্যা') অথবা বিভিন্ন গোটৰ মাজত দাৰিদ্ৰ্য দূৰীকৰণৰ বাবে আৱণ্টিত পুঁজিৰ বিতৰণৰ সমস্যাৰ তুলনাত্মক বিশ্লেষণ সম্পন্ন কৰাৰ প্ৰয়াস কৰিছিল। জয়ৰাজ আৰু সুব্ৰমনিয়মে জনসাধাৰণৰ (তালিকাৰ সৰ্বনিম্ন ১০ শতাংশ, পৰৱৰ্তী ১০ শতাংশ হিচাপে) প্ৰকৃত ব্যয় ক্ষমতাৰে তেওঁলোকৰ কৰ্মদক্ষতাৰ অন্যান্য অৰ্হতাৱলী ভালদৰে নিৰূপিত হয় নে নাই তাৰ সমীক্ষা কৰিব খুজিছিল। বিষয়টো ব্যাখ্যাৰ বাবে ধৰা হওক আমি দুছোৱা ভিন ভিন সময়ক ('ক' আৰু 'খ') লৈ আটাইতকৈ সাম্যবাদী ধাৰণাৰে দ্বিতীয় সময় অৰ্থাৎ 'খ' সময়ছোৱাত ইতিমধ্যে সম্পন্ন হোৱা বিকাশৰ ফল এনে ভাৱে ভগাই দিলো যাতে সমাজৰ আটাইতকৈ দৰিদ্ৰ শ্ৰেণীটোৰ পৰা যথাক্ৰমে উন্নত অৱস্থাৰ শ্ৰেণীসমূহৰ মাজত সমতা স্থাপন কৰিব পৰা যায়। পিছে তেনে কৰাৰ পাছত দেখা যাব যে তালিকাৰ ওপৰফালে থকা শ্ৰেণী সমূহৰ বহুতেই বিকাশৰ ফলৰ ভাগ নোপোৱাকৈয়ে ৰৈ যাব। ইয়াৰ বিপৰীতে যদি আটাইতকৈ কম ব্যয়যোগ্য মাপক ব্যৱহাৰ কৰা হয় আৰু দ্বিতীয় সময় ছোৱাতো সমাজৰ প্ৰতিটো বৰ্গকে 'ক' - সময় ছোৱাৰ গড় আয়ৰ হিচাপতে স্থিৰে থাকিবলৈ দিয়া হয়, তেন্তে দেখা যাব যে ইয়াৰ বাবে প্ৰদান কৰা অতিৰিক্ত পুঁজিৰ পৰিমাণ বিকাশ প্ৰক্ৰিয়াৰ ফলত লাভ কৰা অতিৰিক্ত ৰাহিৰ এক দশমাংশৰ সমান। তেওঁলোকে এন এছ এছ অ'ৰ উপভোগ ব্যয় সমীক্ষাৰ তথ্য ব্যৱহাৰ কৰি ভাৰতত যে ন্যায্য অৰ্হতাৰ উপস্থিতি দুৰ্লভ সেই সত্য প্ৰতিষ্ঠা কৰিছে। ১৯৯৩-৯৪ ৰ পৰা ২০০৯-১০ ৰ সময়ছোৱাত সমাজৰ আটাইতকৈ দৰিদ্ৰ শ্ৰেণী (২০ শতাংশ বৰ্গৰ) ৰ প্ৰকৃত বিকাশৰ বাৰ্ষিক শতকৰা হাৰ আছিল (গ্ৰামাঞ্চলত) ১.৪৩ শতাংশ। পিছে এইছোৱা সময়ত নিৰ্ধাৰিত ন্যূনতম আদৰ্শ বিধিৰ আধাৰত বিকাশৰ বাৰ্ষিক শতকৰা হাৰ নিশ্চিত কৰা হৈছিল ২.৮৮ বুলি। চহৰাঞ্চলত এই ব্যৱধান অধিক হাৰত অৰ্থাৎ ১.২৭ ৰ বিপৰীতে ৪.৩৯ হাৰত হোৱা পৰিলক্ষিত হৈছিল। জয়ৰাজ আৰু সুব্ৰমনিয়মে ২০১২ (খ) চনত আৰ্থ-সামাজিক (আয়ৰ পৰিৱৰ্তে) গোটৰ ক্ষেত্ৰত একে ধৰণৰ বিশ্লেষণ সম্পন্ন কৰিছিল আৰু এই ক্ষেত্ৰতো সৰ্বাত্মকতাৰ অনুপস্থিতিৰ সত্য প্ৰতিষ্ঠা কৰিছিল।

সূৰ্যনাৰায়ণ আৰু দাসে (২০১৪) তিনিটা দিশৰ বিশ্লেষণেৰে সৰ্বাত্মকতাৰ ধাৰণা প্ৰতিষ্ঠাৰ প্ৰয়াস কৰিছিল। সেয়া হ'ল— নিযুক্তি, আয় আৰু ব্যয়। তাকে কৰিবলৈ আকৌ তিনিটা মাপক ব্যৱহাৰ কৰিছিল — (১) গড় আয়ৰ বিপৰীতে গড় ব্যয়ৰ স্থিতিস্থাপকতা, উদাহৰণ স্বৰূপে গড় এক শতংশৰ পৰিৱৰ্তন হ'লে হোৱা গড় ব্যয়ৰ পৰিৱৰ্তনৰ শতকৰা পৰিমাণ, (২) গড় ব্যয়ৰ বিপৰীতে মধ্যৱৰ্তী শ্ৰেণীৰ ব্যয়ৰ স্থিতিস্থাপকতা,অৰ্থাৎ গড় ব্যয়ৰ এক শতাংশৰ পৰিৱৰ্তনৰ বিপৰীতে সম্পন্ন হোৱা মধ্যৱৰ্তী শ্ৰেণীৰ গড় ব্যয়ৰ পৰিৱৰ্তনৰ শতকৰা হাৰ আৰু (৩) 'সৰ্বাত্মক গুণক'। মধ্যৱৰ্তী শ্ৰেণীৰ ব্যয়ৰ ৬০ শতাংশতকৈ কম ব্যয়ৰ অংশীদাৰ হোৱা জনতাৰ অংশৰ ওপৰত এই গুণকৰ পৰিমাণ নিৰ্ভৰ কৰে। বিস্তৃত পৰিসৰৰ বিকাশৰ বাবে উপৰিউক্ত স্থিতিস্থাপকতাৰ পৰিমাণ ১ তকৈ আৰু সৰ্বাত্মক গুণকৰ পৰিমাণ অধিক হোৱাটো কামনা কৰা হয়। সমাজৰ সকলো বৰ্গৰ লোক তথা সামাজিক ভাৱে পিচপৰা শ্ৰেণী উভয়কে লৈ তথা ১৯৯৩-৯৪ ৰ পৰা ২০১১-১২ ৰ বাবে এন এছ এছৰ উপভোগ ব্যয় সমীক্ষাৰ তথ্যৰ আধাৰত তেওঁলোকে সাব্যস্ত কৰে যে ভাৰতৰ বিকাশ সৰ্বাত্মক নহয়। উদাহৰণ স্বৰূপে দাঙি ধৰা তথ্য অনুসৰি ১৯৯৩-৯৪ চনৰ সৰ্বাত্মক গুণক পৰিমাণ ০.৭৪৮ ৰ পৰা ২০১১-১২ বৰ্ষত ০.৭১১ লৈ অৱনমিত হৈছিল। এনে প্ৰেক্ষাপটতে সূৰ্যনাৰায়ণ আৰু দাসে মোখনি মাৰি কৈছিল, 'ভাৰতৰ মূল সুতিৰ বিকাশ প্ৰক্ৰিয়াত দৰিদ্ৰসকলৰ সৰ্বাত্মক অন্তৰ্ভুক্তি এতিয়াও এটা দুৰাশা হৈয়েৰৈছে।

## আলোচনা আৰু সামৰণি ঃ

সামগ্ৰিক ভাৱে সমাজৰ সকলো লোকৰ লগত অনগ্ৰসৰ শ্ৰেণী সমূহৰো শেহতীয়া দুটা দশকত গড় আয় বাঢ়িছে। চৰকাৰী ভাৱে নিৰ্দ্ধাৰিত দাৰিদ্ৰ্য সীমাৰেখাৰে নিৰূপিত দাৰিদ্ৰ্যও বহু পৰিমাণে অৱনমিত হৈছে। পিছে সৰ্বাত্মক অন্তৰ্ভুক্তিকৰণে ইয়াতকৈও অধিক হোৱাটো কামনা কৰে। ওপৰত উল্লেখ কৰাৰ দৰে সৰ্বাত্মক অন্তৰ্ভুক্তি সন্দৰ্ভত

ভাৰতে গ্ৰহণ কৰি অহা উদ্যোগে এতিয়াও প্ৰশংসা আদায় কৰিব পৰাৰ যোগ্যতা অৰ্জন কৰা নাই বুলিয়েই বহুজনে মত পোষণ কৰি আহিছে। ইয়াৰ কাৰণ নিৰ্ণয় কৰাটো কঠিন কাম নহয়। বিগত সময় ছোৱাত ভাৰতৰ কৃষিখণ্ডই বিশেষ সাফল্য প্ৰদৰ্শন কৰিব পৰা নাই। সেইদৰে বহু পণ্ডিতে (উদাহৰণ স্বৰূপে বাসৰী, ২০১৫) সাম্প্ৰতিক সময়ৰ সংকটক 'প্ৰসৱৰ বেদনা' বুলিয়েই অভিহিত কৰিব খুজিছে। ইফালে কৃষি আৰু অনানুষ্ঠানিক খণ্ডৰে জড়িত হৈ থকা দুখীয়াসকলক কৰ্ম সংস্থাপনৰ সুযোগ দিব পৰাকৈ চহৰাঞ্চলতো পৰ্যাপ্ত নিয়োগ সম্ভাৱনা সৃষ্টি হোৱা নাই। বহু সংখ্যক চৰকাৰী প্ৰতিবেদন তথা বহু পণ্ডিতে মত পোষণ কৰাৰ দৰে নিৰ্মাণ খণ্ড, তাকো গ্ৰামাঞ্চলত প্ৰকল্প ৰূপায়ণ কৰা নিৰ্মাণ খণ্ডই আটাইতকৈ অধিক নিয়োগ সম্ভাৱনা সৃষ্টি কৰে। পিছে সামগ্ৰিক ভাৱে এনে কামৰ পৰা অধিক উপাৰ্জনৰ সম্ভাৱনা কম। তদুপৰি এনে কামে বিপণন যোগ্য দক্ষতা সৃষ্টি কৰাৰো সম্ভাৱনা কম। ক'বলৈ গ'লে উৎপাদনী খণ্ডত নিয়োগ সম্ভাৱনা সৃষ্টি, বিশেষকৈ শ্ৰমিক সৰ্বস্ব উৎপাদনী ব্যৱস্থা গঢ়ি তুলিব পৰা হ'লে সৰ্বাত্মক অন্তৰ্ভুক্তিকৰণৰ দিশে বহু দূৰ আগুৱাই যাব পৰা গ'লহেতেন। এনে প্ৰেক্ষাপটত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি (এম এন ৰেগছ) ৰ দৰে জন কল্যাণকাৰী কৰ্মসূচী ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰাটো হ'ব সময়ৰ আহ্বান। তদুপৰি দক্ষতা বৃদ্ধি তথা নিয়োগ সম্ভাৱনা সৃষ্টি কৰিব (উদাহৰণ স্বৰূপে ৰাজহুৱা বিনিয়োগ আদিৰ জৰিয়তে) পৰা নীতি গ্ৰহণৰ প্ৰয়োজনীয়তা আছে। পিছে তাকে নকৰি যদি কেৱল বিকাশে স্বতঃস্ফূৰ্তভাৱে সৰ্বাত্মক অন্তৰ্ভুক্তি সম্ভৱ কৰিব বুলি আশা পালি ৰোৱা হয়তেন্তে সি বিষম পৰিণতিৰহে সৃষ্টি কৰিব।

**(২৭ নং পৃষ্ঠাৰ পৰা)**

আছে — বিশেষকৈ চৰকাৰৰ ওচৰত আৰু বৃহৎ নিগম সমূহৰ ওচৰত ; আৰু এইবোৰে গুৰুত্বপূৰ্ণ বিনিয়োগকাৰী ৰূপে কাম কৰিব পাৰে।

**সামৰণি**

'সৰ্বাত্মক' ভাৰধাৰাক ৰাজনৈতিক শ্লোগানাৰ পৰা কাৰ্য উন্মেষ সাধনৰ ভাৰধাৰালৈ ৰূপান্তৰিত কৰাটো হ'ল নীতি তৈয়াৰ কৰোঁতাসকলৰ বাবে বৰ্তমান এটা প্ৰত্যাহ্বান স্বৰূপ। সেয়ে এই ক্ষেত্ৰত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে এটা সমষ্টি ৰূপে এটা বৈশিষ্ট্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

***'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।***

# ।। ভাৰতত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ ৰাজনৈতিক অৰ্থনীতি।।

*** চি এছ চি শেখৰ**

সৰ্বসাধৰ পে ক্ৰয় কৰিব পৰা মূল্যত খাদ্য-দ্ৰব্যৰ সুচলতা নিশ্চিত কৰাৰ লক্ষ্য লৈ ভাৰতত ১৯৬৫ চনত ৰাজহুৱা বিতৰণ ব্যৱস্থা (পি ডি এছ) ৰ সূচনা কৰা হৈছিল। ৰাজ্য চৰকাৰ সমূহে বজাৰমূল্যতকৈ কম দৰত খাদ্য-সামগ্ৰী সুলভ মূল্যৰ দোকান (এফ পি এছ) ৰ জৰিয়তে বিতৰণৰ দিহা কৰিছিল। সামগ্ৰীসমূহৰ অৰ্থনৈতিক ব্যয় আৰু বিতৰণ মূল্যৰ মাজৰ ব্যৱধানখিনি ৰাজসাহায্যৰ দ্বাৰা পূৰণৰ ব্যৱস্থা কৰা হয়। ১৯৯৮ চন পৰ্যন্ত পি ডি এছ ব্যৱস্থা সমাজৰ সকলো শ্ৰেণীৰ বাবে মুকলি, অৰ্থাৎ সাৰ্বজনীন আছিল। বিশেষকৈ চহৰাঞ্চলতহে ইয়াৰ পয়োভৰ হোৱা পৰিলক্ষিত হৈছিল। পিছে চহৰাঞ্চলত বিশেষ গুৰুত্ব প্ৰদান কৰি প্ৰৱৰ্তিত হোৱাৰ বাবেই পি ডি এছ ব্যৱস্থাৰ বিৰুদ্ধে পৰৱৰ্তী সময়ত সমালোচনাৰ জোৱাৰ উঠা দেখিবলৈ পোৱা যায়। এনে প্ৰেক্ষাপটতে এই সমস্যাৰ সমাধান উলিওৱাৰ লক্ষ্যৰে ১৯৯৭ চনত লক্ষ্য নিৰ্দ্ধাৰিত ৰাজহুৱা বিতৰণ ব্যৱস্থা (টি পি ডি এছ) ৰ শুভাৰম্ভ কৰা হয়। এই পদ্ধতিত ৰাজ্য-ভিত্তিক দাৰিদ্ৰ্য সীমা ৰেখাৰ আধাৰত অৰ্হতা লাভ কৰা হিতাধিকাৰীৰ সংখ্যা কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰণ কৰা দিহা কৰা হৈছিল। এনেদৰে নিৰ্বাচিত পৰিয়ালসমূহৰ 'দাৰিদ্ৰ্য সীমাৰখাৰ তলৰ' (বিল' প'ভাৰ্টি লাইন — বি পি এল) পৰিয়াল বুলি চিহ্নিত কৰি, এনে পৰিয়ালকহে টি পি ডি এছৰ জৰিয়তে কম মূল্যত বিতৰণ কৰা খাদ্য-সামগ্ৰী লাভ কৰা হিতাধিকাৰী হিচাপে তালিকাভুক্ত কৰা হয়। তদুপৰি সমাজৰ অতিকৈ দৰিদ্ৰ পৰিয়ালসমূহক 'অন্ত্যোদয়া অন্ন যোজনা ('এ এ ৱাই')ৰ অন্তৰ্ভুক্ত পৰিয়াল' বুলি পৰিচিতি দান কৰি এনে পৰিয়ালক বি পি এল পৰিয়ালতকৈও কম মূল্যত খাদ্য সামগ্ৰীৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হয়। ৰাজ্য চৰকাৰ সমূহে 'বি পি এল' আৰু 'এ এ ৱাই' শ্ৰেণীভুক্ত প্ৰকৃত হিতাধিকাৰী সকলক নিৰ্বাচিত কৰাৰ দায়িত্ব গ্ৰহণ কৰিছিল। পিছে লক্ষ্য নিৰ্দ্ধাৰিত আন বহু পদ্ধতিৰ দৰেই টি পি ডি এছ অন্তৰ্ভুক্তিকৰণ কিম্বা বৰ্হিগমন সম্পৰ্কীয় ত্ৰুটিৰে আক্ৰান্ত হোৱা দেখা যায়। ৰাজহুৱা বিতৰণ ব্যৱস্থা প্ৰৱৰ্তনৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ মাজত বৃহৎ পৰিসৰত ভিন্নতা থকা দেখিবলৈ পোৱা যায়। আঁচনিখনে সামৰা পৰিসৰ, হিতাধিকাৰী নিৰ্বাচন তথা ৰূপায়ণ আদিৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ মাজত ভিন্নতা বাৰুকৈয়ে উপলব্ধি কৰি অহা হৈছে। উদাহৰণ স্বৰূপে তামিলনাডুত আঁচনিখন সাৰ্বজনীন ৰূপত বস্তুতঃ কোনো ধৰণৰ ত্ৰুটি নথকাকৈ ৰূপায়নৰ ব্যৱস্থা কৰাৰ বিপৰীতে বিহাৰত ৰূপায়িত লক্ষ্য নিৰ্দ্ধাৰিত বিতৰণ ব্যৱস্থা — টি পি ডি এছত দীৰ্ঘ দিন ধৰি বিভিন্ন ত্ৰুটিৰ অভিযোগ উত্থাপন হৈ অহাটো প্ৰণিধান যোগ্য। অৱশ্যে শেহতীয়াভাৱে বিহাৰত আঁচনিখন ৰূপায়নৰ মান উন্নত কৰাৰ প্ৰয়াস কৰা হৈছে। আঁচনিখনৰ সন্দৰ্ভত সম্পন্ন কৰা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল্যায়নত ৰাজ্য সমূহৰ মাজত অব্যাহত থকা এনেবোৰ ভিন্নতাৰ কথাই স্থান পোৱা দেখা নাযায়। সেয়ে আমাৰ এই আলোচনাত আমি কেইখনমান ৰাজ্যত পি ডি এছৰ সামগ্ৰিক কৰ্ম কুশলতা বিশ্লেষণ কৰাৰ লগতে কৰ্ম-কুশলতা সন্দৰ্ভত ৰাজ্য বিশেষে থকা ভিন্নতা অনুধাৱন কৰিব পৰাকৈ দুখন ৰাজ্য বিহাৰ আৰু ছত্তিশগড়ৰ কথা পৰ্যালোচনা কৰিম। বিভিন্ন ৰাজ্যত ৰূপায়িত পিডি এছৰ ভিন্নতা অনুধাৰন কৰিবলৈ যাওঁতে আমি মূলতঃ ৰাজনৈতিক অৰ্থনীতিগত গঠনৰ বিশ্লেষণত গুৰুত্ব আৰোপ কৰিম।

**বিশ্লেষণাত্মক কাঠামোঃ**

বিষয়টো বিশ্লেষণৰ বাবে দুই ধৰণে প্ৰয়াস কৰা হৈছে। সেই দুবিধ হ'ল — ১) নব্য ধ্ৰুপদী কল্যাণ সৰ্বাধিকী প্ৰয়াস আৰু ২) ৰাজনৈতিক অৰ্থনীতিগত প্ৰয়াস।

পৰম্পৰাগত কল্যাণ সৰ্বাধিকী কৰণৰ ক্ষেত্ৰত বজাৰ- ব্যৰ্থতা আৰু অৰ্থনৈতিক বজাৰৰ অনুমোদন দক্ষতাক কেন্দ্ৰীয় বিষয়বস্তু হিচাপে গণ্য কৰা হয়। এই ক্ষেত্ৰত চৰকাৰক সৰ্বজ্ঞ আৰু পৰম হিতৈষী কাৰক বুলি বিবেচনা কৰা হয়। পিগৌৱে আগবঢ়োৱা মতবাদৰ আধাৰত এই প্ৰয়াসৰ উদ্ভৱ হৈছিল। এই প্ৰয়াসে সম্পদৰ অনুমোদন আৰু বিতৰণ কৰিবলৈ যাওঁতে বজাৰ সমূহ নো কিয় ব্যৰ্থতাৰ সন্মুখীন হ'বলগীয়া হয় তাৰ কাৰণ বিশ্লেষণত গুৰুত্ব আৰোপ কৰাৰ লগতে

*** চি এছ চি শেখৰ বৰ্তমান দিল্লী বিশ্ববিদ্যালয়ৰ অৰ্থনৈতিক বিকাশ প্ৰতিষ্ঠানৰ (আই ই জি) সহযোগী অধ্যাপক। তেওঁ ২০১২-১৩ বৰ্ষত ফুলব্ৰাইট নেহৰু চিনিয়ৰ ৰিছাৰ্হ ফেল'শ্বিপ আৰু ২০০৩ বৰ্ষত অৰ্থনৈতিক কৃষি বিষয়ত শ্ৰেষ্ঠ গবেষকৰ ডি কে দেশাই বঁটা লাভ কৰিছিল।**

ব্যক্তিগত অৰ্থনীতিত দেখা দিয়া ত্ৰুটি আঁতৰোৱাৰ ক্ষেত্ৰত চৰকাৰক হস্তক্ষেপ কৰাৰ বাবে ই পৰামৰ্শ আগবঢ়াইছে। চৰকাৰে ৰাইজৰ মঙ্গল সাধন কৰে, সামাজিক ব্যয় বহন আৰু উপকাৰিতা সম্ভৱ কৰে, শ্ৰমৰ অৱনমিত ব্যয় নিয়ন্ত্ৰণ কৰে আৰু 'পেৰেটোৰ সৰ্বোৎকৃষ্ট পথ নিৰ্দেশনা' (মেক্‌ক্ৰমিক আৰু টলিছন, ১৯৮১) ৰে আয়ৰ পুনৰ বিতৰণ সম্পন্ন কৰে। এই প্ৰয়াসে চৰকাৰক অতি অভিজ্ঞ আৰু সৰ্বজ্ঞ কাৰক হিচাপে গণ্য কৰে।

আনহাতে ৰাজনৈতিক অৰ্থনীতিগত প্ৰয়াসে আকৌ পিগৌয়ে আগবঢ়োৱা মতবাদৰ বিপৰীতেহে স্থিতি গ্ৰহণ কৰে। আন কথাত এই প্ৰয়াসক পিগৌৰ মতবাদৰ প্ৰতিক্ৰিয়া বুলিও অভিহিত কৰিব পাৰি। কিয়নো এই প্ৰয়াসত চৰকাৰৰ সৰ্বজ্ঞতা অথবা হিতৈষিতাক একে আষাৰে অস্বীকাৰ কৰা হৈছে। সেইদৰে সম্পূৰ্ণ নিখুঁত আৰু ব্যয়শূণ্য ভাৱে বজাৰ ত্ৰুটি আঁতৰোৱাৰ প্ৰসংগতো ই প্ৰশ্নৰ অৱতাৰণা কৰে। আনহাতে,বজাৰৰ ব্যৰ্থতা আঁতৰাবলৈ যাওঁতে খোদ চৰকাৰহে ব্যৰ্থতাৰ সন্মুখীন হ'বলগীয়া হয় বুলিহে এই প্ৰয়াসত দাবী কৰা হয়। কিয়নো এই মতবাদৰ মতে চৰকাৰ হ'ল কেৱল এদল বিধায়িনী আৰু কাৰ্যবাহী সংস্থাৰ সংকলনহে। চৰকাৰৰ নিজা লক্ষ্য থাকে। এই লক্ষ্য আকৌ সততেই বিতৰ্ক আৰু সংঘাতৰ সূচনাকাৰী। ৰাজনৈতিক অৰ্থনীতি সূত্ৰই স্ব-স্বাৰ্থপ্ৰণোদিত ৰাজনীতিক, ভোটদাতা, চাপ-সৃষ্টিকাৰী গোষ্ঠী তথা আমোলাৰ আচৰণক গুৰুত্ব প্ৰদান কৰে। অধিক স্পষ্টকৈ ক'ব পাৰি যে ৰাজনৈতিক অৰ্থনীতিৰ সূত্ৰই চৰকাৰী প্ৰতিনিধি সকলে বিভিন্ন প্ৰতিষ্ঠানিক প্ৰক্ৰিয়াৰ মাধ্যমেৰে সম্পাদন কৰা কাম-কাজৰ বিষয়ে অধিক বিজ্ঞানসন্মত বিশ্লেষণ দাঙি ধৰাৰ লগতে অৰ্থনৈতিক বিধানৰ পৰা চৰকাৰী কাৰ্যপন্থাৰ ব্যৱধান সন্দৰ্ভত স্পষ্ট ব্যাখ্যা দাঙি ধৰে ( মেকক্ৰমিক আৰু টলিছন, ১৯৮১)।

**অভিজ্ঞতা-আৰ্জিত ৰাজনৈতিক অৰ্থনীতিগত বিশ্লেষণ ঃ**

এই বিশ্লেষণে ৰাজনৈতিক আৰু অৰ্থনৈতিক মূল্য নিৰ্ধাৰণৰ ক্ষেত্ৰত কাৰকসমূহৰ আচৰণ আৰু চৰকাৰৰ প্ৰাথমিকতা নিৰূপণ আদিক বিশেষ গুৰুত্ব প্ৰদান কৰে। সন্মুখীন হোৱা অৰ্থনৈতিক সমস্যা অনুযায়ী নীতি নিৰ্ধাৰকসকলে উদ্দেশ্য প্ৰণোদিত ভাৱে কাৰ্যকাৰিতা বৃদ্ধিত গুৰুত্ব দান কৰে বুলি ধৰিলৈ নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত জড়িত বিভিন্ন গোটৰ প্ৰভাৱৰ আৰ্হি প্ৰস্তুত কৰে 'ৰাজনৈতিক প্ৰাথমিকতা কৃত্য অথবা পলিটিকেল প্ৰিফাৰেন্স ফাংচন্‌ছ — ' পি পি এফ 'এ। এনেদৰে নিৰ্ণীত নীতিৰ প্ৰাথমিকতা সমূহক ৰাজনৈতিক সিদ্ধান্তগ্ৰহণ প্ৰক্ৰিয়াৰ পৰিণতি বুলি গ্ৰহণ কৰা হয়। 'পি পি এফ'এ প্ৰতিনিধিত্ব কৰা কৰ্মকুশলতাৰ মাপকসমূহৰ (উদাহৰণ স্বৰূপে ঃ ৰাহিৰ কল্যাণ, লাভ, পামৰ প্ৰকৃত আয়, চৰকাৰৰ বাজেট ব্যয় ইত্যাদি) সন্দৰ্ভত সততে বিতৰ্কৰ সূচনা হোৱা দেখা যায় আৰু চাপ সৃষ্টিকাৰী গোটসমূহৰ কুশলতাত ই প্ৰতিবিম্বিত হয়। প্ৰাথমিকতাসমূহৰ জোখ লোৱাটো সম্ভৱ, কিয়নো এইবোৰক নিৰীক্ষণ কৰিব পাৰি ; এইবোৰ নীতিৰ পৰিণতি হিচাপে প্ৰকাশিত হয়। 'পি পি এফ' অধ্যয়নৰ আন এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হ'ল— ইয়াৰ জৰিয়তে হেতু পৰ্যালোচনা পৰ্যায়তে নীতি নিৰ্দ্ধাৰণ সম্পৰ্কীয় সিদ্ধান্ত গ্ৰহণ কৰিব পৰা যায়। নীতি সম্পৰ্কীয় হেতুত মূল্য, ঘাটিৰ দেনা, আমদানিৰ অংশ আদিৰ দৰে বিষয়বোৰ অন্তৰ্ভুক্ত হৈ থাকে। দাঙি ধৰিব খোজা ব্যাখ্যা অনুসৰি এনেবোৰ হেতু বা নিৰ্ণায়কৰ পৰ্যায় নিৰূপিত হয় চৰকাৰী ৰাজহ আৰু অৰ্থনৈতিক ৰাহি মাপকৰ সৈতে 'পি পি এফ'ৰ পোনপতীয়া সংযোগীকৰণৰ সৰ্বাধিকীকৰণৰ পৰিণতিত।

'পি পি এফ' সূত্ৰও কম বেছি পৰিমাণে চৰকাৰৰ সৰ্বজ্ঞতা আৰু পৰম হিতৈষিতা স্বীকাৰ কৰা পৰম্পৰাগত সূত্ৰৰ সম দৃষ্টিভংগীৰ। সমাজত বৰ্তি থকা আশা-আকাংখ্যাৰ ভিন্নতা স্বীকাৰ কৰাৰ ক্ষেত্ৰত থকা ভিন্নতাত দুয়োটা সূত্ৰৰ মাজত মত পাৰ্থক্য থকা দেখা যায়। ৰাজনৈতিক-অৰ্থনৈতিক নীতি নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াত এই আশা -আকাংখ্যাৰ ভিন্নতাই গুৰুতৰ হীন -দেঢ়ি নিৰূপণত ভূমিকা গ্ৰহণ কৰে। চৰকাৰৰ প্ৰাথমিকতাৰ স্বৰূপ নিদৰ্শনকে ধৰি বিভিন্ন বিষয়ত ব্যাখ্যা দাঙি ধৰাৰ দক্ষতা প্ৰদৰ্শন কৰিলেও ' পি পি এফ' সূত্ৰই স্বয়ং 'প্ৰাথমিকতাৰ স্বৰূপ' সন্দৰ্ভত কিন্তু বিশ্লেষণ আগবঢ়াবলৈ সক্ষম হোৱা নাই। চৰকাৰক এতিয়াও কেতবোৰ আচৰণগত কৰ্ম পদ্ধতিৰে কাৰ্য সম্পাদন কৰা একত্ৰ সংস্থা হিচাপেই বিবেচনা কৰি অহা হৈছে। ৰাজনৈতিক বজাৰৰ এটা বিস্তৃত আৰ্হিৰ প্ৰয়োজনীয়তা নোহোৱা কৰাৰ বাবে বিমূৰ্ত নীতি- নিৰ্দ্ধাৰক হ'ল এটা কৃত্ৰিম ধাৰণা। মূলসুঁতিৰ 'পি পি এফ' পৰম্পৰাত প্ৰাথমিকতাৰ গুৰুত্ব নিৰূপণ কৰা ৰাজনৈতিক ঘটকক অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস চলোৱা দেখা নাযায়।

**স্বাৰ্থ-জড়িত গোট ঃ**

অভিজ্ঞতা আৰ্জিত ৰাজনৈতিক বিশ্লেষণে চাপ-সৃষ্টিকাৰী অথবা স্বাৰ্থ জড়িত গোট সমূহৰ ভূমিকা সন্দৰ্ভতো মন্তব্য আগবঢ়াইছে। নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়া বুজিবলৈ হ'লে ৰাজনৈতিক নেতৃত্ব আৰু ইয়াৰ সৈতে স্বাৰ্থ-জড়িত গোট সমূহৰ সম্পৰ্ক অনুধাৱন কৰাটো জৰুৰী হৈ পৰে (বৰ্দ্ধন ১৯৮৪, শেখৰ ২০০৫)। সামগ্ৰিক ভাৱে ভাৰতৰ উন্নয়ন আৰু বিশেষকৈ 'পি ডি এছ' সন্দৰ্ভত ব্যাখ্যা দাঙি ধৰিবলৈ আমি

এই সূত্ৰ ব্যৱহাৰ কৰিম। ভাৰতত কাৰ্যনিৰ্বাহ কৰি থকা গণতান্ত্ৰিক ৰাজনীতি এটা বাৰুকৈয়ে জটিল প্ৰসংগ। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ৰাজনৈতিক দলবোৰক পুঁজিৰ প্ৰয়োজন হয়। এই পুঁজি কেৱল কেতবোৰ নিৰ্দিষ্ট গোষ্ঠী যেনে উদ্যোগপতি তথা ফাৰ্ম লবীয়েহে যোগান ধৰিব পাৰে। সেয়ে স্বাভাৱিক অৰ্থতে এটা কথা ন-দি ক'ব পাৰি যে ৰাজনৈতিক দল সমূহ কিছুমান প্ৰভাৱশালী স্বাৰ্থ-জড়িত গোটৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হয়। ইয়াৰ পৰিণতিত এইবোৰ দলে নীতি নিৰ্দ্ধাৰণ তথা বলবৎকৰণৰ ক্ষেত্ৰত থাকিবলগীয়া স্বাধীনতা সীমিত কৰিবলৈ বাধ্য হয়। আন কথাত পুঁজিৰ যোগান ধৰা স্বাৰ্থ-জড়িত মহলৰ ইচ্ছা সাপেক্ষেহে এনেবোৰ দলে নীতি নিৰ্দ্ধাৰণ কৰিব পাৰে। ৰাজনৈতিক কাৰ্যক্ৰমৰ সপক্ষে পুঁজি আহৰণৰ ক্ষেত্ৰত এনেবোৰ গোটৰ ভূমিকা গুৰুত্বপূৰ্ণ হয়। সেয়ে এনেবোৰ গোটে ৰাজহ সৃষ্টিকাৰী কৰ্ম-কাণ্ড সম্পাদিত কৰাৰ প্ৰয়োজনীয়তা আহি পৰে। এনেবোৰ কাৰণতে নীতি নিৰ্দ্ধাৰণৰ বেলিকা কৃষি-শ্ৰমিক, গ্ৰামীণ কাৰিকৰ, দৰিদ্ৰ তথা পৰিত্যক্তসকলৰ দৰে বঞ্চিত সকলৰ কথা সম্ভৱতঃ আওকাণ কৰা হয়। যিহেতু ৰাজনৈতিক দলসমূহক পুঁজিৰ যোগান ধৰিব পৰাকৈ তেওঁলোক সমৰ্থবান নহয়, সেয়ে তেওঁলোকে ন্যায্যভাবে পাবলগীয়া প্ৰাথমিকতা লাভৰ পৰাও বঞ্চিত হ'বলগীয়াত পৰে।

তথ্যৰ বিসংগতিয়েও এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখিবলৈ পোৱা যায়। যেতিয়া স্বাৰ্থ জড়িত গোট সমূহৰ মাজত তথ্য বিসংগতিয়ে দেখা দিয়ে, তেতিয়া অধিক তথ্যবিজ্ঞ সদস্য থকা গোটবোৰক সন্তুষ্ট কৰিবলৈ ৰাজনৈতিক দলবোৰে গুৰুত্ব প্ৰদান কৰে। এনে প্ৰেক্ষাপটতে স্বাৰ্থ-জড়িত গোট সমূহে তেওঁলোকৰ সপক্ষে নীতি নিৰ্দ্ধাৰণ কৰাব পৰাকৈ প্ৰভাৱ বিস্তাৰ কৰিবলৈ তেওঁলোকৰ সদস্য সকলক সংগঠিত কৰাৰ লগতে তথ্য অৱগতকৰণৰ বাবে ধন ভঙাৰ প্ৰয়োজন আহি পৰে।

ৰাজনৈতিক প্ৰক্ৰিয়াৰ উপৰি নাতি নিৰ্দ্ধাৰণ প্ৰক্ৰিয়াক প্ৰভাৱিত কৰাৰ বাবে স্বাৰ্থজড়িত মহলৰ হাতত আন এটা পথো আছে। পৰিণতি প্ৰভাৱিত কৰাৰ উদ্দেশ্যে এই মহলে সামগ্ৰিক ভাৱে ৰাইজকো প্ৰত্যক্ষ লক্ষ্য হিচাপে ব্যৱহাৰ কৰিব পাৰে। নিৰ্বাচিত প্ৰতিনিধিসকলক প্ৰভাৱিত কৰিব পৰাকৈ প্ৰতিবাদ, প্ৰদৰ্শন আদিৰ দৰে কাৰ্যসূচী ৰূপায়ণৰ বাবে সাধাৰণ জনতাক এই গোটসমূহে উদ্‌গণি দিব পাৰে। মানৱ অধিকাৰ সম্পৰ্কীয় বিষয়ত ব্যক্তিগত প্ৰতিষ্ঠানক নিয়ন্ত্ৰণ সম্পৰ্কীয় নীতি-নিয়ম বলবৎকৰণ, ঔদ্যোগিক প্ৰদূষণ নিয়ন্ত্ৰণ আদিৰ প্ৰসংগত এই পন্থা বাৰুকৈয়ে ফলপ্ৰসূ হোৱাৰ উদাহৰণ আছে। অৱশ্যে আন ক্ষেত্ৰত নিৰ্বাচন কিম্বা বিধায়িনী প্ৰক্ৰিয়াৰ পৰিৱৰ্তে বন্দোবাস্তিৰেহে অভিযান সম্পন্ন কৰা দেখা যায়।

**ছত্তিশগড় আৰু বিহাৰৰ ৰাজহুৱা বিতৰণ ব্যৱস্থা**

ইতিপূৰ্বে উল্লেখ কৰা ৰাজনৈতিক অৰ্থনীতি সম্পৰ্কীয় সূত্ৰৰ আধাৰত এই খণ্ডত ছত্তিশগড় আৰু বিহাৰত ৰূপায়িত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ কৰ্ম কুশলতাৰ পৰ্যালোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

২০০৪ চন পৰ্যন্ত ছত্তিশগড়ত ৰূপায়িত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দায়িত্ব ব্যক্তিগড় খণ্ডৰ হাতত ন্যস্ত আছিল। একাংশ দোকানীৰ জৰিয়তে পৰিচালিত হোৱা সুলভ মূল্যৰ দোকানৰ বাবে আবণ্টিত 'ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অন্তৰ্গত' সামগ্ৰীৰ যোগান অনিয়মীয়া আছিল। তাতোকৈও গুৰুতৰ সমস্যাটো আছিল এনেদৰে আবণ্টিত সামগ্ৰীৰ হৰলুকী হৈছিল আৰু হিতাধিকাৰীৰ বাবে অহা খাদ্য-সামগ্ৰী মুকলি বজাৰত বিক্ৰী হৈছিল। এনে পৰিস্থিতিৰ পৰা মুক্তি পোৱাৰ লক্ষ্যৰে ৰাজ্যখনত বিভিন্ন সংস্কাৰ মূলক পদক্ষেপ গ্ৰহণ কৰা হয়। এই উদ্দেশ্যে গ্ৰহণ কৰা গুৰুত্ব পূৰ্ণ পদক্ষেপটো আছিল ২০০৪ চনত সূচনা কৰা ছত্তিশগড় ৰাজহুৱা বিতৰণ ব্যৱস্থা (চি পি ডি এছ)। এই পদ্ধতিত ব্যক্তিগত সুলভ মূল্যৰ দোকানীৰ জৰিয়তে বয়-বস্তুৰ বিতৰণ কৰা হ'ল যদিও আবণ্টিত সা-সামগ্ৰী প্ৰত্যক্ষ ভাৱে এনেবোৰ দোকানত যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ল। সুলভ মূল্যৰ সামগ্ৰী কঢ়িওৱা ট্ৰাকসমূহ হালধীয়া ৰঙেৰে বোলোৱাৰ ব্যৱস্থা কৰাৰ লগতে প্ৰতি মাহৰ ৭ তাৰিখৰ ভিতৰত 'পি ডি এছ'ৰ সামগ্ৰীৰ যোগান সম্পূৰ্ণ কৰাটো বাধ্যতামূলক কৰা হ'ল। ট্ৰাকেৰে কঢ়িওৱা সা-সামগ্ৰীৰ হৰলুকী ৰুধিব পৰাকৈ সামগ্ৰীসমূহৰ বিস্তৃত বিৱৰণ কম্পিউটাৰৰদ্বাৰা প্ৰেৰণৰ কৰাৰ ব্যৱস্থা কৰা হ'ল, সমাজৰ প্ৰায় ৮০ শতাংশ লোকক সামৰি আঁচনিখনৰ পৰিসৰ বৃদ্ধি কৰাত উন্নত সেৱাৰ বাবে দাবী কৰা লোকৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। অধিক মুনাফা লুটাৰ বাবে হিতাধিকাৰী সকলক প্ৰতাৰণা কৰাৰ প্ৰৱণতা ৰোধ কৰাৰ পদক্ষেপ হিচাপে সুলভ মূল্যৰ দোকানী সকললৈ আগবঢ়োৱা কমিছনৰ পৰিমাণ ৮ টকাৰ পৰা ৩০ টকা প্ৰতি কুইন্টললৈ বঢ়োৱাৰ দিহা কৰা হ'ল। তদুপৰি হিতাধিকাৰী সকলৰ ঘৰৰ সন্মুখত তেওঁলোকৰ নাম, লাভ কৰা পত্ৰ তথা মূল্যমান আদি তথ্য বৰ বৰ হৰফেৰে লিখি থোৱাৰ ব্যৱস্থা কৰাত বি পি এল অথবা ' এ এ ৱাই' পত্ৰৰ বাবে অৰ্হতা নথকা অথচ অবৈধ ভাৱে এই সেৱা গ্ৰহণ কৰা পৰিয়ালসমূহৰ বাবে সুযোগৰ মুদা মৰিল।

বিহাৰত ৰূপায়িত 'পি ডি এছ' আঁচনিখন সদায়ে বিভিন্ন সমস্যাৰে

জৰ্জৰিত হৈ আহিছিল। উল্লেখনীয় সমস্যাসমূহৰ ভিতৰত প্ৰায় প্ৰতিটো স্তৰতে খাদ্য দ্ৰব্যৰ ব্যাপক খেলি-মেলি ; বিতৰণ ব্যৱস্থাত ব্যাপক অনিয়ম (অন্তৰ্ভুক্তিকৰণ আৰু বহিৰ্গমণ বিভ্ৰাট) ; ৰাজ্যখনত খাদ্য-সামগ্ৰীৰ উৎপাদন পৰ্যাপ্ত নোহোৱা, 'বিহাৰ খাদ্য আৰু অসামৰিক যোগান নিগম (বি এছ এফ চি এছ চি ) ৰ ৰুগ্ন অৱস্থা; পি ডি এছ বিতৰক সকলৰ পৰা আমোলা-বিষয়া, স্থানীয় ৰাজনীতিক নেতা আনকি বহু মন্ত্ৰীৰ ব্যাপক দুৰ্নীতি আৰু সংঘাতত আঁচনিখন বাৰুকৈয়ে জৰ্জৰিত হ'বলগীয়া হয়।


আঁচনিখনৰ ৰূপায়ণৰ ক্ষেত্ৰত ছত্তিশগড় আৰু বিহাৰৰ মাজত থকা পাৰ্থক্যসমূহ সাধাৰণ ৰাজনৈতিক অৰ্থনীতিৰ সূত্ৰ (আৰ্হি নং ১ আৰু ২) ৰ জৰিয়তে ব্যাখ্যা কৰিব পাৰি। স্বাৰ্থজড়িত গোট, প্ৰতিষ্ঠান আৰু নীতি-নিয়মৰ মাজত সদায়ে এটা পাৰস্পৰিক মত বিনিময়ৰ ব্যৱস্থা থাকে। উন্নয়ন প্ৰক্ৰিয়াৰে জড়িত বিভিন্ন অংশীদাৰ সমূহৰ ওপৰত এই আলোচনাৰ ভিন্নমুখী প্ৰভাৱ পৰিলক্ষিত হয়। যি কি নহওক, ইয়েই পৰস্পৰক অনুপ্ৰাণিত কৰাৰ উপৰি পৰিণতিক প্ৰভাৱিত কৰে (আৰ্হি ঃ ১)।

পিছে আশা কৰা আৰু প্ৰকৃত ফলাফলৰ মাজত ব্যৱধান থকাটো নিতান্তই স্বাভাৱিক। এই ব্যৱধান যোগান আৰু চাহিদাৰ মাজত থকা ব্যৱধানৰ বাবেই হয় (আৰ্হি ঃ২) মূলতঃ সহজাত উদ্যমৰ অভাৱ, পুৰস্কৃতকৰণৰ উপযুক্ত দিহা আৰু উপযুক্ত নিৰীক্ষণ ব্যৱস্থাৰ অভাৱৰ পৰিণতিতে যোগান সম্পৰ্কীয় সমস্যাসমূহৰ উদ্ভৱ হয়। পিছে তাতোকৈও গুৰুত্বপূৰ্ণ কথাটো হ'ল — চাহিদাৰ ক্ষেত্ৰত ত্ৰুটিয়েহে এই ক্ষেত্ৰত বিশেষ বিধি -পথালি দিয়ে। এনেবোৰ ত্ৰুটি আকৌ হিতাধিকাৰীসকলৰ চাহিদাসমূহ সংহত ৰূপত অনুধাৱন কৰিব নোৱাৰাৰ ফলতে উদ্ভৱ হোৱা দেখা যায়। এইবোৰে সামগ্ৰিক ভাৱে কাৰ্যকৰীকৰণত সংকটৰ সৃষ্টি কৰে।

বিহাৰ আৰু ছত্তিশগড়ৰ মাজৰ পাৰ্থক্য সমূহ উল্লিখিত আলোচনাৰ পৰা অনুধাৱন কৰিব পাৰি। ২০০৪ চন পৰ্যন্ত ছত্তিশগড়ত অব্যাহত থকা সংকটৰ মূল কাৰণ আছিল ৰাজ্যখনৰ সুলভ মূল্যৰ দোকান সমূহলৈ কৰিব লগা যোগান অনিয়মীয়া আছিল ; সুলভ মূল্যৰ সামগ্ৰীৰ মুকলি বজাৰত বেহা চলিছিল। উপযুক্ত ভাৱে লাভৰ অংশ প্ৰদানৰ ব্যৱস্থা নকৰা আৰু যোগান সন্দৰ্ভত কঠোৰ নিৰীক্ষণৰ বাবে উপযুক্ত বিধি-ব্যৱস্থা নথকাৰ বাবেই মূলত ঃ এয়া সম্ভৱ হৈছিল। (আৰ্হি ঃ২ )। পিছে ছত্তিশগড় চৰকাৰে গ্ৰহণ কৰা নীতিৰ আধাৰত 'চি পি ডি এছ ' ব্যৱস্থাৰ প্ৰৱৰ্তন কৰাৰ ফলত ৰাজ্যখনত আঁচনিখনৰ ৰূপায়ণৰ প্ৰেক্ষাপটৰ আমূল পৰিৱৰ্তন সংঘটিত হ'ল। পি ডি এছ বিতৰকৰ কমিছন বৃদ্ধি কৰা, নিৰীক্ষণ আৰু তদাৰকী ব্যৱস্থা কঠোৰ কৰা, দোকান পৰ্যন্ত প্ৰত্যক্ষ ভাৱে সামগ্ৰীৰ যোগান নিশ্চিত কৰা, অধিক সংখ্যক হিতাধিকাৰীক সামৰি লোৱা, পি ডি এছ সামগ্ৰীৰ মূল্য হ্ৰাস কৰা, সমগ্ৰ ব্যৱস্থা কম্পিউটাৰ সঞ্চালিত কৰা, সুলভ মূল্যৰ দোকান সমূহৰ অনা-ব্যক্তিগতকৰণৰ দিহা কৰা, ওজৰ-আপত্তি নিষ্পত্তিৰ ব্যৱস্থা উৎকৃষ্ট কৰা আদিৰ দৰে পদক্ষেপ সমূহৰ ৰাজ্যখনৰ 'পি ডি এছ' ব্যৱস্থাক এটা আদৰ্শ হিচাপে প্ৰতিষ্ঠা কৰিলে।

ইয়াৰ বিপৰীতে বিহাৰৰ পি ডি এছ ব্যৱস্থা আকৌ সমস্যাৰে জৰ্জৰিত হৈ আহিছিল। ২০১১ চন পৰ্যন্ত এই অৱস্থাই অব্যাহত আছিল। অৱশ্যে শেহতীয়া বছৰচেৰেকত এই পৰিস্থিতি বহুখিনি সলনি হোৱা দেখিবলৈ পোৱা গৈছে। বিশেষকৈ যোৱা ১২ টা মাহত পৰিস্থিতি বহুখিনি উন্নত হৈছে। বিহাৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ সুবাদতে এয়া সম্ভৱ হৈছে (দ্ৰেজ আৰু খেৰা ২০১৫)। ২০১১ চনত পি ডি এছ সামগ্ৰী ক্ৰয় কৰিব পৰাকৈ হিতাধিকাৰীসকলক প্ৰদান কৰা পত্ৰ সমূহৰ খুটি -নাটি চাবলৈ লোৱা অভিযানৰ পাছৰে পৰা পৰিস্থিতি সলনি হোৱাৰ ইংগিত পোৱা গৈছিল। পৰৱৰ্তী সময়ত যোৱা তিনিবছৰ আৰু বিশেষকৈ শেহতীয়া ১২ টা মাহত গ্ৰহণ কৰা সংস্কাৰমূলক পদক্ষেপ সমূহে অৱস্থাৰ লক্ষ্যণীয় পৰিৱৰ্তন সাধন কৰিছে। 'আৰ্থ-সামাজিক আৰু জাতি পিয়ল'ৰ তথ্যৰ আধাৰত প্ৰস্তুত কৰা ৰেচন কাৰ্ডৰ এখন নতুন তালিকা যুগুতাই উলিওৱা হৈছে। ৰাজ্যখনৰ প্ৰায় ৭৫ শতাংশ পৰিয়ালেই আজি এই নতুন ৰেচন কাৰ্ড কিম্বা অন্ত্যোদয়া পত্ৰৰ গৰাকী। নিৰ্বাচনী বিতৰ্কত পি ডি এছ প্ৰসংগই স্থান পোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক আচৰণলৈও পৰিৱৰ্তন আহিছে।

**আৰ্হি নং ঃ ১**




**অন্যান্য প্ৰদেশৰ অভিজ্ঞতা ঃ**

নীতিগত সংস্কাৰৰ পৰিণতিত দেশৰ আন বহুসংখ্যক ৰাজ্যতো সুফল লাভ কৰা দেখিবলৈ পোৱা গৈছে (খেৰা ২০১১ (ক) আৰু ২০১১ (খ), ৰাঘৰ পুৰী ২০১২)।

সাৰ্বজনীন ভাৱে ৰূপায়ণ কৰাৰ বাবেই এই সাফল্য সম্ভৱ হৈছে বুলি ভাবিব পাৰি।

জন-দৰদী আৰু নিম্ন ব্যয় সাপেক্ষে প্ৰযুক্তিৰ ব্যৱহাৰ কৰি বিগত বছৰচেৰেকত তামিলনাডুৰে এটা

**আৰ্হিঃ ২**




হিমাচল প্ৰদেশত 'পি ডি এছ' ব্যৱস্থা সাৰ্বজনীন (কিন্তু অ-সম) কৰা হৈছে। বি পি এল পৰিয়ালে এ পি এল (দাৰিদ্ৰ্য সীমাৰেখাৰ ওপৰৰ পৰিয়াল) তকৈ কম দামত সামগ্ৰী কিনিব পাৰে। দাইল, তেলৰ দৰে সামগ্ৰী সকলো পৰিয়ালে সম-মূল্যত ক্ৰয় কৰিব পাৰে। দুৰ্গম পাহাৰীয়া অঞ্চলৰ সমস্যা থকাৰ পিচতো, কঠোৰ নিৰীক্ষণ তথা তদাৰকী ব্যৱস্থাৰ বৰ্তমানেৰেও কিন্তু ৰাজ্যখনে তামিলনাডুৰ দৰেই সফলতাৰে 'পি ডি এছ' আঁচনিৰ ৰূপায়ণ সম্ভৱ কৰি তুলিবলৈ সমৰ্থ হৈছে। আঁচনি খন

প্ৰভাৱশালী নিৰীক্ষণ ব্যৱস্থা গঢ়ি তুলিবলৈ সমৰ্থ হৈছে। স্বচ্ছতা আৰু দায়বদ্ধতা নিশ্চিত কৰাৰ ক্ষেত্ৰতো ৰাজ্যখনত সহজ আৰু পৰিণামী ব্যৱস্থা গঢ়ি তুলিছে। দেশৰ আন কোনো ৰাজ্যই এনে সচেতনতাৰে আঁচনিখন ৰূপায়ণত গুৰুত্ব প্ৰদান কৰা নাই বুলি ক'ব লাগিব (আলামু ২০১১)।

অন্ধ্ৰপ্ৰদেশে আকৌ এটা সহজ বহিৰ্গমন নীতি গ্ৰহণ কৰি এই ক্ষেত্ৰত হ'ব পৰা বিভ্ৰাটৰ হাৰ সীমিত কৰাৰ হকে পদক্ষেপ গ্ৰহণ কৰিছে। অৱশ্যে ৰাজ্যখনত অন্তৰ্ভুক্তিকৰণ বিভ্ৰাটৰ সংখ্যা অতিশয় বিশাল। ২০০৮ চনৰ পৰা ওড়িশাই ছত্তিশগড়ৰ আৰ্হি গ্ৰহণ কৰিছে। আনকি কোৰাপুট, বলাংগিৰ -কালাহাণ্ডি (কেবিকে) অঞ্চলত পি ডি এছৰ সাৰ্বজনীনকৰণৰো দিহা কৰা হৈছে। পি ডি এছৰ পৰিচালনাৰ দায়িত্ব গাঁও পঞ্চায়তৰ হাতত ন্যস্ত কৰা হৈছে। ২০১০ চনৰ মে' মাহৰ পৰা ৰাজস্থানেও উল্লিখিত সংস্কাৰ সমূহ কিছু পৰিমাণে ৰূপায়ণৰ দিহা কৰিছে। ইতিমধ্যে ৰাজ্যখনত এনে সংস্কাৰে সৃষ্টি কৰা সুফল অনুভূত হৈছে। অৱশ্যে আজিৰ তাৰিখত ঝাৰখণ্ডৰেই পি ডি এছ ব্যৱস্থা আটাইতকৈ পুৰণিকলীয়া বুলি ক'ব লাগিব। অৱশ্যে অতি সম্প্ৰতি ৰাজ্যখনত সংস্কাৰ পদক্ষেপ গ্ৰহণৰ ইংগিত পোৱা গৈছে।

**সামৰণি ঃ**

দেশৰ প্ৰায় অধিকাংশ ৰাজ্যই গ্ৰহণ কৰা সংস্কাৰ মূলক পদক্ষেপৰ ফলত 'পি ডি এছ' ব্যৱস্থাৰ ৰূপায়ণত বহু পৰিৱৰ্তন সাধিত হৈছে। পি ডি এছৰ পৰিসৰ বৃদ্ধি কৰা, সামগ্ৰীৰ মূল্য হ্ৰাস কৰা, সামগ্ৰিক ব্যৱস্থা কম্পিউটাৰ সঞ্চালিত কৰা, দুৱাৰ মুখ পৰ্যন্ত যোগানৰ দিহা কৰা, ব্যক্তিগত দোকানৰ পৰিৱৰ্তে উমৈহতীয়া প্ৰবন্ধনেৰে পৰিচালিত প্ৰতিষ্ঠানৰ জৰিয়তে সামগ্ৰী বিতৰণৰ দিহা কৰা, ওজৰ-আপত্তি নিষ্পত্তি কৰাৰ বাবে উৎকৃষ্ট বিধি -ব্যৱস্থা যুগুতাই উলিওৱা আদিৰ দৰে পদক্ষেপ গ্ৰহণত গুৰুত্ব আৰোপ কৰা হৈছে। সৰ্বোপৰি দেশত ন-কৈ উজ্জীৱিত হোৱা ৰাজনৈতিক সদিচ্ছাই পি ডি এছ ব্যৱস্থাৰ সবলীকৰণ তথা শ্ৰী বৰ্দ্ধনৰ এটা পৰিবেশ সৃষ্টি কৰিছে বুলিব লাগিব।

**২০১৩ চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।**

# ।। ভাৰতত নিয়োগ আৰু সৰ্বাত্মক বিকাশ ঃ বিকশিত ধাৰা আৰু দৃশ্যপট ।।

* অলখ এন শৰ্মা

যোৱাটো শতিকাৰ ৯০ ৰ দশকৰ আৰম্ভণিৰ পৰা ২০১২ চন পৰ্যন্ত এইছোৱা সময়ত ভাৰতে বছৰি ৬ শতাংশৰো অধিক হাৰত প্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। অৱশ্যে ইয়াৰ পাছৰ দুটা বছৰত আন্তঃৰাষ্ট্ৰীয় তথা ঘৰুৱা কাৰকৰ প্ৰভাৱত সঞ্চয় তথা বিনিয়োগকে ধৰি বিকাশৰ হাৰ লক্ষ্যণীয় ভাৱে বাধাগ্ৰস্ত হোৱা দেখিবলৈ পোৱা যায়। পিছে এতিয়া সেই পৰিস্থিতিৰ অন্ত পৰিছে আৰু দেশৰ অৰ্থনীতিয়ে ইতিবাচক গতি লাভ কৰাৰ লগতে বিকাশৰ হাৰো উৰ্ধ্বমুখী হোৱা পৰিলক্ষিত হৈছে। বৰঞ্চ ক'ব পাৰি 'ৰাষ্ট্ৰীয় হিচাপ প্ৰাক কলন'ৰ নতুন পদ্ধতি অনুসৰি ভাৰতে প্ৰায় ৭ শতাংশ বিকাশ হাৰেৰে দ্ৰুত গতিত প্ৰগতি লাভ কৰা বিশ্বৰ বৃহৎ অৰ্থনীতি হিচাপে চীনকো পিচ পেলাবলৈ অগ্ৰসৰ হৈছে। ১৯৮০ চনৰ প্ৰায় ২.৫ শতাংশ হাৰৰ পৰা শেহতীয়া ভাৱে জনসংখ্যা বৃদ্ধিৰ হাৰ ১.৫ শতাংশলৈ অৱনমিত হোৱাৰ পৰিপ্ৰেক্ষিতত দেশত জনমূৰি আয়ৰ পৰিমাণ ধাৰাবাহিক ভাৱে বৃদ্ধি হ'বলৈ ধৰিছে। ফলত দেশত দৰিদ্ৰৰ সংখ্যা কমিবলৈ ধৰাৰ লগতে শিক্ষা, স্বাস্থ্যৰ দৰে অৰ্থনীতিৰ অন্যান্য সূচক সমূহৰ ক্ষেত্ৰত উত্তৰণ ঘটা দেখিবলৈ পোৱা গৈছে। অৱশ্যে ইয়াৰ পিচতো ক'বই লাগিব যে দেশত এতিয়াও দাৰিদ্ৰ্য ভয়াবহ সমস্যা হিচাপেই চিহ্নিত হোৱাৰ লগতে নিয়োগৰ গতিও আগতকৈ লেহেমীয়া হৈছে। তদুপৰি অনানুষ্ঠানিক খণ্ডতহে নিযুক্তিৰ অধিক্য ঘটা পৰিলক্ষিত হৈছে।

**নিয়োগৰ অনানুষ্ঠানিকীকৰণ, 'কৰ্মৰত দুখীয়া' আৰু বৰ্জন ঃ**

দেশৰ কৰ্মবাহিনীৰ সৰহ সংখ্যক লোক অনানুষ্ঠানিক খণ্ডত নিয়োজিত হোৱা পৃথিৱীৰ দেশসমূহৰ অন্যতম হৈছে ভাৰত। ২০১১-১২ বৰ্ষত ভাৰতৰ আনুষ্ঠানিক খণ্ডত নিয়োজিত কৰ্মবাহিনীৰ শতাংশ হাৰ আছিল ১৮। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল এই ১৮ শতাংশ কৰ্মীৰ আকৌ মাত্ৰ ৭.৫ শতাংশইহে সামাজিক সুৰক্ষাৰ নিশ্চয়তাৰে নিযুক্তি লাভ কৰিছিল। ইফালে বিগত বছৰবোৰত আনকি আনুষ্ঠানিক খণ্ডতো অস্থায়ী আৰু ঠিকাভিত্তিক কৰ্মীৰ ৰূপত হোৱা নিয়োগ ক্ৰমাগত ভাৱে বাঢ়ি বাঢ়ি আহি আজিৰ তাৰিখত এই পৰিমাণ প্ৰায় ৫৮ শতাংশ হৈছেহি। সামাজিক সুৰক্ষাৰ নিশ্চয়তা নোপোৱা এইসমূহ অনানুষ্ঠানিক কৰ্মী নিম্ন আয় সম্পন্ন হোৱাৰ লগতে নিম্ন শ্ৰম উৎপাদক হিচাপেও পৰিগণিত হৈ আহিছে। এনেবোৰ কাৰণতে দাৰিদ্ৰ্যৰ হাৰ অৱনমিত হোৱাৰ পাছতো কিন্তু দেশত দুখীয়া লোকৰ সংখ্যা অনাকাংক্ষিত ভাৱেই অধিক হৈয়ে আছে। ২০১৪ চনৰ ভাৰতৰ শ্ৰম আৰু নিয়োগ প্ৰতিবেদন (মানৱ উন্নয়ন প্ৰতিষ্ঠান, ২০১৪) ৰ তথ্য মতে, দেশৰ বৰ্তমানৰ দাৰিদ্ৰ্য সীমাৰেখা (প্ৰতিগৰাকী ব্যক্তিৰ উৎপাদনশীলতা ১.২৫ ডলাৰ নিৰিখত) ৰ আধাৰত ক'ব পাৰি যে ভাৰতৰ এক চতুৰ্থাংশ শ্ৰমিকেই দৰিদ্ৰ। যদি বৰ্তমানৰ দাৰিদ্ৰ্য সীমাৰেখাৰ নিৰিখ প্ৰতিগৰাকী ব্যক্তিৰ উৎপাদনশীলতা ২ ডলাৰলৈ বঢ়াই দিয়া হয়, তেন্তে দেশৰ ৫৮ শতাংশ শ্ৰমিকেই দুখীয়া বুলি চিহ্নিত হ'ব। আনহাতে দেশৰ সামগ্ৰিক নিয়োগৰ হাৰ ৩ শতাংশ হোৱাৰ বিপৰীতে দৈনিক ভিত্তিক নিযুক্তিৰ হাৰো আনকি মাত্ৰ ৬ শতাংশ মানলৈহে বৃদ্ধি পোৱা দেখা যায়। এনে প্ৰেক্ষাপটত ক'ব পৰা যায় যে নিবনুৱা সমস্যাতকৈ অনানুষ্ঠানিক খণ্ডত কৰ্মৰত অধিকাংশ শ্ৰমিকৰ নিম্ন আয়, তথাকথিত 'কৰ্মৰত দুখীয়া'ৰ সমস্যাহে অধিক গুৰুতৰ সমস্যা হিচাপে পৰিগণিত হৈ আহিছে। তদুপৰি আন কেতবোৰ গুৰুত্বপূৰ্ণ বিশ্লেষণেও নিশ্চিত কৰিছে যে ভাৰতে লাভ কৰা উচ্চ হাৰৰ বিকাশ কিন্তু সৰ্বাত্মক নহয়। এই প্ৰসংগত প্ৰথমেই উল্লেখ কৰিব লাগিব যে আনুষ্ঠানিক খণ্ডত হোৱা নিযুক্তিৰ গাঢ়তা কেৱল দেশৰ একাংশ এলেকাৰ মাজতে সীমাবদ্ধ হৈ আছে। দেশৰ ৪৮ শতাংশ অধিবাসীয়ে বসবাস কৰা মধ্য আৰু পূবৰ অঞ্চলসমূহ মূলতঃ জনজাতি আৰু পীড়িত শ্ৰেণীৰ বসতিপ্ৰধান এলেকা। পিছে এই অঞ্চলৰ লোকে দেশৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান সমূহত মাত্ৰ ২৭ শতাংশ চাকৰিতহে নিযুক্তি লাভ কৰিছে। অথচ দেশৰ ৪৯

* অলখ এন শৰ্মা নতুন দিল্লীৰ মানৱ উন্নয়ন প্ৰতিষ্ঠানৰ অধ্যাপক আৰু সঞ্চালক।

শতাংশ লোকে বসবাস কৰা দক্ষিণ, পশ্চিম আৰু উত্তৰৰ অঞ্চলসমূহৰ নাগৰিকসকলে ব্যক্তিগত খণ্ডৰ তিনি চতুৰ্থাংশ চাকৰিতে নিয়োজিত হোৱাৰ সুযোগ লাভ কৰিছে। উচ্চ হাৰৰ বিকাশ প্ৰক্ৰিয়াৰ পৰা দেশৰ অঞ্চল বিশেষক নিলগাই ৰখা বিষয়টো দৰাচলতেই উদ্বিগ্নতাৰ কাৰণ হিচাপে পৰিগণিত হৈছে।

নিযুক্তিৰ ক্ষেত্ৰত মহিলাৰ অসমানুপাতিক প্ৰৱেশ তথা শ্ৰমৰ বজাৰখনত অব্যাহত থকা বৈষম্যও আন এটা প্ৰত্যাহ্বান হিচাপে দেখা দি আহিছে। পুৰুষৰ তুলনাত মহিলা শ্ৰমিকৰ বৃহৎ অংশটোৱেই নিম্ন উৎপাদনশীল তথা কম মজুৰি পোৱা কৰ্ম-কাণ্ডত নিয়োজিত হৈ থাকিবলগীয়া হোৱাটো আমাৰ সমাজৰ বাস্তৱ সত্য। বিদ্যায়তনিক খণ্ডত নামভৰ্তিৰ প্ৰসংগ কিম্বা বৰ্ধিত আয়ৰ প্ৰভাৱৰ কথা আওকাণ কৰিও এটা সত্য স্বীকাৰ কৰিবই লাগিব যে নিয়োগৰ যথোপযুক্ত সুযোগ বিহীনতাৰ বাবেই কৰ্ম ক্ষেত্ৰত মহিলা কৰ্মীৰ উপস্থিতিৰ হাৰ দিনে দিনে কমিবলৈ ধৰিছে। অৱশ্যে শেহতীয়া ভাৱে শিক্ষানুষ্ঠানত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি পোৱালৈ চাই আগন্তুক বছৰ চেৰেকৰ ভিতৰত দেশত শিক্ষিত মহিলাৰ সংখ্যা বাৰুকৈয়ে বৃদ্ধি পাব বুলি ভবাৰ থল ওলাইছে। আজিৰ তাৰিখত দেশত শিক্ষিত মহিলা নিবনুৱাৰ হাৰ হ'ল ২৩ শতাংশ। পুৰুষৰ তুলনাত এই হাৰ প্ৰায় দুগুণ। এনে প্ৰেক্ষাপটত নিয়োগৰ এটা উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব নোৱাৰিলে শিক্ষিত নিবনুৱাৰ সংস্থাপনৰ প্ৰসংগ চম্ভালাটো এটা বৃহৎ প্ৰত্যাহ্বান হৈ দেখাতো দিবই, মহিলাৰ নিযুক্তিৰ প্ৰসংগই গুৰুতৰ ৰূপ ধাৰণ কৰাটোও নিশ্চিত। পিতৃ প্ৰধান সমাজ ব্যৱস্থাত কৰ্ম সংস্থাপনৰ তাগিদাত পুৰুষসকলে এঠাইৰ পৰা আন এঠাইলৈ প্ৰব্ৰজন কৰিব পাৰে যদিও মহিলাসকলৰ বাবে এনে কৰাটো সাধাৰণতে সহজসাধ্য নহয়।

**সমস্যাৰ সমাধানঃ**

পৰম দাৰিদ্ৰ্যক প্ৰশমিত কৰাৰ ক্ষেত্ৰত ভাৰতে যদিও বিশেষ সাফল্য প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে তথাপি এয়া যে কেৱল জীৱন যাপনৰ ক্ষেত্ৰত সহযোগিতাৰ পৰ্যায়তে সীমাবদ্ধ আছে, আৰু মানসম্পন্ন নিয়োগৰ পৰিৱেশ এটা সৃষ্টিৰ ক্ষেত্ৰত যে বিশেষ সাফল্য আহৰণ কৰিব পৰা নাই সেই সত্য নিশ্চয় স্বীকাৰ কৰিব লাগিব। এনে এটা পৰিৱেশ সৃষ্টিৰ বাবে যথোপযুক্ত কৌশল নিৰ্দ্ধাৰণ কৰা কিম্বা অবিশ্ৰান্ত সৰ্বাত্মক বিকাশ সম্ভৱ কৰিব পৰা নিয়োগ নীতি যুগুতোৱাটো দৰাচলতেই আজিও দেশৰ বাবে বৃহৎ প্ৰত্যাহ্বান হৈয়ে ৰৈছে। নিবনুৱা, অৰ্দ্ধ নিবনুৱা তথা দাৰিদ্ৰ্যৰ দৰে সমস্যা সমাধান কৰিবলৈ নিঃসন্দেহে অবিচ্ছিন্ন বিকাশ নিতান্তই প্ৰয়োজন। পিছে এয়াই কেৱল পৰ্যাপ্ত নহয়। ইয়াৰ বাবে বিকাশ প্ৰক্ৰিয়াৰ পুনৰ বিশ্লেষণ তথা পুনৰগঠন হোৱাটো নিতান্তই জৰুৰী। এই ক্ষেত্ৰত মুদ্ৰা আৰু বিত্তীয় নীতিৰ সৈতে সংলগ্ন বৃহৎ আৰু সূক্ষ্ম অৰ্থনৈতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। দেশৰ বৃহৎ অৰ্থনীতি তথা মুদ্ৰানীতিত বিকাশৰ লক্ষ্য অন্তৰ্ভুক্ত কৰা উচিত। সেইদৰে যথোপযুক্ত বিনিয়োগ আৰু অন্যান্য আন্তঃগাঁথনিমূলক পদক্ষেপ গ্ৰহণেৰে অনুন্নত অঞ্চলসমূহৰ বিকাশৰ বিষয়টোক এনেবোৰ নীতিত বিশেষ গুৰুত্ব প্ৰদানৰ দিহা কৰিব লাগিব। বজাৰ-ভিত্তিক উন্নয়ন প্ৰক্ৰিয়াই এনেবোৰ অসমতুলতা আঁতৰ কৰিব পাৰিব বুলি আশা কৰাটো ভুল হ'ব। বৰং ইয়াৰ বাবে বৃহৎ পৰিসৰৰ উপযুক্ত বৃহৎ অৰ্থনৈতিক নীতি তথা কৌশল গ্ৰহণেৰে চৰকাৰৰ সক্ৰিয় হস্তক্ষেপ অতিকৈ জৰুৰী। শ্ৰমিক তথা কৰ্মচাৰীৰ নিম্ন আয় তথা নিম্ন উৎপাদনশীলতাৰ নেপথ্যত দেশৰ নিম্ন মানৰ শিক্ষা তথা দক্ষতা বিকাশ ব্যৱস্থাই এটা গুৰুত্বপূৰ্ণ কাৰক হিচাপে ক্ৰিয়া কৰি আহিছে। সেয়ে শিক্ষা, দক্ষতা বিকাশ আৰু স্বাস্থ্য সেৱাৰ দৰে খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰি চৰকাৰে মানৱ সম্পদৰ উন্নয়নত বিনিয়োগ বৃদ্ধি কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব। আন্তঃগাঁথনি তথা অন্যান্য সেৱাখণ্ডৰ বিকাশৰ ক্ষেত্ৰত আপেক্ষিক ভাৱে আগবঢ়া ৰাজ্য সমূহৰ বিপৰীতে অনুন্নত অঞ্চলসমূহ উল্লেখনীয় ভাৱে পিছ পৰি আছে। মুঠতে বঞ্চিত শ্ৰেণী আৰু পিছ পৰি ৰোৱা অঞ্চলসমূহক উপকৃত কৰি, নিয়োগৰ সম্ভাৱনা বৃদ্ধি কৰিব পৰাকৈ প্ৰগতিৰ গতিধাৰা পুনৰীক্ষণত গুৰুত্ব দিয়াৰ প্ৰয়োজন হ'ব। এয়া কেৱল নিয়োগ সম্ভাৱনা বৃদ্ধি কিম্বা উপেক্ষা ৰোধৰ বাবেই প্ৰয়োজনীয় নহয়, বৰং ধাৰাবাহিক বিকাশ অক্ষুণ্ণ ৰখাৰ বাবেও গুৰুত্বপূৰ্ণ।

**বিশেষ নিয়োগ কাৰ্যক্ৰমৰ ভূমিকা ঃ**

দেশৰ বিকাশৰ ধাৰাই স্পৰ্শ কৰিব নোৱাৰা বঞ্চিত-পীড়িত লোকসকলক উপকৃত কৰাৰ লক্ষ্যৰে ভাৰতে যোৱা শতিকাৰ ৭০ৰ দশকৰ মাজ ভাগৰ পৰাই এলানি বিশেষ নিয়োগ সৃষ্টি তথা দাৰিদ্ৰ্য দূৰীকৰণ কাৰ্যক্ৰম ৰূপায়ণ কৰি আহিছে। লক্ষ্য-নিৰ্দ্ধাৰিত এই কাৰ্যক্ৰমক দুটা ভাগত বিভক্ত কৰিব পাৰি ঃ **স্ব-নিয়োজন কৰ্মসূচী আৰু মজুৰী ভিত্তিক নিয়োগ কাৰ্যক্ৰম।**

**(ক) স্ব-নিয়োজন কাৰ্যক্ৰম ঃ**

১৯৯৯ চনত দেশত ৰূপায়িত সকলো ধৰণৰ গ্ৰামীণ স্ব-নিয়োজন কাৰ্যক্ৰমক সংহত ৰূপত 'স্বৰ্ণ জয়ন্তী স্ব-ৰোজগাৰ যোজনা'ৰ অন্তৰ্ভুক্ত কৰা হয়। এই যোজনাৰ জৰিয়তে বেংক প্ৰদত্ত ঋণ আৰু চৰকাৰে আগবঢ়োৱা ৰাজসাহায্যৰে ক্ষুদ্ৰ প্ৰতিষ্ঠান গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰা হৈছিল। জনসাধাৰণক উদ্বুদ্ধ কৰি তেওঁলোকৰ সক্ৰিয় অংশ গ্ৰহণেৰে

এলানি আত্ম সহায়ক গোট গঠন কৰি গোটসমূহৰ সামৰ্থ্য বৰ্দ্ধন কৰাৰ প্ৰয়াস কৰা হৈছিল। আঁচনিখনৰ জৰিয়তে জোঁট বন্ধনেৰে কৰ্মসূচী ৰূপায়ণৰ পৰিকল্পনা কৰা, আন্তঃগাঁথনি নিৰ্মাণ তথা প্ৰযুক্তিৰ ব্যৱহাৰ সম্ভৱ কৰা, প্ৰশিক্ষণ আৰু বিপণনত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ উন্নয়নত অৰিহণা যোগোৱাৰ প্ৰয়াস কৰা হৈছিল।

'স্বৰ্ণ জয়ন্তী স্ব-ৰোজগাৰ যোজনা' ৰূপায়ণৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাৰে ক'ব পাৰি যে তেনেই সীমিত বা নিম্ন পৰ্যায়ৰ শিক্ষা, সামান্য সম্পদ থকা, বতৰ-ভিত্তিক নিম্ন মজুৰি সম্পন্ন নিযুক্তি পোৱা দৰিদ্ৰ পৰিয়ালসমূহ স্ব-নিয়োজনেৰে সচ্ছলতাৰ দিশত আগবাঢ়িব নোৱাৰাৰ মূলতে কেৱল টকা-পইচাৰ নাটনিয়েই নহয়, বৰং দক্ষতা আৰু সামৰ্থ্য হীনতাৰ লগতে প্ৰতিষ্ঠানিক সহযোগিতাৰ ধাৰাবাহিকতাহীনতাও দায়ী।

'স্বৰ্ণ জয়ন্তী স্ব-ৰোজগাৰ যোজনা'ৰ সীমাবদ্ধতা সমূহ হৃদয়ংগম কৰিয়েই পৰৱৰ্তী সময়ত আঁচনিখনৰ পুনৰগঠন কৰি 'ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা মিছন' হিচাপে ৰূপায়ণৰ দিহা কৰা হৈছিল। ২০১১ (গ্ৰামোন্নয়ন মন্ত্ৰালয়,২০১২) চনত আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰা আঁচনিখনক পুনৰ নামকৰণৰ জৰিয়তে শেহতীয়া ভাৱে 'আজীৱিকা' কৰা হৈছে। 'আজীৱিকা'ৰ জৰিয়তে দুখীয়া ৰাইজৰ সহযোগত গঠিত আত্মসহায়ক গোটসমূহৰ দ্বাৰা এটা শক্তিশালী প্ৰতিষ্ঠানিক পৰিকাঠামো গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰা হৈছে। গাঁও, খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্যায়ত এলানি মঞ্চ গঠনৰ ব্যৱস্থা কৰা হৈছে। অন্তৰ্ভুক্তিৰ নিশ্চয়তাৰে সমাজৰ বঞ্চিত লোকসকলৰ অধিকতম অংশগ্ৰহণ সম্ভৱ কৰাৰ বাবে 'আজীৱিকা'ৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে। সেইদৰে প্ৰশিক্ষণ আৰু দক্ষতা বৰ্দ্ধনকো অগ্ৰাধিকাৰ দিয়াহৈছে।

ইফালে গাওঁ আৰু চহৰ উভয়তে স্ব-নিয়োজনৰ সম্ভাৱনা সৃষ্টিৰ লক্ষ্যৰে চৰকাৰে ২০০৮ চনত 'প্ৰধান মন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যক্ৰম' শীৰ্ষক আঁচনি খনৰ শুভাৰম্ভ কৰিছিল। ঋণ সংযুক্ত আঁচনি খনৰ জৰিয়তে উদ্যোগ মানসিকতা বিকাশত গুৰুত্ব প্ৰদান কৰা হৈছিল। পিছে বিগত সময়ছোৱাৰ অভিজ্ঞতা পৰ্যালোচনা কৰি দেখা গৈছে যে আঁচনিখনৰ বাবে নিৰ্দ্ধাৰিত ঋণৰ চাহিদা আৰু যোগানৰ মাজত বৃহৎ ব্যৱধান অব্যাহত আছে। সামগ্ৰিক ভাৱে জীৱন-জীৱিকা তথা নিয়োগৰ ক্ষেত্ৰত স্ব-নিয়োজন কাৰ্যক্ৰমৰ প্ৰভাৱ তেনেই সীমিত। ইফালে অৰ্থনৈতিক সহযোগিতাৰ প্ৰয়োজন হোৱাসকলৰ হিচাপত স্ব-নিয়োজনক হোৱা বিনিয়োগ পৰিমাণো তেনেই সীমিত। তদুপৰি প্ৰধানমন্ত্ৰীৰ নিয়োগ সৃষ্টি কাৰ্যক্ৰমৰ বাহিৰে অন্যান্য স্ব-নিয়োজন কাৰ্যক্ৰমৰ জৰিয়তে প্ৰতি গৰাকী হিতাধিকাৰীয়ে লাভ কৰিব পৰা ধনৰ পৰিমাণো তেনেই সামান্য। ইফালে আঁচনিখন ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত হোৱা বেংক তথা প্ৰশাসনীয় মেৰপেচকো প্ৰায়ে আঁচনিখনৰ বিফলতাৰ বাবে দোষাৰোপ কৰা হয়। এনেবোৰ খুটি-নাটি অতিক্ৰম কৰাত সফলতা প্ৰদৰ্শন কৰা ঠাই বিশেষত অৱশ্যে আঁচনিখনে বিশেষ সাফল্য লাভ কৰিবলৈও সক্ষম হৈছে। ইয়াৰ উদাহৰণ হিচাপে কেৰালাৰ কুডুম্বশ্ৰী কাৰ্যক্ৰম আৰু অন্ধ্ৰ প্ৰদেশৰ আত্মসহায়ক গোট কাৰ্যক্ৰমৰ কথা উল্লেখ কৰিব পাৰি।

## (খ) মজুৰি ভিত্তিক নিয়োজন কাৰ্যক্ৰমঃ

২০০৫ চনত মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আইন (এম জি এনৰেগা) বলবৎকৰণৰ পাছৰে পৰা গ্ৰামাঞ্চলত মজুৰি ভিত্তিক নিয়োজনৰ সমগ্ৰ প্ৰেক্ষাপটটোৱেই ইতিবাচক ৰূপত সলনি হোৱা দেখা যায়। আইনখনৰ সুবাদত দেশৰ প্ৰতিটো প্ৰান্তৰ গাঁৱৰ দুখীয়া জনতাই অন্ততঃ ১০০ দিনৰ মজুৰি ভিত্তিক কৰ্ম-সংস্থান লাভ কৰাটো নিশ্চিত হ'ল। আইনখনৰ অধীনত ৰূপায়িত কাৰ্যক্ৰমৰ জৰিয়তে অঞ্চলসমূহৰ সাধাৰণ ৰাইজৰ জীৱন-জীৱিকাক ইতিবাচক ভাৱে সামৰ্থ্য প্ৰদান কৰিব পৰাকৈ কেতবোৰ দীৰ্ঘম্যাদী সম্পদ সৃষ্টিৰ প্ৰয়াস কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছিল। ইফালে এই কাৰ্যক্ৰমৰ ৰূপায়ণৰ দায়িত্ব পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ হাতত অৰ্পণ কৰাটো আছিল এই আইনখনৰ অন্যতম উল্লেখনীয় দিশ। ইয়াৰ জৰিয়তে পঞ্চায়তসমূহৰ লগতে স্থানীয় ৰাইজৰ সবলীকৰণ নিশ্চিত কৰা হৈছে। আনহাতে আইনখনৰ সুবাদত গাঁৱৰ ৰাইজে, আনকি সমাজৰ দুৰ্বল শ্ৰেণীটোৰ লগতে মহিলাসকলেও একত্ৰিত ৰূপত নিযুক্তিৰ অধিকাৰ সাব্যস্ত কৰি বস্তুতঃ সামাজিক আৰু অৰ্থনৈতিক সবলীকৰণৰ দিশে অগ্ৰসৰ হোৱাৰ অৱকাশ লাভ কৰিছে। আঁচনিখনৰ ৰূপায়ণে গাঁৱৰ পৰিয়ালসমূহ মজুৰি ভিত্তিক আয়ৰ হাৰ লক্ষণীয় ভাৱে বৃদ্ধি কৰাৰ লগতে হতাশাত ভুগি কৰা প্ৰব্ৰজনৰ হাৰো বহু পৰিমাণে হ্ৰাস কৰিছে বুলি আঁচনিখনৰ সন্দৰ্ভত হোৱা বিভিন্ন মূল্যায়ণে নিশ্চিত কৰিছে। স্ব-নিৰ্বাচন কাৰ্যক্ৰম হিচাপে এম জি এনৰেগাই ভূমিহীন শ্ৰমিক, ক্ষুদ্ৰ আৰু উপান্ত কৃষক তথা অনুসূচিত জাতি-অনুসূচিত জনজাতিকে ধৰি বিস্তৃত পৰিসৰৰ শ্ৰমিক গোষ্ঠীৰ সন্ধান কৰিবলৈ সক্ষম হৈছে। সমাজৰ আটাইতকৈ দাৰিদ্ৰ্য পীড়িত, বঞ্চিত গোষ্ঠীসমূহে আঁচনি খনৰ জৰিয়তে অৰিহণা আগবঢ়াবলৈ সুযোগ লাভ কৰাৰ ফলত নিয়োগৰ নিশ্চয়তা লাভ কৰাৰ লগতে জীৱন ধাৰণৰ মান উন্নয়নৰো সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে (শৰ্মা, ২০১৩)।

দেশৰ এটা প্ৰান্তৰ সৈতে আন এটা প্ৰান্তৰ সামঞ্জস্য নাথাকিলেও সামগ্ৰিক ভাৱে এম জি এনৰেগাৰ অধীনত কামৰ যে উচ্চ চাহিদা আছে সেয়া ধ্ৰুৱপ। শ্ৰমিকসকলৰ মাজতো নিৰ্দ্ধাৰিত ১০০ দিনৰ অধিক কামৰ দাবী সদায়ে উত্থাপন হৈ আহিছে। ইয়াৰ বিপৰীতে স্থানীয় প্ৰশাসনৰ প্ৰতিষ্ঠান সমূহে আকৌ কাৰিকৰী কিম্বা পৰিচালনা দক্ষতা বিহীনতাৰ দৰে কাৰক সমূহৰ বাবেই পৰ্যাপ্ত ভাৱে কাম দিবলৈ অপাৰগ হৈ অহাহে পৰিলক্ষিত হৈছে। যি কি নহওক শ্ৰমিক সকলে আঁচনিখনৰ অধীনত বিৰতিবিহীন ভাৱে নিয়মীয়া কামৰ নিশ্চয়তা বিচৰাৰ লগতেকাম সন্দৰ্ভত পূৰ্বানুমানৰ সুযোগ পোৱাটো কামনা কৰে। কৃষিৰ বাবে অবতৰীয়া সময়ছোৱাত এম জি এনৰেগাৰ কাৰ্যক্ৰম ৰূপায়ণৰ ব্যৱস্থা কৰা অন্ধ্ৰ প্ৰদেশত দেশৰ আন ৰাজ্যসমূহৰ তুলনাত আঁচনিখনে বিশেষ সাফল্য লাভ কৰা দেখিবলৈ পোৱা গৈছে। কিয়নো খেতিৰ সময়ত খেতি কৰা গাঁৱৰ কৃষক -শ্ৰমিক সকলে বছৰটোৰ বাকী সময়ছোৱাত এম জি এনৰেগাৰ কামত নিয়োজিতহৈ আয় কৰিবলৈ সুযোগ পোৱাৰ ফলত দুগুণে উপকৃত হ'ব পাৰিছে। অৱশ্যে বিহাৰ আৰু ৰাজস্থানৰ দৰে ৰাজ্যত খেতিৰ বতৰতে এম জি এনৰেগাৰো কাম-কাজ অব্যাহত ৰখাত কৃষক শ্ৰমিকে আঁচনিখনে আগবঢ়োৱা সুযোগ আশানুৰূপ ভাৱে গ্ৰহণ কৰিবতো পৰা নায়েই বৰং বছৰৰ আন সময়ত কামৰ সন্ধানত চহৰাঞ্চললৈ প্ৰব্ৰজন কৰিবলগীয়া পৰিস্থিতি এতিয়াও বৰ্তি আছে (শৰ্মা, ২০১৩)। ইফালে পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান সমূহত পৰ্যাপ্ত সংখ্যক কাৰিকৰী কিম্বা পৰিচালনাৰ ক্ষেত্ৰত দক্ষ কৰ্মকৰ্তা নথকাৰ পৰিণতিতো দেশৰ বহুকেইখন ৰাজ্যত, বিশেষকৈ উত্তৰ ভাৰতত আঁচনিখনে বিশেষ সফলতা লাভ কৰিব পৰা নাই। ইফালে সম্পদ নিৰ্মাণৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ নকৰাৰ লগতে আঁচনিখনৰ অধীনত ৰূপায়িত প্ৰকল্প সমূহৰ বাবদ ধাৰ্য কৰা পুঁজিও পৰ্যাপ্ত নহয় বুলি প্ৰায়েই অভিযোগ উত্থাপন হৈ আহিছে। যি কি নহওক বহু সীমাবদ্ধতা তথা এনেবোৰ অভিযোগৰ পাছতো আঁচনিখনে পূৰ্বৰ সমগোত্ৰীয় আঁচনি সমূহৰ তুলনাত অধিক সাফল্য দাবী কৰিব পাৰে বুলি একেমুখে স্বীকাৰ কৰিব লাগিব। পিছে দেশৰ বিকাশ কাৰ্যক্ৰমৰ সৈতে সংহত ৰূপত এম জি এনৰেগাৰ সমন্বয় সাধন কিম্বা শ্ৰমিকৰ দক্ষতা বৃদ্ধি তথা প্ৰশিক্ষণৰ বিস্তৃত পদক্ষেপ অবিহনে এম জি এনৰেগা দীৰ্ঘ দিনৰ বাবে অব্যাহত ৰাখিব পৰা নাযাব বুলিহে বহুতে মত প্ৰকাশ কৰা দেখিবলৈ পোৱা গৈছে। ইফালে চহৰাঞ্চলৰ দৰিদ্ৰ আৰু নিবনুৱা সকলক সকাহ দিয়াৰ লক্ষ্যৰে স্ব-নিয়োজন আৰু মজুৰিভিত্তিক কৰ্মসংস্থাপনৰ কেতবোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই উদ্দেশ্যে গ্ৰহণ কৰা 'স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনা' খনৰো দুটা ভাগ আছে। সেয়া হৈছে 'চহৰীয়া স্ব-নিয়োজন কাৰ্যক্ৰম' ( ইউ এছ ই পি), আৰু 'চহৰীয়া মজুৰি ভিত্তিক নিয়োজন কাৰ্যক্ৰম (ইউ ডব্লিউ ই পি)। ই উ এছ ই পিৰ অধীনত চহৰাঞ্চলৰ দৰিদ্ৰ লোক সকলক ক্ষুদ্ৰ উদ্যোগ কিম্বা অন্যান্য ব্যৱসায়িক প্ৰতিষ্ঠান স্থাপন কৰিব পৰাকৈ সহযোগিতা আগবঢ়োৱা হয়। সেইদৰে 'ইউ ডব্লিউ ই পি'ৰ জৰিয়তে দাৰিদ্ৰ্য সীমা ৰেখাৰ তলত বসবাস কৰা লোক সকলক মজুৰি ভিত্তিক কৰ্ম সংস্থাপনৰ সুযোগ প্ৰদান কৰা হয়। অৱশ্যে আঁচনিখনে বিগত সময়ছোৱাত বিশেষ সফলতা লাভ কৰা নাই বুলিয়েই অনুভূত হৈ আহিছে।

**বিশেষ নিয়োজন কাৰ্যক্ৰমৰ সামগ্ৰিক সমীক্ষা ঃ**

প্ৰত্যক্ষ নিয়োজন কাৰ্যক্ৰম সন্দৰ্ভত কৰা সামগ্ৰিক সমীক্ষাত এম জি এনৰেগাৰ তুলনাত দেশত ৰূপায়িত অন্যান্য সমগোত্ৰীয় কাৰ্যসমূহৰ প্ৰভাৱ তেনেই সীমিত বুলিয়েই ঠাৱৰ কৰা হৈছে।

দৰাচলতে এনেবোৰ কাৰ্যক্ৰমৰ পৰিসৰ, কাৰ্য পদ্ধতিৰ প্ৰকৃতি তেনেই সীমিত হোৱাৰ বিপৰীতে এম জি এনৰেগাৰ প্ৰকৃতি ব্যাপক আৰু সাৰ্বজনীন। ইয়াৰ পৰিসৰ ব্যাপক হোৱাৰ সুবাদতে ইয়াৰ প্ৰভাৱো বিস্তৃত হোৱা দেখিবলৈ পোৱা গৈছে। আনহাতে প্ৰত্যক্ষ নিয়োজন কাৰ্যসূচী সমূহৰ প্ৰভাৱ সীমিত হোৱাৰ মূলতে হৈছে এই আঁচনি সমূহ ৰূপায়ণেৰে জড়িত নিকায় সমূহৰ দুৰ্বল আন্তঃগাঁথনি, সমন্বয়হীনতা, ৰূপায়ণ বিধিত থকা সুৰুঙাৰ সুযোগ লৈ হোৱা দুৰ্নীতিৰ পয়োভৰ , হিতাধিকাৰী সকলৰ সজাগতাহীনতা আদি।

দেশৰ বিকাশ প্ৰক্ৰিয়াত বিকাশ কাৰ্যক্ৰম আৰু প্ৰত্যক্ষ নিয়োজন কাৰ্যক্ৰমৰ মাজত সমতুলতা স্থাপন কৰাটো অতিকৈ জৰুৰী কথা। দৰাচলতে দেশৰ উন্নয়নৰ হাত ধৰি যদি দাৰিদ্ৰ্যৰ হাৰ অৱনমিত হয়, তেন্তে প্ৰত্যক্ষ নিয়োজন কাৰ্যক্ৰমৰ পৰিসৰো ক্ৰমে সীমাবদ্ধ হৈ অহা উচিত। পিছে আমাৰ দেশৰ সাম্প্ৰতিক প্ৰেক্ষাপটত তেনে কৰাটো সম্ভৱ নহয়। কিয়নো দেশে অৰ্থনৈতিক প্ৰগতি লাভ কৰাৰ পাছতো কিন্তু দাৰিদ্ৰ্যৰ ভয়াৱহতা বাহাল তবিয়তে অব্যাহত আছে। এনে প্ৰেক্ষাপটতে প্ৰত্যক্ষ নিয়োজন কাৰ্যক্ৰমৰ প্ৰাসংগিকতাও আমাৰ দেশত বৰ্তি আছে। অন্ততঃ আগন্তুক পাঁচোটা বছৰলৈ ইয়াক অব্যাহত ৰাখিব লাগিব।

অৱশ্যে এনে কাৰ্যক্ৰমৰ ফলাফল কেৱল অৰ্থনৈতিক প্ৰভাৱৰ প্ৰসংগৰে বিশ্লেষণ কৰিলেই নহ'ব। কিয়নো এনে কাৰ্যক্ৰমৰ সামাজিক প্ৰভাৱৰ মহত্বও আছে। এনেবোৰ কাৰ্যক্ৰমৰ জৰিয়তে ব্যয়

কৰা পুঁজিয়ে গ্ৰামাঞ্চলৰ লোকসকলক অৰ্থনৈতিক সকাহ প্ৰদান কৰে। যিহেতু এনে কাৰ্যক্ৰমৰ ৰূপায়ণ পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান সমূহৰ জৰিয়তে কৰা হয়, সেয়ে এনে কাৰ্যক্ৰমে পঞ্চায়তসমূহৰ সবলীকৰণত বিশেষ অৰিহণা আগবঢ়ায়। আটাইতকৈ ডাঙৰ কথাটো হ'ল এম জি এনৰেগাৰ দৰে কাৰ্যক্ৰমে গাঁৱৰ দুখীয়া ৰাইজক তেওঁলোকৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে ঐক্যবদ্ধ কৰাৰ ক্ষেত্ৰত ভূমিকা পালন কৰে।

**সামৰণি ঃ**

নিয়োগ বৃদ্ধি কৰিব পৰা দৰিদ্ৰ হিতৈষী বিকাশ কৌশলৰ লগত পুনৰীক্ষিত নিয়োজন কাৰ্যক্ৰমে সৰ্বাত্মক সামাজিক অন্তৰ্ভুক্তিৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াব পাৰে। পিছে, তাৰ পাছতো বৰ্তমানৰ চোক কমিলেও কিন্তু ৰাজনৈতিক অৰ্থনীতিৰ প্ৰকৃতি আৰু বজাৰ, বঞ্চনা আৰু বৰ্জনৰ দৰে সমস্যা অব্যাহত থকাটো অৱশ্যম্ভাৱী। সেয়ে এনে সমস্যাৰ অন্ত পেলোৱাৰ উদ্দেশ্যে চৰকাৰে উচিত পদক্ষেপ গ্ৰহণৰ উদ্যোগ ল'বই লাগিব। তাকে কৰিবলৈ হ'লে নিবনুৱা সমস্যা, অসুস্থতা, বৃদ্ধাৱস্থাৰ দৰে পৰিস্থিতিত সকাহ দিব পৰাকৈ ন্যূনতম সামজিক সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰিব লাগিব। পিছে দুৰ্ভাগ্যৰ কথা যে আজিৰ তাৰিখতো আমাৰ দেশৰ মাত্ৰ ১০ শতাংশ মান শ্ৰমিকেহে সামাজিক সুৰক্ষাৰ নিশ্চয়তা লাভ কৰিছে। ইয়াৰে সৰহ খিনিয়েই আকৌ আনুষ্ঠানিক খণ্ডত নিয়োজিত শ্ৰমিক-কৰ্মচাৰী। দেশত 'আধাৰ'ৰ সৈতে সংযুক্ত কৰি সম্পাদিত আৰ্থ-সামাজিক জাতি পিয়লে সামাজিক সুৰক্ষা পদ্ধতিক প্ৰভাৱশালীৰূপত শক্তিবন্ত কৰি তুলিব বুলি আশা কৰা হৈছে। দৰিদ্ৰসকলক উপকৃত কৰিব পৰাকৈ ন্যূনতম সামাজিক সুৰক্ষা সহযোগিতা আগবঢ়োৱাৰ সামৰ্থ্য আমাৰ দেশৰ নিশ্চয় আছে। সামাজিক সুৰক্ষাৰ নিশ্চয়তা কেৱল নাগৰিকসকলক ন্যায় দান কিম্বা সৰ্বাত্মক অন্তৰ্ভুক্তি সাধনৰ বাবেই নহয়, বৰং দেশৰ নিৰৱিচ্ছিন্ন বিকাশৰ গতি অব্যাহত ৰাখিবলৈকো প্ৰয়োজন হ'ব। ◇

## 'পয়োভৰা'ৰ গ্ৰাহক হোৱা নিয়মাৱলী

* গ্ৰাহক বছৰৰ যিকোনো সময়তে হ'ব পাৰি। * গ্ৰাহক মূল্য এবছৰৰ ১০০.০০ টকা, দুবছৰৰ ১৮০.০০ টকা আৰু তিনি বছৰৰ বাবে ২৫০.০০ টকা। * গ্ৰন্থাগাৰ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ১০ শতাংশ ৰেহাই দিয়া হয় (তাৰ বাবে উপযুক্ত প্ৰমাণ-পত্ৰৰ প্ৰয়োজন)। * গ্ৰাহক মূল্য ব্যক্তিগতভাৱে 'পয়োভৰা'ৰ গুৱাহাটী কাৰ্য্যালয়লৈ আহি, প্ৰতিনিধি পঠাই বা মণি-অৰ্ডাৰযোগে জমা দিব পাৰি। * মণি-অৰ্ডাৰ পঠোৱা ঠিকনা ঃ সম্পাদক, পয়োভৰা, প্ৰকাশন বিভাগ, তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়, কে.কে.বি পথ, নিউ কলনি, গৃহ নং-৭, চেনিকুঠী, গুৱাহাটী-৭৮১০০৩। * আলোচনীখন সাধাৰণ ডাকত পঠোৱা হয়।

# উত্তৰ-পূবৰ প্ৰসঙ্গৰে ৰাষ্ট্ৰীয় প্ৰগতিৰ পটভূমিত গ্ৰাম্য জনজীৱন

*** জয়ন্ত কুমাৰ শৰ্মা**

আন্তৰ্জাতিক মুদ্ৰানিধি ( আই এম এফ)ৰ এখন প্ৰতিবেদন মতে বিশ্বৰ অৰ্থনীতিৰ অৱস্থাৰ প্ৰতিচ্ছবি অনুসৰি অতি সম্প্ৰতি ভাৰতৰ আৰ্থনীতিৰ বিকাশ স্বাভাৱিক ধৰণে আগবাঢ়িছে। ২০১৪-১৫ বৰ্ষত ৰাষ্ট্ৰৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ৭.৩ শতাংশৰ বিপৰীতে ২০১৫-১৬ বৰ্ষত উৎপাদন ৮-৮.৫ শতাংশলৈ বৃদ্ধিৰ কথা অৰ্থনৈতিক সমীক্ষকে পূৰ্বানুমানত প্ৰকাশ কৰিছে। সম্প্ৰতি ভাৰত হ'ল বিশ্বৰ সপ্তম বৃহৎ অৰ্থনীতিৰ ৰাষ্ট্ৰ, তথা ২০১৭ ৰ মাৰ্চৰ ভিতৰত ভাৰত বিশ্বৰ এখন লেখত ল'ব লগা ৰাষ্ট্ৰলৈ পৰিবৰ্তন হ'ব বুলিও আই এম এফৰ টোকাত প্ৰকাশ পাইছে । উল্লেখযোগ্য যে, ২০১৫ চনত বিশ্বৰ ভিতৰত তৃতীয় সৰ্বাধিক অৰ্বুদপতিয়ে বাস কৰা ৰাষ্ট্ৰ ভাৰতৰ ২০১৩ ৰ তুলনাত ২০১৪ ত জনমূৰি আয় ১,৪৮৭ মাৰ্কিন ডলাৰৰ পৰা ১,৬৩১ মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে। অৱশ্যে বিশ্বৰ জনমূৰি আয়ৰ হিচাপৰ পৰা ভাৰত বিশ্বৰ ১৬৯ সংখ্যক স্থানত আছে । ২০১৪ চনৰ মতে ৰাষ্ট্ৰত দৰিদ্ৰতাৰ হাৰ ২১.৯ শতাংশৰ লগতে শিক্ষিতৰ হাৰ ৭৪.০৪ শতাংশ, অন্যতম বিকাশৰ উল্লেখযোগ্য দিশ। মানৱ সম্পদ বিকাশৰ লগত জড়িত কেইটামান উল্লেখযোগ্য দিশ হ'ল —

* জনসংখ্যা (২০১৪ চনত) ১২৩.৬ কোটি।

* বয়সৰ গাঁথনি ০-১৪ বছৰৰ ১৮.৫ শতাংশ। ১৫-২৪ বছৰৰ ১৮.১ শতাংশ। ২৫-৫৪ বছৰৰ ৪০.৬ শতাংশ। ৫৫-৬৪ বছৰৰ ৭ শতাংশ। ৬৫ বছৰৰ ওপৰৰ ৫.৮ শতাংশ।

* বৃদ্ধিৰ হাৰ ১.২৫ শতাংশ, * জন্মৰ হাৰ হাজাৰত ১৯.৮৯, * মৃত্যুৰ হাৰ হাজাৰত ৭.৩৫, * গড় আয়ুস ৬৭.৮ বছৰ, এইছ আই ভি। এইডছ ৰোগী ১৩৫.৫০০(২০১২)

* নগৰীকৰণ ঃ ৩১.৩ শতাংশ (২০১১) নগৰীকৰণ বৃদ্ধি বাৰ্ষিক ২.৪৭ শতাংশ (২০১০-২০১৫)

* খোৱা পানীৰ সুবিধা ঃ নগৰত ৯৬.৭ শতাংশ, গ্ৰাম্য ৯০.৭ শতাংশ, সৰ্বমুঠ ৯২.৬ শতাংশ (২০১২),

* অনাময় ব্যৱস্থাৰ উন্নতি সাধন ঃ নগৰ অঞ্চলৰ ৫০.২ শতাংশ, গ্ৰাম্য ২৪.৭ শতাংশ, সামগ্ৰিক ৩৬ শতাংশ (২০১২)

*** স্বাস্থ্য খণ্ডৰ বিকাশ ঃ** ভাৰতৰ নৱজাতকৰ অৱস্থা, ২০১৪ শীৰ্ষক এখন প্ৰতিবেদন মতে প্ৰসূতি জনিত মৃত্যুৰ হাৰ প্ৰতি লাখত ২০০৪-০৬ বৰ্ষৰ ২৫৪ ৰ পৰা ১৭৮ লৈ হ্ৰাস পালে। ৫ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ হাৰ হাজাৰত ২০০৫-০৬ বৰ্ষৰ ৭৪ ৰ পৰা ২০১২ লৈ ৫২ লৈ হ্ৰাস পালে।

* খাদ্য শস্যৰ উৎপাদন ২০১৩-১৪ বৰ্ষৰ অভিলেখ পৰিমাণত ২৬৫.৫৭ নিযুত মেট্ৰিক টনৰ পৰা ২০১৪-১৫ চনত ২৫৭.০৭ নিযুত টনলৈ হ্ৰাস পালে। তথাপিও ৰাষ্ট্ৰত ১৯৯০-৯২ ৰ ক্ষুধাতুৰৰ সংখ্যা ২১.০১ কোটিৰ পৰা ২০১৪-১৫ বৰ্ষত ১৯.৪৬ কোটিলৈ হ্ৰাস পোৱাটো উৎসাহজনক দিশ। অৱশ্যে ২০০৪-০৫ বৰ্ষৰ মুদ্ৰা মূল্যত কৃষি তথা আনুসঙ্গিক ক্ষেত্ৰৰ ৰাষ্ট্ৰৰ মুঠ উৎপাদনত অৰিহণা ২০১০-১১ বৰ্ষৰ ১৪.৬ শতাংশৰ পৰা ২০১৩ -১৪ বৰ্ষত ১৩.৯ শতাংশলৈ হ্ৰাস পায়।

২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি ৰাষ্ট্ৰৰ মুঠ জনসংখ্যাৰ ৬৮.৯ শতাংশ বা ৮৩.৩ কোটি লোক গ্ৰামাঞ্চলত বাস কৰে। কেন্দ্ৰীয় চৰকাৰে ২০১৫ ৰ ৩ জুলাইত প্ৰকাশ কৰা স্বাধীন ভাৰতৰ প্ৰথম 'সামাজিক , অৰ্থনৈতিক আৰু জাতি ভিত্তিত' প্ৰকাশ কৰা লোকপিয়লৰ তথ্যত প্ৰতিফলিত গ্ৰাম্য অঞ্চলৰ কেইটিমান গুৰুত্বপূৰ্ণ দিশৰ বিষয়ে উল্লেখ কৰা হ'ল-

* ৰাষ্ট্ৰত থকা মুঠ পৰিয়ালৰ সংখ্যা ২৪.৩৯ কোটি। ইয়াৰ ১৭.৯১ কোটিয়েই গ্ৰাম্য অঞ্চলত বাস কৰে। সৰ্বমুঠ ৬৪০ খন জিলাক সামৰি চলোৱা এই সমীক্ষা মতে ৫৬ শতাংশ গ্ৰাম্য বসতিৰ নিজা ভূমি বা বাসগৃহ নাই। কেৱল মাত্ৰ ৪৪ শতাংশ বা ৭,৮৩,৭৮,১৭৩ টা পৰিয়ালৰ বাসগৃহ আছে। উত্তৰ-পূব ভাৰতৰ ৰাজ্য কেইখনৰ গ্ৰাম্য অঞ্চলৰ বাসগৃহ থকা পৰিয়ালৰ শতকৰা হাৰ হ'ল ছিক্কিম ৬০, অৰুণাচল প্ৰদেশ ৫৭, নাগালেণ্ডৰ ৪৩, মণিপুৰ ৭০, মিজোৰাম ৮০, ত্ৰিপুৰা ৬৮, মেঘালয় ৭৬, অসম ৫৭ শতাংশ (৩২,৫৫,০৮৪ টা পৰিয়াল) তথা সমগ্ৰ উত্তৰ- পূব ভাৰতৰ ৫৯ শতাংশ বা ৪৭,৩৭,৪৫৭ টা গ্ৰাম্য পৰিয়ালৰ বাসগৃহৰ অভাৱ।

* কৃষি হ'ল গ্ৰাম্য অৰ্থনীতিৰ মুখ্য চালিকা শক্তি। 'সামাজিক অৰ্থনৈতিক আৰু জাতি ভিত্তিত' (Socio-Economic and Caste Census or SECC) চলোৱা সমীক্ষা অনুসৰি ১৭.৯১ কোটি গ্ৰাম্য পৰিয়ালৰে ৫.৩৯

* জয়ন্ত কুমাৰ শৰ্মা তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক।

কোটি পৰিয়ালৰ প্ৰত্যক্ষ উপাৰ্জনৰ পথ কৃষি। পৰিয়াল অনুসৰি অন্য বিভিন্ন দিশ সমূহ তালিকাত তলত দিয়া হৈছে—

| খণ্ড সমূহ | শতাংশ | খণ্ডসমূহ | শতাংশ |
|---|---|---|---|
| কৃষি | ৩০.১০ | অনা কৃষি | ১.৬১ |
| অনিয়মীয়া বনুৱা | ৫১.১৪ | চৰকাৰী, ব্যক্তিগত চাকৰি | ১৪.০১ |
| আশিংক বা সম্পূৰ্ণ সেৱা | ২.৫০ | অন্যান্য | ০.৫৮ |

ৰাষ্ট্ৰত ধানৰ উৎপাদন ২০০০-২০০১ ৰ ১৯৬.৮১ নিযুত টনৰ পৰা ২০১১-১২ বৰ্ষলৈ ২৫৯.৯৯ নিযুত টনলৈ বৃদ্ধি পালে। এই সময়ছোৱাত জনমূৰি বছৰি খাদ্যৰ পৰিমাণ ১৫১.৯ কিল'গ্ৰামৰ পৰা ১৬৯ কিল'গ্ৰামলৈ বৃদ্ধি পালে। তথাপিও গ্ৰাম্য দৰিদ্ৰতাৰ হাৰ ২০১১-১২ বৰ্ষত ২৬ শতাংশ হোৱাটো উদ্বেগৰ দিশ। বিভিন্ন কাৰণত কৃষি ঋণ পৰিশোধ কৰিব নোৱাৰি আত্মহত্যা কৰা কৃষকৰ সংখ্যা ২০১২ বৰ্ষত ১০৪৯ জনৰ পৰা ২০১৪ বৰ্ষত ১১০৯ জনলৈ বৃদ্ধি পোৱাটো দুৰ্ভাগ্যজনক।

ৰাষ্ট্ৰত ২০১৫-১৬ বৰ্ষৰ বাজেটত সাৰ্বজনীন স্বাস্থ্য শিতানত ৩৩,১৫২ কোটি টকা ধাৰ্য্য কৰিছে। অথচ ভাৰতত স্বাস্থ্য খণ্ডৰ কাৰণে বাৰ্ষিক মাত্ৰ মুঠ ঘৰুৱা উৎপাদনৰ পৰা ১ শতাংশহে ব্যয় কৰে। জনস্বাস্থ্যৰ সেয়েহে এতিয়াও বিশেষ বিকাশ সাধন হ'ব পৰা নাই। ২০১১-১২ বৰ্ষৰ ৰাষ্ট্ৰীয় নমুনা জৰীপৰ সমীক্ষা মতে প্ৰতি প্ৰতিষ্ঠান ব্যয় গ্ৰাম্য অঞ্চলত ৩৬৫ শতাংশ বৃদ্ধিৰ লগতে চিকিৎসকক দিব লগা মাননি ৪৩৩ শতাংশ বৃদ্ধি পাইছে। অৱশ্যে মৃত্যুৰ হাৰ গ্ৰাম্য অঞ্চলত ১৯৭১-২০১০ চনৰ ভিতৰত হেজাৰত ১৬.৪ ৰ পৰা ৭.৭ লৈ হ্ৰাস পালে। স্বাস্থ্য সন্মত ব্যৱস্থাৰ উন্নতিৰ কাৰণে ১৯৭১-২০১০ ৰ ভিতৰত মৃত্যুৰ হাৰৰ ক্ষেত্ৰত গাওঁ আৰু নগৰৰ মাজৰ ব্যৱধানো ৬.৭ শতাংশৰ পৰা ১.৯ শতাংশলৈ হ্ৰাস পালে। আনহাতে এই সময়ছোৱাত কেঁচুৱাতে শিশুৰ মৃত্যুৰ হাৰ ১৩৮ ৰ পৰা ৫১ লৈ হ্ৰাস পালে।

বিশুদ্ধ খোৱা পানী আৰু অনাময়ৰ উন্নতি সাধন গ্ৰাম্য সামাজিক বিকাশৰ অন্যতম দিশ। ২০১৪ ৰ ২ অক্টোবৰত আৰম্ভ কৰা স্বচ্ছ ভাৰত অভিযানৰ মূল লক্ষ্য ২০১৯ ৰ ভিতৰত দেশৰ সকলো গাঁও আৰু নগৰৰ উন্নতি সাধন কৰা। ইয়াৰ উপৰিও ১৯৭২-৭৩ চনত গ্ৰহণ কৰা হয় 'দ্ৰুততম গ্ৰাম্য পানী যোগান আঁচনি'।(Accelerated Rural Water Supply programme) পাছলৈ ১৯৯১-৯২ চনত ইয়াক ৰাজীৱ গান্ধী পানী যোগান আঁচনি নামেৰে নামকৰণ কৰা হয়। ২০১০ চনত 'গ্ৰাম্য পানী যোগান আঁচনি ' নামেৰে অন্য এখন উন্নয়নমূলক আঁচনিও গ্ৰহণ কৰা হয়। তথাপিও শেহতীয়া এটা পৰিসংখ্যা মতে গ্ৰাম্য অঞ্চলৰ ৪.৪ কোটি লোক পানীজনিত ৰোগত আক্ৰান্ত হৈছে। মাত্ৰ ১৮.৭ শতাংশ গাঁৱতহে বিশুদ্ধ খোৱা পানী উপলব্ধ হয়। ৫১.১ শতাংশ লোকে গাঁৱৰ নাদ, পুখুৰী বা অন্যান্য উৎসৰ পৰা পানী আহৰণ কৰে। ৩২ শতাংশ গাঁৱলৈ পানীৰ যোগান নাই, তথাপিও ২০০১-২০১১ ৰ দশকত গ্ৰাম্য অনাময় ব্যৱস্থাৰ উন্নতি সাধন হৈছে, খোৱা পানীৰে আবৰা গ্ৰাম্য বসতি ২৪.৩ শতাংশৰ পৰা ৩০.৮ শতাংশলৈ বৃদ্ধি পালে। পানী যোৱা নলাৰ সুবিধা থকা এলেকা ৩৬.৮ শতাংশ ।

গাঁও- নগৰৰ মাজত শিক্ষিতৰ হাৰৰ ব্যৱধান ২০০১ ৰ ২১.১৮ শতাংশৰ পৰা ২০১১ বৰ্ষত ১৬.৩৪ শতাংশলৈ হ্ৰাস পালে। এছ ই চি চি, (Socio- Economic and Caste Census) ২০১১ ৰ প্ৰতিবেদন মতে ভাৰতৰ গ্ৰাম্য অঞ্চলৰ ৩৫.৭ শতাংশ অশিক্ষিত হোৱাৰ লগতে পৰ্যায় অনুসৰি শিক্ষিতৰ হাৰ হ'ল প্ৰাথমিক পৰ্যায়ত ১৭.৭৮ শতাংশ, মাধ্যমিক পৰ্যায়ত ১৩.৫৩ শতাংশ, উচ্চ মাধ্যমিক পৰ্যায়ত ৯.৫৭ শতাংশ আৰু উচ্চতৰ মাধ্যমিকত ৫.৪১ শতাংশৰ বিপৰীতে স্নাতক বা অধিক শিক্ষিতৰ হাৰ ৩.৭১ শতাংশ। আনহাতে এছ ই চি চি ৰ সমীক্ষাতে প্ৰকাশ পাইছে দেশৰ উত্তৰ -পূবৰ ৰাজ্য সমূহৰ অশিক্ষিতৰ হাৰ। শতকৰা হাৰ যথাক্ৰমে অসমৰ ৩০, অৰুণাচল প্ৰদেশৰ ৩৯.৩১, মেঘালয়ৰ ৩৩.৪ , নাগালেণ্ডৰ ২৯.৭৩, মণিপুৰৰ ২৬.৩৬, আৰু মিজোৰামৰ ২৫.৩ শতাংশৰ বিপৰীতে ত্ৰিপুৰাৰ সৰ্বনিম্ন ২২ শতাংশ।

ভাৰতত পূৰ্বৰ তুলনাত গ্ৰাম্য অঞ্চলৰ পৰিয়াল সমূহৰ অৱস্থা ক্ৰমশঃ উন্নতি হৈছে। গ্ৰাম্য উন্নয়ন শিতানত ২০১০-১১ বৰ্ষৰ বাৰ্ষিক বাজেটত ধাৰ্য ধনৰ পৰিমাণ ৬৬,১০০ কোটি টকাৰ পৰা ২০১৫-১৬ বৰ্ষত ৭১,৬৪২ কোটি টকালৈ বৃদ্ধি কৰিছে। বিত্ত মন্ত্ৰীয়ে ভাৰতৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ উদ্দেশ্যে ২০২২ চনটো এটা অমৃত মাহোৎসৱ (Amrut Mahotsav) হ'ব বুলি মত প্ৰকাশ কৰিছে। যিহেতু আগন্তুক আঠ বছৰত ৰাষ্ট্ৰ সৰ্বোচ্চ বিকাশৰ পথত অগ্ৰসৰ হ'ব। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই লক্ষ্যত উপনীত হ'বলৈ কেন্দ্ৰৰ সহযোগত ভাৰতক এটা গোট (Team India) ৰূপে আখ্যা দি আগবাঢ়ি যোৱাৰ আহ্বান জনাইছে। ২০২২ চনলৈ দুই কোটি নগৰীয়া আৰু চাৰি কোটি গ্ৰাম্য বাসিন্দাৰ ঘৰৰ ওপৰত এখন চাল হ'ব ; গ্ৰাম্য অঞ্চলত ২৪ ঘন্টাই বিদ্যুৎ থাকিব, বিশুদ্ধ খোৱা পানী, শৌচাগাৰ, তথা সম্পূৰ্ণ পথেৰে সামৰি ল'ব বুলিও প্ৰধান মন্ত্ৰীয়ে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, এই লক্ষ্যৰ সফলতাৰ কাৰণে বিদ্যুতৰ যোগান,

সংযোগ বিচ্ছিন্ন ১,৭৮,০০০ গাঁৱলৈ পথৰ সংযোগ, স্বাস্থ্য, শিক্ষাৰ সম্প্ৰসাৰণত তেওঁ গুৰুত্ব দিছে। কিন্তু যিয়েই নহওক, গ্ৰাম্য আন্তঃগাঁথনিৰ বিকাশ অবিহনে ৰাষ্ট্ৰ প্ৰগতিৰ পথত অগ্ৰসৰ হোৱাত কঠিন প্ৰত্যাহ্বান আহি পৰিব। গ্ৰাম্য আন্তঃগাঁথনি ৰাষ্ট্ৰীয় প্ৰগতিৰ মুখ্য চালিকা শক্তি।

৩ নং বেটুপাতৰ পৰা

# উপযুক্ত হিতাধিকাৰী

(ক) এটা উপযুক্ত প্ৰশিক্ষণ প্ৰদানকাৰীৰ উপযুক্ত খণ্ডত দক্ষতা বিকাশৰ প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰাৰ্থী তেনে হিতাধিকাৰী হ'ব। (খ) অনুমোদিত নিৰ্দ্ধাৰণকাৰী এজেন্সিৰ দ্বাৰা আঁচনি আৰম্ভ কৰা দিনৰ পৰা এবছৰ কালত তেনে প্ৰাৰ্থীক প্ৰমাণিকৃত কৰা হ'ব লাগিব। (গ) আঁচনিখনৰ চলিত কালছোৱাত পোন প্ৰথম আৰু মাত্ৰ এবাৰহে এই আৰ্থিক সুবিধা লাভ কৰিব পাৰিব।
যি সকলে সফলতাৰে প্ৰশিক্ষণ কাৰ্যসূচী সম্পূৰ্ণ কৰে আৰু নিয়োগ সুবিধাৰ বাবে সন্ধান প্ৰক্ৰিয়া চলাই থাকে তেনে প্ৰশিক্ষাৰ্থীৰ সমৰ্থন প্ৰদানৰ অৰ্থে প্ৰতিপালনমূলক কাৰ্যসূচীৰ দিহা কৰা হ'ব।

# নেশ্বনেল কেৰিয়াৰ চাৰ্ভিছ

যুৱক/যুৱতী সকলৰ আশা-আকাঙ্খ্যাসমূহক বাস্তৱায়িত কৰিবৰ কাৰণে যিবোৰ সা-সুবিধাৰ সৃষ্টি হয় তাৰ সতে সংযোগ সাধন কৰিবলৈ তথা চাকৰিৰ সন্ধানত থকা সকল, চাকৰি যোগান ধৰোঁতাসকল, দক্ষতা বিকাশৰ অৰ্থে সুবিধা আগবঢ়াওঁতাসকল, জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰত পৰামৰ্শদাতা আদিৰ পঞ্জীয়ন ব্যৱস্থা কৰিবলৈ এটা নেশ্বনেল কেৰিয়াৰ চাৰ্ভিছ আৰম্ভ কৰা হৈছে। চাকৰিৰ লগত ৰজিতা খোৱা এই সেৱাই আন অনেক ধৰণৰ সেৱাৰ যোগান ধৰে। দক্ষতা বিকাশ পাঠ্যক্ৰমৰ বিষয়ে সম্ভেদ দিয়ে। ইন্টাৰ্ণশ্বিপ, কেৰিয়াৰ কাউনছেলিং আদিৰ দৰে বিষয়বোৰ সম্পৰ্কেও জানিবলৈ দিয়ে। পোৰ্টেলৰদ্বাৰা যোগান ধৰা সেৱাসমূহৰ ভিতৰত আছেঃ —
▲ নিয়োগ সম্পৰ্কিত সেৱাসমূহ বিচাৰিবৰ কাৰণে প্ৰাৰ্থীসকলৰ অন্‌লাইন পঞ্জীয়ন ব্যৱস্থা। ▲ ব্যৱহাৰ কৰোঁতাসকলৰ বাবে যি কোনো ঠাইৰ পৰা আধাৰ ব্যৱস্থাৰদ্বাৰা নিশ্চিত ডাটাবেচৰ সুবিধা। চাকৰি খালি হোৱা জাননী কিম্বা নিযুক্তি সহ প্ৰতিস্থানসমূহৰ অন্‌লাইন পঞ্জীয়ন। ▲ আবেদনপত্ৰ সমূহৰ ইলেকট্ৰনিক প্ৰচেছিং তথা কামৰ গতিদানৰ স্বয়ংক্ৰিয় ব্যৱস্থাত কম্পিউটাৰকৃত পদ্ধতি।
কেৰিয়াৰ কাউনছেলিং আৰু পৰিচালনা, দক্ষতা বিকাশ পাঠ্যক্ৰম, ইনটাৰ্নশ্বিপ , এপ্ৰেনটিচশ্বিপ আদিৰ প্ৰতি অন্‌লাইন তথ্যপাতিৰ সুচলতা। ▲ চি এছ চি, ই-কিয়স্কৰ দৰে বিভিন্ন বিতৰণ চেনেলেৰে নিয়োগ সম্পৰ্কিত সেৱাসমূহৰ ব্যৱস্থা।▲ এছ এম এছ, ই-মেইল, আই ভি আৰ আদিৰ জৰিয়তে শেহতীয়া তথ্যপাতি, জাননী সম্পৰ্কে সম্ভেদ জনোৱা মূল্য সংযোজিত সেৱাৰ ( ভেল্যু এডেড চাৰ্ভিচেছ) প্ৰাপ্ততা। ▲ প্ৰাৰ্থীসকলক সহায় কৰিবৰ কাৰণে বহু-ভাষিক কল চেন্টাৰ তথা পঞ্জীয়নৰ বিৱৰণ আদিত নতুন তথ্য অন্তৰ্ভুক্তিক বাবে প্ৰতিস্থান। নিয়োগ বিনিময় কেন্দ্ৰসমূহত তথ্যপাতিৰ মজুতকৰণ আৰু সেই বোৰ অন্য কেন্দ্ৰৰ সতে যোগাযোগ। তেনেদৰে জিলা, ৰাজ্য আৰু মন্ত্ৰালয়ৰ সতেও সংযোগ সাধন ব্যৱস্থা। ৰাজ্য চৰকাৰৰ নিয়োগ বিনিময় পৰিসংখ্যাৰ সতে সমন্বিতকৰণ কৰা। নিৰ্মাণ প্ৰতিস্থান তথা উদ্যোগ সংগঠনৰ সতেও ইয়াৰ সংযোগ ব্যৱস্থা। তেনেদৰে শিক্ষা প্ৰতিস্থান, প্ৰশিক্ষণ প্ৰদান কৰোঁতা আৰু পৰীক্ষা অনুস্থিত কৰা সংস্থাবোৰৰ সতেও এনে তথ্যপাতিৰ বিনিময় ব্যৱস্থা। ▲ স্মাৰ্টফোন, লেপটপৰ দৰে পোৰ্টেবল পদ্ধতিসমূহত পোৰ্টেলৰ সুবিধা ; সৰু আই আৰু ৰুবেলাৰ দৰে প্ৰতিৰোধমূলক ৰোগৰ টিকাকৰণৰ ক্ষেত্ৰত পোৰ্টেলত তথ্যপাতিৰ সুচল প্ৰাপ্তিৰ ব্যৱস্থা উল্লেখযোগ্য।

# বঙাইগাঁও জিলাৰ কেইখনমান মনোমোহা বিল

*গায়ত্ৰী চাংকাকতী

জলাহভূমি বা বিলসমূহ হৈছে পক্ষীসমূহৰ বিচৰণৰ বাবে প্ৰখ্যাত আবাসস্থলী। অসমত থকা এই জলাহভূমি বা বিলসমূহলৈ বছৰৰ বিভিন্ন সময়ত নানান প্ৰজাতিৰ দেশী-বিদেশী পৰিভ্ৰমী চৰাইৰ আগমণ হৈ থাকে। অতীজৰে পৰা এনে জলাহভূমি বা বিলসমূহ বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটি, মাছ, সৰীসৃপ আদি প্ৰাণী আৰু জলজ উদ্ভিদ সমূহৰ প্ৰিয় আবাসস্থল হিচাপে পৰিগণিত হৈ আহিছে।

প্ৰকৃতিৰ অনুপম সৃষ্টিৰে পৰিপূৰ্ণ এনে এটা আকৰ্ষণীয় জলাহ অঞ্চল হৈছে — তামৰাঙা বিল। এই বিলখন বঙাইগাঁও জিলাৰ অন্তৰ্গত বিষ্ণুপুৰৰ ওচৰৰ উত্তৰ শালমাৰাত অৱস্থিত। ইয়াৰ উচ্চতা হৈছে (Altitute) ৩৬ এম। নিৰ্মল পানীৰে ভৰা তামৰাঙা বিল প্ৰব্ৰজকাৰী চৰাইৰ বাহিৰেও মাছৰো মনোৰম ক্ষেত্ৰ। এই বিলখনত আবৃত হৈ থকা পানীৰ প্ৰধান উৎস হৈছে — বৰষুণৰ পানী আৰু ওচৰৰ পাহাৰৰ পৰা বৈ অহা জান-জুৰি সমূহৰ পানী। শীতকালত তামৰাঙা বিলৰ পানীৰ গভীৰতা সৰ্বাধিক ৬ এম হয়গৈ।

থলুৱা তথা বিদেশী পক্ষীৰ অনুকূল বিচৰণ ক্ষেত্ৰ তামৰাঙা বিলৰ গছ-গছনি সমূহ সাধাৰণতে পানীত বুৰ গৈ বা ওপঙি থাকে। তামৰাঙা বিলত সাধাৰণতে দেখিবলৈ পোৱা চৰাই সমূহৰ ভিতৰত শৰালি হাঁহ, শিৰ হাঁহ, আমৰলীয়া পাতি হাঁহ, ঘিলা হাঁহ, দীঘল নেজী, ৰঙাডিঙিয়া, পানীডুবা, বৰডুবি, কণামুচৰি, শিলডুবি, মাছৰোকা, তিনিটা প্ৰজাতিৰ পানীকাউৰী ইত্যাদিয়ে প্ৰধান। বছৰৰ ভিন্ন সময়ত আগমণ হৈ থকা এই চৰাই সমূহে পৰ্যটক তথা প্ৰকৃতি প্ৰেমী সকলক বিশেষ ভাৱে আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে।

তামৰাঙা বিল দেশীয় তথা প্ৰব্ৰজনকাৰী পক্ষীৰ বিচৰণ স্থলী হোৱাৰ উপৰিও, ই প্ৰাকৃতিক ভাৱে মাছৰ পোনা গোৰা বৃহত্তম বিল। মূল নদ ব্ৰহ্মপুত্ৰৰ লগত সংলগ্ন তামৰাঙা বিলত বিভিন্ন প্ৰজাতিৰ মাছ সমূহ উজাই আহি, এই বিলতে পোনা জগায়। কিন্তু দুভাৰ্গ্যবশতঃ অত্যধিক মাত্ৰাত মাছ ধৰা কাৰ্য, উপযুক্ত সংৰক্ষণৰ অভাৱ,লীজত দিয়া আদি কাৰ্যকলাপৰ ফলস্বৰূপে মাছসমূহ পৰ্যায়ক্ৰমে বিলুপ্তিৰ পথত অগ্ৰসৰ হ'বলৈ ধৰিছে। বিশেষকৈ লাচিম ভাঙন, ৰৌ, কৰতী আদি মাছ সমূহ ইতিমধ্যে বিলুপ্ত প্ৰায় হৈছে। যাৰ ফলস্বৰূপে তামৰাঙা বিলৰ প্ৰাকৃতিক পৰিবেশৰ লগতে তাত বসবাস কৰা চৰাই-চিৰিকটি, কীট-পতংগ, মাছৰ অস্তিত্ব সংকটাপন্ন হৈ পৰিছে। এনে এটা ভয়াবহ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই স্থানীয় সচেতন লোক, পক্ষীপ্ৰেমী, স্বেচ্ছাসেৱী সংগঠন সমূহে সংৰক্ষণৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি পৰ্যটকৰ উপযোগী কৰি সু-ব্যৱস্থা গঢ়ি তুলিবলৈ চেষ্টা কৰা উচিত।

বঙাইগাঁও জিলাৰ অন্তৰ্গত আন এখন অন্যতম মনোমোহা বিল হৈছে দলনী বিল। ইয়াৰ উচ্চতা (Altitute) হৈছে ২৫ এম। বিভিন্ন প্ৰজাতিৰ দেশী-বিদেশী পক্ষীৰ সময়ে সময়ে এই বিললৈ আগমণ ঘটি থাকে। দলনী বিলৰ পৰিবেষ্টিত পানীৰ প্ৰধান উৎস হৈছে স্থানীয় নদীসমূহ, ওচৰে-পাজৰে থকা পাহাৰৰ নিজৰাৰ পানীবোৰ আৰু বাৰিষা



তামৰাঙা বিলৰ এটা দৃশ্য (ফটো - গায়ত্ৰী চাংকাকতি)

* গায়ত্ৰী চাংকাকতী ইগন'ৰ গণসংযোগ বিভাগৰ ছাত্ৰী আৰু মুক্ত সাংবাদিক

ঘূৰি অহা ব্ৰহ্মপুত্ৰৰ পানী। দলনী বিলৰ পানী নিৰ্মল। চৰাইৰ বাহিৰেও দলনী বিলত মাছৰ বিভিন্ন ধৰণৰ প্ৰজাতি পৰিলক্ষিত হয়।

থলুৱা তথা পৰিভ্ৰমী চৰাইৰ ৰংগক্ষেত্ৰ দলনী বিলত থকা উদ্ভিদ সমূহ পানীত বুৰ গৈ বা ওপঙি থাকে। দলনী বিলত দেখিবলৈ পোৱা বিভিন্ন ধৰণৰ চৰাই সমূহৰ ভিতৰত শৰালি হাঁহ, শিৰ হাঁহ, আমৰলীয়া পাতি হাঁহ, ঘিলা হাঁহ, দীঘল



তামৰাঙা বিলৰ এটা দৃশ্য (ফটো- গায়ত্ৰী চাংকাকতি)

নেজী, ৰঙাডিঙিয়া, পানীডুবা, বৰডুবি, কণামুচৰি, শিলডুবি, মাছৰোকা, তিনিটা প্ৰজাতিৰ পানীকাউৰী ইত্যাদিয়ে প্ৰধান। চৰাইৰ বাহিৰেও দলনী বিলত মাছৰ বহু আপুৰুগীয়া প্ৰজাতি দেখিবলৈ পোৱা যায়। এনে এটা সমৃদ্ধিশালী প্ৰাকৃতিক পৰিবেশৰ সমাহাৰে প্ৰকৃতি প্ৰেমী সকলক বিশেষৰূপত আকৰ্ষণ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে , প্ৰয়োজন আছে কেৱল মাথো সঠিক ৰূপত সজাগ কৰি সংৰক্ষণৰ ব্যৱস্থা কৰাৰ।

বঙাইগাঁও জিলাৰ অন্তৰ্গত অন্য এখন আকৰ্ষনীয় বিল হৈছে— ৰৌমাৰি বিল। ইয়াৰ উচ্চতা (Altitute) হৈছে ৩৬ এম । ইয়াত ভিন্ন প্ৰজাতিৰ চৰাইৰ উপস্থিতি দেখিবলৈ পোৱা যায়। ৰৌমাৰি বিলখন নিৰ্মল জলৰাশিৰে ভৰি আছে। ইয়াত থকা পানীৰো প্ৰধান উৎস সমূহ হৈছে — স্থানীয় বৰযুণ আৰু ওচৰৰ পাহাৰ সমূহৰ পৰা বৈ অহা নিজৰাৰ পানী।

স্থানীয় তথা বিদেশী চৰাই সমূহৰ প্ৰিয় সংগমস্থল হৈছে এই ৰৌমাৰি বিল। চৰাইৰ বাহিৰেও সমান্তৰালকৈ ইয়াত মাছৰ প্ৰাচুৰ্যও দৃষ্টি গোচৰ হয়। ৰৌমাৰি বিলত দেখিবলৈ পোৱা বিভিন্ন ধৰণৰ চৰাই-চিৰিকটিৰ বাবে এই বিলখন পৰ্যটক তথা প্ৰকৃতিপ্ৰেমীৰ আকৰ্ষণৰ এটা উৎকৃষ্ট প্ৰাণকেন্দ্ৰ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

বঙাইগাঁও জিলাৰ অন্তৰ্গত এখন অন্যতম মনোৰঞ্জক বিল হৈছে কয়াকুজীয়া বিল। এই বিলখন বঙাইগাঁৱৰ পৰা ১৫ কিলো মিটাৰ দূৰত্বত অভয়াপুৰীত অৱস্থিত। অসম পৰ্যটন উন্নয়ন নিগমৰ অধীনত কয়া কুজীয়া বিলৰ সকলো উন্নয়ন আৰু সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। এই বিলৰ পানীৰ মাজত এটা সৰু দ্বীপ আছে। দ্বীপটো বিভিন্ন ধৰণৰ ফুলৰ বাগিচাৰে ভৰি আছে ইয়াৰ আন এটি আকৰ্ষণ হৈছে ভিন্নৰঙী পখিলাবোৰ। ফুলৰ বাহিৰেও কয়াকুজীয়া বিলত বিভিন্ন প্ৰজাতিৰ গছ-গছনি আছে। কয়াকুজীয়া বিলত নাৱেৰে ভ্ৰমণ কৰি প্ৰাকৃতিক পৰিবেশ সৌন্দৰ্য উপভোগ কৰাৰ সু-ব্যৱস্থা আছে। কয়াকুজীয়া বিলখন উপযুক্ত পৰিচৰ্যাৰদ্বাৰা সৌন্দৰ্যময়ী কৰি গঢ়ি তোলা হেতুকে দেশীয় তথা বিদেশী পৰ্যটকৰ মাজত অন্য বিলৰ তুলনাত এই বিলখনে অধিক জনপ্ৰিয়তা লাভ কৰিছে। বছৰৰ যিকোনো সময়ত কয়াকুজীয়া বিল চাবলৈ যাব পাৰি।

জিলাখনৰ এই মনোমোহা বিলসমূহে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰি উদ্ভিদ আৰু প্ৰাণীকুলক সুন্দৰ পৰিবেশ উপহাৰ দিয়াৰ উপৰি পৰ্যটক সকলক প্ৰকৃতিৰ অনন্য সোৱাদ দান কৰিছে। ◇

**পয়োভৰা ৰাইজৰ আলোচনী—**

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# পৰিৱেশ অৰ্থনীতিৰ প্ৰয়োজনীয়তা

*** ড° ৰূপজ্যোতি বৰা**

পৰিৱেশ অৰ্থনীতি হৈছে বৰ্তমান সময়ৰ জনসাধাৰণৰ লগত জড়িত এটা বাস্তৱসন্মত বিভাগ। বিভিন্ন বিভাগে বিভিন্ন ধৰণে মানুহক জ্ঞান-বিজ্ঞানৰ প্ৰসাৰতা আনি দিয়ে যদিও অৰ্থবিজ্ঞানৰ বাবে পৰিৱেশ বিজ্ঞানৰ গুৰুত্ব আৰু ইয়াৰ ব্যৱহাৰিক প্ৰয়োগে অধিক বাস্তৱসন্মত আৰু উন্নত ধাৰণা প্ৰদান কৰা দেখিবলৈ পোৱা যায়। বহনযোগ্য উন্নয়ন, জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ, নিৰ্বননিকৰণ সেউজগৃহ গেছ, এচিড বৰষুণ, সম্পদৰ নাটনি, প্ৰদূষণৰ পৰা সৃষ্টি হোৱা বিভিন্ন সমস্যাৱলীৰ লগতে আৰু ইয়াৰ সমাধানৰ পথ, বিভিন্ন পৰিৱেশীয় আইন ইত্যাদিৰ সম্পৰ্কে জনাত পৰিৱেশ অৰ্থবিজ্ঞানে বিশেষভাৱে সহায় কৰিছে। মানুহ আৰু প্ৰকৃতিৰ মাজত এটা নিবিড় সম্পৰ্ক আছে। টমাচ ৰবাৰ্ট মালথাছে তেওঁৰ বিখ্যাত তত্ব 'জনসংখ্যা তত্ব'ত এনেদৰে কৈছিল " জনসংখ্যা বৃদ্ধি হয় জ্যামিতিক অনুপাতত আৰু খাদ্য শস্য বৃদ্ধি হয় গাণিতিক অনুপাতত"। যদিহে খাদ্য শস্য উৎপাদনত উন্নত কাৰিকৰী কৌশল প্ৰয়োগ কৰা নহয় তেন্তে পৃথিৱীত যি সমস্যাৰ সৃষ্টি হ'ব আৰু পৰিৱেশত যি ক্ষতি হ'ব তাক সৰ্বসাধাৰণ লোকৰ মাজত দাঙি ধৰাৰ উদ্দেশ্যেই পৰিৱেশ অৰ্থবিজ্ঞানৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰিছে। আমি ব্যৱহাৰ কৰা সম্পদসমূহ কাৰ্যক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ যাওঁতে এনেদৰে কৰিব লাগিব যাতে ভৱিষ্যতৰ বংশধৰসকলৰ বাবে সম্পদৰ নাটনি নহয়। সম্পদৰ মিতব্যয়ী ব্যৱহাৰ সম্পৰ্কে জ্ঞান প্ৰদান কৰাৰ ক্ষেত্ৰত পৰিৱেশ অৰ্থবিজ্ঞান সম্পূৰ্ণৰূপে কৃতকাৰ্য হৈছে বুলি ক'ব পাৰি।

অৰ্থনীতিবিদসকলে পৰিৱেশ অৰ্থবিজ্ঞানৰ গুৰুত্ব অনুভৱ কৰি বিষয়টোক অৰ্থনীতিৰ এটা নতুন শাখা হিচাপে চিহ্নিত কৰিছে, যাক কোৱা হয় পৰিৱেশ অৰ্থবিজ্ঞান। পৰিৱেশ অৰ্থবিজ্ঞান সম্পৰ্কে পৰিৱেশ আৰু মানৱ সমাজৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক , পৰিৱেশৰ ওপৰত পৰা অৰ্থনীতিৰ প্ৰভাৱ, লগতে আৰ্থিক কাম-কাজসমূহ নিয়ন্ত্ৰণৰ যোগেদি কেনেদৰে ভাৰসাম্য ৰক্ষা কৰিব পাৰি সেই সম্পৰ্কে পৰিৱেশ অৰ্থবিজ্ঞানে বিশদভাৱে আলোচনা কৰে। আৰ্থিক বিধি বা তত্বসমূহ কেনেকৈ প্ৰয়োগ কৰিব পাৰি বা পৰিৱেশ সুৰক্ষাৰ কাৰণে কম ব্যয়বহুল কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰি বা এনে কৰিবলৈ যাওঁতে অৰ্থনীতিৰ কিবা হানি হ'ব নেকি ইত্যাদি বিভিন্ন আৰ্থিক বিশ্লেষণৰ ফলস্বৰূপে পৰিৱেশ অৰ্থবিজ্ঞান নামৰ এটি শাখাই অতি কম দিনৰ ভিতৰতে জনপ্ৰিয়তা লাভ কৰিছে। ভালদৰে অনুধাৱন কৰিলে দেখা পোৱা যায় যে অৰ্থনৈতিক উন্নয়নৰ ধাৰা দ্ৰুতগতিৰে আগবঢ়াই উন্নত দেশৰ লগত ফেৰ মাৰিবলৈ আমি যিমানে ধাৱমান হৈছো সিমানে বিপৰীত দিশৰ উৎপাদন আৰু উপভোগ কাৰ্যই পৰিৱেশৰ গুণাগুণ নিম্নগামী কৰি প্ৰাণী আৰু উদ্ভিদৰ স্বাভাৱিক বিকাশত সমস্যাৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে ভু-গৰ্ভৰ খনিজ তেল জ্বলনৰ ফলস্বৰূপে নিৰ্গত হোৱা কাৰ্বন-ডাই-অক্সাইড,ছালফাৰ-ডাই-অক্সাইডৰ দৰে গেছে বায়ুমণ্ডলৰ তাপমাত্ৰা বৃদ্ধি কৰি মানুহ আৰু প্ৰাণীৰ স্বাভাৱিক বৃদ্ধিত বিঘিনি জন্মাইছে।

পৰিৱেশ আৰু অৰ্থনীতিৰ মাজত এটা নিবিড় সম্পৰ্ক আছে। পৰিৱেশে অৰ্থনীতিৰ লগত জড়িত থকা বিভিন্ন উৎপাদন খণ্ডলৈ কেৱল কেঁচামাল যোগান ধৰিয়েই ক্ষান্ত নাথাকে, উৎপাদনখণ্ডৰ পৰা ওলোৱা অৱশিষ্টকো প্ৰকৃতিয়ে গ্ৰহণ কৰে। অৰ্থনৈতিক বিকাশৰ ফলস্বৰূপে উৎপাদন আৰু উপভোগৰ পৰিমাণ বৃদ্ধিৰ লগে লগে সৃষ্টি হোৱা এই অৱশিষ্টসমূহে পৰিৱেশৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলায়। এনে ঋণাত্মক কাৰকসমূহক চিহ্নিত কৰি প্ৰদূষণ নিৰাময়ৰ বাবে ল'ব লগা ব্যৱস্থাৱলীৰ অধ্যয়নো পৰিৱেশ অৰ্থবিজ্ঞানৰ আলোচনাৰ ভিতৰত পৰে।

প্ৰদূষণৰ বিভিন্ন সমস্যা সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰাত পৰিৱেশ অৰ্থবিজ্ঞানে সহায় কৰিছে। প্ৰদূষণ হ'ল এনে এটা অৱস্থা যাক প্ৰকৃতিয়ে নিজৰ আয়ত্তৰে সহজে হজম কৰিব নোৱাৰে। সেয়ে প্ৰদূষণক অবাঞ্ছিত আৰু অ-গ্ৰহণযোগ্য বুলি কোৱা হয়। যেনে— ডি ডি টি , কীটনাশক দ্ৰব্য, পাৱাৰ লণ, এলুমিনিয়াম, প্লাষ্টিক, ফছফ'ৰাছ্, আয়'ডিন ইত্যাদি অৱনমন নোহোৱা অৱশিষ্টসমূহ পৰিৱেশৰ আন উপাদানৰ লগত মিলি নাযায় বাবেই এই পদাৰ্থবোৰে পৰিৱেশৰ অধিক ক্ষতিসাধন কৰে। ৰাছেল কাৰচনে ছাইলেন্ছ স্প্ৰীং নামৰ গ্ৰন্থখনত ডি ডি টি জাতীয় কীটনাশকৰ পৰা পতংগৰ মৃত্যু হোৱাৰ লগতে পৰিৱেশ আৰু মানৱ জাতিৰ ওপৰত পৰা প্ৰভাৱৰ

* ড° ৰূপজ্যোতি বৰা মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপিকা

বিষয়ে আলোচনা আগবঢ়াইছিল। ১৮৬৪ চনত জৰ্জ পাৰ্কিন মাছে তেওঁৰ বিখ্যাত গ্ৰন্থ "Man and Nature: Physical Geography as modified by Man " ত মানজাতিৰ কাম-কাজে প্ৰকৃতিৰ ওপৰত পেলোৱা বিৰূপ প্ৰভাৱ সম্পৰ্কে আলোচনা আগবঢ়াইছিল।

এখন দেশৰ অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ কৃষি আৰু উদ্যোগ খণ্ডৰ উন্নয়ন বহু পৰিমাণে নিৰ্ভৰ কৰে পৰিৱেশৰ পৰা আহৰণ কৰা সম্পদৰ ওপৰত। বৰ্তমান সময়ত অৰ্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰিবলৈ উচ্চ হাৰত প্ৰাকৃতিক সম্পদ ধ্বংস কৰাৰ বাবেই পৰিৱেশৰ যথেষ্ট অৱনতি ঘটিছে। পৰিৱেশ ধ্বংসৰ হাৰতকৈ পৰিৱেশৰ সম্পদ পুনৰ সৃষ্টি কৰা ক্ষমতা কম-সেই তত্বগধুৰ কথাষাৰ আমি পাহৰি যোৱাটো ভুল হ'ব। পৰিৱেশ অৰ্থবিজ্ঞানৰ অধ্যয়নে কেনেদৰে উন্নয়ন কৰিব পাৰি সেই সম্পৰ্কে সজাগ কৰি তোলাত সহায় কৰে।

প্ৰদূষণক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছে - প্ৰাকৃতিক প্ৰদূষণ আৰু মানৱ সৃষ্ট প্ৰদূষণ। দুয়োবিধ প্ৰদূষণৰ ভিতৰত মানৱ-সৃষ্ট প্ৰদূষণৰ বাবেই গোটেই বিশ্বজুৰি পৰিৱেশ ধ্বংস হৈছে বুলি পৰিৱেশ অৰ্থনীতিবিদসকলে ঠাৱৰ কৰিছে। জনসংখ্যা বৃদ্ধি, দ্ৰুত অৰ্থনৈতিক উন্নয়ন, উচ্চ জীৱন নিৰ্বাহৰ মান, নতুন ভোগ্যদ্ৰব্যৰ উদ্ভাৱন আৰু ব্যৱহাৰ পৰিৱেশ সম্পৰ্কীয় সজাগতাৰ অভাৱ ইত্যাদিয়ে পৰিৱেশৰ বিস্তৰ ক্ষতি সাধন কৰিছে।

উদাহৰণস্বৰূপে উচ্চ জীৱন নিৰ্বাহৰ মান অটুট ৰাখি সকলোৱে ঘৰতে ব্যৱহাৰ কৰা ৰেফ্ৰিজাৰেটৰৰ কথাকে ক'ব পাৰি। ফ্ৰিজৰ পৰা চি এফ চি ক্ল'ৰ'ফ্লৰ কাৰ্বন নিৰ্গত হয়। বিজ্ঞানীসকলে প্ৰমাণ কৰিছে যে ক্ল'ৰ'ফ্লৰ কাৰ্বনৰ এটা কণাই ষ্টেট'স্ফিয়াৰৰ একলাখ অ'জ'নত কণাক ধ্বংস কৰিব পাৰে। যাৰ ফলস্বৰূপে অ'জ'ন স্তৰত সৰু সৰু বিন্ধা সৃষ্টি হোৱাত, সূৰ্যৰ পৰা অহা অতি বেঙুণীয়া ৰশ্মিয়ে জীৱকুল আৰু মানৱদেহত বিভিন্ন প্ৰকাৰে অসুখৰ সৃষ্টি কৰি জীৱকুলৰ বংশ বৃদ্ধিত বাধা প্ৰদান কৰিছে। পৰিৱেশ অৰ্থবিজ্ঞানৰ অধ্যয়নৰ যোগেদি এই ভয়ানক সমস্যাৰ সম্পৰ্কে জানিব পৰা যায়। পৰিৱেশ অৰ্থনীতিবিদসকলে অ'জ'ন স্তৰৰ ক্ষয়ৰ পৰিণতি সম্পৰ্কে বিশ্বজুৰি চিন্তা চৰ্চা আৰম্ভ কৰিছিল।১৯৯৮ চনত পৃথিৱীৰ ৪০ খন দেশে আলোচনা কৰি চি এফ চি নিৰ্গমন ৫০ শতাংশ কমোৱাৰ সিদ্ধান্ত লৈছিল। জীৱজগতৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই অ'জ'ন অৱক্ষয় সমস্যাটোৰ প্ৰতি প্ৰত্যেকজন নাগৰিকেই সচেতন হৈ চি এফ চি নিয়ন্ত্ৰণত মনে-প্ৰাণে ভূমিকা লোৱাটো অতি প্ৰয়োজনীয়।

পৰিৱেশ অৰ্থবিজ্ঞানে প্ৰদূষণ নিয়ন্ত্ৰণত পৰম্পৰাগত পদ্ধতি আৰু বজাৰভিত্তিক পদ্ধতিৰ তুলনামূলক বিশ্লেষণ আগবঢ়াইছে। উল্লেখযোগ্য যে ভাৰতবৰ্ষক পৰিৱেশ প্ৰদূষণৰ ভূ- স্বৰ্গ হিচাপে গণ্য কৰা হৈছে। উন্নয়নশীল দেশবোৰত বহনযোগ্য অৰ্থনৈতিক উন্নয়ন গঢ়ি তুলিবলৈ কেনে পৰিৱেশীয় নীতি প্ৰস্তুত কৰিব লাগে আৰু এনেবোৰ দেশত পৰিৱেশীয় নীতিত কোনবোৰ উপাদানে বেছিকৈ প্ৰাধান্য পোৱা উচিত তাৰ ব্যাখ্যা পৰিৱেশ অৰ্থবিজ্ঞানে আগবঢ়ায়।

সেউজ গৃহৰ প্ৰভাৱ, বিশ্বজনীন উষ্ণতা আদি সকলোৱে সচৰাচৰ ব্যৱহাৰ কৰা শব্দ। পৰিৱেশ অৰ্থবিজ্ঞানৰ অধ্যয়নৰ ভিতৰত পৰে এই বিশ্বজনীন উষ্ণতা বা সেউজ গৃহ গেছৰ প্ৰভাৱ সম্পৰ্কীয় বিষয় বস্তু। কাৰ্বন ডাই অক্সাইড, ক্ল'ৰ'ফ্লৰ' কাৰ্বন, মিথেন, নাইট্ৰাইড অক্সাইড আদিৰ দৰে বিভিন্ন গেছৰ জলীয় বাষ্পই বায়ুমণ্ডলত যি প্ৰক্ৰিয়াৰে উত্তাপ ধৰি ৰাখে তাক সেউজ গৃহ প্ৰক্ৰিয়া আৰু যিবোৰ গেছে উত্তাপটোক ধৰি ৰাখে তাক সেউজ গৃহ গেছ বোলা হয়। এই গেছৰ প্ৰভাৱত খাদ্যশস্যত দেখা দিয়া সমস্যা, সমুদ্ৰপৃষ্ঠৰ তাপ বৃদ্ধি, জলবায়ু পৰিৱৰ্তন ইত্যাদি সম্পৰ্কে পৰিৱেশ অৰ্থবিজ্ঞান অধ্যয়নৰ যোগেদি জানিব পৰা যায়।

উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ অৱনতিৰ লগতে উন্নয়নশীল দেশ হিচাপে ভাৰতৰ পৰিৱেশ অৱনতিৰ বিভিন্ন কাৰকসমূহ চিহ্নিত কৰি কেনেদৰে তাক নিৰাময় কৰিব পৰা যাব সেই সম্পৰ্কে পৰিৱেশ অৰ্থবিজ্ঞানে অধ্যয়ন কৰে। উদাহৰণস্বৰূপে পৰিৱেশ অৱনতিৰ কাৰক হিচাপে চিহ্নিত কৰা ঝুম খেতিৰ পৰিৱৰ্তে ৰবৰ, কফি খেতি কৰাৰ সম্পৰ্কে এই অধ্যয়নৰ যোগেদি জানিব পাৰি ।

জীৱ বৈচিত্ৰ্য তথা উদ্ভিদ আৰু প্ৰাণীৰ মাজত সহ-সম্পৰ্ক ৰক্ষা কৰি অৰ্থনৈতিক উন্নয়ন সাধন কেনেদৰে কৰিব পাৰি সেই সম্পৰ্কে পৰিৱেশীয় অৰ্থবিজ্ঞানে আলোচনা কৰে। উত্তৰ পূৰ্বাঞ্চলত পৰম্পৰাগতভাৱে কৰি অহা ঝুমখেতিৰ ফলত অঞ্চলটোৰ জীৱ বিচিত্ৰতাৰ প্ৰতি ভাবুকি আহি পৰিছে। এনে সন্ধিক্ষণত কেনেদৰে জীৱ বৈচিত্ৰ্য ৰক্ষা কৰিব পৰা যায় তথা উদ্ভিদ আৰু প্ৰাণীৰ মাজত সম্পৰ্ক ৰক্ষা কৰিব পৰা যায়, সেই সম্পৰ্কে জনাত পৰিৱেশ অৰ্থবিজ্ঞান অধ্যয়নে সহায় কৰে।

শক্তি প্ৰকল্প, নদীবান্ধ, কাগজ উদ্যোগ, লো আৰু তীখা কাৰখানা, তেল অনুসন্ধান, ৰাসায়নিক উদ্যোগ, বান নিয়ন্ত্ৰণ প্ৰকল্প ইত্যাদিয়ে পৰিৱেশৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলায়। সেয়ে এনে প্ৰকল্পসমূহ নিৰ্বাচনৰ ক্ষেত্ৰত মানৱ স্বাস্থ্য আৰু বৰ্তমানৰ লগতে ভৱিষ্যতলৈ কৰিব পৰা আঘাতৰ তথ্য চালিজাৰি চাইহে মূল্যাংকণ কৰা প্ৰয়োজন। 'পৰিৱেশ প্ৰভাৱ মূল্যাংকণ' সম্পৰ্কে পৰিৱেশ অৰ্থবিজ্ঞানে এটা সুন্দৰ ধাৰণা প্ৰদান কৰে। প্ৰকল্প নক্সা, স্থানৰ বৈশিষ্ট্য, পৰিৱেশত হ'ব

পৰা সম্ভাব্য প্ৰভাৱৰ তথ্য আৰু সম্পৰ্ক ইত্যাদি প্ৰকল্পৰ মূল্যায়ণ কৰি প্ৰয়োজনীয় সকলো দিশ জনাত পৰিৱেশ অৰ্থবিজ্ঞানে সহায় কৰে।

পৰিৱেশ সংৰক্ষণৰ বাবে অৱলম্বন কৰা নীতি তথা কৌশলসমূহ অৰ্থনৈতিক দিশৰ পৰা কিমানদূৰ কাৰ্যকৰী সেইটো বিচাৰ কৰাটো সাম্প্ৰতিক সময়ত অত্যন্ত জৰুৰী হৈ পৰিছে। প্ৰযুক্তিগত কৌশল আৰু কাৰ্যভিত্তিক কৌশলৰ জৰিয়তে কোনটো ব্যৱহাৰিক দিশত অধিক গুৰুত্বপূৰ্ণ তাক পৰিৱেশীয় অৰ্থবিজ্ঞানে অধ্যয়ন কৰে। অৱশ্যে এইক্ষেত্ৰত পৰিৱেশিক সুৰক্ষা সংস্থাক অধিকাৰ প্ৰদান কৰা হৈছে আৰু সেইমতে সেই মান সকলো প্ৰদূষকে মানি চলিব লাগে। উদাহৰস্বৰূপে - কয়লা ব্যৱহাৰ কৰা শক্তি প্ৰকল্পৰ কথা ক'ব পাৰি। এনেধৰণৰ শক্তি প্ৰকল্পসমূহৰ পৰা ছালফাৰ ডাই অক্সাইড গেছ নিৰ্গত হয়। পৰিৱেশিক সুৰক্ষা সংস্থাই এনে প্ৰকল্পসমূহক স্ক্ৰাবাৰ ব্যৱহাৰ কৰি এনে গেছৰ পৰিমাণ হ্ৰাস কৰিবলৈ পৰামৰ্শ আগবঢ়াই জনসাধাৰণৰ সু-স্বাস্থ্য সুনিশ্চিত কৰা দেখা গৈছে। পৰিৱেশ অৰ্থবিজ্ঞানে এনে ধৰণৰ অধ্যয়নৰদ্বাৰা জনসাধাৰণক পৰিৱেশ মাতৃক অধিক শ্ৰদ্ধা আৰু সেৱা জনাবলৈ অনুপ্ৰাণিত কৰিছে।

উন্নত আৰু উন্নয়নশীল দেশত পৰিৱেশীয় নীতি নিৰ্ধাৰণৰ বেলিকা পাৰ্থক্য থকা দেখিবলৈ পোৱা যায়। উন্নত দেশবোৰে পৰিৱেশ সুৰক্ষাৰ কাৰণে মুঠ ঘৰুৱা উৎপাদনৰ এটা বুজন অংশ নিৰ্ধাৰণ কৰিছে আৰু পৰিৱেশ সংৰক্ষণৰ বাবে উন্নত প্ৰযুক্তি কৌশল প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আনহাতেদি উন্নয়নশীল দেশবোৰত এতিয়া দৰিদ্ৰতা, নিবনুৱা, পুঁজিৰ নাটনি আদি সমস্যা আছে যাৰ বাবে অন্ন, বস্ত্ৰ, বাসস্থানতকৈ পৰিৱেশক দ্বিতীয় স্থানত ৰখা পৰিলক্ষিত হৈছে। সেয়েহে পৰিৱেশ অৰ্থবিজ্ঞানে পৰিৱেশীয় নীতি নিৰ্ধাৰণৰ বেলিকা কেনেধৰণৰ নীতি অনুসৰণ কৰিব লাগিব সেয়া সু-নিৰ্দিষ্ট কৰি দিয়াত জনসাধাৰণত সহায় কৰিছে।

নৱীকৰণযোগ্য আৰু অনৱীকৰণযোগ্য দ্ৰব্যৰ মিতব্যয়ী ব্যৱহাৰৰ লগতে চৰকাৰে কি নীতি গ্ৰহণ কৰিলে ইয়াৰ মাত্ৰাধিক ব্যৱহাৰ ৰোধ কৰিব পৰা যায়, সেয়া পৰিৱেশ অৰ্থবিজ্ঞান অধ্যয়নৰ যোগেদি বিচাৰ কৰা হয়।

১৯৬০ চনত ৰ'নাল্ড ক'ৱাজে তেওঁৰ গ্ৰন্থ 'ডী প্ৰবলেম অৱ ছ'ছিয়েল কষ্ট'ত প্ৰদূষণকাৰী আৰু প্ৰদূষণত আক্ৰান্তসকলৰ মাজৰ সমস্যা কেনেদৰে সমাধান কৰিব পাৰি, সেই সম্পৰ্কে মতামত আগবঢ়াইছে। প্ৰদূষণকাৰী অৰ্থাৎ যিসকলে অধিক লাভৰ আশাত দিনে দিনে উৎপাদন বঢ়াই লাভ সৰ্বাধিক কৰিবলৈ চেষ্টা কৰে সেইসকল, প্ৰদূষণ-আক্ৰান্তসকল, যিসকলে জীৱন কষ্টৰে পাৰ কৰিছে — এই দুয়োপক্ষৰ মাজত সৃষ্টি হোৱা সমস্যা কেনেদৰে সমাধান কৰিব পাৰি তাৰ ব্যাখ্যা ক'ৱাজ তত্ত্বই দাঙি ধৰিছে। ক'ৱাজে মত পোষণ কৰিছে "সম্পত্তিৰ মালিকীস্বত্ব নিৰ্দিষ্ট হ'লে পৰিৱেশৰ উপাদানবোৰ বজাৰ প্ৰক্ৰিয়াৰ অন্তৰ্ভুক্ত হৈ পৰে আৰু এনে অৱস্থাত পুৰস্কাৰ আৰু শাস্তিৰ ব্যৱস্থা কৰি পৰিৱেশৰ অৱনতি নিয়ন্ত্ৰণ কৰিব পাৰি।" পৰিৱেশ অৰ্থবিজ্ঞানৰ অধ্যয়ন অবিহনে এনে তত্ত্বগধুৰ পৰিৱেশীয় প্ৰদূষণ নিয়ন্ত্ৰণ সম্পৰ্কে জানিব পৰা নাযায়।

পৰিৱেশ অৰ্থবিজ্ঞানে বাহ্যিকতা বা তৃতীয়পক্ষৰ প্ৰভাৱ সম্পৰ্কে জনাত সহায় কৰে। কোনো এটা উৎপাদন আৰু উপভোগৰ ফলত তৃতীয় পক্ষৰ ওপৰত যি প্ৰভাৱ পৰে সেয়া হ'ল বাহ্যিকতা। উৎপাদন আৰু উপভোগৰ ফলত সমাজত বা পৰিৱেশত যদি ভাল প্ৰভাৱ পৰে তেতিয়া তাক ধনাত্মক বাহ্যিকতা, আনহাতেদি উৎপাদন আৰু উপভোগৰ ফলত যদি অৰ্থনীতিৰ তৃতীয় পক্ষৰ ওপৰত ঋণাত্মক প্ৰভাৱ পৰে তেতিয়া তাক, পৰিৱেশীয় ঋণাত্মক বাহ্যিকতা বোলে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা ক'ব পাৰি যে, অৰ্থবিজ্ঞানৰ এটা শাখা হিচাপে 'পৰিৱেশীয় অৰ্থবিজ্ঞান'ৰ বিকাশ তথা বিভিন্ন সময় উপযোগী আলোচনা-বিলোচনা, গৱেষণা শুভক্ষণত হোৱা শুভ আলোচনা বুলিব লাগিব। অৰ্থনীতিৰ বিভিন্ন নীতি, তত্ত্ব আৰু সূত্ৰৰ সহায়ত পৰিৱেশীয় অৰ্থবিজ্ঞানৰ বিভিন্ন সমস্যা সমাধান কৰিবলৈ বিচৰা হৈছে। আমেৰিকাৰ এটা গৱেষক গোষ্ঠীয়ে (১৯৫০-৬০ দশকত) চলোৱা গৱেষণা,তথা 'সম্পদ নাটনিৰ সমস্যা'ৰ লগতে বিভিন্ন পৰিৱেশবিদৰ নতুন সংজ্ঞাৰ পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ ফলস্বৰূপে এই বিজ্ঞানে প্ৰসাৰতা লাভ কৰিছে। পৰিৱেশ সুৰক্ষাৰ লগতে পৰিৱেশ সজাগতাক বিশদভাৱে ছাত্ৰ-ছাত্ৰীয়ে যাতে জানিব পাৰে সেই উদ্দেশ্যে স্কুল পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈ পৰিৱেশ অধ্যয়নক পাঠ্যপুথিৰ অন্তৰ্গত কৰা হৈছে আৰু লগতে ৫ জুন তাৰিখে প্ৰত্যেক বছৰত 'পৰিবেশ দিৱস' পালন কৰি জনসাধাৰণৰ মাজত পৰিবেশ সজাগতা বৃদ্ধি কৰিবৰ বাবে চেষ্টা চলোৱা হৈছে। ◇

# আপুনি জানেনে ?

# ই-মন্দি

ই -মন্দি হ'ল অনলাইন ব্যৱস্থাৰ জৰিয়তে ভাল মূল্যত শাক-পাচলি বিক্ৰী কৰিব পৰা এটা বৈদ্যুতিন ব্যৱস্থা। সঠিক অৰ্থত ইয়াক 'মাৰ্কেট প্লেটফৰ্ম ' বুলি ক'ব পাৰি। সমগ্ৰ বিপনন পদ্ধতিত স্বচ্ছতা অব্যাহত ৰাখিবৰ কাৰণে ই খুচুৰা আৰু সমুদায় বিক্ৰেতাসকলক এটা সুবিধাজনক পথৰ যোগান ধৰে। ই-মেইল যোজনাৰ সহায়ত দেশৰ বিধিবদ্ধমূলক বজাৰসমূহক এখন উমৈহতীয়া ই-প্লেটফৰ্মৰ সতে সমন্বিত কৰা হ'ব — যাতে কৃষক আৰু খুচুৰা তথা সমুদায় বিক্ৰেতাৰ দৰে বেপাৰীসকলক কৃষিজাত সামগ্ৰী স্বচ্ছভাৱে সঠিক মূল্যত বিক্ৰী অথবা ক্ৰয় কৰিবৰ কাৰণে সুবিধা প্ৰদান কৰিব পাৰে। এনে ব্যৱস্থাৰ দ্বাৰা বেপাৰীসকলে কৃষকক আভুৱা ভঁৰা সুবিধাৰ পৰা আঁতৰাই আনিব পাৰিব। ইয়াৰ বাহিৰেও ব্যক্তিগতভাৱে নিমজ্জিত বজাৰ সমূহকো ই-প্লেটৰ্ফম ৰ সুচল প্ৰবেশ লাভ কৰিবলৈ দিয়া হ'ব আৰু ইয়াৰ দ্বাৰাই এই ব্যৱস্থাৰ পৰিধি বিস্তৃত হ'ব।

ই-মন্দি ভাৱধাৰাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হয় এই কাৰণেই যে এখন উমৈহতীয়া ই-প্লেটফৰ্মৰ জৰিয়তে দেশৰ কৃষি বজাৰসমূহৰ সমন্বিতকৰণে এটা অতি উপকাৰী কাম কৰিব আৰু সেয়া হ'ল কৃষি বিপণন পদ্ধতিত বৰ্তমানে যিবোৰ প্ৰত্যাহ্বানৰ বিষয় বিৰাজমান হৈ আছে তাক সমাধান কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব। তেনে বিষয়বোৰ হ'ল — ৰাজ্যত গা কৰি উঠা ভিন্ন ধৰণৰ বিপণন ক্ষেত্ৰ আৰু তাকো সুকীয়া এ পি এম চিৰ দ্বাৰা পৰিচালনা কৰা হয় ; মন্দিবোৰৰ মাচুলৰ ক্ষেত্ৰত ভিন্ন কৰ আৰোপ ; ভিন ভিন এ পি এম চিত বেপাৰ কৰিবৰ বাবে ভিন ভিন ধৰণৰ অনুজ্ঞাপত্ৰৰ প্ৰয়োজন ; অনুজ্ঞাপত্ৰ প্ৰদানত বাধা - যিটোৱে একচেটিয়া অৱস্থাৰ পথ প্ৰশস্ত কৰে; নিম্ন মানৰ আন্তঃগাঁথনি ; প্ৰযুক্তিৰ কম ব্যৱহাৰ ; তথ্য-পাতি প্ৰদানৰ ক্ষেত্ৰত অমিল ; উচ্চ স্তৰৰ বজাৰৰ মাচুল ; চাল-চলনত নিয়ন্ত্ৰণ ব্যৱস্থা ইত্যাদি। সেই দেখি কৃষকসকলক ভাল মূল্যৰ সুবিধা প্ৰদান কৰিবৰ বাবে, যোগান ব্যৱস্থাৰ উন্নতি সাধন, ক্ষয়-ক্ষতি হ্ৰাস কৰা আৰু ৰাষ্ট্ৰীয় বজাৰ সৃষ্টি কৰিবৰ অৰ্থে এখন উমৈহতীয়া ই - প্লেটফৰ্মৰ প্ৰয়োজন আছিল।

কৃষি আৰু সহযোগ বিভাগৰদ্বাৰা 'স্মল ফাৰমাৰ্ছ কনছ'ৰটিয়াম'ৰ জৰিয়তে ই-মন্দিসমূহ প্ৰতিষ্ঠা কৰা হ'ব। এখন উমৈহতীয়া ইলেকট্ৰনিক প্লেটফৰ্ম গঢ়ি তুলি এই কাম কৰা হ'ব আৰু ইয়াক সমগ্ৰ দেশখনৰেই বছা বিধিবদ্ধমূলক বজাৰ সমূহত ব্যৱহাৰ কৰা হ'ব। এই আঁচনিখনৰ বাবে ২০০ কোটি টকা আবন্টন কৰা হৈছে। ইয়াৰ ৰূপায়ণ কাল হ'ল ২০১৫-১৬ বৰ্ষৰ পৰা ২০১৭-১৮ বৰ্ষলৈকে। মুঠ ৫৮৫ খন বছা বছা বিধিবদ্ধ বজাৰক ইয়াৰ অধীনত সামৰি লোৱা হ'ব। ২০১৫-১৬ বৰ্ষত ২৫০ খন মন্দিক অন্তৰ্ভুক্ত কৰা হ'ব। তেনেদৰে ২০১৬-১৭ বৰ্ষত ২০০ খন মন্দি আৰু ২০১৭-১৮ বৰ্ষত ১৩৫ খন মন্দিক সামৰি লোৱা হ'ব। কৃষি আৰু সহযোগ বিভাগে কেন্দ্ৰশাসিত ৰাজ্য তথা আন ৰাজ্যসমূহলৈ এই আঁচনিৰ অধীনত বিনামূলীয়া ছফ্‌টৱেৰ সামগ্ৰী যোগান ধৰা কামকো সামৰি ল'ব। এই ব্যৱস্থাত কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা আন্তঃগাঁথনিৰ অৰ্থে প্ৰত্যেক মন্দিৰ বাবে ৩০ লাখ টকা পৰ্যন্ত ৰাজসাহায্য আগবঢ়োৱাৰ ব্যৱস্থা থাকিব।

এই আৰ্হিৰ কাম কৰ্ণাটকত আৰম্ভ হৈছে। দেশৰ কাৰণে ই হ'ল এটা দৃষ্টান্ত স্বৰূপ। উক্ত ৰাজ্যখনত আটাইকেইখন বৃহৎ বজাৰক সামৰি লৈছে। এই সংখ্যা হ'ল ৫৫ । ইয়াত ৱেব-সমৰ্থিত পোৰ্টেল স্থাপন কৰা হৈছে — যাৰদ্বাৰা বিক্ৰীৰ বাবে অহা সকলো উৎপাদনজাত সামগ্ৰীৰ তালিকা ৰেকৰ্ড কৰা হয়। ৰাজ্যখনৰ ৩০,০০০ বণিকৰ প্ৰত্যেককে একো একোটা 'ইউজাৰ নে'ম' তথা 'পাছৱৰ্ড' দিয়া হৈছে। ইয়াৰদ্বাৰা বেংগালুৰুত বহি থকা এজন ব্যৱসায়ীয়ে আন জিলাবোৰত থকা উৎপাদনজাত সামগ্ৰীৰ কিমান সংখ্যক টোপোলা বা বেগ আছে — তাক পৰীক্ষা কৰিবলৈ সমৰ্থবান হয়। দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰি তেনে এজন ব্যৱসায়ীয়ে উক্ত বেগসমূহৰ সন্দৰ্ভত ক্ৰয়ৰ বাবে এটা ধনৰাশিৰ পৰিমাণ দাঙি ধৰে আৰু কৃষকে তেনে ধনৰাশিৰ সৰ্বাধিক মূল্যলৈ চাই তেওঁৰ সামগ্ৰীখিনি দিয়াৰ বিষয়ে মীমাংসা কৰে। এনে মঞ্চই দ্বিপাক্ষিক বাণিজ্য তথা নিৰ্দিষ্ট মূল্য নিৰূপণ কৰাতো সহায় কৰে। তেনে এটা মূল্য হ'ব পাৰে, চৰকাৰে প্ৰদান কৰা নিম্নতম সমৰ্থন মূল্যও। এতিয়ালৈকে কৰ্ণাটকৰ ই-মন্দি পদ্ধতিয়ে যোৱা ১৬ মাহত ৮,৫২১ কোটি টকাৰ ৰাজহ উদ্ৰেক কৰিছে। বাণিজ্য সামগ্ৰীসমূহ হ'ল — ধান, ৰাগি, চীনাবাদাম, মাকৈ, টুৰ ইত্যাদি। এটা বিপণন পদ্ধতি উদ্ভাৱন কৰাৰ দিশত এই ভাৱধাৰাই কাম কৰিছে । তথাপি কৃষকসকলক এই বিষয়ে সজাগ কৰি তোলাৰ কৰ্তব্য হ'ল ৰাজ্যসমূহৰ যাতে এই পদ্ধতিটোৱে উপযুক্ত ভাৱে কাম কৰিব পাৰে আৰু ই-প্লেটফৰ্মৰ ছফ্‌টৱেৰৰ প্ৰয়োগ কৰা সাৰ্থক হ'ব পাৰে।

**(উপ-সম্পাদক বাটিকা চন্দ্ৰৰ দ্বাৰা সম্পাদিত)**

# প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনা

প্ৰধান মন্ত্ৰী কৌশল বিকাশ যোজনা হ'ল ভাৰত চৰকাৰৰ এটাকৌশল প্ৰদান প্ৰশিক্ষণ আঁচনি। ই হ'ল দক্ষতা আহৰণৰ এটা নিশ্চিত ব্যৱস্থা আৰু ফলদায়ক আঁচনি। ভাৰতীয় যুৱকক পৰিণাম ভিত্তিক দক্ষতাৰ প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে আৰু ইয়াৰ দ্বাৰাই নিয়োগ উপযুক্ত কৰি তুলিবলৈ সমৰ্থবান কৰে। স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ প্ৰদান কৰোঁতাসকলৰদ্বাৰা পৰিচালিত দক্ষতা পাঠ্যক্ৰমসমূহত সফলভাৱে প্ৰশিক্ষণ কৰি তাৰ সমুচিত নিৰ্দ্ধাৰণ ক্ৰমে প্ৰমাণিকৃত কৰাৰ পাছত প্ৰশিক্ষাৰ্থীসকলক প্ৰত্যক্ষ লাভজনক হস্তান্তৰৰ জৰিয়তে ধনৰাশিৰে পুৰস্কাৰ প্ৰদান কৰা হ'ব। এই কৌশল বিকাশ যোজনাই ২৪ লাখ লোকক দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰিব। ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ জৰিয়তে আঁচনিখন ৰূপায়িত কৰা হ'ব। প্ৰাক্ শিক্ষণ স্বীকৃত ব্যৱস্থাৰ অধীনত(ৰিকগ্‌নিচন অব প্ৰায়ৰ লাৰ্নিং ) সকলো প্ৰশিক্ষণ আৰু প্ৰমাণিকৰণ (চাৰ্টিফিকেচন ) কাৰ্য নিৰ্দিষ্ট বিকাশ খণ্ডত বিকাশৰ কাৰণে বিশেষভাৱে উন্মেষ সাধন কৰা হ'ব।

## লক্ষ্য

▲ বৰ্ত্তমানে থকা কৰ্মবাহিনীৰ উৎপাদন ক্ষমতা বৃদ্ধি কৰা আৰু দেশৰ আৱশ্যকতালৈ চাই প্ৰশিক্ষণ তথা প্ৰমাণিকৰণ ব্যৱস্থাক যুক্ত কৰা।

▲ দক্ষতাৰ প্ৰশিক্ষণ ল'বৰ কাৰণে যুৱকসকলক উৎসাহিত কৰা। তাৰ বাবে ধনৰাশিৰ পুৰস্কাৰ প্ৰদান ব্যৱস্থা। প্ৰমাণিকৰণ পত্ৰ প্ৰদান প্ৰক্ৰিয়াত উপযুক্ত মানক গুৰুত্ব দিয়া আৰু দক্ষতাৰ স্বীকৃতি প্ৰদানৰ অৰ্থে এটা প্ৰক্ৰিয়া আৰম্ভ কৰা।


▲ অধিকৃত প্ৰতিস্থানসমূহত দক্ষতা বিকাশৰ প্ৰশিক্ষণ গ্ৰহণ কৰা প্ৰাৰ্থীসকলক গড় হিচাপে প্ৰতিজন প্ৰাৰ্থীকেই ৮,০০০ টকাৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

## মূল বৈশিষ্ট্যৰাজি

▲ উদ্যোগে যুগুতাই উলিওৱা মান অনুযায়ী প্ৰশিক্ষণ দিয়া হ'ব।▲ এন এছ ডি চিত পঞ্জীকৃত কৰাৰ পূৰ্বে এন এছ ডি চিৰ প্ৰশিক্ষণৰ অংশীদাৰ সকলে যথোচিত শ্ৰম আৰু কাৰ্য কৰিব লাগিব। চৰকাৰে স্বীকৃতি দিয়া প্ৰশিক্ষণ কেন্দ্ৰ আৰু অন্যান্য প্ৰশিক্ষণ অংশীদাৰসকলক এন এছ ডি চিয়ে জাৰি কৰা নীতি-নিৰ্দেশনাৰ ভিত্তিত এছ এছ চি এ অনুমোদন জনাব। ▲ প্ৰশিক্ষণৰ আলোকপাতৰ ভিতৰত উন্নত পাঠ্যক্ৰম, নৰম বিধৰ দক্ষতা বিষয়ক প্ৰশিক্ষণ, ব্যক্তিগতভাৱে নিজকে সক্ষম কৰি তোলা, পৰিস্কাৰ-পৰিছন্নতা তথা ভাল কাম-কাজৰ বাবে আচৰণগত পৰিবৰ্তন বিষয়কো অন্তৰ্ভুক্ত কৰা হ'ব। ▲ পুৰস্কৃত ধন ঃ এটা খণ্ডৰ ভিতৰত আগবঢ়োৱা বিভিন্ন ভূমিকাৰ বাবে আৰ্থিক পুৰস্কাৰ কাম-কাজত গ্ৰহণ কৰা ভূমিকাৰ স্তৰ অনুযায়ী কম-বেছি হয়। নিৰ্মাণ, প্ৰস্তুত আৰু প্লাম্বিং খণ্ডসমূহত প্ৰশিক্ষণৰ বাবে অধিক উদ্‌গণিৰ ব্যৱস্থা ▲ অধিক বিস্তৃতি সাধন আৰু গৰাকীৰ স্থিতি নিশ্চিত কৰিবলৈ থলুৱা, ৰাজ্যিক, জিলা স্তৰৰ প্ৰশাসন আৰু সাংসদসকলক জড়িতকৰণৰ সতে সজাগতা সৃষ্টি তথা লোকসকলক একত্ৰীকৰণ কৰা কাম-কাজ হাতত লোৱা হ'ব। ▲ ৰাষ্ট্ৰীয় আৰু গোলকীয় মানৰ ওপৰত ভিত্তি কৰি দক্ষতা বিকাশ প্ৰশিক্ষণৰ বাবে তৃতীয় পক্ষৰ পিনৰ পৰা নিৰ্দ্ধাৰণ কৰা হ'ব। পূৰ্বৰ অভিজ্ঞতা কিম্বা দক্ষতা থকা প্ৰশিক্ষাৰ্থীসকলৰো উপযুক্ত নিৰ্দ্ধাৰণ কৰা হ'ব আৰু সেই প্ৰক্ৰিয়া সাধনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থাৰ অৰ্থে আৰ্থিক সমৰ্থন জনোৱা হ'ব। অনানুস্থানিক খণ্ডত কাম কৰা কৰ্মীসকলে অধিকাৰ কৰা দক্ষতাক স্বীকৃতি প্ৰদান কৰা দিশত এয়া হ'ব এটা গুৰুত্বপূৰ্ণ পদক্ষেপ আৰু ই দক্ষতাৰ মান উন্নীতকৰণ প্ৰক্ৰিয়া তথা যথাযথ অৱস্থাত থকা কৰ্মবাহিনীৰ পুনৰ দক্ষতা আহৰণ কৰাত সুবিধা প্ৰদান কৰিব। যিবোৰ কাম-কাজৰ ক্ষেত্ৰত এটা নিৰ্দিষ্ট ধৰণৰ ভূমিকা গ্ৰহণ কৰা প্ৰয়োজন অথবা খণ্ডসমূহত তেনে কৰাৰ আৱশ্যক আছে। তাৰ ওপৰত 'আৰ পি এল'ৰ আলোকপাতৰ বিষয় নিমজ্জিত হ'ব।

**(৫০ নং পৃষ্ঠাত চাওঁক)**

Published on 21August 2015
Post on 24th August 2015 August, 2015 ISSN-0971-8371




মুদ্ৰক আৰু প্ৰকাশক ঃ সাধনা ৰাউত, মূৰব্বী আৰু অতিৰিক্ত সঞ্চালক প্ৰধান, প্ৰকাশন বিভাগ
মুদ্ৰক ঃ আশী পাব্লিশ্বিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিছ, বিবিধা কমপ্লেক্স এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল – ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১
প্ৰধান সম্পাদক ঃ দীপিকা কচ্চল, জ্যেষ্ঠ সম্পাদকঃ অনুপমা দাস